● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

কুৰি বছৰ পাছত আজি আপুনি কৰা কামবোৰতকৈ নকৰা কামবোৰৰ বাবেহে বেছি হতাশ হ'ব।

মাৰ্ক টোৱেইন
*মাৰ্কিন লেখক*



৭ আজিৰে পৰা সংসদ ঘেৰাও কৰিব প্ৰতিবাদকাৰী কৃষকে
১৩ অষ্ট্ৰেলিয়াৰ ব্ৰীছবেনত ২০৩২ৰ অলিম্পিক
৪ বিত্তমন্ত্ৰীৰ বাজেট ভাষণ আৰু বিৰোধীৰ প্ৰতিক্ৰিয়া

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৮২তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৫ শাওণ ১৪২৮ ভাস্কৰাব্দ ২২ জুলাই ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 22 July 2021 মূল্য ঃ ৭.০০ টকা



*লাভলীনালৈ শুভেচ্ছা জ্ঞাপনৰ চাইকেল ৰেলীত অখিল গগৈ।*

গৰু নিবলৈ অসমত প্ৰৱেশ অবৈধভাৱে ■ বিএছএফৰ দ্বাৰা চিনাক্ত

## কমেও সাতটা স্পৰ্শকাতৰ বিঅ'পিৰে বাংলাদেশলৈ চোৰাং গৰু চালান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** অসম চৰকাৰে ৰাজ্যত অব্যাহত থকা গৰুৰ বৃহৎ চোৰাং সৰবৰাহ বন্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰাৰ সময়ত সীমান্ত সুৰক্ষা বাহিনী (বিএছএফ)য়ে ধুবুৰী আৰু পশ্চিমবংগৰ আন্তৰ্জাতিক সীমান্তত কমেও সাতটা স্পৰ্শকাতৰ সীমান্ত চকী (বিঅ'পি) চিনাক্ত কৰিছে। এই চকীবোৰৰ অধীনৰ অঞ্চলৰেই ভাৰতৰ পৰা বাংলাদেশলৈ চোৰাং গৰুৰ সৰবৰাহ অব্যাহত আছে। বিএছএফৰ সূত্ৰই সদৰী কৰা অনুসৰি, পশ্চিমবংগতকৈয়ো অসমত থকা বিঅ'পিকেইটাৰ মাজেৰে অধিক সংখ্যক গৰু বাংলাদেশলৈ প্ৰেৰণ কৰা হয়। আনুমানিক এক পৰিসংখ্যা অনুসৰি বালাংদেশলৈ প্ৰেৰণ কৰা গৰুৰ তিনি চতুৰ্থাংশই অসম সীমান্তৰে যায়।

**সুচল ব্যৱস্থাৰ বাবে পশ্চিমবংগতকৈয়ো অসম অধিক পছন্দ চোৰাং ব্যৱসায়ীৰ**

সেয়েহে পশ্চিমবংগ তথা অন্যান্য ৰাজ্যৰ পৰাও অসমলৈ চোৰাংভাৱে প্ৰেৰণ কৰা হয় গৰু। বিশেষকৈ পশ্চিমবংগৰ বীৰভূমৰ পৰা এনে চোৰাং গৰুৰ সোঁত অব্যাহত আছে অসমলৈ। ধুবুৰীত ১০ পৃষ্ঠাত চাওক

■ সংশোধিত নাগৰিকত্ব আইন ভাৰতীয় মুছলমানৰ বিৰুদ্ধে নহয় ঃ দোহাৰিলে ভগৱতে

অসমৰ বৌদ্ধিক মহলত বাওঁপন্থী-লিবাৰেলৰ আধিপত্য চলিছে, বিকল্প শক্তিৰ প্ৰয়োজন ঃ শৰ্মা

## প্ৰব্ৰজনকাৰীয়ে আধিপত্য বিচাৰিছে



১৯৩০ৰ পৰাই ভাৰতত মুছলমানৰ আধিপত্য বিস্তাৰৰ ষড়যন্ত্ৰ চলি আহিছে ■ নাগৰিকত্ব আইনক লৈ অসমীয়া মানুহ শংকিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** 'স্বাধীনতাৰ পূৰ্বৰে পৰা ভাৰতত মুছলমানৰ সংখ্যা বৃদ্ধিৰ ষড়যন্ত্ৰ চলি আহিছে। দেশত প্ৰভুত্ব স্থাপনেই ইয়াৰ লক্ষ্য। সেই ষড়যন্ত্ৰৰ ফলতে পাকিস্তানৰ সৃষ্টি হয়। ষড়যন্ত্ৰকাৰী ইয়াতকৈ বেছি তেতিয়া সফল নহ'ল যদিও চেষ্টা চলিয়েই আছে। ভাৰতক অন্তৰাত্মাৰে ভাল পোৱাসকলৰ বাবে ষড়যন্ত্ৰকাৰীসকল এতিয়ালৈকে সফল হোৱা নাই।' আজি ইয়াত এই মন্তব্য কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ (আৰএছএছ)ৰ মুৰব্বী (সৰসংঘচালক) মোহন ভগৱতে। বৈচিত্ৰ্যতাৰ মাজত ঐক্য ভাৰতৰ বাহিৰে আন কোনো দেশত পাবলৈ নাই বুলি উল্লেখ কৰি তেওঁ কয়, 'আমাৰ সভ্যতা-সংস্কৃতিৰ বৈচিত্ৰ্যতা চাৰিহেজাৰ ১০ পৃষ্ঠাত চাওক

## এন আই এৰ গোচৰত বিধায়ক অখিল গগৈলৈ জাননী উচ্চ ন্যায়ালয়ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈলৈ জাননী প্ৰেৰণ কৰিলে গুৱাহাটী উচ্চ ন্যায়ালয়ে। যোৱা এক জুলাইত চান্দমাৰি আৰক্ষী থানাৰ গোচৰত এন আই এৰ আদালতে বিধায়ক গগৈক দোষমুক্ত ১০ পৃষ্ঠাত চাওক

■ ওদালগুৰিৰ লালপানী আৰক্ষী চকীত আত্মসমৰ্পণৰ সম্ভাৱনা ■ আৰক্ষী-নিৰাপত্তা বাহিনীৰ ধাৰাবাহিক অভিযানত তীব্ৰ চাপত এনএলএফবি ■ পৰিয়ালৰো হেঁচা দুৰ্ধৰ্ষ উগ্ৰপন্থী নেতাক

# আজি বাথা-বকোৰ পুনৰ আত্মসমৰ্পণ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ স'তে স্বাক্ষৰিত চুক্তি অনুসৰি মূলসুঁতিলৈ উভতি আহিও যোৱা বিটিচি নিৰ্বাচনৰ পাছত পুনৰ নতুন সংগঠন গঠনেৰে হাতত অস্ত্ৰ তুলি লোৱা পূৰ্বৰ এন ডি এফ বিৰ দুই দুৰ্ধৰ্ষ নেতাই শীঘ্ৰে আত্মসমৰ্পণৰ সম্ভাৱনা বৃদ্ধি হৈছে। নেচনেল লিবাৰেছন ফ্ৰন্ট অব বড়োলেণ্ড (এনএলএফবি) নামেৰে নতুন সংগঠনটো গঢ়ি তোলা নেতাদ্বয় হ'ল বিনোদ মুছাহাৰী ওৰফে বাথা আৰু বকো। ভূটানত আশ্ৰয় লৈ এনএলএফবিক সাংগঠনিকভাৱে শক্তিশালী কৰাৰ তৎপৰতা অব্যাহত থকাৰ মাজতে দুৰ্ধৰ্ষ উগ্ৰপন্থী নেতাদ্বয়ে আত্মসমৰ্পণৰ বাবে একপ্ৰকাৰ বাধ্য হোৱাৰ কাৰণ হ'ল আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ ধাৰাবাহিক ব্যাপক অভিযান। তাৰ ফলত তীব্ৰ চাপত পৰিছে বাথা আৰু বকো। ইয়াৰ পৰিণতিতে দুয়োৰে কাইলৈ অথবা দুই-এদিনতে পুনৰ আত্মসমৰ্পণ কৰিব পাৰে বুলি এক বিশেষ সূত্ৰত প্ৰকাশ। এই সন্দৰ্ভত সূত্ৰটোৱে প্ৰকাশ কৰে যে অভিযানৰ তীব্ৰতাৰ বাবে ভূটানৰ সীমাৰ দুই পৃষ্ঠাত চাওক

## বাঘে-ছাগে লগ লাগিলেও বিজেপিক পৰাভূত কৰিব নোৱাৰে

ভৰেশ কলিতাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী,২১ জুলাই ঃ** ৰাজ্যৰ চাৰি বিধানসভা সমষ্টিত অনুষ্ঠিত হ'বলগীয়া উপ-নিৰ্বাচনত বিৰোধীয়ে উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ ১০ পৃষ্ঠাত চাওক



## অলিম্পিকত লাভলীনাৰ সাফল্যৰ আশাৰে শুভাশিস জনাই চাইকেল ৰেলী

■ মুখ্যমন্ত্ৰীসহ শাসক-বিৰোধীৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ এখন ভিতৰুৱা গাঁও বাৰমুখীয়াৰ জীয়ৰী লাভলীনা বৰগোহাঁইৰ টকিঅ' অলিম্পিক যাত্ৰাক লৈ সম্প্ৰতি অসমবাসীৰ মাজত আশা আৰু উৎকন্ঠা বৃদ্ধি পাইছে। তাৰ মাজতে অলিম্পিকত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী মহিলা বক্সাৰ লাভলীনাৰ সমৰ্থনত আজি দিছপুৰৰ লাষ্টগেটৰ পৰা নেহৰু ষ্টেডিয়ামলৈ 'গ' ফৰ গ্ল'ৰী লাভলীনা' শীৰ্ষক এক চাইকেল সমদল উলিওৱা হয় আৰু এই সমদলত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কৃষিমন্ত্ৰী অতুল বৰা, বিৰোধী দলপতি দেবব্ৰত শইকীয়াকে ধৰি বহুসংখ্যক দুই পৃষ্ঠাত চাওক

বৰপেটাৰ শিলাত পক্ষী মৃত্যুৰ তদন্ত ঘোষণা

## শীঘ্ৰে প্ৰতিবেদন দাখিল কৰিবলৈ বনমন্ত্ৰীৰ নিৰ্দেশ বন বিষয়াক

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২১ জুলাই ঃ** যোৱা ১৯ জুলাইত বৰপেটাৰ সমীপৰ শিলাগাঁৱত দুষ্কৃতিকাৰীয়ে শস্যত বিষ মিহলাই বহু বনৰীয়া আৰু পোহনীয়া চৰাই হত্যা কৰা ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত ঘোষণা কৰা হৈছে। ৰাজ্যৰ দুই পৃষ্ঠাত চাওক

■ অখিল গগৈয়ে বাবলুৰ পৰা তিনি কোটি টকা দাবীৰ অভিযোগ

## স্বয়ং আৰক্ষী বিষয়াই ৰক্ষণাবেক্ষণ দি আহিছে চুপাৰি মাফিয়া বাবলুক

**অগ্ৰদূত ব্যুৰ'/বিশেষ সংবাদদাতা**

**বঙাইগাঁও/গোলাঘাট, ২১ জুলাই ঃ** বিগত এটা দশক ধৰি বাৰ্মিজ চুপাৰিৰ চোৰাং আমদানিৰে ব্যৱসায়িক সাম্ৰাজ্য গঢ়ি তোলা গোলাঘাটৰ আধাৰসত্ৰৰ বাসিন্দা আব্দুল হান্নান ওৰফে বাবলু বঙাইগাঁও আৰক্ষীৰ জালত পৰাৰ পাছত ন ন তথ্য পোহৰলৈ আহিছে। ম্যানমাৰ, ইণ্ডোনেছিয়া আদিৰ



পৰা চুপাৰি আমদানিৰ বাবে কোনো চুক্তি ভাৰতৰ নাই। বাবলুৱে নিয়মীয়াকৈ এই দেশকেইখনৰ পৰা গোপনে আৰু জাল নথিৰে চুপাৰি আমদানি কৰি আহিছে। বাৰ্মিজ চুপাৰিক স্থানীয় চুপাৰি বুলি দেখুৱাই ভুৱা চালানেৰে সৰবৰাহ কৰা চুপাৰিৰ মাজত অবৈধ সোণ, ড্ৰাগছ, অস্ত্ৰ-শস্ত্ৰ আদিও সৰবৰাহৰ

দিহিং পাটকাইত সংঘৰ্ষক লৈ সন্দেহ

## চোৰাং কুণ্ডা সৰবৰাহত ব্যৱহৃত হাতীৰ গুলিবিদ্ধ হৈ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ২১ জুলাই ঃ** নৱঘোষিত দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানত অবাধ বনধ্বংস কাৰ্য অব্যাহত ৰখা চোৰাং কাঠ সৰবৰাহকাৰীৰ স'তে বনৰক্ষীৰ সংঘৰ্ষত নিহত ১০ পৃষ্ঠাত চাওক

## আজাৰাত তোলনি বিয়াৰ পৰা শিশুসহ ১১ সংক্ৰমিত

ক'ভিড আক্ৰান্ত হৈয়ে মৃত্যু কন্যাৰ পিতৃৰ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২১ জুলাই ঃ** ক'ভিড-১৯ৰ পৰা বাচি থাকিবলৈ ৰাজ্য চৰকাৰ তথা স্বাস্থ্য বিভাগে জনসাধাৰণক প্ৰতিমুহূৰ্তত সজাগ কৰি আছে। তৎসত্ত্বেও ৰাজ্যৰ একাংশ লোক যে দুই পৃষ্ঠাত চাওক

## ৰাজ্যত পুনৰ মৃতকৰ সংখ্যা ২৫ লৈ বৃদ্ধি, দুই শতাংশৰ ওপৰলৈ উঠিল সংক্ৰমণৰ হাৰ

মহানগৰ-গোলাঘাট-ডিব্ৰুগড়-যোৰহাটত উদ্বেগজনক পৰিস্থিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** ৰাজ্যত আজি পুনৰ বৃদ্ধি পালে ক'ভিড-১৯ত আক্ৰান্ত লোকৰ সংখ্যা। কালি মৃত্যুৰ সংখ্যা ১০ জনলৈ হ্ৰাস পাইছিল যদিও আজি পুনৰ ২৫ জন ক'ভিড আক্ৰান্তই প্ৰাণ হেৰুৱায়। ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি, আজিৰ দিনটোত পৰীক্ষাৰ সংখ্যা কম হোৱা বাবে দৈনিক সংক্ৰমণৰ হাৰ দুই শতাংশৰ ওপৰলৈ উঠে। আজি ৰাজ্যত দুই পৃষ্ঠাত চাওক



*ক'ভিড বিধি অনুসৰণ কৰি ঈদৰ নামাজ, মহানগৰীত বুধবাৰে।*

## মুখ্যমন্ত্ৰীক আপত্তিজনক মন্তব্য কৰি গ্ৰেপ্তাৰ যুৱতী

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী/বাহাৰঘাট/বৰভাগ, ২১ জুলাই ঃ** ঈদৰ দিনাই মুখ্যমন্ত্ৰীৰ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰি গ্ৰেপ্তাৰ হ'ল নলবাৰী জিলাৰ এগৰাকী যুৱতী। ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩৫° | ২৬° |
| দিল্লী | ৩১° | ২৫° |
| কলকাতা | ৩১° | ২৮° |
| মুম্বাই | ৩০° | ২৮° |
| চেন্নাই | ৩৬° | ২৭° |
| বাংগালুৰু | ২৫° | ২০° |
| শ্বিলং | ২২° | ১৯° |

*২১ জুলাই, ২০২১*

গুৰুজনাৰ আদৰ্শৰে অসমীয়া মহাজাতি যুগে যুগে জিলিকি থাকিব

## বটদ্ৰৱা থানৰ মণিকূট, কীৰ্তনঘৰ, নাটঘৰৰ উন্নয়ন কাৰ্য মুকলি মুখ্যমন্ত্ৰীৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**নগাঁও/বটদ্ৰৱা, ২১ জুলাই ঃ** 'গুৰুজনাৰ আদৰ্শৰে অসমীয়া মহাজাতি যুগে যুগে জগত সভাত জিলিকি থাকিব। গৰিমামণ্ডিত ঐতিহ্যৰে উজলি উঠিব বটদ্ৰৱা।' আজি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানত এই মন্তব্য কৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। বটদ্ৰৱা ১০ পৃষ্ঠাত চাওক

■ কৃষি বিশ্ববিদ্যালয়ৰ অনিয়মক লৈ সৰৱ হিন্দু যুৱ-ছাত্ৰ পৰিষদ

## দায়িত্ব লোৱাৰ এবছৰ পূৰ্ণ নৌহওঁতেই দুৰ্নীতিৰ আশ্ৰয় ল'লে উপাচাৰ্যই

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২১ জুলাই ঃ** দুৰ্নীতিৰ ৰম্যভূমিত পৰিণত হোৱা অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° বিদ্যুৎ চন্দন ডেকায়ো প্ৰাক্তন উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱাৰ পথকে অনুসৰণ কৰি আগবাঢ়িবলৈ ওলাইছে বুলি অভিযোগ উত্থাপন কৰিছে হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমে। আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে এই অভিযোগ উত্থাপন কৰি পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বলেন বৈশ্য আৰু সাধাৰণ সম্পাদক মাধৱ দাসে কয় যে অসম কৃষি বিশ্ববিদ্যালয়ৰ মন্দিৰাস্থিত পশুধন গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানীক অবৈধভাৱে নিযুক্তি দিছে অসম কৃষি বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত উপাচাৰ্য ড° ডেকাই। বিবৃতিত বৈশ্য আৰু দাসে কয় যে যোৱা ২০১১ৰ ১৯ আগষ্টত ১০ পৃষ্ঠাত চাওক

## চেঙা তেল





*দেশৰ অৰ্থনীতিও দেখোন আমাৰ বস্তিৰ মদাহীটোৰ দৰে হৈছে! টলং-ভটঙকৈ লুটি খাই পৰিবলৈ ধৰিছে!*

## দেশত দৈনিক সংক্ৰমণ ৪০ শতাংশ বৃদ্ধি, এদিনত মৃত্যু ঘটিল ৩,৯৯৮ জনৰ

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২১ জুলাই ঃ** দেশত দৈনিক সংক্ৰমণ দুদিন পাছত পুনৰ ৪০ হেজাৰৰ অধিক হ'ল। যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৪২ হেজাৰ ১৫ জন লোক। অৰ্থাৎ যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পালে ৪০ শতাংশ। এদিন পূৰ্বে ক'ভিডৰ সংক্ৰমণে ৩০ হেজাৰৰ সীমালৈ নামিছিল। বৰ্তমানলৈকে ভাৰতত মুঠ তিনি কোটি ১২ লাখ ১৬ হেজাৰ ৩৩৭ জন লোক দুই পৃষ্ঠাত চাওক

কেনেকৈ ধৰা পৰিল শিল্পা ছেট্টীৰ স্বামী ৰাজ কুন্দ্ৰা ? ■ প্ৰলোভনেৰে জালত পেলাইছিল বহু অভিনেত্ৰী-মডেলক



## বলিউডৰ অন্ধকাৰ অধ্যায়! তলাবন্ধত ৰমৰমীয়া হ'ল অশ্লীল ছবিৰ ব্যৱসায়

**■ নিউজ ব্যুৰ'**

**মুম্বাই, ২১ জুলাই ঃ** মাত্ৰ ডেৰ বছৰৰ ভিতৰতে পৰ্ণ'গ্ৰাফিক অৰ্থাৎ অশ্লীল ছবি নিৰ্মাণৰ ব্যৱসায়ৰ জৰিয়তে কোটি কোটি টকা উপাৰ্জন কৰিছিল ভাৰতৰ এজন অন্যতম প্ৰতিষ্ঠিত ব্যৱসায়ী ৰাজ কুন্দ্ৰাই। বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী শিল্পা ছেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাক দুদিন পূৰ্বে মুম্বাই আৰক্ষীৰ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই অশ্লীল ছবি নিৰ্মাণ আৰু প্ৰচাৰৰ অভিযোগত গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে চলোৱা প্ৰাৰম্ভিক তদন্তত লাভ কৰা তথ্য অনুসৰি, বিগত কে'বা বছৰ ১০ পৃষ্ঠাত চাওক



# আল্লিয়াত পশু চিকিৎসালয় স্থাপনৰ আহ্বান

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২১ জুলাই ঃ** নলবাৰী জিলাৰ সদৰ বিধানসভা সমষ্টিৰ নলবাৰীৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত আল্লিয়া পশুপালক, কৃষক সমাজ যুগ যুগ ধৰি পশু চিকিৎসাৰ নামত প্ৰতাৰণা হৈ অহা বুলি আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অৰ্জুন দাস আৰু সম্পাদক ধৰ্মেশ্বৰ দাসে অভিযোগ উত্থাপন কৰিছে। বৃহত্তম অঞ্চলটোৰ কৃষক সমাজে বছৰ বছৰ ধৰি নিজৰ গাঁঠিৰ ধন ভাঙি বিভিন্ন জাতৰ কৃষি কৰি আহিছে যদিও কৃষি বিভাগ আৰু পশু চিকিৎসাৰ পৰা বঞ্চিত হৈছে। উল্লেখ্য যে অঞ্চলটোৰ ৯০ শতাংশ লোকে কৃষি আৰু পশুপালন কৰি জীৱন নিৰ্বাহ কৰি আহিছে যদিও স্বাধীনতাৰ ৭৩ বছৰ পাছতো অঞ্চলটোত এখন পশু চিকিৎসালয় স্থাপন নোহোৱা বৃহত্তৰ অঞ্চলটোৰ আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি দল-সংগঠন ক্ষুব্ধ হৈছে। আল্লিয়া অঞ্চলৰ বিশেষকৈ এক আৰু দুই নম্বৰ অৰৰা, বনগাঁও, মাধাপুৰ, ছোটো আল্লিয়া, নমাটি, নাৰায়গাঁও, গৰগৰী, তিনিপুখুৰী, পূব বৰশিৰাল, পানীমাজকুছি আদি গাঁৱৰ পশুপালকসকলে পশু চিকিৎসাৰ বাবে প্ৰতিটো মুহূৰ্ততে হাৰাশাস্তিৰ সন্মুখীন হৈছে। তেওঁলোকে প্ৰতিপালন কৰা গৰু, ম'হ, ছাগলী, হাঁহ-কুকুৰা, গাহৰি, মাছ আদি ৰোগ হ'লে চিকিৎসাৰ অভাৱত মৃত্যু হয়। ইফালে, অঞ্চলটোৰ একাংশ শিক্ষিত নিবনুৱাই চৰকাৰী চাকৰিৰ আশা বাদ দি ব্ৰইলাৰ, গৰু, গাহৰি ফাৰ্ম খুলি আত্মসংস্থাপিত হোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে; কিন্তু এখন উপযুক্ত পশু চিকিৎসালয়ৰ অভাৱত তেওঁলোকে বিভিন্ন সময়ত সমস্যাত পৰি হাবাথুৰি খাবলগীয়া হৈছে। উল্লেখ্য যে সমস্যাৰে ভাৰাক্ৰান্ত আল্লিয়া অঞ্চলটোত এখন স্থানীয় পশু চিকিৎসালয় স্থাপনৰ বাবে জনপ্ৰতিনিধিসকলে আজি পৰ্যন্ত আহৰি নোপোৱাটো দুৰ্ভাগ্যজনক বুলি ৰাইজে মন্তব্য কৰিছে। অঞ্চলটোৰ ৰাইজে কে'বাবাৰো এখন পশু চিকিৎসালয় স্থাপনৰ বাবে গণতান্ত্ৰিকভাৱে আন্দোলন কৰাৰ উপৰি বিভাগক আবেদন-নিবেদন কৰি কোনো সুফল পোৱা নাই। উল্লেখ্য যে তদানীন্তন অগপ চৰকাৰৰ সময়ৰ ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙে অঞ্চলটোৰ পূব বৰশিৰাল গাঁৱক আদৰ্শ গাঁও হিচাপে ঘোষণা কৰি উক্ত অঞ্চলত এখন আদৰ্শ পশু চিকিৎসালয় স্থাপনৰ দিহা কৰিছিল। প্ৰস্তাৱিত ঠাইডোখৰত এটা গৃহৰ ব্যৱস্থা কৰা হৈছিল যদিও সম্প্ৰতি গৃহটো ভাঙি-ছিঙি হাবি-জংঘলে আবৰি ধৰি ভূত বাংলালৈ পৰ্যবসিত হৈছে। সেয়েহে বৃহত্তৰ অঞ্চলটোৰ দল-সংগঠনৰ লগতে আল্লিয়া আঞ্চলিক ছাত্ৰ সন্থা, ঘগ্ৰাপাৰ আঞ্চলিক যুৱ-ছাত্ৰ পৰিষদ, হিন্দু জাগৰণ মঞ্চ ঘগ্ৰাপাৰ আঞ্চলিক সমিতি, আমছুৰ আল্লিয়া আঞ্চলিক সমিতি, আল্লিয়া দুৰ্গা মন্দিৰ সমিতি আদিয়ে আল্লিয়া অঞ্চলত এটি পশু চিকিৎসালয় কেন্দ্ৰ স্থাপনৰ বাবে বিজেপি মিত্ৰজোঁট চৰকাৰৰ লগতে নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক দাবী জনাইছে।

**LOST**

I have lost my B.Sc second semester (arrear) Marksheet bearing Roll: S-16162 No-0063 in the year 2018 Regd. no 260395 year-2016-17.

Chiranjit Roy.

I have lost my HSLC Admit Card, Pass Certificate having Roll N-10, No-86, year-1983.

Hemen Kumar Sarma
S/O- Lt. Ananta Sarma
Khajuabill, Udalguri.

ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ
গুৱাহাটী

ভাৰত চৰকাৰ, বিত্ত মন্ত্ৰণালয়
বিত্তীয় সেৱা বিভাগ (বেংকিং শাখা)
স্বৰ্ণ ভৱন, গৃহ নং-১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ কাষত, জি এছ ৰোড, উলুবাৰী, গুৱাহাটী-৭৮১০০৭

**প্ৰমাণপত্ৰ থকা ঋণীসকললৈ ডিমাণ্ড জাননী**

(আয়কৰ আইন ১৯৬১ৰ ২য় সূচীৰ বিধি ২, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ পুনৰুদ্ধাৰ আইন ১৯৯৩ৰ দফা ২৫ৰ পৰা ২৯ লৈ চাওক)

আৰ চি নং-১৫/২০১৯
আই চি আই চি আই বেংক
ফাঁচী বজাৰ শাখা
— ওৰফে —
শ্ৰীব্ৰজেশ কুমাৰ প্ৰসাদ

প্ৰতি,
শ্ৰীব্ৰজেশ কুমাৰ প্ৰসাদ, পিতা-শম্ভু নাথ প্ৰসাদ, মাৰফৎ/অতনু ভূঞা, ঘৰ নং-২১, ঘৰমৰা সত্ৰ পথ, গীতা মন্দিৰ, ডাক আৰু থানা-নুনমাটি, গুৱাহাটী, অসম-৭৮১০২০

১২,৬২,৮৯০.০৬ (বাৰ লাখ বাষঠি হেজাৰ আঠশ নব্বৈ টকা ছয় পইচা) তলত দিয়া বিৱৰণ অনুসৰি পাব লগা হেতু এল ডি প্ৰিজাইডিং বিষয়াই অ' এ নং ২১৮/২০১৮ গোচৰ অনুসৰি যোৱা ১২-০৬-২০১৯ তাৰিখে এখন পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ জাৰি কৰাটো সত্য।

১। পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ অনুসৰি দিব লগা টকাৰ পৰিমাণ-১১,০৯,৩২৫.৬৬ টকা
ক) ২৫.০৫.২০১৮ৰ পৰা ০৯.০১.২০২০ লৈ বছৰি ১১.৫০% পৰিমাণে সমুদায় সুতৰ পৰিমাণ = ৭৮,৫৬৫.০৬ টকা
খ) খৰচ = ৭৫,০০০.০০ টকা
মুঠ =১২,৬২,৮৯০.৭২ টকা

৩। এই জাননী প্ৰকাশ হোৱাৰ ১৫ দিনৰ ভিতৰত ওপৰত উল্লিখিত ধনৰাশি পৰিশোধ কৰিবলৈ আপোনাক জনোৱা হ'ল। অন্যথা আয়কৰ আইন ১৯৬১ৰ ২য় সূচীৰ বিধি ২, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান ঋণ পুনৰুদ্ধাৰ আইন ১৯৯৩ৰ দফা ২৫ৰ পৰা ২৯ৰ নিয়ম অনুসাৰে পুনৰুদ্ধাৰ কৰিবলৈ ব্যৱস্থা কৰা হ'ব।
৪। ওপৰোক্ত ধনৰাশিৰ উপৰি
(ক) পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ (আৰ চি নং ১৫/২০১৯) জাৰি কৰা দিনৰ পৰা কাৰ্যকৰী হোৱালৈ নিয়ম অনুসাৰে সমুদায় সুত
(খ) ঋণ পুনৰুদ্ধাৰৰ বাবে যাবতীয় খৰচ আদিৰ উপৰি জাননী প্ৰকাশ, চমন জাৰি আদিৰ বাবে হোৱা সমুদায় ব্যয়, আপুনি পৰিশোধ কৰিবলৈ বাধ্য।

২৭ জানুৱাৰী, ২০২১ তাৰিখে মোৰ হাতেৰে ছীল মোহৰ মাৰি প্ৰদান কৰা হ'ল।

(এছ কুমাৰ)
পুনৰুদ্ধাৰকাৰী বিষয়া
ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ
গুৱাহাটী

টোকেন ব্লক ইনষ্ট্ৰুমেণ্ট ইউ এফ এছ বি আইৰে সলনি কৰা

ই-নিবিদা জাননী নং. এছএণ্ডটি/এপিডিজে/১০, দিনাংক ঃ ২০-০৭-২০২১। নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা নিম্নলিখিত কামৰ বাবে ই-নিবিদা আহ্বান কৰা হৈছে। **ই-নিবিদা নং ঃ** এপি-এছটি-১০-২০২১-২২; **কামৰ নাম ঃ** দিনহাটা-বামনহাট শাখাত টোকেন ব্লক ইনষ্ট্ৰুমেণ্ট ইউ এফ এছ বি আইৰে সলনি কৰা আৰু উত্তৰপূব সীমান্ত ৰেলৰেৰ আলিপুৰদুৱাৰ সমণ্ডলৰ ১২টা ষ্টেচনত আৰ্থ লিকেজ ডিটেক্টৰ (ইএলডি)ৰ ব্যৱস্থা কৰা। **বিজ্ঞাপিত নিবিদা মূল্য ঃ** ৭৮,১২,০৮৪.৮৪ টকা। **আমানত ধন ঃ** ১,৫৬,৩০০/- টকা। **নিবিদা দাখিলৰ অন্তিম তাৰিখ আৰু সময়** ১৬-০৮-২০২১ তাৰিখৰ বিয়লি ৩ বজা। **নিবিদা খোলাৰ তাৰিখ আৰু সময়** ১৬-০৮-২০২১ তাৰিখৰ ই-নিবিদা বন্ধৰ পাছত। বিশদ তথ্যৰ বাবে অনুগ্ৰহ কৰি www.ireps.gov.in ত পদাৰ্পণ কৰক।

ডিআৰএম (এছএণ্ডটি), আলিপুৰদুৱাৰ জংচন

উত্তৰপূব সীমান্ত ৰেলৱে
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

**জ্যোতিষ**

১০০% গেৰাণ্টিসহ আপোনাৰ সমস্যা যিমান কঠিন নহওক কিয় বা যিমান জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী।

D. Sarma
M : 80993 36044

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱৰ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

## আজিৰ দিনটো


কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৫ শাওণ বৃহস্পতিবাৰ ২২ জুলাই

**সূৰ্যোদয় ঃ** ঘঃ ৪।৫১।৭, **সূৰ্যাস্ত ঃ** ঘঃ ৬।৭।১৪। **তিথি ঃ** শুক্লা ত্ৰয়োদশী, দং ১৭।৪৮।৩০ ঘঃ, ১১।৫৮।৩১। **নক্ষত্ৰ ঃ** মূলা, দং ২৭।২৯।১১ আঘঃ ৩।৫০।৪৭। **যোগ ঃ** ইন্দ্ৰ, দং ২০।১৫।১৫ ঘঃ ১২।৫৭।১৩। **কৰণ ঃ** তৈতিল। **জন্মত ঃ** ধনুৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱাৰিগণ গন্ধৰ্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি, বিংশোত্তৰী কেতুৰ দশা, আঘঃ ৩।৫০।৪৭ যোৱাত মনুষ্যগণ, অষ্টোত্তৰী বৃহস্পতি, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ, মতান্তৰে সাতদিনীয়া সুভগা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী ঃ** দক্ষিণত, ঘঃ ১১।১৮।৩১ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** শুভ, অমৃতযোগ, দক্ষিণত নাই ঘঃ ১১।১৮।৩১ যোৱাত পাপযোগ দোষ। **শুভকৰ্ম ঃ** হালযাত্ৰা, বীজৰোৱা, বৃক্ষাদিৰোপণ ধানৰোৱা, ধানকটা, ঔষধকৰণ আৰু সেৱন, গছৰোৱা। **ভক্ষাভক্ষ্য ঃ** বেঙেনা, ঘঃ ১১।৫৮।৩১ যোৱাত মাটিমাহ, মাছ-মাংস খোৱা, প্ৰায়শ্চিত্ত হোৱা নিষেধ।

### দিনটোৰ ৰাশিফল

**মেষ ঃ** পঢ়া-শুনাত বেমেজালিৰ সৃষ্টি হ'ব। যাত্ৰা কৰোতে সাৱধান হ'ব। সন্তানৰ স্বাস্থ্য লৈ চিন্তিত। কমলা ৰঙৰ বস্ত্ৰ পৰিধান কৰিব। শুভ ৰং-কমলা।

**বৃষ ঃ** সামাজিক সুনাম হানি হোৱাৰ আশংকা। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কোনো লোকে বিশ্বাসঘা কৰিব পাৰে। প্ৰেমত নতুন প্ৰস্তাৱ আহিব পাৰে। বিদ্যাত শুভ। শুভ ৰং নীলা।

**মিথুন ঃ** সাংস্কৃতিক কামত জড়িতসকল উপকৃত হ'ব। ব্যৱসায়-বাণিজ্যত নতুন প্ৰেৰণা লাভ কৰিব। বিদ্যাত জটিলতা দেখা দিব। সৰু সুৱা ভ্ৰমণ আছে। শুভ ৰং বগা।

**কৰ্কট ঃ** আৰ্থিকত বিশেষ অসুবিধা দেখা নাযায়। প্ৰাপ্য ধন আদায় কৰিব পাৰিব। কৰ্মত সাফল্য আৰু মৰ্যাদা বৃদ্ধি পাব। প্ৰেমত বাধা। শুভ ৰং কমলা।

**সিংহ ঃ** যান-বাহনৰ ব্যৱসায় কৰা সকলৰ অৰ্থ লাভৰ যোগ। পাৰিবাৰিক শুভ। প্ৰিয়জনৰ সান্নিধ্যই উপকৃত কৰিব। বিদ্যাত থকা জটিলতা দূৰ হ'ব। শুভ ৰং ৰঙা।

**কন্যা ঃ** পাৰিবাৰিক দিশত কোনো শুভ কাৰ্য সম্পন্ন হোৱা সম্ভাৱনা আছে। ব্যৱসায়ত বেয়া দেখা নাযায়। বে-চৰকাৰী চাকৰিয়াল সকলে কৰ্মক্ষেত্ৰ শুভত বাধা পাব পাৰে। শুভ ৰং বগা।

**তুলা ঃ** ব্যৱসায়ত আয়ৰ পথ মুকলি হ'ব। পুৱা যাত্ৰা কৰিব পাৰে। আপোনাৰ শুভ ৰং সেউজীয়া। সহযোগী বন্ধুৰ পৰা আনন্দ পাব। শুভ ৰং বগা।

**বৃশ্চিক ঃ** অংশীদাৰী ব্যৱসায়ত উপকৃত হ'ব। স্বামী-স্ত্ৰীৰ মাজত মতানৈক্য। যান-বাহনৰ দ্বাৰা আঘাত পাব পাৰে। গতিকে চাই-চিতি যাত্ৰা কৰিব। শুভ ৰং গুলপীয়া।

**ধনু ঃ** বন্ধুবৰ্গৰ লগত সু-সম্পৰ্ক স্থাপন। ব্যৱসায়ত আয় বৃদ্ধিৰ কাৰকতা। ৰঙা ৰঙৰ ৰুমাল ব্যৱহাৰ কৰিব। পুৱাৰ ভাগত কৰা যাত্ৰা শুভ হ'ব। শুভ ৰং ৰঙা।

**মকৰ ঃ** এই সময়ত লেন-দেনৰ কামত জড়িত নথকাই ভাল। কৰ্মচাৰীসকলৰ বাবে বিশেষ শুভ। বিদ্যাত যোগ বাঢ়িব। প্ৰেমত সমস্যাৰ সন্মুখীন হ'ব। শুভ ৰং ৰঙা।

**কুম্ভ ঃ** ভাই-ভনীৰ পৰা সমাদৰ পাব। দিনটোত ধন কষ্ট পাব পাৰে। প্ৰেমত সতৰ্ক হওক। পুৰণা ব্যাধিয়ে কিছু কষ্ট দিব। বিদ্যাত বাধা। শুভ ৰং ৰঙা।

**মীন ঃ** ধনাগম বৃদ্ধি পাব। বগা ৰঙৰ বস্ত্ৰ পৰিধান কৰিলে দিনটো শুভ হ'ব। যাত্ৰাৰ বাবে শুভ। ৰাতি নিৰামিষ আহাৰ গ্ৰহণ কৰিব। শুভ ৰং বগা।

# ছয়গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু

**ছয়গাঁও, ২১ জুলাই ঃ** কামৰূপ জিলাৰ ছয়গাঁৱৰ বৰুৱাপাৰা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজকৰ্মী ভুৱন চন্দ্ৰ শৰ্মাৰ যোৱা নিশা ১.৫০ বজাত মৃত্যু হয়। ছয়গাঁও অঞ্চলৰ বিহদিয়া প্ৰাথমিক বিদ্যালয়, জাৰাবাৰী প্ৰাথমিক বিদ্যালয় আৰু চণ্ডিকা বালিকা প্ৰাথমিক বিদ্যালয়ত সুখ্যাতিৰে শিক্ষকতা কৰি ২০১৪ত অৱসৰ গ্ৰহণ কৰা শৰ্মা বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ স'তে জড়িত আছিল। চম্পকনগৰ বেউলা ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সম্পাদক, বৰুৱাপাৰা ৰাইজ গয়ৰহৰ প্ৰাক্তন সভাপতি প্ৰয়াত শৰ্মা প্ৰজাপতি ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ লগতো দীৰ্ঘদিন ধৰি জড়িত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ কন্যা, দুই পুত্ৰক এৰি যায়। তেওঁৰ মৃত্যুত বৰুৱাপাৰা ৰাইজ গয়ৰহ, চম্পকনগৰ, বেউলা ৰঙালী বিহু সন্মিলন, প্ৰাথমিক শিক্ষক সন্মিলনী, ছয়গাঁৱৰ বাতৰি কাকত বিতৰক প্ৰতিষ্ঠান আমাৰ এজেন্সীকে ধৰি বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

# অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২১ জুলাই ঃ** চিৰাং জিলাৰ চিদলী আৰক্ষী চকীৰ অন্তৰ্গত কাশীকোটৰা নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰমোদা ৰঞ্জন বৰ্মন (৯৬)ৰ আজি পুৱা পাঁচ বজাত বাৰ্ধক্যজনিত কাৰণত নিজ গৃহতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুজন পুত্ৰ, ছগৰাকী কন্যাক এৰি যায়।

# ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ২১ জুলাই ঃ** দৰং জিলাৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মুছলিমঘোপা গাঁৱৰ ধৰ্মপ্ৰাণা মহিলা, সমাজসেৱিকা, মুছলিমঘোপা গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্যা আছমা খাতুন (৯৫)ৰ আজি পুৱা ৫-১০ বজাত নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ, এগৰাকী কন্যাক এৰি যায়।

## শব্দ-বেহু ঃ ২২ জুলাই ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
১। আনৰ অমংগল কামনা কৰি কোৱা বাক্য, শাও (৪)
৩। যন্ত্ৰ আৰু আনুষংগিক আহিলা-পাতি (৪)
৫। অংশুমান, সূৰ্য্য, বেলি (৪)
৬। ডিঙিত ওলমাই পিন্ধা কাঁচি-জোনৰ আকৃতিৰ সোণৰ অলংকাৰ বিশেষ (২)
৭। এশ হাজাৰ, লাখ, দৃষ্টিপাত (২)
৯। মৈথুন, দেহ-সম্ভোগ, স্বামী (৩)
১১। গছৰ একেবাৰে আগত হোৱা (৪)
১৩। হাই-উৰুমি, অনেক লোকে কৰা চিঞৰ-বাখৰ (২)
১৪। এবিধ ঔষধি গছ, বাম খেতিত হোৱা তিতা বিশেষ (৩)
১৬। ইছলামত অবৈধ বা অপবিত্ৰ কাৰ্য্য (৩)
১৮। প্ৰহাৰৰ প্ৰধান আহিলা হিচাপে ব্যৱহাৰ কৰা বাঁহ বা বেতৰ শকত মাৰি (২)
১৯। মৃতকৰ উদ্দেশ্যে কৰা শ্ৰাদ্ধ আৰু আন আনুষ্ঠানিকতা (৪)
২১। হাবি-জংঘলত উৎপাদিত (৩)
২৩। হাৰমনিয়ামৰ যি অংশত আঙুলি বুলাই শব্দৰ সৃষ্টি কৰিব পাৰি (২)
২৫। সোঁত নথকা, আহল-বহল আৰু দ জলাহভূমি (২)
২৬। মান পোৱা, সম্ভ্ৰান্ত (৪)
২৭। ভৰিৰ গাঁঠিৰ ওপৰৰ আৰু আঠুঁৰ তলৰ অংশটোৰ পিছফালৰ মঙহাল ভাগ (৪)
২৮। টেঙৰালি, দুষ্ট বুদ্ধি, ধূৰ্তালি (৪)

**থিয়কৈ ঃ**
১। অৱহেলা, আদৰ-যত্নৰ অভাৱ, আওকাণ (৪)
২। চাটনি কৰি খোৱা এবিধ সুগন্ধী শাক (৩)
৩। এচলা বাঁহত বহুত খাঁজ কাটি লৈ কড়ি এটাৰে ঘঁহি ঘঁহি বজোৱা বাদ্য বিশেষ (৩)
৪। সাংখ্য দৰ্শনৰ প্ৰৱৰ্তক এজন ঋষি (৩)
৬। আনৰ অনিষ্ট কৰিবলৈ প্ৰয়োগ কৰা মন্ত্ৰ, কাঁড়, শৰ (২)
৮। কাম কৰিবৰ বাবে থকা সামৰ্থ্য, বল, শক্তি (৩)
১০। তাতঁশালৰ এবিধ আহিলা (৩)
১১। ইচলাম সকলৰ ঈশ্বৰ (২)
১২। তেল উলিয়াব পৰা এবিধ সৰু গুটি আৰু গছ (২)
১৫। ৰংচঙীয়া হ'বৰ বাবে কোনো বস্তুৰ ওপৰত সানি দিয়া ৰঙীন বস্তু (৩)
১৬। এবিধ তাচ খেল, য'ত এক হাজাৰ স্ক'ৰ প্ৰথমে স্পৰ্শ কৰাজন বিজয়ী হয় (৩)
১৭। সুৰা, পান কৰিলে ৰাগি লগা পানীয় (২)
১৮। চৰম, আখৈ (২)
২০। গলগ্ৰহ, এৰিবও নোৱৰা ধৰিবও নোৱৰা আপদ (৪)
২১। শক্তি, পৰাক্ৰম, এবিধ খেলনা (২)
২২। পানীত নামি কৰা ধেমালি, জলক্ৰীড়া (৪)
২৪। অৰুণাচল প্ৰদেশৰ এটা জনগোষ্ঠী (৩)
২৫। গৰ্ভপাত, অকালতে মৃত পোৱালি প্ৰসৱ (৩)

উত্তৰ অহা সংখ্যাত

**২১ জুলাই সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ২। কলিমা ৪। মহাজন ৭। গলি ৯। ধাউতি ১০। নাজিৰ ১২। হোৰ ১৩। ফই ১৬। কাচ ১৮। হাল ১৯। কানুন ২১। বাৰুদ ২২। খাজা ২৪। ৰক্তচাপ ২৫। মচলা
**থিয়কৈ ঃ** ১। পৰাগধানী ৩। মাইখানা ৪। মগ ৫। হালি ৬। নতশিৰ ৮। প্ৰতিফল ১১। জিকা ১৪। আচবাব ১৫। হনু ১৭। ৰদ-বদল ১৮। হাতিয়াৰ ২০। নবাগম ২২। খাচা ২৩। জাপ

# গৰু সৰবৰাহ বন্ধ কৰিবলৈ সন্থম ঠেলামৰা আৰক্ষী

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২১ জুলাই ঃ** বিধানসভাত গোসুৰক্ষা বিধেয়কখন উত্থাপন হোৱাৰ পাছতে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে অবৈধভাৱে গৰু সৰবৰাহ বন্ধ কৰিবলৈ তৎপৰ হৈছে আৰক্ষী প্ৰশাসন। একেদৰেই শোণিতপুৰ জিলাৰ ঠেলামৰা অঞ্চলতো গৰুৰ চোৰাং সৰবৰাহ বন্ধ কৰিবলৈ আৰক্ষী-প্ৰশাসন সন্থম হৈছে। অঞ্চলটোত কোনো লোকে যাতে চোৰাং গৰু সৰবৰাহ কৰিব নোৱাৰে তাৰ বাবে ঠেলামৰাৰ ভৰাশিঙৰীৰ ব্ৰহ্মপুত্ৰত আৰক্ষী, অৰ্ধসামৰিক বাহিনীয়ে নাৱেৰে দিনে-নিশাই পহৰা ব্যৱস্থা কৰিছে। উল্লেখ্য যে এই ঠাইৰ পৰাই ব্ৰহ্মপুত্ৰৰ বুকুৰেদি নগাঁও, ধিং, মৈৰাবাৰী, বুঢ়াগাঁৱকে ধৰি চৰ অঞ্চলত নাৱেৰে শ শ গৰু সৰবৰাহ হৈ আহিছে বিগত বহু বছৰৰ পৰাই। শেহতীয়াকৈ চৰকাৰে গৰু ছিণ্ডিকেটৰ বিৰুদ্ধে কঠোৰ হোৱাৰ পাছতেই শোণিতপুৰৰ ঠেলামৰা আৰক্ষীও তৎপৰ হৈছে। ঠেলামৰা আৰক্ষী থানাৰ আৰক্ষী বিষয়া লিটুমণি শৰ্মাৰ নেতৃত্বত আৰক্ষীয়ে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি নাৱেৰে যাতে চোৰাংকৈ গৰু সৰবৰাহ কৰিব নোৱাৰে তাৰ বাবে চোকা দৃষ্টি ৰাখিছে।

# আজাৰাত তোলনি বিয়াৰ পৰা

*এক পৃষ্ঠাৰ পৰা* সামান্যতমো সচেতন হোৱা নাই, তাৰেই চূড়ান্ত নিদৰ্শন পোৱা গ'ল কামৰূপ জিলাৰ আজাৰাত। এখন তোলনি বিয়াৰ পৰা আজাৰাৰ সমীপৰ বঙৰাৰ আমতল গাঁৱত সম্প্ৰতি গণ সংক্ৰমণে দেখা দিছে। আনকি ক'ভিড-১৯ত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে স্বয়ং কইনাৰ পিতৃয়ে। এই ঘটনাই সম্প্ৰতি সমগ্ৰ গাঁওখনতে ত্ৰাসৰ সৃষ্টি কৰিছে।

প্ৰাপ্ত তথ্য অনুসৰি, বঙৰা আমতলৰ নিবাসী শংকৰ তালুকদাৰৰ কন্যা পুষ্পিতা হোৱাত যোৱা ১৮ জুলাইত তেওঁ নিজগৃহতে তোলনি বিয়াৰ আয়োজন কৰে। গাঁওখনৰ সৰহসংখ্যক লোক এই তোলনি বিয়াত উপস্থিত আছিল। ইফালে, বিবাহ অনুষ্ঠানৰ পাছদিনা অৰ্থাৎ ১৯ জুলাইত তালুকদাৰ হঠাৎ অসুস্থ হৈ পৰাত তেওঁক মহানগৰীৰ এখন ব্যক্তিগত হাস্পতালত ভৰ্তি কৰোৱা হয়। উক্ত হাস্পতালতে সম্পন্ন কৰা ক'ভিড পৰীক্ষাত তালুকদাৰ ফলাফল পজিটিভ আহে। আনহাতে, যোৱা নিশা তালুকদাৰৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। এই কথা আজি সদৰী হোৱাৰ লগে লগে বিবাহ অনুষ্ঠানত উপস্থিত থকা লোকসকলৰ মাজত আতংকৰ সৃষ্টি হয়। আজি গাঁওখনৰ শিশু-মহিলাসহ প্ৰায় ৪০জন লোকে ক'ভিড পৰীক্ষা কৰোৱাৰ বাবে আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হয়। তেতিয়াই সম্পন্ন কৰা পৰীক্ষাত চাৰিটি শিশু আৰু সাত গৰাকী মহিলাৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। আক্ৰান্তসকলক স্বাস্থ্য বিভাগে মহানগৰীৰ সৰুসজাই ক'ভিড পৰিচৰ্যা কেন্দ্ৰলৈ প্ৰেৰণ কৰে। প্ৰাপ্ত তথ্য অনুসৰি, উক্ত বিবাহ অনুষ্ঠানত উপস্থিত থকা বহু সংখ্যক লোকে এই পৰ্যন্ত ক'ভিড পৰীক্ষা কৰাবলৈ বাকী আছে। এইসকল লোকে কাইলৈ পৰীক্ষা কৰালে আক্ৰান্তৰ সংখ্যা অধিক বৃদ্ধি হোৱাৰ আশংকা থকা বুলি চিকিৎসালয় সূত্ৰই জনাইছে।

# শীঘ্ৰে প্ৰতিবেদন দাখিল

*এক পৃষ্ঠাৰ পৰা* পৰিৱেশ আৰু বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেন আৰু বন্যপ্ৰাণী শাখাৰ প্ৰধান মুখ্য বন সংৰক্ষকক চৰাই নিধনৰ ঘটনাটোৰ তদন্ত শীঘ্ৰে প্ৰতিবেদন দাখিল কৰিবলৈ আজি নিৰ্দেশ জাৰি কৰে। উল্লেখ্য যে চাঞ্চল্য সৃষ্টি কৰা উক্ত ঘটনাক লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো উদ্বেগ প্ৰকাশ কৰাৰ লগতে বনমন্ত্ৰীক এই ক্ষেত্ৰত সকলো প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। নিৰ্মম এই ঘটনাটোক লৈ বৰপেটাৰোড ৰেঞ্জাৰৰ দ্বাৰা এক গোচৰ ৰুজু কৰা হৈছে। উক্ত গোচৰৰ ভিত্তিত চৰাই হত্যাৰ লগত জড়িতৰ অভিযোগত মান্নান আলী নামৰ এজন লোকক ইতিমধ্যে গ্ৰেপ্তাৰ কৰা হৈছে। আনহাতে, মৃত চৰাইবোৰক মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। উল্লেখ্য যে যোৱা সোমবাৰে শিলাৰ এখন পথাৰত স্থানীয় ৰাইজে বহু ঘনচিৰিকা, কপৌ, পাৰ আদি চৰাই মৰি পৰি থকা প্ৰত্যক্ষ কৰে। তাকে লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। আনকি কে'বাটাও ছাগলীও ঘটনাস্থলীৰ ওচৰত অসুস্থ হৈ পৰে। কোনো লোকে শস্যত তথা পথাৰত বিষ মিহলাই উক্ত কাণ্ড সংঘটিত কৰাৰ সন্দেহ ৰাইজে কৰিছে।

# দেশত দৈনিক সংক্ৰমণ ৪০

*এক পৃষ্ঠাৰ পৰা* ক'ভিড ১৯ত আক্ৰান্ত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা তথ্য অনুসৰি, বিগত ২৪ ঘণ্টাত দেশত প্ৰায় চাৰি হেজাৰ লোকৰ কৰ'নাত মৃত্যু হ'ল। বিগত কে'বাদিন ধৰি ভাৰতত কৰ'নাৰ দৈনিক মৃত্যু ৫০০ৰ আশে-পাশে আছিল। বিগত দুদিনত মৃত্যুৰ সংখ্যা ৫০০ৰ তললৈ নামিছিল। কিন্তু হঠাতে যোৱা ২৪ ঘণ্টাত দেশত কৰ'নাত মৃতকৰ সংখ্যা ৩,৯৯৮ জনলৈ বৃদ্ধি পালে। দৰাচলতে মহাৰাষ্ট্ৰত বিগত এসপ্তাহত ক'ভিডত দৈনিক মৃত্যুৰ সংখ্যা ১৫০ৰ আশে-পাশে আছিল। কিন্তু যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত কৰ'নাত মৃত্যু বৃদ্ধি পালে ৩,৬৫৬ জনলৈ। হঠাতে কেনেকৈ ৰাজ্যখনত এদিনত ইমান বৃহৎসংখ্যক লোকৰ কৰ'নাত মৃত্যু হ'ল? নে পূৰ্বে নথিভুক্ত নোহোৱা ক'ভিডৰ মৃতকৰ নাম ৰাজ্যখনত বিগত ২৪ ঘণ্টাৰ মৃতকৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ মৃতকৰ সংখ্যা ইমান বৃদ্ধি হ'ল সেয়া এতিয়াও স্পষ্ট হোৱা নাই। মহাৰাষ্ট্ৰত এদিনতে কৰ'নাত মৃতকৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত দেশৰ দৈনিক মৃত্যুৰ সংখ্যাও যথেষ্ট বৃদ্ধি পালে। অৱশ্যে পূৰ্বেও বিভিন্ন ৰাজ্যই ক'ভিডত আগেয়ে নথিভুক্ত নকৰা মৃত্যুৰ ঘটনা নতুনকৈ তালিকাভুক্ত কৰাৰ ফলত দেশত কৰ'নাত মৃতকৰ সংখ্যা বৃদ্ধি পাইছিল। মহাৰাষ্ট্ৰৰ বাহিৰে কেৰালাত যোৱা ২৪ ঘণ্টাত কৰ'নাত মৃত্যু হ'ল ১০০ ৰো অধিক ৰোগীৰ। দেশৰ অন্যান্য ৰাজ্যসমূহত কৰ'নাৰ দৈনিক মৃত্যু ৫০ জনৰ তলত আছে।

# ড্ৰাগছ-গাঞ্জাসহ গ্ৰেপ্তাৰ দুই

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ জুলাই ঃ** হোজাইৰ মোৰাঝাৰ আৰক্ষী থানাৰ অধীনস্থ পিৰ বজাৰত আৰক্ষীয়ে অভিযান চলাই আজি দুই ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তদুপৰি আৰক্ষীয়ে জব্দ কৰে বৃহৎ পৰিমাণৰ নিষিদ্ধ নিচাযুক্ত সামগ্ৰী। আৰক্ষী সূত্ৰে উল্লেখ কৰা মতে আজি দিনৰ এক বজাত আৰক্ষীয়ে পিৰ বজাৰৰ বাসিন্দা ৰাজুউদ্দিন নামৰ লোকজনৰ দোকানত অভিযান চলাই উদ্ধাৰ কৰে ডেৰ কিলোগ্ৰাম গাঞ্জা আৰু ড্ৰাগছ ভৰ্তি চাৰিটা কণ্টেইনাৰৰ লগতে শতাধিক খালী কণ্টেইনাৰ। ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে ৰাজুউদ্দিন (২৮) আৰু বাচিদ আহমেদ (১৮) নামৰ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

# আজি বাথা-বকোৰ পুনৰ

*এক পৃষ্ঠাৰ পৰা* ভিতৰতো এনএলএফবিৰ সদস্যসকলে আত্মগোপন কৰি থকাটো সম্ভৱ হৈ থকা নাই। সদস্যসকলে সন্মুখীন হোৱা এই জটিলতাৰ বাবে তেওঁলোকক নেতৃত্ব দিয়া নেতাদ্বয়ো জটিল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে ক্ষেত্ৰত যুদ্ধবিৰতিৰ বাবে বিকল্প তেওঁলোকৰ হাতত নোহোৱা হৈছে। সূত্ৰটোৱে কয়, 'এতিয়া কেৱল পৰিৱেশ আৰু পৰিস্থিতিৰ ওপৰতে নিৰ্ভৰ কৰিব। সকলো ঠিকে থাকিলে কাইলৈয়ে বাথা, বকোৰ লগতে নৱগঠিত এনএলএফবিৰ একাংশ শীৰ্ষ নেতাই ওদালগুৰিৰ অসম-অৰুণাচল সীমান্তৱৰ্তী চিকাৰীভাট্টাগাঁও লালপানী আৰক্ষী চকীত আত্মসমৰ্পণ কৰিব পাৰে।' এই সম্পৰ্কত যোগাযোগ কৰাত বিটিএডিৰ আৰক্ষী মহাপৰিদৰ্শক ড° এল আৰ বিষ্ণুয়ে কয় যে এনএলএফবিৰ বিৰুদ্ধে তেওঁলোকৰ ধাৰাবাহিক অভিযান অব্যাহত আছে। তাৰ ফলত কোনোবাই যদি মূলসুঁতিলৈ উভতি আহিব বিচাৰে আহিব পাৰে; কিন্তু কোনে কেতিয়া ক'ত উভতি আহিব সেয়া এতিয়ালৈকে ক'ব পৰা অৱস্থাত নাই। আনহাতে, অসম আৰক্ষীৰে এক সূত্ৰই কয় যে এনএলএফবিৰ সদস্যসকলক মূলসুঁতিলৈ অনাৰ প্ৰক্ৰিয়া অব্যাহত আছে।

উল্লেখ্য যে যোৱা ১৪ মাৰ্চত এনডিএফবিৰ প্ৰাক্তন নেতা বাথাই এনএলএফবি গঠনৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল। সংগঠনৰ সদস্যৰূপে আছে এনডিএফবিৰে একাংশ। গতিকে সেইসকলৰ তথ্য আৰক্ষীৰ হাতত পূৰ্বৰে পৰা মজুত আছিল। তাৰ ফলত আৰক্ষীৰ বাবে সংগঠনটোৰ ওপৰত চাপ বৃদ্ধি পৰে। নৱগঠিত সংগঠনটোৰ মূলসুঁতিলৈ উভতি অহাত কোনো তৃতীয় পক্ষৰ ভূমিকা নাই বুলি সূত্ৰত প্ৰকাশ।

# ৰাজ্যত পুনৰ মৃতকৰ সংখ্যা ২৫

*এক পৃষ্ঠাৰ পৰা* ৭৪ হেজাৰ ১১৪ জনৰ শৰীৰত ক'ভিডৰ পৰীক্ষা কৰা হয়। ইয়াৰে এহেজাৰ ৫৪৭ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। আজিৰ সংক্ৰমণৰ হাৰ হৈছে ২.০৯ শতাংশ। ইফালে, আজিৰ দিনটোত ৰাজ্যত দুহেজাৰ ৪২৬ জন ৰোগীক সুস্থ ঘোষণা কৰা হয়। সম্প্ৰতি ৰাজ্যত ১৫ হেজাৰ ৩৪৬ জন সক্ৰিয় ৰোগী আছে।

ইফালে, আজিৰ দিনটোত কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ১৯৩ জন ক'ভিড ৰোগী চিনাক্ত হয়। ইয়াৰ উপৰি গোলাঘাটত ১৪৭, ডিব্ৰুগড়ত ১৩৯ আৰু যোৰহাট জিলাত ১১৫ জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। আজিৰ দিনটোত ডিব্ৰুগড়, গোলাঘাট, শোণিতপুৰত তিনিজনকৈ, যোৰহাট, কামৰূপ গ্ৰাম্য, কৰিমগঞ্জ, কোকৰাঝাৰ, লখিমপুৰ, শিৱসাগৰত দুজনকৈ তথা বৰপেটা, দৰং, হোজাই আৰু এজনকৈ লোকৰ মৃত্যু হয়।

### ডিব্ৰুগড়ত শতাধিক আক্ৰান্ত ঃ তিনিজনৰ মৃত্যু

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড় জিলাত ক'ভিড পৰিস্থিতি এতিয়াও উদ্বেগজনক অৱস্থাত আছে। আজি জিলাখনত নতুনকৈ ১১৩ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। জিলাখনৰ তলাবন্ধত কিছু শিথিলতা আনিলেও বিগত কিছুদিনত ক্ৰমাগতভাৱে শতাধিক লোক আক্ৰান্ত হৈছিল। এই পৰ্যন্ত ক'ভিডৰ দ্বিতীয় লহৰত জিলাখনত ২২ হেজাৰ ১১৯ জন লোক আক্ৰান্ত হৈছে। সম্প্ৰতি জিলাখনত এহেজাৰ ১৩ জন সক্ৰিয় ৰোগী আছে। ইফালে, আজি জিলাখনত তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। ফলত ডিব্ৰুগড়ত ক'ভিডত মৃত্যু হোৱা লোকৰ সংখ্যা ৩১৩ জনলৈ বৃদ্ধি পালে।

### শোণিতপুৰত তিনিজনৰ মৃত্যু ঃ শিশুসহ আক্ৰান্ত ৭৩

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হয়। অৱশ্যে ইয়াৰে দুজন লোকৰ তথ্যহে এই পৰ্যন্ত পোৱা গৈছে। এই মৃত ৰোগী দুজন হৈছে মিছামাৰী গৰুবন্ধাৰ গহীন গগৈ (৮৫) আৰু ঢেকীয়াজুলিৰ ছফিৰাণী কৰ (৬৫)। আনহাতে, শোণিতপুৰত আজি পাঁচটি শিশুসহ মুঠ ৭৩ জন ক'ভিড ৰোগী চিনাক্ত হয়।

### মৰাণত ১৬ জন আক্ৰান্ত

**মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ** ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত আজি ১৬ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে খোৱাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত ১১ জন আৰু পাটসাঁকো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত পাঁচজন ৰোগী চিনাক্ত হয়।

### গোৱালপাৰাত ৩৫ জন সুস্থ

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত শেহতীয়াকৈ ক'ভিড পৰিস্থিতি যথেষ্ট পৰিমাণে উন্নত হোৱা পৰিলক্ষিত হৈছে। আজি জিলাখনৰ ৩৫ জন ৰোগীক সুস্থ ঘোষণা কৰা হয়। আনহাতে, জিলাখনত আজি নতুনকৈ ১১ জন লোকৰ শৰীৰত ক'ভিড চিনাক্ত হয়। সম্প্ৰতি গোৱালপাৰাত ২২৩ জন সক্ৰিয় ৰোগী আছে।

### আজাৰাত ১৭ জন আক্ৰান্ত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজি ২১০ জন লোকৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰে চাৰি শিশুসহ ১৭ জনৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। সকলোকে বিভিন্ন ক'ভিড পৰিচৰ্যা কেন্দ্ৰলৈ প্ৰেৰণ কৰা হৈছে।

# অলিম্পিকত লাভলীনাৰ সাফল্যৰ আশাৰে শুভাশিস

*এক পৃষ্ঠাৰ পৰা* মন্ত্ৰী-বিধায়ক, শিল্পী, খেলুৱৈ আদিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে অহা ২৪ জুলাই পৰা অলিম্পিকত বক্সিং খেলৰ প্ৰথম ৰাউণ্ড আৰম্ভ হ'ব আৰু ৬৯ কিলোগ্ৰাম শাখাত প্ৰথম ৰাউণ্ডত মুঠ ৩২ খন খেল অনুষ্ঠিত হ'ব। ইয়াৰে লাভলীনাই অংশগ্ৰহণ কৰিবলগীয়া এই ৬৯ কিলোগ্ৰাম শাখাত বিশ্বৰ মুঠ ৬৪ গৰাকী বক্সাৰে অংশগ্ৰহণ কৰিব। এই ক্ষেত্ৰত অসম কন্যা তথা অৰ্জুন বঁটা বিজয়ী লাভলীনাই কেতিয়া অংশগ্ৰহণ কৰিব ইয়াৰ সময়সূচী কাইলৈহে প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। সমান্তৰালভাৱে টকিঅ' অলিম্পিকত এইবাৰ দেশৰ হৈ অভিলেখ সংখ্যক নগৰাকী বক্সাৰে অংশগ্ৰহণ কৰিব আৰু ইয়াৰ চাৰিগৰাকী মহিলা। এই বক্সাৰ দলত আছে সাম্প্ৰতিক সময়ৰ বিশ্ব বক্সিঙৰ তাৰকা মেৰী কম (৫১ কিলোগ্ৰাম শাখাত), অসম কন্যা লাভলীনা বৰগোহাঁই (৬৯ কিলোগ্ৰাম শাখাত), ছিমৰণজিৎ কৌৰ (৬০ কিলোগ্ৰাম শাখাত) আৰু পূজা ৰাণী (৭০ কিলোগ্ৰাম শাখাত)। উল্লেখ্য যে মেৰী কমে এয়া তেওঁৰ অন্তিম অলিম্পিক বুলি ঘোষণা কৰাৰ বিপৰীতে লাভলীনাসহ আন দুই মহিলা বক্সাৰে প্ৰথমবাৰলৈ অলিম্পিকত অংশগ্ৰহণ কৰিব। সেয়ে মেৰী কমৰ সমান্তৰালভাৱে প্ৰথমবাৰলৈ অলিম্পিকত অংশগ্ৰহণ কৰা আন তিনি মহিলা বক্সাৰৰ প্ৰতিভা আৰু সফলতাসমূহ প্ৰত্যক্ষ কৰি পদক জয়ৰ আশাৰে চাৰিওগৰাকী মহিলা বক্সাৰক লৈ দেশবাসীৰ মাজত উৎকণ্ঠা বৃদ্ধি পাইছে।

কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ ফলত ৰাজ্যৰ এখন ভিতৰুৱা গাঁৱৰ পৰা দেশৰ ক্ৰীড়া ক্ষেত্ৰত জিলিকি উঠা অৰ্জুন বঁটা বিজয়ী লাভলীনা বৰগোহাঁইৰ অলিম্পিক যাত্ৰাক লৈ ৰাজ্যবাসীৰ মাজতো আশা-উৎকণ্ঠা দুগুণে বৃদ্ধি পাইছে। গৃহ মহকুমা ধনশিৰিৰ সমান্তৰালভাৱে ৰাজ্যৰ বহু স্থানত লাভলীনাৰ সমৰ্থনত তথা উছাহ-উদ্দীপনা যোগোৱাৰ লক্ষ্যৰে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমতো খেলুৱৈগৰাকীৰ অলিম্পিক যাত্ৰাক লৈ ব্যাপক প্ৰচাৰ আৰম্ভ হৈছে আৰু সকলোৱে শুভাশিস জ্ঞাপন কৰিছে। অসম বিধানসভাইও শেহতীয়াকৈ উদীয়মান খেলুৱৈগৰাকীৰ আগন্তুক যাত্ৰাক লৈ শুভেচ্ছা জ্ঞাপন কৰি 'গ' ফৰ গ্ল'ৰী লাভলীনা' শীৰ্ষক এক শ্ল'গান মুকলি কৰি খেলুৱৈগৰাকীক উৎসাহিত কৰিবলৈ সকলোকে আহ্বান জনাইছে। সেই শ্ল'গানৰ আধাৰতে আজি সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ উদ্যোগত মহানগৰীত উলিওৱা এক চাইকেল সমদল মুখ্যমন্ত্ৰী ড° শৰ্মাই মুকলি কৰি লাভলীনাক শুভেচ্ছা জ্ঞাপন কৰে। উল্লেখ্য যে অসম বিধানসভাৰ শাসক-বিৰোধীৰ অধিকাংশ সদস্যই আজি এই চাইকেল সমদলত অংশগ্ৰহণ কৰি খেলুৱৈগৰাকীৰ উছাহ-উদ্দীপনা দুগুণে বৃদ্ধি কৰাৰ প্ৰয়াস চলায়।

ইফালে, আজি পুৱা ৭-৪৫ত দিছপুৰৰ লাষ্টগেটৰ পৰা আৰম্ভ হোৱা 'গ' ফৰ গ্ল'ৰী লাভলীনা' শীৰ্ষক চাইকেল সমদল মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই লাভলীনাক উৎসাহিত আৰু অনুপ্ৰাণিত কৰিবলৈ ৰাজ্যবাসীক আগুৱাই আহিবলৈ আহ্বান জনায়। এই কাৰ্যসূচীৰ উদ্যোক্তা সৰুপথাৰ সমষ্টিৰ বিধায়ক ফুকনক শলাগ লৈ মুখ্যমন্ত্ৰীজনে কয় যে ৰাজ্যৰ ক্ৰীড়া ইতিহাসত অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা লাভলীনাই হৈছে অসমৰ প্ৰথমগৰাকী মহিলা ক্ৰীড়াবিদ। শিৱ থাপাৰ পাছত অলিম্পিকত অংশ লোৱা লাভলীনা অসমৰ দ্বিতীয়গৰাকী বক্সাৰ বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই মত ব্যক্ত কৰি খেলুৱৈগৰাকীলৈ শুভাশিস জ্ঞাপন কৰিব বক্সিং ৰিঙত উচ্চমানৰ প্ৰদৰ্শনেৰে দেশলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা ব্যক্ত কৰে। সমান্তৰালভাৱে বিধানসভাৰ অধ্যক্ষ দৈমাৰী, কৃষিমন্ত্ৰী বৰা, বিৰোধী দলপতি শইকীয়া, ক্ৰীড়ামন্ত্ৰী বিমল বৰা, নিৰ্দলীয় বিধায়ক অখিল গগৈ আদিয়ে সংবাদ মাধ্যমৰ জৰিয়তে খেলুৱৈগৰাকীক শুভেচ্ছা জনায়। উল্লেখ্য যে লাভলীনাক ক্ৰীড়া জগতলৈ উলিয়াই অনা প্ৰশিক্ষক পদুম বড়োক আজি মুখ্যমন্ত্ৰীয়ে প্ৰশংসা কৰাৰ লগতে লাভলীনাৰ পিতৃ টিকেন বৰগোহাঁইক সম্বৰ্ধনা জ্ঞাপন কৰে। বৰগোহাঁয়ে এনেধৰণৰ পদক্ষেপে নৱ-প্ৰজন্মক উৎসাহিত কৰিব বুলি মত ব্যক্ত কৰে।

### ১২৬ টা সমষ্টিতে নিৰ্মাণ হ'ব একোখনকৈ ষ্টেডিয়াম ঃ ঘোষণা মুখ্যমন্ত্ৰীৰ

ৰাজ্যৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকশিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ প্ৰতিটো বিধানসভা সমষ্টিত একোখনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই 'গ' ফৰ গ্ল'ৰী লাভলীনা' শীৰ্ষক চাইকেল সমদলত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। সমষ্টিসমূহত মুঠ ১২৬ খন ষ্টেডিয়াম নিৰ্মাণ কৰা উপৰি প্ৰতিখন জিলাত একোখনকৈ ডাঙৰ ষ্টেডিয়াম নিৰ্মাণ হ'ব বুলিও দোহাৰি তেওঁ চৰকাৰে ক্ৰীড়া ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত কয় যে চৰকাৰে ক্ৰীড়া পেঞ্চন আঠ হেজাৰৰ পৰা ১০ হেজাৰলৈ বৃদ্ধি কৰিছে। নেচনেল গেমছ, ছাৰ্ক, কমনৱেলথ, এছিয়ান গেমছ, অলিম্পিকত যিয়েই পদক জয় কৰিব তেওঁক চাকৰি দিয়াৰ কথা ইতিমধ্যে ঘোষণা কৰা হৈছে। সমষ্টিসমূহত প্ৰশিক্ষণ কেন্দ্ৰৰ সংখ্যাও বৃদ্ধি কৰাৰ পোষকতা কৰি লাহে লাহে অসমত বহু লাভলীনা-হিমা-শিৱৰ জন্ম হ'ব বুলি আশা ব্যক্ত কৰে।

### গোলাঘাটৰ ক্ৰীড়া মহলত নাই উৎসুকতা ঃ মহকুমা প্ৰশাসনৰ উদ্যোগতো চাইকেল সমদল

**কমাৰবন্ধাৰ ক্ৰীড়া বাৰ্তা ঃ** দেশজুৰি চৰ্চিত উদীয়মান বক্সাৰ লাভলীনাক উছাহ-উদ্দীপনা দিবলৈ যিটো সময়ত বিভিন্নজনে নানা পদক্ষেপ গ্ৰহণ কৰিছে, সেই সময়ত গৃহ জিলা গোলাঘাট ক্ৰীড়া সন্থাই এই ক্ষেত্ৰত কোনোধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় বক্সাগৰাকীৰ মনোবল বৃদ্ধি কৰাৰ লক্ষ্যৰে আজি ধনশিৰি মহকুমা প্ৰশাসনৰ উদ্যোগত 'গ' ফৰ গ্ল'ৰী লাভলীনা' শীৰ্ষক শ্ল'গানেৰে সৰুপথাৰৰ পৰা বৰপথাৰৰ লাভলীনাৰ বাসগৃহলৈ এক চাইকেল সমদল উলিওৱা হয়। এই ক্ষেত্ৰত মহকুমা ক্ৰীড়া সন্থাই ব্যাপক তৎপৰতা গ্ৰহণ কৰিছে যদিও গোলাঘাট জিলা ক্ৰীড়া সন্থাই কেৱল গুৱাহাটীৰ পৰা প্ৰেৰণ কৰা কেইখনমান বেনাৰ লগায়ে দায়িত্ব সামৰা বুলি অভিযোগ উঠিছে। যিটো সময়ত ৰাজ্যবাসীয়ে লাভলীনাক শুভেচ্ছা আৰু আশীৰ্বাদেৰে উপচাই পেলাইছে সেই সময়ত কাৰ্যসূচীতো বাদেই জিলা ক্ৰীড়া সন্থাৰ তৰফৰ পৰা এটা উৎসাহমূলক বাৰ্তা প্ৰেৰণ কৰিবলৈ সময় ওলোৱা নাই বুলি বিভিন্নজনে সমালোচনা কৰিছে।

### নলবাৰী ৰাইজেও লাভলীনাক জনাইছে শুভেচ্ছা ঃ যুৱ-ছাত্ৰৰ উদ্যোগত লাভলীনাৰ হৰ্ডিঙেৰে ভৰি পৰিছে চহৰ

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** অলিম্পিকত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা অৰ্জন কৰা ৰাজ্যৰ প্ৰথমগৰাকী মহিলা ক্ৰীড়াবিদ লাভলীনা বৰগোহাঁইৰ আগন্তুক যাত্ৰাৰ বাবে নলবাৰীবাসীয়েও জনাইছে অলেখ শুভেচ্ছা। মাত্ৰ কেইঘণ্টামানৰ পাছতে টকিঅ' অলিম্পিকৰ ৰিঙত জঁপিয়াই পৰিবলগীয়া অসম তনয়া লাভলীনাক লৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰীটো উৎকণ্ঠা দুগুণে বৃদ্ধি পাইছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ উদ্যোগত সমগ্ৰ চহৰখনত সম্প্ৰতি এক ক্ৰীড়ামুখৰ পৰিৱেশ গঢ়ি তুলি লাভলীনালৈ অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখ্য যে নলবাৰীৰ ঐতিহ্যমণ্ডিত গৰ্ডন হাইস্কুল খেলপথাৰ, নলবাৰী নাট্য মন্দিৰৰ সন্মুখকে ধৰি বিভিন্ন স্থানত শুভেচ্ছা জনাই পৰিষদৰ উদ্যোগত লাভলীনাৰ প্ৰতিচ্ছবি সম্বলিত হৰ্ডিঙেৰে ভৰি পৰিছে। জিলাখনৰ যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা যোগেশ কলিতা, সাধাৰণ সম্পাদক কৌশিক বৰ্মন, ক্ৰীড়া সম্পাদক অনিমেশ বৰ্মন আদিয়ে উদীয়মান খেলুৱৈগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ জুলাই, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## আন্তঃজিলা যাতায়াত বন্ধত গোলাঘাট, নুমলীগড়ৰ পৰা যোৰহাটলৈ বালিৰ গাড়ী

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২১ জুলাই ঃ** ক'ভিড-১৯ সংক্ৰমণৰ বাবে সমগ্ৰ ৰাজ্যত আন্তঃজিলা যাতায়াত বন্ধ থকাৰ সুৰুঙা লৈ নিশা ১০ বজাৰ পাছত দৈনিক যোৰহাট জিলাত প্ৰৱেশ কৰে বালিভৰ্তি ট্ৰাক। গোলাঘাট আৰু নুমলীগড়ৰ পৰা বৃহৎসংখ্যক ডাম্পাৰ গাড়ীৰ প্ৰৱেশ অগা-পিছাকৈ নিয়মীয়াভাৱে চলি আছে। ট্ৰাকবোৰত কড়িয়াই অনা কানাই ঘাটৰ বালি যোৰহাট জিলাৰ উপ-কণ্ঠৰ অঞ্চলবোৰত পৰে। বালিভৰ্তি ট্ৰাকবোৰ চৰকাৰী ৰাজহ ফাঁকিৰে চলি থকাৰ অভিযোগ উত্থাপন হৈছে। নিশা ১০ বজাৰ আগে আগে বালিভৰ্তি ট্ৰাকবোৰ যোৰহাট জিলাৰ সিপাৰে থকা ছয় পৃষ্ঠাত চাওক

অভিযুক্তই ধৰ্ষণৰ পাছত হত্যাৰ অভিযোগ ভুক্তভোগী মাতৃৰ

## শালবাৰীত কিশোৰীৰ ৰহস্যজনৰ মৃত্যুৰ ঘটনাত মহাকক আটক

**অগ্ৰদূত বাৰ্তা**



**শালবাৰী, ২১ জুলাই ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ আওহাটাত এগৰাকী কিশোৰীৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই আজি নতুন পাক লয়। কিশোৰীগৰাকীক হত্যাৰ অভিযোগত আজি শালবাৰী আৰক্ষীয়ে তেওঁৰ মহাকক আটক কৰে। মৃত কিশোৰীগৰাকীৰ এজাহাৰৰ ভিত্তিতে আজি আৰক্ষীয়ে অভিযুক্ত মহাকক নিজগৃহৰ পৰা আটক কৰি সম্প্ৰতি জেৰা অব্যাহত ৰাখিছে। অভিযুক্ত মহাকেই কিশোৰীগৰাকীক ধৰ্ষণৰ পাছত হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী মাতৃয়ে। উল্লেখ্য যে যোৱা ১৯ জুলাইত শান্তি মন্দিৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ দশম শ্ৰেণীত পঢ়ি থকা এগৰাকী কিশোৰীৰ মৃতদেহ এটা সৰু সুঁতিৰ পানীত উপঙি থকা অৱস্থাত উদ্ধাৰ হৈছিল। কিশোৰীগৰাকীৰ মাতৃ ধৰিত্ৰী নাথে শালবাৰী আৰক্ষী থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰিছে যে যোৱা ১৮ জুলাইৰ বিয়লি তেওঁৰ কিশোৰী কন্যাক ঘৰত ছয় পৃষ্ঠাত চাওক

## ঘৰে ঘৰে গৈ কৰ'না সজাগতা অভিযান যোৰহাট জিলা প্ৰশাসনৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২১ জুলাই ঃ** বহুদিন তলাবন্ধৰৰণ কবলত থকাৰ পাছতো যোৰহাটত ক'ভিডৰ সংক্ৰমণ হ্ৰাস নোপোৱাত শেহতীয়াকৈ জিলা প্ৰশাসনে বিভিন্ন ঠাইত কৰ'না সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিছে। যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত ১৯-২০ জুলাইত ৩৫ নম্বৰ পটীয়া ফকলা গাঁও পঞ্চায়ত আৰু ৩৬ নম্বৰ নাওবৈচা ছয় পৃষ্ঠাত চাওক

## তেজপুৰ-খাৰুপেটীয়া-মঙলদৈ-ছিপাঝাৰ-আজ্ঞাঠুৰি-গুৱাহাটী সংযোগী নতুন ৰেলপথ নিৰ্মাণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২১ জুলাই ঃ** শোণিতপুৰ আৰু দৰং জিলাৰ মাজেৰে নতুন ৰেলপথ নিৰ্মাণৰ কাৰণে ৰাইজে দাবী জনাই আহিছে যদিও এই দাবী সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ তথা ৰেল বিভাগে গুৰুত্ব নিদিয়াত ৰেলপথ নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবী পৰি থাকিল। এই দাবী সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰাত সচেতন ৰাইজে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। উল্লেখ্য যে তেজপুৰ-গুৱাহাটী সংযোগ কৰি এটা নতুন ৰেলপথ নিৰ্মাণৰ দাবীত ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চই কেন্দ্ৰীয় চৰকাৰৰ ৰেলমন্ত্ৰী আৰু ৰেল ব'ৰ্ডৰ বিষয়াবৰ্গৰ ওচৰত আবেদন-নিবেদন জনোৱাৰ লগতে বিভিন্ন আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। ২০১৮ত ঢেকিয়াজুলি মহকুমা নাগৰিক মঞ্চৰ বিষয়ববীয়াসকলে নতুন দিল্লীত কেন্দ্ৰীয় ৰেলমন্ত্ৰীৰ লগতে ৰেল ব'ৰ্ডৰ অধ্যক্ষ আৰু বিষয়াবৰ্গক সাক্ষাৎ কৰি এই নতুন ৰেলপথ নিৰ্মাণৰ দাবী জনাই স্মাৰকপত্ৰ প্ৰদান কৰিছিল। নাগৰিক মঞ্চই অসমৰ সাংসদসকলকো স্মাৰকপত্ৰ প্ৰদান কৰিছিল; কিন্তু এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰ তথা ৰেল বিভাগে এই নতুন ৰেলপথ নিৰ্মাণৰ বাবে তৎপৰতা দেখুওৱা নাই। এই প্ৰস্তাৱিত ৰেলপথ নিৰ্মাণ হ'লে শোণিতপুৰ, ওদালগুৰি আৰু দৰং জিলাৰ জনসাধাৰণৰ যাতায়াত ব্যৱস্থা অধিক সুচল হ'ব। এই ৰেলপথ নিৰ্মাণ হ'লে শোণিতপুৰ, ওদালগুৰি আৰু দৰং জিলাৰ ২০ লক্ষাধিক জনসাধাৰণ উপকৃত হ'ব। এই ৰেলপথ নিৰ্মাণৰ লগে লগে দৰং জিলাও ৰেল মানচিত্ৰত সোমাব। এই নতুন ৰেলপথ নিৰ্মাণৰ দাবীত ঢেকীয়াজুলি মহকুমা নাগৰিক মঞ্চ পুনৰ সৰৱ ছয় পৃষ্ঠাত চাওক

## উদ্যোগমন্ত্ৰীৰ মন্তব্যৰ প্ৰতিবাদত আজি জিলাই জিলাই প্ৰতিবাদ

# সমস্যা সমাধানত ব্যৰ্থ চাহ ব'ৰ্ড

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২১ জুলাই ঃ** ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ কোনো সমস্যা নাই বুলি উদ্যোগমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কৰা মন্তব্য আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ভাৰতীয় চাহ ব'ৰ্ডৰ চূড়ান্ত ব্যৰ্থতাৰ প্ৰতিবাদত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ আহ্বানমৰ্মে কাইলৈ জিলাই জিলাই ক্ষুদ্ৰ চাহ খেতিয়কসকলে প্ৰতিবাদ সাব্যস্ত কৰিব। সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত জিলা সমিতিসমূহৰ উপস্থিতিত কালি অনুষ্ঠিত এক বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত বৈঠকত সমগ্ৰ অসমতে কেঁচাপাতৰ মূল্য অস্বাভাৱিক হাৰত হ্ৰাস পোৱাৰ সন্দৰ্ভত আলোচনা কৰি ভাৰতীয় চাহ ব'ৰ্ডে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যা সমাধানত কোনো ব্যৱস্থা গ্ৰহণ কৰিব নোৱৰাত সভাই বিষোদগাৰ প্ৰকাশ কৰে। ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলক এশ-এবুৰি সমস্যাই আগুৰি ধৰাৰ পাছতো ৰাজ্যখনৰ গ্ৰাম্য অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই সমস্যাসমূহ সমাধানৰ বাবে দায়িত্ব দিয়া ভাৰতীয় চাহ ব'ৰ্ডে কোনোদিনেই ক্ষুদ্ৰ চাহ খেতিয়কৰ সমস্যা সমাধান কৰিব নোৱাৰিলে। ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সমস্যাসমূহ সমস্যা হৈয়েই থাকি গ'ল। তাৰ পাছতো ৰাজ্যৰ এগৰাকী দায়িত্বশীল মন্ত্ৰীৰ এনে উদ্ভট মন্তব্য কেতিয়াও ছয় পৃষ্ঠাত চাওক



শাওণৰ পথাৰত পানীৰ অভাৱত কৃষকৰ হাহাকাৰ, ঠেলামাৰাত বুধবাৰে।

## গোসাঁইগাঁৱত ক'লা কাপোৰ পৰিহিত ছদ্মবেশীৰ আতংক ঃ শংকিত ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২১ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ বিভিন্ন প্ৰান্তত ক'লা কাপোৰ পৰিহিত ছদ্মবেশী অচিনাক্ত ব্যক্তিৰ বিচৰণ আৰু ব্যক্তি বিশেষৰ ওপৰত উক্ত ছদ্মবেশধাৰী ব্যক্তিৰ আক্ৰমণৰ উৰা বাতৰিয়ে সমগ্ৰ মহকুমাটোৰ জনসাধাৰণৰ মাজত আতংকৰ সৃষ্টি কৰিছে। বিশেষকৈ মহকুমাটোৰ গ্ৰামাঞ্চলত এই ছদ্মবেশধাৰী ব্যক্তিৰ আক্ৰমণ চলাৰ বাতৰি মানুহৰ মুখ বাগৰাৰ ফলত বিশেষকৈ গ্ৰামাঞ্চলৰ জনসাধাৰণ শংকতি হৈছে। ক'লা বস্ত্ৰৰে সমগ্ৰ দেশ আবৃত্ত এই অচিনাক্ত ছয় পৃষ্ঠাত চাওক

## ধিং পৌৰসভাৰ আঁচনিয়ে ঢুকি পোৱা নাই ৰত্নগৰৰ বিষ্ণু ৰাভা পথক



### বছৰে জ্বলা নাই ষ্ট্ৰীট লাইট

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ জুলাই ঃ** ১৯৭২তেই গঠন হৈছিল ধিং নগৰ সমিতি। আনহাতে, ১০ বছৰ পূৰ্বে ধিং নগৰ সমিতিক পৌৰসভালৈ উন্নীত কৰা হয়। ধিং নগাঁও জিলাৰ এখন অতি পুৰণা ছয় পৃষ্ঠাত চাওক

## গোৰেশ্বৰত পাৰিবাৰিক কাজিয়াৰ পৰিণতিত হত্যাকাণ্ড

### আনক বচাবলৈ গৈ শিৰচ্ছেদ হ'ল এজনৰ

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ২১ জুলাই ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বত আজি আনক ৰক্ষা কৰিবলৈ গৈ এজন লোকে প্ৰাণ দিবলগীয়া ঘটনা সংঘটিত হয়। এক পাৰিবাৰিক কাজিয়াত মধ্যস্থতা কৰিবলৈ যোৱা এজন লোকক আন এজনে দাৰে ঘপিয়াই শিৰচ্ছেদ কৰে। আজি বিয়লি এই ঘটনা সংঘটিত হয় গোৰেশ্বৰ আৰক্ষী থানাৰ অন্তৰ্গত পূব ৰামগাঁৱত। আৰক্ষী সূত্ৰই জনোৱা মতে, পূব ৰামগাঁৱৰ বিবেকানন্দ নমঃদাস নামৰ লোকজনে একে গাঁৱৰে সম্পৰ্কীয় শ্ৰীনন্দ নমঃদাস (৩২)ক ডিঙি কাটি হত্যা কৰে। প্ৰাপ্ত তথ্য অনুসৰি, আজি বিয়লি প্ৰায় ৪-৩০ বজাত বিবেকানন্দই ছয় পৃষ্ঠাত চাওক

## এএমচিত কিশোৰীৰ পেটৰ পৰা উলিয়ালে ৩০ কিলো ওজনৰ টিউমাৰ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ২১ জুলাই ঃ** ক'ভিডৰ বিৰুদ্ধে যুঁজ দিয়াৰ সমান্তৰালভাৱে এই মহামাৰীৰ সময়ত চিকিৎসা ক্ষেত্ৰত এটাৰ পাছত আন এটা সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ে। এইবাৰ এগৰাকী ১৬ বছৰীয়া কিশোৰীক সফলতাৰে এক জটিল অস্ত্ৰোপচাৰ কৰি শৰীৰৰ পৰা উলিয়ালে ৩০ কেজি ওজনৰ এটা অ'ভাৰিয়ান টিউমাৰ। অসম চিকিৎসা মহাবিদ্যালয়ৰ স্ত্ৰীৰোগ বিভাগৰ অধ্যাপক ডাঃ ৰমেশ সোণোৱালৰ তত্ত্বাৱধানত কে'বাজনীয়া চিকিৎসকৰ এটা দলে সফলতাৰে সম্পন্ন কৰে অ'ভাৰিয়ান টিউমাৰৰ অস্ত্ৰোপচাৰ। অসম চিকিৎসা মহাবিদ্যালয়ৰ ইতিহাসত প্ৰথমবাৰৰ বাবে বৃহৎ ওজনৰ টিউমাৰ সফলতাৰে অস্ত্ৰোপচাৰ সম্পন্ন কৰাটো আছিল চিকিৎসকসকলৰ বাবে এক প্ৰত্যাহ্বান। কিন্তু চিকিৎসকৰ দলটোৱে কিশোৰীগৰাকীৰ পেটত থকা অ'ভাৰিয়ান টিউমাৰটো উলিয়াই আনিবলৈ সক্ষম হয়। এ এম চিৰ অধ্যক্ষ ডাঃ সঞ্জীৱ কাকতিয়ে জানিবলৈ দিয়া মতে, বিগত কে'বাদিনৰে পৰা কিশোৰীগৰাকীৰ পেট অস্বাভাৱিকভাৱে বাঢ়ি আহিছিল। তদুপৰি কিশোৰীগৰাকীৰ গা গধুৰ, দুৰ্বলতা আৰু উশাহ-নিশাহত কষ্ট অনুভৱ কৰি আহিছিল। ইয়াৰ লগে লগে পৰিয়ালৰ লোকে কিশোৰীগৰাকীক ভৰ্তি কৰিছিল স্ত্ৰীৰোগ বিভাগত। ইফালে, ডাঃ ৰমেশ সোণোৱালৰ তত্ত্বাৱধানত চিকিৎসাধীন হৈ থকা কিশোৰীগৰাকীক অস্ত্ৰোপচাৰ সম্পন্ন কৰাৰ পাছত কিছু সময়ৰ বাবে ভেণ্টিলেছনত ৰাখিবলগীয়া হৈছিল যদিও সম্প্ৰতি কিশোৰীগৰাকী সম্পূৰ্ণৰূপে সুস্থ।

## নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই বিধ্বস্ত হৈ পৰিছে ডুবাপাৰা-গোৱালপাৰা সংযোগী পথ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ জুলাই ঃ** নিৰ্মাণ কাৰ্য সম্পূৰ্ণ নৌহওঁতেই গোৱালপাৰা জিলাৰ অতিকৈ গুৰুত্বপূৰ্ণ ডুবাপাৰা-গোৱালপাৰা সংযোগী পথ বিধ্বস্ত হৈ পৰাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ চি অংশ অৰ্থাৎ ডুবাপাৰাৰ পৰা গোৱালপাৰা চহৰৰ বিঅ'চিলৈকে থকা ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাৰ মেৰামতিৰ নামত ২০২০-২১ বৰ্ষৰ ৰাজ্যিক স্ব প্ৰাথমিকতা উন্নয়ন পুঁজি চমুকৈ ছয় পৃষ্ঠাত চাওক

ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ
গুৱাহাটী
ভাৰত চৰকাৰ, বিত্ত মন্ত্ৰণালয়
বিত্তীয় সেৱা বিভাগ (বেংকিং শাখা)
স্বৰ্ণ ভৱন, গৃহ নং-১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ কাষত, জি এছ ৰোড, উলুবাৰী, গুৱাহাটী-৭৮১০০৭
প্ৰমাণপত্ৰ থকা ঋণীসকললৈ ডিমাণ্ড জাননী
(আয়কৰ আইন ১৯৬১ৰ ২য় সূচীৰ বিধি ২, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ ঋণ পুনৰুদ্ধাৰ আইন ১৯৯৩ৰ দফা ২৫ৰ পৰা ২৯ লৈ চাওক)
আৰ চি নং-৯৯/২০১৯
আই চি আই চি আই বেংক
ফাঁচী বজাৰ শাখা
— ওৰফে —
শ্ৰীদেৱব্ৰত দত্ত আৰু অন্যান্য
প্ৰতি,
১) শ্ৰীদেৱব্ৰত দত্ত আৰু অন্যান্য XXX শ্ৰীদেৱব্ৰত দত্ত, জি ডি এণ্টাৰপ্ৰাইজেছ, দাস কল'নী, মালিগাঁও, গেট নম্বৰ-৩, প্ৰাগজ্যোতিষ চিনেমা হলৰ কাষত, এ টি ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০১১।
২) শ্ৰীমতী নন্দিনী দত্ত, দাস কল'নী, মালিগাঁও, গেট নং-৩, প্ৰাগজ্যোতিষ চিনেমা হলৰ কাষত, এ টি ৰোড, গুৱাহাটী, অসম, পিন-৭৮১০১১।
২৪,৬২,৮৪০.৪৮ (চৰিব্বিছ লাখ বাষষ্ঠি হেজাৰ আঠশ চল্লিছ টকা আঠচল্লিছ পইচা) টকাৰ তলত দিয়া বিৱৰণ অনুসৰি পাব লগা হেতু এল ডি প্ৰিজাইডিং বিষয়াই অ' এ নং ৩৬০/২০১৮ গোচৰ অনুসৰি যোৱা ০৬-০৯-২০১৯ তাৰিখে এখন পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ জাৰি কৰাটো সত্য।
১। পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ অনুসৰি দিব লগা টকাৰ পৰিমাণ-২১,৪৫,১৫৭.০০ টকা
ক) ২৭.০৭.২০১৮ৰ পৰা ১৮.০১.২০২০ লৈ বছৰি ০৮.৭৫% পৰিমাণে সমুদায় সুতৰ পৰিমাণ = ২,৯৩,৬৮৩.৪৮ টকা
খ) খৰচ = ২৪,০০০.০০ টকা
মুঠ = ২৪,৬২,৮৪০.৪৮ টকা
৩। এই জাননী প্ৰকাশ হোৱাৰ ১৫ দিনৰ ভিতৰত ওপৰত উল্লিখিত ধনৰাশি পৰিশোধ কৰিবলৈ আপোনাক জনোৱা হ'ল। অন্যথা আয়কৰ আইন ১৯৬১ৰ ২য় সূচীৰ বিধি ২, বেংক আৰু বিত্তীয় প্ৰতিষ্ঠান ঋণ পুনৰুদ্ধাৰ আইন ১৯৯৩ৰ দফা ২৫ৰ পৰা ২৯ৰ নিয়ম অনুসাৰে পুনৰুদ্ধাৰ কৰিবলৈ ব্যৱস্থা কৰা হ'ব।
৪। ওপৰোক্ত ধনৰাশিৰ উপৰি
(ক) পুনৰুদ্ধাৰ প্ৰমাণপত্ৰ (আৰ চি নং ১০১/২০১৯) জাৰি কৰা দিনৰ পৰা কাৰ্যকৰী হোৱালৈ নিয়ম অনুসাৰে সমুদায় সুত
(খ) ঋণ পুনৰুদ্ধাৰৰ বাবে যাবতীয় খৰচ আদিৰ উপৰি জাননী প্ৰকাশ, চমন জাৰি আদিৰ বাবে হোৱা সমুদায় ব্যয়, আপুনি পৰিশোধ কৰিবলৈ বাধ্য।
২ ফেব্ৰুৱাৰী, ২০২১ তাৰিখে মোৰ হাতেৰে ছীল মোহৰ মাৰি প্ৰদান কৰা হ'ল।
(এছ কুমাৰ)
পুনৰুদ্ধাৰকাৰী বিষয়া
ঋণ পুনৰুদ্ধাৰ ন্যায়াধিকৰণ
গুৱাহাটী

## ৰঙাপৰা নগৰত নিশা বনৰীয়া হাতীৰ উপদ্ৰৱ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২১ জুলাই ঃ** শোণিতপুৰৰ ৰঙাপৰা নগৰত যোৱা নিশা পোৱালিসহ দুটা বনৰীয়া হাতীয়ে নগৰত প্ৰৱেশ কৰি পুৱালৈকে উপদ্ৰৱ চলায়। উল্লেখ্য যে নগৰখনৰ এক নম্বৰ ৱাৰ্ডৰ গাতে লাগি থকা চাহ বাগিচাৰ মাজেদি খাদ্যৰ সন্ধানত নগৰ অঞ্চলত হাতীকেইটা প্ৰৱেশ কৰাত নিশা ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। পাছত স্থানীয় ৰাইজে ৰঙাপৰা আমাৰিবাৰী আঞ্চলিক বন বিভাগক খবৰ দিয়াত ততাতৈয়াকৈ আমাৰিবাৰী আঞ্চলিক বনৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ পুৱা ৬-৩০ বজাত হাতীৰ জাকটোক হাতীবাৰী চাহ বাগিচাৰ মাজেৰে খেদি পঠিয়াবলৈ বন বিভাগ সক্ষম হয়। ইপিনে, বনৰীয়া হাতীৰ জাকটোৱে ত্ৰাসৰ সৃষ্টি কৰাৰ সময়ত বহু লোকৰ পকী দেৱাল, ছয় পৃষ্ঠাত চাওক

### উন্নয়ন সমিতিৰ সম্বৰ্ধনা অনুষ্ঠান

## পাটাছাৰকুছি সমষ্টি উন্নয়নৰ বাবে বদ্ধ পৰিকৰ মন্ত্ৰী দাস

**পাটাছাৰকুছি, ২১ জুলাই ঃ** আজি পাটাছাৰকুছি সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে শিক্ষা, সংস্কৃতিত, কৃষি, দুগ্ধ উন্নয়ন আদিত আগবঢ়া সমষ্টিটোৰ উন্নতিৰ বাবে বদ্ধপৰিকৰ বুলি কয়। তেওঁ পাটাছাৰকুছি সমষ্টিৰ নাম সম্ভ্ৰান্ত সমষ্টি হিচাপে ব্যৱহাৰ কৰিবলৈ ৰাইজৰ লগতে সংবাদকৰ্মীক আহ্বান জনায়। সমষ্টি উন্নয়নৰ লগতে নৱগঠিত বজালী জিলাখনৰ উন্নয়নৰ লগতে কাৰ্যালয় আদি নিৰ্মাণত পুৰণি ঐতিহ্যৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হ'ব বুলিও কয়। আজি পাটাছাৰকুছিৰ পৰিদৰ্শন বঙলাত এক সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ সমষ্টিটোৰ উন্নয়নৰ স্বাৰ্থত ৰাইজৰ সহায়-সহযোগ কামনা কৰে। স্থানীয় শ্মশানখনৰ উন্নয়নৰ বাবে কোম্পানীসমূহৰ লগত যোগাযোগ কৰি চি এছ আৰ ফাণ্ডৰ পৰা অন্তত ১০ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিব বুলি ৰাইজক নিশ্চিতি প্ৰদান কৰে। লগতে তেওঁক প্ৰদান কৰা স্মাৰক পত্ৰসমূহ সন্মানসহকাৰে বিবেচনা কৰা হ'ব বুলিও ছয় পৃষ্ঠাত চাওক

## ঈদৰ দিনাই যমুনামুখৰ কপাহবাৰীত প্ৰতিবাদত নামিল শতাধিক ৰাইজ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ/হোজাই, ২১ জুলাই ঃ** আজি ইছলাম ধৰ্মাৱলম্বী লোকৰ পৱিত্ৰ ঈদ-উজ-জোহা। সমগ্ৰ দেশবাসীয়ে ঈদ উদ্‌যাপন কৰা সময়তে হোজাই জিলাৰ যমুনামুখ সমষ্টিৰ অধীনস্থ তাৰাপুৰ গাঁৱৰ এটা জৰাজীৰ্ণ পথক কেন্দ্ৰ কৰি শতাধিক ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। দীৰ্ঘদিন ধৰি পথটোৰ দুৰৱস্থাৰ বাবে জীয়াতু ভুগিছিল তাৰাপুৰ গাঁৱৰ ৰাইজে। অৱশেষত ঈদৰ আনন্দ উৎসাহ ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হয় গাঁওবাসীয়ে। পুখুৰীৰ দৰে দ' গাঁতৰ সৃষ্টি হোৱা পথৰ মাজত মাছ মাৰি, ভূঁই ৰুই গঞাই সাব্যস্ত কৰে এই প্ৰতিবাদ। প্ৰতিবাদী ৰাইজে যমুনামুখৰ



বিধায়ক ছিৰাজুদ্দিন আজমল আৰু কপাহবাৰী পঞ্চায়তৰ সভাপতি মুৰ্দাবাদ ধ্বনিৰে উত্তাল কৰিলে তাৰাপুৰ অঞ্চল। প্ৰতিবাদকাৰী ৰাইজৰ অভিযোগ অনুসৰি জৰাজীৰ্ণ পথৰ বাবে গাঁওখনত দীৰ্ঘদিনৰ পৰা অনুষ্ঠিত হোৱা নাই কোনো বিবাহ কাৰ্যসূচী। গাঁৱৰ যুৱকলৈ কোনেও নিদিয়ে কইনা। গাঁৱৰ যুৱতীকো বিয়া নকৰায় কোনো লোকে। লগতে বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনস্থ কপাহবাৰী ছয় পৃষ্ঠাত চাওক

## ভৱানীপুৰৰ তিনিজনক গ্ৰেপ্তাৰ ঃ গাঁওবুঢ়াক আটক

### বিটিআৰত কাৰ্যবাহী সদস্যৰ ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২১ জুলাই ঃ** ক্ষমতাৰ অপব্যৱহাৰৰ অভিযোগ উঠিছে বিটিআৰৰ এজন কাৰ্যবাহী সদস্যৰ বিৰুদ্ধে। বিজেপি নেতা তথা স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেয়ে সম্পূৰ্ণ ব্যক্তিগত আক্ৰোশৰ বাবে কোকৰাঝাৰ আৰক্ষীক ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে। কাৰ্যবাহী সদস্যজনৰ শ্ৰুতলিপিতে আৰক্ষীয়ে কোকৰাঝাৰ চহৰৰ সংলগ্ন ভৱানীপুৰৰ তিনিজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে এজন গাঁওবুঢ়াক আটক কৰি ৰখা বুলি স্থানীয় লোকে অভিযোগ কৰে। কালি ভৱানীপুৰত অনুষ্ঠিত উল্টা ৰথযাত্ৰাত সংঘটিত হোৱা এটা সৰু বিবাদৰ ঘটনাক কেন্দ্ৰ কৰি যোৱা নিশা আৰক্ষীয়ে অঞ্চলটোৰ গাঁওবুঢ়াসহ চাৰিজনক আটক কৰে। ইয়াৰ পাছতে সমগ্ৰ অঞ্চলটোতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বৃহত্তৰ তিতাগুৰী-ভৱানীপুৰৰ স্থানীয় লোকে অভিযোগ কৰিছে যে কাৰ্যবাহী সদস্য দেই ক্ষমতাৰ অপব্যৱহাৰ কৰি কালিৰ ঘটনাটোৰ আলমত ব্যক্তিগত আক্ৰোশ পূৰণ কৰিবলৈ ভৱানীপুৰৰ গাঁওবুঢ়া পল্টু দেসহ চাৰিজনক মাজনিশা শোৱাপাটিৰ পৰা আৰক্ষীৰ দ্বাৰা আটক কৰি নিয়ে। আনহাতে, কোকৰাঝাৰ আৰক্ষীয়ে কোনো আইনী তদন্ত প্ৰক্ৰিয়া নকৰাকৈ বিজেপি নেতাজনৰ শ্ৰুতলিপিতে ভৱানীপুৰৰ তিনিজন যুৱক ক্ৰমে হিতেশ্বৰ দেৱনাথ (২৭), বলোৰাম দেৱনাথ (৩২) আৰু মিঠুন দেৱনাথ (৩৪)ক আজি গ্ৰেপ্তাৰ কৰাৰ পাছত আদালতৰ জৰিয়তে কাৰাগাৰলৈ প্ৰেৰণ কৰা ছয় পৃষ্ঠাত চাওক

## বকোৰ ধূপগুৰী ৰাজ্যিক চিকিৎসালয়ত ব্যাপক অনিয়মৰ বিৰুদ্ধে সৰৱ আৰছু

**অগ্ৰদূত বাৰ্তা**

**বকো, ২১ জুলাই ঃ** 'দুৰ্নীতিপৰায়ণ তিলক কলিতাক অতি শীঘ্ৰে স্বাস্থ্য কেন্দ্ৰৰ পৰা আঁতৰ কৰক', 'ধূপগুৰী ৰাজ্যিক চিকিৎসালয়খন সুৰক্ষিত কৰক', 'তিলক কলিতাক শাস্তি দিয়ক' আদি শ্ল'গানেৰে আজি আৰছুৱে বকোত প্ৰতিবাদ সাব্যস্ত কৰে। আৰছুৰ মধ্যলুকী আঞ্চলিক ৰাভা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদক ক্ৰমে দ্বীপেন ৰাভা, অংকুৰ জ্যোতি ৰাভা, মধ্যলুকী আঞ্চলিক ষষ্ঠ অনুসূচি দাবী সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে শ্ৰীৰাম ৰাভা, শংকৰ ৰাভা, মধ্যলুকী আঞ্চলিক ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী-সম্পাদিকা ক্ৰমে হিতেশ্বৰী ৰাভা, জ্যোস্না ৰাভা, কাৰ্যকৰী সমিতিৰ সভাপতি তথা ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ফ্ৰাইলিন আৰ মাৰাক প্ৰমুখ্যে সদস্যসকলে ক'ভিড নিয়ম মানি বকো ধূপগুৰী ৰাজ্যিক চিকিৎসালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে চিকিৎসালয়খনৰ পৰিচালনা সমিতিৰ সভা আহ্বান নকৰাকৈ জধে-মধে ধন খৰচ কৰা গাণনিক বিষয়া তিলক কলিতাৰ মইমতালিত অতিষ্ঠ হৈ চিকিৎসালয়খনৰ কাৰ্যকৰী সমিতিৰ ছয় পৃষ্ঠাত চাওক

### গাণনিক বিষয়াৰ মইমতালিত অতিষ্ঠ ৰাইজ




## পানীৰো বৈ যোৱাৰ অধিকাৰ আছে ঃ উপায়ুক্ত

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২১ জুলাই ঃ** পাঠশালা নগৰ সমিতিৰ অধীনস্থ এটা অঞ্চল। ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা পাঠশালা বৰবাং (বামুণপাৰা)লৈ সোমাই অহা গড়কাপ্তানী পথটোৰে আহিলেই পোৱা যায় এই অঞ্চলটো। গড়কাপ্তানী পথটোৰ দুয়োফালে চকুৰে মণিব পৰালৈকে ডাঠ সেউজীয়াৰ আস্তৰণ। এসময়ত পথটোৰ দুয়োপাৰে থকা পথাৰ দুখন এই সময়ত সেউজীয়া ধানৰ গছাৰে হালিজালি আছিল। এতিয়া সেই দিন সুদূৰ পৰাহত। সেউজীয়া হৈ থকা পথৰ দুয়োপাৰ সজাল ধৰা ধানৰ সেউজীয়া ছয় পৃষ্ঠাত চাওক

## চৰকাৰৰ গুৰুত্বহীনতাৰ বাবে বাংলাদেশৰ কাৰাগাৰতে আবদ্ধ মঙলদৈৰ যুৱক

**অগ্ৰদূত বাৰ্তা**



**মঙলদৈ, ২১ জুলাই ঃ** মঙলদৈ আৰক্ষী থানাৰ অন্তৰ্গত কেওটপাৰা (হোদাপাৰা)ৰ ফুলেশ্বৰী হাজৰিকাৰ পুত্ৰ মুকুল হাজৰিকা ম্যাদ উকলাৰ পাছতো বাংলাদেশৰ কাৰাগাৰত বন্দী হৈ থকাক লৈ উদ্বিগ্ন হৈ পৰিছে তেওঁৰ পৰিয়াল। বৃত্তিত ৰিক্সাচালক মুকুল হাজৰিকা তিনিবছৰে সন্ধানহীন হৈ থকাৰ পাছত বিগত ২০১৯ৰ পাঁচ মে'ত ঢাকাস্থিত ভাৰতৰ উপ-উচ্চায়ুক্তৰ এখন পত্ৰৰ জৰিয়তে তেওঁ দেশখনৰ ফেনী কাৰাগাৰত বন্দী হৈ থকাৰ তথ্য পোহৰলৈ আহে। অসম চৰকাৰেও এই তথ্য লাভ কৰে যদিও তেওঁৰ নাগৰিকত্ব সম্পৰ্কত গুৰুত্ব প্ৰদান নকৰাত লোকজন এতিয়াও কাৰাগাৰতে থাকিবলগীয়া হৈছে। তেওঁ কি অপৰাধত ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৫ শাওণ ১৪২৮ভাস্কৰাব্দ ২২ জুলাই ২০২১

# শৈক্ষিক অধঃপতন

**সমগ্ৰ** দেশতে ক'ভিড মহামাৰী অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ পৰামৰ্শক্ৰমে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড (চি বি এছ ই) আৰু ৰাজ্যিক শিক্ষা ব'ৰ্ডসমূহে হাইস্কুল শিক্ষান্ত পৰীক্ষা অথবা মেট্ৰিক পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক অথবা দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাতিল কৰিছে। সকলো পক্ষই পূৰ্বৰ পৰীক্ষা তথা আভ্যন্তৰীণ মূল্যাংকনৰ ওপৰত ভিত্তি কৰি দুয়োটা পৰীক্ষাৰ বাবে নম্বৰ দিবলৈ সিদ্ধান্ত লৈছে আৰু সেই নম্বৰৰ ভিত্তিতে পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। অসম চৰকাৰেও মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাসমূহ বাতিল কৰি পূৰ্বৰ পৰীক্ষাসমূহৰ ফলাফলৰ ভিত্তিত নম্বৰ দিয়াৰ ব্যৱস্থাকে অনুমোদন জনাইছে। সেই অনুসৰি মেট্ৰিক পৰীক্ষাৰ্থীসকলৰ নৱম শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল আৰু দশম শ্ৰেণীৰ প্ৰাক্-মেট্ৰিক বা অন্যান্য আভ্যন্তৰীণ মূল্যাংকনৰ ভিত্তিত নম্বৰ দিব লাগিব। বিদ্যালয়বিলাকে ইতিমধ্যে পূৰ্বৰ পৰীক্ষাবিলাকৰ নম্বৰৰ তালিকাসমূহ প্ৰস্তুত কৰি জিলাসমূহৰ বিদ্যালয় পৰিদৰ্শকসকলৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিছে। বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ে অসম মাধ্যমিক শিক্ষা পৰিষদ (ছেবা)ক সেই তালিকাসমূহ জমা দিব। ছেবাই অহা ৩১ জুলাইৰ ভিতৰত মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ কথা। অৰ্থাৎ ফলাফল ঘোষণা কৰিবলৈ বেছিদিন নাই; কিন্তু মাত্ৰ দুসপ্তাহ সময় বাকী থকা অৱস্থাত এটা বিয়াগোম কেলেংকাৰি সংঘটিত হ'ল। কামৰূপ জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত সংঘটিত হৈছে এই কেলেংকাৰি। প্ৰকাশিত অভিযোগ অনুসৰি কামৰূপ জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত কৰ্মৰত একাংশ বিষয়া-কৰ্মচাৰী আৰু আনকি বিদ্যালয়ৰ পৰিদৰ্শকৰ দায়িত্বত থকা বিষয়াৰ সমৰ্থনত ধনৰ বিনিময়ত নম্বৰ দিয়া বা নম্বৰ বঢ়াই দিয়াৰ দৰে অনৈতিক কৰ্মত লিপ্ত হৈছিল। এই কেলেংকাৰি ফাদিল হোৱাত আৰক্ষীয়ে ইতিমধ্যে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীয়ে এজন অভিযুক্তৰ ঘৰৰ পৰা দুই লাখ টকা উদ্ধাৰ কৰাৰ উপৰি পৰিদৰ্শকৰ কাৰ্যালয়ৰ পৰা ১৭ হেজাৰ টকা জব্দ কৰিছে বুলি প্ৰকাশ পাইছে। তথাকথিত ধনৰ বিনিময়ত নম্বৰ কেলেংকাৰিৰ অভিযোগ কিমান সত্য সেই বিষয়ে নিৰপেক্ষ তদন্তৰ প্ৰয়োজন আৰু তদন্ত সম্পূৰ্ণ হ'লে কেলেংকাৰিৰ সবিশেষ ৰাইজৰ দৃষ্টিগোচৰ হ'ব। ইতিমধ্যে অভিযুক্ত দুজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে আৰু দুজনক নিলম্বন কৰা হৈছে। এখন বিদ্যালয়ৰ এজন প্ৰধান শিক্ষক এই কেলেংকাৰিত জড়িত থকাৰ প্ৰমাণ আৰক্ষীয়ে লাভ কৰিছে। প্ৰকৃততে এই কেলেংকাৰিত কিমানজন লোক জড়িত সেই সন্দৰ্ভত ব্যাপক অনুসন্ধান হ'লেহে জানিব পৰা যাব। একাংশ অপৰাধী হয়তো সাৰি যাবও পাৰে। অৱশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কেলেংকাৰি সন্দৰ্ভত কঠোৰ সকীয়নি দিছে। মুখ্যমন্ত্ৰীয়ে এই সকীয়নি এমাহ আগেয়েই দিয়া হ'লে হয়তো অভিযুক্ত একাংশই কেলেংকাৰি সংঘটিত কৰিবলৈ সাহস নকৰিলেহেঁতেন। আনকি কামৰূপ জিলাতেই যে এনে ধনৰ বিনিময়ত নম্বৰ কেলেংকাৰি সংঘটিত হৈছে তেনে নহয়। ৰাজ্যৰ আন আন বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়তো এনে অপকৰ্ম সংঘটিত হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ছেবাই সেই সকলোকে নিৰীক্ষণ কৰাটো এই মুহূৰ্তত সম্ভৱ নহয়।

কিছুমানৰ মতে বিদ্যালয়বিলাকে নম্বৰৰ তালিকা বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত জমা দিয়া ব্যৱস্থাটোৱেই ত্ৰুটিপূৰ্ণ আছিল। ইয়াৰ পৰিৱৰ্তে পোনপটীয়াকৈ 'ছেবা'ক এই তালিকাসমূহ জমা দিয়া হ'লে কেলেংকাৰি সংঘটিত হোৱাৰ সম্ভাৱনা কম হ'লহেঁতেন। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ আগেয়ে চৰকাৰী চাকৰি বা শিক্ষকৰ চাকৰিৰ বাবে এইবাৰৰ পৰীক্ষাৰ্থীসকলে এটা বিশেষ পৰীক্ষাত বহিব লাগিব বুলি ছেবাক সমৰ্থন কৰি কৈছিল। এই ক্ষেত্ৰত কোৱা হৈছিল যে যোৱা বছৰবিলাকৰ পৰীক্ষাৰ্থী নাইবা আগন্তুক বছৰৰ পৰীক্ষাৰ্থীসকলে এই বছৰৰ পৰীক্ষাত নবহাকৈয়ে ভাল নম্বৰ পাই উত্তীৰ্ণ হোৱাসকলক লৈ প্ৰশ্ন উত্থাপন কৰিব আৰু আনকি আদালতলৈও যাব পাৰে। তেনে ধৰণৰ সমস্যা যাতে নহয়, সেয়ে এই বছৰৰ পৰীক্ষাৰ্থীসকলৰ বাবে বিশেষ পৰীক্ষা অনুষ্ঠিত কৰিব বিচৰা হৈছিল; কিন্তু সদৌ অসম ছাত্ৰ সন্থা (আছু) আৰু অন্যান্য সংগঠনে এনে বিশেষ পৰীক্ষা ব্যৱস্থাৰ তীব্ৰ বিৰোধিতা কৰাত অৱশেষত সেই সিদ্ধান্ত ছেবা আৰু চৰকাৰে প্ৰত্যাহাৰ কৰে। কিছুমানে যে এইবাৰৰ মূল্যাংকন ব্যৱস্থাত হস্তক্ষেপ কৰাৰ অপচেষ্টা চলাব তেনে সন্দেহ আগেয়েই কৰা হৈছিল। বিশেষকৈ বিদ্যালয়বিলাকে নিজৰ ছাত্ৰ-ছাত্ৰীৰ নম্বৰ বেছিকৈ দেখুৱাবলৈ বিচাৰিব বুলি সন্দেহ কৰা হৈছিল। শেহতীয়াকৈ কামৰূপ জিলাৰ বিদ্যালয় পৰিদৰ্শকৰ কাৰ্যালয়ত তেনে ধৰণৰ কেলেংকাৰি এটাই ঘটিল বুলি প্ৰকাশ পাইছে। ধনৰ বিনিময়ত নম্বৰ দিয়াৰ কেলেংকাৰি বুলি সংবাদ মাধ্যমবিলাকত প্ৰকাশ পাইছে। দশম বা মেট্ৰিক পৰীক্ষা আৰু ইয়াৰ নম্বৰক অত্যধিক গুৰুত্ব দিয়াৰ ফলতে কিছুমানে আজি ধনৰ বিনিময়ত নম্বৰৰ কেলেংকাৰিত জড়িত হৈ পৰিছে। মেট্ৰিক পৰীক্ষাক কেন্দ্ৰ কৰি ভাৰতত এটা ৰাষ্ট্ৰীয় নীতিৰ প্ৰচলন দেখা নাযায়। চি বি এছ ইয়ে দশম শ্ৰেণীৰ পৰীক্ষাক বাধ্যতামূলক ব'ৰ্ড পৰীক্ষা হিচাপে গণ্য নকৰে। উল্লেখ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশত দশম বা টেন্থ গ্ৰেডৰ পৰীক্ষা বিদ্যালয়সমূহৰ পৰীক্ষা হিচাপে অনুষ্ঠিত কৰা হয়। গ্ৰেড টে'নৰ বাবে কোনো ৰাষ্ট্ৰীয় পৰ্যায়ত পৰীক্ষা অনুষ্ঠিত নহয়। ধনৰ বিনিময়ত নম্বৰ বা গ্ৰেড সেইবোৰ দেশত ভাবিবই নোৱাৰি; কিন্তু আমাৰ দেশত এয়া স্বাভাৱিক হৈ পৰিছে। আমাৰ শিক্ষা ব্যৱস্থা কিমান তললৈ নামিছে সেয়া এইবোৰ ঘটনাই দেখুৱাইছে। চৰকাৰে নতুন শিক্ষা নীতিৰে এনে অধঃপতন ৰোধ কৰিব লাগিব।

## খোলা মঞ্চ

### অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ত গুৰুত্ব দিয়া উচিত?



**আমি** ভোট দি চৰকাৰ গঠন কৰাৰ সুবিধা কৰি দিও। পিছে চৰকাৰে দিয়া প্ৰতিশ্ৰুতিবোৰ পালন কৰে নে? আনহাতে ভোট পোৱাৰ কৌশলত বহুতো প্ৰতিশ্ৰুতি দি জনসাধাৰণক প্ৰতাৰিত কৰি চৰকাৰৰ গাদী দখল কৰে। তথাপি আমি আশা কৰি থাকো চৰকাৰে জনস্বাৰ্থৰ হৈ কাম কৰিব।

নতুন চৰকাৰে পেট্ৰ'ল-ডিজেল তথা মিঠা তেলকে ধৰি দিনে বৃদ্ধি হোৱা বয়বস্তুৰ দাম কমাব লাগে। চাকৰিৰ ক্ষেত্ৰত সম্পূৰ্ণ নিয়োগ প্ৰক্ৰিয়া নিকা হ'ব লাগে। যোৱা সময়ৰ এ পি এছ চি আৰু এছ আই কেলেংকাৰিৰ নিৰপেক্ষ তদন্ত হ'ব লাগে। বানত তথা গৰাখহনীয়া ক্ষতিগ্ৰস্ত লোকক পুনৰ সংস্থাপন কৰক। কৃষকৰ উৎপাদিত শস্যৰ ন্যায্য মূল্য নিৰ্ধাৰণ কৰক। বান নিয়ন্ত্ৰণৰ বৈজ্ঞানিক ব্যৱস্থা গ্ৰহণ কৰক। বিদ্যুতৰ যোগান নিয়মীয়া কৰক। বিভিন্ন হিতাধিকাৰী নিৰ্বাচনত তদন্তৰ ব্যৱস্থা কৰক। দুৰ্নীতিত লিপ্ত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে নিৰপেক্ষ তদন্ত কৰি উপযুক্ত শাস্তি প্ৰদান কৰক। ৰাজ্যত জাতি ধৰ্মৰ নামত চলা বিভাজনৰ ৰাজনীতিৰ পৰিৱৰ্তে ঐক্য সংহতি ৰক্ষা তথা ভ্ৰাতৃত্ববোধেৰে সমাজক আগুৱাই নিয়াৰ চেষ্টা কৰক। বন্ধ হৈ থকা কাগজকলকে ধৰি বিভিন্ন উদ্যোগ খোলাৰ ব্যৱস্থা কৰক। অতি গৰিব পৰিয়ালক, সৰুসুৰা ব্যৱসায়ী, ৰিক্সাৱালা, ঠেলাৱালা, শ্ৰমিকসকলক কৰ'না কালত আৰ্থিক সাহায্য প্ৰদান কৰক। বানপানীৰ বাবে আগতীয়া সাৱধানতা তথা বানক নিয়ন্ত্ৰণৰ উপযুক্ত ব্যৱস্থাৰ কথা চিন্তা কৰক।

আমাৰ সমস্যা অৱগত কৰিলো, বাকী চৰকাৰৰ সদিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব।

**হিতেশ্বৰ লহকৰ,** *লেখক*

*ফোন ঃ ৮৬৩৮৮-৭২৪০১*

# বিত্তমন্ত্ৰীৰ বাজেট ভাষণ আৰু বিৰোধীৰ প্ৰতিক্ৰিয়া

## বৰ্তমানৰ বাধাগ্ৰস্ত যাতায়াতৰ দিনত পেট্ৰ'লৰ মূল্যবৃদ্ধিয়ে সাধাৰণ মানুহক বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰা নাই





**সোঁতৰ বিপৰীতে চিন্তা**

**প্ৰবীণ চৌধুৰী**

**যোৱা** ১৬ জুলাইত অসমৰ বিত্তমন্ত্ৰী অজন্তা নেওগে অসম বিধানসভাৰ মজিয়াত ২০২১-২২ বিত্তীয় বছৰৰ বাবে অসম বাজেট দাখিল কৰে। অজন্তা নেওগে বিত্তমন্ত্ৰীৰূপে শপত গ্ৰহণ কৰাৰে পৰা বাজেট দাখিল কৰালৈকে সংবাদ মাধ্যমে তেওঁৰ বিষয়ে প্ৰকাশ কৰা প্ৰায় সকলো বাতৰিতে তেওঁ যে অসমৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী সেই কথা সোঁৱৰাই দি আছে। বিত্তমন্ত্ৰীয়ে বাজেট ভাষণত নিজেই নিজৰ বিষয়ে প্ৰথম মহিলা বিত্তমন্ত্ৰী বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়েও বাজেটখনৰ প্ৰশংসা কৰোতে নেওগক প্ৰথম মহিলা বিত্তমন্ত্ৰীৰূপেই উল্লেখ কৰিছে। মোৰ দৃষ্টিত ই ঠিক হোৱা নাই। ইয়াৰ দ্বাৰা মহিলাসকলক অসন্মান কৰা হৈছে, অপমান কৰা হৈছে আৰু নাৰী জাতিৰ প্ৰতি বৈষম্যমূলক আচৰণ প্ৰদৰ্শন কৰা হৈছে। এনে লগা হৈছে যেন কেৱল পুৰুষৰহে বিত্তমন্ত্ৰী হোৱাৰ যোগ্যতা আৰু অধিকাৰ আছে, মহিলাৰ নাই, গতিকে তেওঁ সেই পদত অধিষ্ঠিত হোৱাৰ বাবে তেওঁৰ নামৰ আগত বাৰম্বাৰ 'মহিলা' বিশেষণ এটা লগাবলগীয়া হৈছে। মই ভাবো মহিলা সমাজে ইয়াৰ প্ৰতিবাদ কৰা উচিত।

বাজেট উত্থাপন কৰাৰ বাবে বিত্তমন্ত্ৰীয়ে প্ৰদান কৰা বাজেট ভাষণৰ জৰিয়তে জনকল্যাণ আৰু প্ৰগতিৰ প্ৰতি চৰকাৰখনে গ্ৰহণ কৰা approach, নীতি আৰু অগ্ৰাধিকাৰৰ বিষয়ে সদনক অৱগত কৰে। তাৰ যোগেদি ৰাজ্যবাসীৰ কল্যাণ আৰু ৰাজ্যখনৰ প্ৰগতিৰ বাবে বছৰটোত চৰকাৰখনে কৰিব খোজা কাম-কাজৰ পৰিকল্পনাৰ বিষয়ে সদনক অৱগত কৰে আৰু তাৰ বাবে বিভিন্ন শিতানত ব্যয় কৰিব খোজা ধনৰ আৱন্টন ধাৰ্য কৰি সদনৰ অনুমোদনৰ বাবে বাজেট প্ৰস্তাৱ হিচাপে দাখিল কৰে। সদনে অনুমোদন দিয়াৰ পাছতহে চৰকাৰে বছৰটোত সেই সেই শিতানত আৱন্টন কৰা ধনৰাশি খৰচ কৰিব পাৰে। সেইবাবে কে'বাদিনো ধৰি সদনত বাজেটখনৰ ওপৰত আলোচনা-বিলোচনা, তৰ্ক-বিতৰ্ক আদি হয়। বিতৰ্কত বিৰোধী দলসমূহে কেৱল চৰকাৰখনক শ'লঠেকত পেলোৱাৰ লক্ষ্যৰে অংশগ্ৰহণ কৰা দেখা যায়। বিৰোধীৰ বিৰোধ সত্ত্বেও সদনত বিধায়কৰ সংখ্যাগৰিষ্ঠতাৰে গঠন কৰা চৰকাৰক সাধাৰণতে বাজেটখনৰ ওপৰত সদনৰ অনুমোদন লাভ কৰাটো কঠিন নহয়। তথাপি বাজেট বিতৰ্কত বিৰোধী দলসমূহে কেৱল চৰকাৰখনক শ'লঠেকত পেলোৱাৰ লক্ষ্যৰে অযথা বিতৰ্ক নকৰি তেওঁলোকৰ মতে বাজেটখনত থাকিবলগীয়া কিন্তু নথকা আঁচনি বাজেটত অন্তৰ্ভুক্ত কৰি সেই সেই শিতানত ধন আৱন্টন দিয়াৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিব লাগে। চৰকাৰেও নিজে দিয়া প্ৰস্তাৱসমূহৰ ওপৰতে আঁকোৰ-গোঁজ হৈ নাথাকি বিৰোধীৰ জনকল্যাণমুখী প্ৰস্তাৱৰ প্ৰতি সঁহাৰি জনাই বাজেট প্ৰস্তাৱত সাম্ভৱ্য সংশোধন আনিবলৈ চেষ্টা কৰা ভাল। তেনে কৰিলে সমাজৰ দুৰ্বল শ্ৰেণীৰ জনগণ উপকৃত হোৱাৰ লগতে গণতন্ত্ৰৰ মানো উন্নত হ'ব।

১৬ জুলাইৰ আবেলি তিনি বজাত সদনত আৰম্ভ কৰা, বাতৰি কাকতৰ সম্পূৰ্ণ সাত পৃষ্ঠা জোৰা বাজেট ভাষণটো শুনি বা পঢ়ি আৰু তাক হৃদয়ংগম কৰি সিদিনাই বৈদ্যুতিন মাধ্যমত প্ৰচাৰ কৰিব পৰাকৈ আৰু পাছদিনা ১৭ জুলাইৰ পুৱা প্ৰকাশ পোৱা বাতৰি কাকতত প্ৰকাশ কৰিব পৰাকৈ অনেকেই তাৎক্ষণিকভাৱে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। তেনে লোকৰ বুদ্ধিৰ তীক্ষ্ণতা নিশ্চয় শলাগিবলগীয়া। কিন্তু সেই প্ৰতিক্ৰিয়া সমূহৰ সৰহ ভাগেই তথ্য সমৃদ্ধ, ধনাত্মক অথবা গঠনমূলক নহয়। বিশেষকৈ বিৰোধী ৰাজনৈতিক দলসমূহৰ প্ৰতিক্ৰিয়াসমূহ কেৱল নিন্দাপূৰ্ণ আৰু অপমানজনক হোৱা দেখা যায়। চৰকাৰে প্ৰস্তুত কৰা বাজেট এখন সকলোৰে বাবে গ্ৰহণযোগ্য নহ'ব পাৰে, কিন্তু বিৰোধীয়ে তাত জনকল্যাণমূলক আৰু ৰাজ্যৰ প্ৰগতিত সহায় কৰিব পৰা একো কথা নাই বুলি কোৱাটো উচিত কথা নহয়। এইবাৰৰ বাজেটৰ যোগেদি ২০২১-২২ বিত্তীয় বছৰটোত ২,৮৯,৩৬৭.১০ কোটি টকা ব্যয় কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াত বাৰু জনকল্যাণমূলক আৰু ৰাজ্যৰ প্ৰগতিত সহায় কৰিব পৰা বিষয় একোৱেই নাই নে? বিৰোধীয়ে চৰকাৰৰ সকলো পৰিকল্পনা, সিদ্ধান্ত আৰু পদক্ষেপৰ বিৰোধিতা কৰাটো স্বাভাৱিক কথা। কিন্তু সভ্য সমাজত সমালোচনা কৰাৰো এটা গ্ৰহণযোগ্য ধৰণ থাকে বা থাকিব লাগে, যিটোৰ অভাৱ বিৰোধীৰ প্ৰায় সকলো প্ৰতিক্ৰিয়াতে দেখা পোৱা যায়।

ইতিমধ্যে প্ৰায় সকলো বিৰোধী দলে বাজেটখনৰ ওপৰত তেওঁলোকৰ অসন্তুষ্টি ব্যক্ত কৰিছে। বাজেটক লৈ বিৰোধীয়ে অসন্তুষ্টি প্ৰকাশ কৰাটো কোনো নতুন কথা নহয়। কংগ্ৰেছ দলেও বাজেটখনৰ ওপৰত অসন্তুষ্টি ব্যক্ত কৰিছে। ৰাজ্যিক কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাৰ মতে এইখন 'ইতিহাসৰ সৰ্বাধিক প্ৰৱঞ্চনা কৰা বাজেট।' এনেদৰে কৈ তেওঁ তেওঁৰ বক্তব্যৰ পাছৰ ফালে উল্লেখ কৰা দুটামান গুৰুত্বপূৰ্ণ কথাৰ গুৰুত্ব লাঘব কৰিছে। উদাহৰণ স্বৰূপে তেওঁ কৈছে যে ক'ভিডে আৰু মূল্যবৃদ্ধিয়ে জুৰুলা কৰা ৰাইজৰ বাবে বাজেটত কোনো নতুনত্ব নাই। লগতে তেওঁ কৈছে— ক'ভিডৰ ফলত কৰ্মহীন হোৱা ৰিক্সাচালককে ধৰি দিন-হাজিৰা কৰা, ক্ষুদ্ৰ ব্যৱসায়ী, শিল্পীকে ধৰি সাধাৰণ শ্ৰেণীৰ যি অৱস্থা হ'ল, এই সকলৰ বাবে বাজেটত ফুটা কড়ি এটাও ধৰা নহ'ল। মোৰ বোধেৰে এই ক্ষেত্ৰত ৰিপুন বৰাই উচিত, সময়োপযোগী আৰু অতি গুৰুত্বপূৰ্ণ কথাকেই কৈছে। দিন অৰ্জনেৰে পেট প্ৰৱৰ্তোৱা এই শ্ৰেণীৰ লোকসকল 'তলাবন্ধ' দিয়া অঞ্চল আৰু 'কন্টেইনমেন্ট জ'ন অঞ্চলত সম্পূৰ্ণভাৱে কৰ্মসংস্থাপনহীন হোৱাৰ লগতে আংশিকভাৱে খোলা অঞ্চলতো এওঁলোকৰ আয়ৰ বাট বন্ধ হৈ গৈছে। চাৰি পাঁচ ঘন্টাৰ বাবে কোনে দিন হাজিৰা কৰা লোকক কামত লগাব?

চাৰি-পাঁচ ঘন্টাৰ বাবে চলোৱা ৰিক্সা-অ'টৰিক্সা, উবেৰ-ওলাত কিমান যাত্ৰী উঠিব, তেওঁলোকে কিমান আৰ্জিব? খোৱা বস্তু প্ৰস্তুত কৰি বিক্ৰী কৰা ফুটপাথৰ দোকানবোৰ চাৰি-পাঁচ ঘন্টাৰ বাবে খুলি কেতিয়া বনাব, কিমান বনাব, কেতিয়া বেচিব, কোনে কিনিব আৰু বিক্ৰী নহ'লে বৈ যোৱা বস্তুখিনি কি কৰিব? ঘৰে ঘৰে পাচলি, মাছ, মুৰগী আদি বিক্ৰী কৰা লোকসকল, টিং, লোহা, প্লাষ্টিক , পুৰণা কাগজ আদি সংগ্ৰহ কৰি বিক্ৰী কৰি পেট প্ৰৱৰ্তোৱা লোকসকলৰ অৰ্জনৰ বাট সম্পূৰ্ণৰূপে বন্ধ হৈ গৈছে। সাপ্তাহিক বজাৰসমূহ বন্ধ কৰা হৈছে। সেই বজাৰসমূহলৈ দূৰ দূৰণিৰ পৰা বস্তু কঢ়িয়াই আনি বিক্ৰী কৰি পেট প্ৰৱৰ্তোৱা লোকসকল কেনেদৰে জীয়াই থাকিব? গৃহ নিৰ্মাণ কৰ্মীসকল, বজাৰৰ সৰু সুৱা ব্যৱসায়ীসকল, ভ্ৰাম্যমাণ থিয়েটাৰৰ কলা কুশলীসকল আদিকে সামৰি কম অৰ্জনত বিভিন্ন ঠাইত নিয়োজিত হৈ থকা লোকসকলৰ তালিকা দীঘল হৈ গৈ থাকিব। এনেদৰে বিভিন্ন সৰু-সুৱা বৃত্তিত আত্ম নিয়োজিত হৈ সমাজৰ দুৰ্বল শ্ৰেণীৰ অনেক লোকে নিজৰ পেট প্ৰৱৰ্তোৱাৰ লগতে সমাজলৈ বিভিন্ন ধৰণেৰে সেৱা আগবঢ়াই আহিছে। এই সুযোগতে কংগ্ৰেছ দলে অসংগঠিত খণ্ডত সংস্থাপিত/অৰ্ধ -সংস্থাপিত বৃত্তিসমূহৰ তালিকা এখন প্ৰস্তুত কৰকচোন! মোৰ বোধেৰে বিধানসভাৰ এই বাজেট ছেচনত কংগ্ৰেছ দলে কেৱল এই বিষয়টোতে লাগি থাকক। এই ক্ষেত্ৰত আন আন বিৰোধী দলকো। তেওঁলোকৰ লগলৈ আনিবলৈ চেষ্টা কৰক। সদ্যহতে মূল্যবৃদ্ধিৰ কথা বাদ দিয়ক। বৰ্তমানৰ বাধাগ্ৰস্ত যাতায়াতৰ দিনত পেট্ৰ'লৰ মূল্যবৃদ্ধিয়ে সাধাৰণ মানুহক বিশেষভাৱে ক্ষতিগ্ৰস্ত কৰা নাই। বিপিএল-ৰ অধীনৰ লোকসকলে বিনামূলীয়াকৈ অথবা কম মূল্যত চাউল, দালি, চেনি আদি পাইছেই; গতিকে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে তেওঁলোকক জৰ্জৰিত কৰা নাই। মিঠাতেলৰ মূল্যবৃদ্ধি অৱশ্যে আকাশলংঘী হৈছে। এই বৃদ্ধি ৰোধ কৰাৰ ক্ষমতা চৰকাৰৰ আছে নে নাই নাজানো। শাক-পাচলিৰ মূল্যবৃদ্ধি কিন্তু চৰকাৰে ৰোধ কৰিব নোৱাৰে। বিলাহীৰ প্ৰচুৰ উৎপাদনৰ সময়ত বিলাহীৰ মূল্য কিলোগ্ৰামে প্ৰতি ৫০ পইচালৈ নামোতে চৰকাৰে একো কৰিব নোৱাৰাৰ দৰে এতিয়া যোগান- চাহিদাৰ ভাৰসাম্যতাৰ অভাৱৰ দিনত কিনা-বেচাৰ সীমিত সময়ৰ ভিতৰত বিলাহীৰ দাম ৮০ টকালৈ বৃদ্ধি হোৱাটোও চৰকাৰে ৰোধ কৰিব নোৱাৰে। এনে বিপদৰ মাজতে পাঁচ টকাত দুমুঠি ধনীয়া পাত বিক্ৰী কৰা হোজা বেপাৰীৰ পৰা পাঁচ টকাত চাৰি মুঠি ধনীয়া পাত বিচৰা মানুহো আমাৰ মাজত আছে। সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ পানীত হাঁহ নচৰা অৱস্থা হোৱাৰ এই সময়ত তেওঁলোকৰ হকে মাত মাতি কংগ্ৰেছে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ আমোলতে আৰম্ভ কৰা 'গৰিবী হটাও' অভিযানত আৱন্টিত ধনৰাশি নিজৰ পেটত সুমুৱাই আঁচনিখন 'গৰিব হটাও'লৈ পৰ্যৱেসিত কৰি কৰা পাপৰ প্ৰায়শ্চিত্ত কৰাৰ বাবে চেষ্টা কৰিব পাৰে।

> বিপিএল-ৰ অধীনৰ লোকসকলে বিনামূলীয়াকৈ অথবা কম মূল্যত চাউল, দালি, চেনি আদি পাইছেই; গতিকে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে তেওঁলোকক জৰ্জৰিত কৰা নাই। মিঠাতেলৰ মূল্যবৃদ্ধি অৱশ্যে আকাশলংঘী হৈছে।

ওপৰত উল্লেখ কৰা দুৰ্বল শ্ৰেণীৰ লোকৰ উপৰি ফুটপাথ, অভাৰ ব্ৰীজৰ তল আদিত আশ্ৰয় লোৱা ভিক্ষাৰীকে ধৰি অনেক গৃহহীন লোকৰ দুৰ্দশাৰ সীমা নাই। তেওঁলোকহে বিপিএলৰ প্ৰকৃত হিতাধিকাৰী হোৱাৰ যোগ্য। কিন্তু তেওঁলোকে বি পি এল কাৰ্ডৰ বাবে কাক কেনেদৰে আবেদন জনাব লাগে নাজানে। চৰকাৰে নিজাববীয়াকৈ জৰীপ কৰি তেওঁলোকলৈ প্ৰাপ্য সুবিধা আগবঢ়াব লাগে। এই বাজেটতে তেনে লোকৰ বাবে ধন আৱন্টন দিয়াৰ বাবে কংগ্ৰেছ দলে বিধানসভাত দাবী উত্থাপন কৰিব পাৰে।

কংগ্ৰেছৰ উপৰি আন বিৰোধী দলেও বাজেটৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে। এ আই ইউ ডি এফৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলামৰ মতে বাজেটখনত বৈষম্য প্ৰতিফলিত হৈছে, বাজেটে সংখ্যালঘু উন্নয়নৰ ক্ষেত্ৰত সঠিক গুৰুত্ব দিয়া নাই, এইখন 'হিতাধিকাৰী সৃষ্টিৰ বাজেট' ইত্যাদি। নিৰ্দলীয় বিধায়ক সৰ্বযন্তা, সদায় ঋণাত্মক চিন্তা কৰা, সকলোতে ভুল দেখা, প্ৰতিটো বিষয়তে প্ৰতিবাদ কৰা স্বয়ম্ভু নেতা অখিল গগৈৰ মতে বাজেটখন মাথোঁ কেন্দ্ৰীয় আঁচনিসমূহৰ ওপৰত ভৰ দি প্ৰস্তুত কৰা বাজেট। বাজেটখনত দুখীয়া-মধ্যবিত্ত-ধনী কাৰো পক্ষত একো নাই বুলিও তেওঁ কৈছে। তেন্তে কাৰ পক্ষত বাজেটখন প্ৰস্তুত কৰা হৈছে সেই কথা এই বাজেট বিশেষজ্ঞগৰাকীয়ে কোৱা নাই। বাজেটখনক তেওঁ 'দুৰ্ভাগ্যজনক আৰু হতাশজনক' আখ্যা দিছে। এইবোৰো চৰকাৰৰ বিৰুদ্ধে বিৰোধীয়ে কোৱা গতানুগতিক কথা। গতিকে ইয়াৰ ওপৰত চৰ্চা নিষ্প্ৰয়োজন।

আনহাতে, ছপা সংবাদ মাধ্যমত বাজেটখনৰ বিষয়ে পৰিৱেশন কৰা বাতৰিৰ শিৰোনামসমূহত বাজেটখনৰ প্ৰতি ধনাত্মক মানসিকতা প্ৰকাশ কৰা দেখা গৈছে। কেইটামান শিৰোনাম এনে ধৰণৰ— 'জনমুখী আঁচনিৰে ৰাইজৰ বাজেট', 'প্ৰতিশ্ৰুতি পূৰণৰ বাজেট', 'বহু প্ৰতিশ্ৰুতিৰে ভৰা বাজেট অজন্তাৰ', 'অতিৰিক্ত কৰ বিহীন ৫৬৬ কোটিৰ ঘাটি বাজেট' ইত্যাদি। এনে ইতিবাচক কথাৰ পৰা অনুমান কৰিব পাৰি যে বাজেটখনৰ ওপৰত কৰা বিৰোধীৰ কটু সমালোচনা জনকল্যাণ অথবা ৰাজ্যৰ প্ৰগতিৰ বাবে নহয়; ই কেৱল ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিতভাৱে কৰা সমালোচনাহে।

সাধাৰণতে বিৰোধীয়ে বাজেটখনৰ কোনো অংশৰে প্ৰশংসা কৰা দেখা নাযায়। কিন্তু কিছু হ'লেও এইবাৰ ব্যতিক্ৰম দেখা গৈছে। কংগ্ৰেছ দলে বাজেটখনত এন ডি এফ বিৰ আত্মসমৰ্পণকাৰী সদস্যসকলৰ বাবে বাজেটত পুঁজি ধাৰ্য্য কৰাটো প্ৰশংসনীয় বুলি মত প্ৰকাশ কৰিছে। গুৱাহাটীৰ পাহাৰবোৰত বেদখল কৰি বসবাস কৰা লোকসকলক মাটিৰ পট্টা দিব বুলি বাজেট ভাষণত উল্লেখ থকাৰ বাবে অখিল গগৈয়ে প্ৰশংসা কৰিছে। বিৰোধীয়ে কিছু হ'লেও বাজেটখনৰ প্ৰশংসা কৰাটো নিশ্চয় গণতন্ত্ৰৰ ইতিবাচক দিশ।

বেলেগে বেলেগে এজন এজনকৈ বিৰোধী বিধায়কে বাজেটখন আৰু চৰকাৰৰ বিৰুদ্ধে তীৰ্যক বাক্যবান নিক্ষেপ কৰিলে চৰকাৰে তাত গুৰুত্ব প্ৰদান নকৰিব পাৰে। তাৰ সলনি তেওঁলোকৰ মতে বাজেটখনত থাকিবলগীয়া কিন্তু নথকা গুৰুত্বপূৰ্ণ বিষয়সমূহ বাজেটত অন্তৰ্ভুক্ত কৰিব লাগে বুলি তেওঁলোকে সমস্বৰে সদনত দাবী উত্থাপন কৰিব নোৱাৰেনে? সকলো বিৰোধী পক্ষই সমস্বৰে বাজেট প্ৰস্তাৱৰ ওপৰত সংশোধন বিচাৰিলে চৰকাৰে তাৰ প্ৰতি সঁহাৰি নিদিয়াকৈ থাকিব নোৱাৰে। সেই লক্ষ্যৰে, ক'ভিডৰ ফলত কৰ্মহীন হোৱা ৰিক্সাচালক আদি সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ সহায়ৰ বাবে বাজেটত নতুন আঁচনি সুমুৱাৰ বাবে বিৰোধী পক্ষই এইবাৰেই সমস্বৰে চেষ্টা কৰি চাওকচোন।

*ফোন ঃ ৮১৩৫৮৪৮৬২৩*

# সংগ দোষৰ ইতিবাচক-নেতিবাচক দিশ

## বন্ধুবিহীন জীৱন লোণ নোহোৱা আঞ্জাৰ দৰে স্বাদহীন



**অৱলোকন**

**চাইৰা ইছলাম বড়া**



**অপ্ৰিয়** হ'লেও সত্য যে এজন ব্যক্তিৰ জীৱনত সংগ দোষৰ প্ৰভাৱে মুখ্য ভূমিকা পালন কৰে। বাল্যকালৰ পৰা আমাৰ জীৱনত বন্ধুত্ব এক এৰাব নোৱাৰা সম্পৰ্কত পৰিণত হয়। জীৱনৰ ঘাত-প্ৰতিঘাতৰ মাজত বহু ক্ষেত্ৰত পৰিয়াল আত্মীয়-স্বজনতকৈও বন্ধুত্বৰ গভীৰ সম্পৰ্ক বহু উৰ্ধত। পৱিত্ৰ আত্মিক বান্ধোনেৰে বৈ থাকে বন্ধুত্বৰ সম্বন্ধ। কিন্তু অযোগ্যজনৰ স'তে গঢ়ি উঠা বন্ধুত্বই সময়ৰ কৰাল গ্ৰাসত পৰি জীৱনলৈ দুৰ্যোগ নমাই অনাৰো বহু উদাহৰণ আছে। পৰিয়ালবৰ্গৰ স'তে ভাগ-বাটোৱাৰা কৰিব নোৱৰা জীৱনৰ একান্ত ব্যক্তিগত কথাবোৰ আমি এজন বিশ্বাসী বন্ধুৰ স'তেহে নিঃসংকোচে ভাৱ বিনিময় কৰিব পাৰো। জীৱন বাটৰ গভীৰ সমস্যাবোৰৰ সমাধানো এজন বিশ্বস্ত বন্ধুৱে নিঃস্বাৰ্থভাৱে সমাধান কৰাৰ প্ৰয়াস কৰে। ঠিক সেইদৰে প্ৰকৃত বন্ধু এজনেহে সঠিক সময়ত উচিত বাট দেখুৱাই সম্ভাব্য বিপদৰ পৰাও উদ্ধাৰ কৰে। বন্ধুবিহীন জীৱন নিমখ নোহোৱা আঞ্জাৰ দৰে স্বাদহীন। জীৱনৰ প্ৰকৃত সুখ ঘনিষ্ঠ বন্ধুসকলৰ মাজতেই নিহিত হৈ থাকে।

শৈশৱৰ পৰাই আমি সকলোৱে স্কুলীয়া সহপাঠীসকলৰ স'তে বন্ধুত্বৰ পৱিত্ৰ এনাজৰীৰে বান্ধ খাই পৰো। ক্ৰমান্বয়ে বয়স বৃদ্ধিৰ লগে লগে বন্ধুত্বৰ পৰিভাষাও সলনি হৈ নিৰ্দিষ্ট কেইজনমান ঘনিষ্ঠ বন্ধুৰ স'তে জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোনবোৰ সাঙোৰ খাই পৰে। বৰ্ধিত সময়ৰ গতিত ভিন্ন অভিজ্ঞতাৰে পৰিপুষ্ট হৈ পৰো দৈনন্দিন জীৱনত আমি সঘনাই লগ পাই থকা ঘনিষ্ঠ বন্ধু-বান্ধৱৰ সান্নিধ্য লাভ কৰি। সেয়ে তেওঁলোকৰ আচাৰ- আচৰণে স্বভাৱসুলভভাৱেই আমাৰ ব্যৱহাৰৰ ওপৰত প্ৰভাৱ পেলোৱাটো তেনেই সাধাৰণ কথা। এনেধৰণৰ প্ৰভাৱে দৈনন্দিন জীৱনশৈলীত বহু দিশত ইতিবাচক দিশটোৰ লগতে নেতিবাচক দিশটোও অভ্যাসগতভাৱেই পৰিয়াল বা সমাজৰ সন্মুখত উদঙাই দিয়ে। সৎ সংগই এজন ব্যক্তিক শুদ্ধ পথত আগুৱাই নিয়াৰ দৰে অসৎ সংগইও এজন সৎ ব্যক্তিক বিপথে পৰিচালিত কৰি জীৱনলৈ অন্ধকাৰ নমাই অনাৰ বহুতো নজিৰ আছে। সঠিক আৰু শুদ্ধ ৰূপত এটা সুস্থিৰ জীৱন যাপন কৰিবলৈ প্ৰথমে নিজৰ মনক শুদ্ধভাৱে পৰিচালিত কৰিব পৰা ক্ষমতা সম্পূৰ্ণৰূপে নিজৰ আয়ত্তৰ ভিতৰত ৰাখিব পাৰিব লাগিব। এই ক্ষেত্ৰত উঠি অহা প্ৰজন্মই নিজৰ সঠিক বিচাৰ-বিবেচনাৰে সহপাঠীসকলৰ মাজৰ পৰা প্ৰয়োজনীয় জ্ঞান আহৰণ কৰি বহু লাভান্বিত হোৱাৰো থল থাকে, তাৰ বিপৰীতে ক্ষণিকৰ আনন্দত অন্ধভক্ত হৈ উটি- ভাহি গ'লে বিপদ অনিবাৰ্য। কোনো লোক দেৱতা নহয়, ভাল-বেয়া গুণবোৰৰ সমষ্টিয়েইতো জীৱনৰ পৰিপক্কতা আনে। জীৱন বাটত আমি বিভিন্ন ধৰণৰ লোকৰ স'তে পৰিচিত হওঁ, সেই সকলৰ মাজত নিহিত হৈ থকা ভাল-বেয়া দিশটো অধ্যয়ন কৰিব পৰাটো নিজৰ কৃতিত্বৰ ওপৰত নিৰ্ভৰ কৰে। পৰিয়ালৰ অজ্ঞাতে অসৎ সংগত পৰি নিচা জাতীয় দ্ৰব্যৰ লগতে ড্ৰাগছ সেৱনৰ দৰে অন্যান্য বদ অভ্যাসৰ কবলত পৰি এবাৰ বোকাত নমাৰ পাছত সহজে উদ্ধাৰ পোৱা জটিল হৈ পৰে। অভিভাৱকসকলে সন্তানৰ জীৱনৰ নিৰাপত্তাৰ ক্ষেত্ৰত অধিক সজাগ সতৰ্ক হ'লেও বহু অবাধ্য মতগৰ্বী সন্তানে পিতৃ-মাতৃৰ অপত্য স্নেহৰ সুযোগ বুজি নানা ধৰণৰ অপকৰ্মত লিপ্ত হৈ নিজে কলংকিত হোৱাৰ ওপৰি অভিভাৱকসকলক অকথ্য নিৰ্যাতন দিয়ে। জাতিটোৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিয়েই একমাত্ৰ সংগদোষৰ কবলত পৰি কলংকিত হৈ পৰা এইসকল নৱপ্ৰজন্মৰ ওপৰত সকলো সচেতন লোকেই চকু ৰখা উচিত। অভিজাত পৰিয়ালৰ বেপেৰোৱা প্ৰবৃত্তিৰ এইসকল সন্তানক উচিত সময়ত উপযুক্ত শিক্ষাৰে সঠিক পথলৈ আনিব নোৱাৰিলে বিষবৃক্ষ ৰূপে সমাজ এখনৰ অপূৰণীয় ক্ষতি সাধন কৰিব নিজেই নিজক অসৎ সংগৰ পৰা নিলগাই ৰখাৰ মানসিকতা গঢ়ি নুতুলিলে আনৰ ওপৰত নিৰ্ভৰ কৰা বাতুলামি মাত্ৰ। আজিৰ ডিজিটেল যুগৰ নৱপ্ৰজন্ম পূৰ্বৰ তুলনাত সকলো দিশতে যথেষ্ট পৰিমাণে পৰিপক্ক হ'লেও বহু পৰিমাণে বিপথে পৰিচালিত হোৱা পৰিলক্ষিত হয়।

পূৰ্বৰ দিনৰ তুলনাত বৰ্তমান বস্তুবাদী সমাজ ব্যৱস্থাত বন্ধুত্বৰ সম্পৰ্কবোৰো যেন শিথিল হৈ পৰিছে। ভাগ্যশালীজনৰ জীৱনতহে প্ৰকৃত বন্ধুত্বৰ সম্পৰ্ক সম্ভৱ হৈ উঠে। সকলো লোকৰে জীৱন শৈলী ভিন্ন প্ৰকাৰৰ হোৱাৰ লগতে মানসিক স্থিতিও ভিন্ন প্ৰকাৰৰ হয়। যিকোনো এজন ব্যক্তিৰ আভ্যন্তৰীণ দিশটো ভালদৰে অনুধাৱন কৰিহে ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰা উচিত। কিয়নো বহুলোকৰ বাহ্যিক চেহেৰা বা আচৰণৰ লগত অন্তৰ্নিহিত মনটোৰ সামঞ্জস্য নাথাকিবও পাৰে। সেইখিনি বিচাৰ-বুদ্ধি থকাটো এজন ব্যক্তিৰ বাবে খুবেই প্ৰয়োজন, বহু ক্ষেত্ৰত সুন্দৰ চেহেৰাৰ এচাম লোকৰ মাজত লুকাই থকা কুৎসিৎ মনটোৰ উমান নো পোৱা বাবে বহু ভুক্তভোগীয়ে বিপদৰ সন্মুখীন হ'বলগীয়া অৱস্থাত পৰিছে। বন্ধুত্বৰ মাজত ঠগবাজি, ঈৰ্ষাপৰায়ণতা বৰ্তমান সমাজত এক সহজলভ্য দৃশ্য। সৎ সংগই এজন ব্যক্তিক বহু ওপৰলৈ তুলি জীৱনৰ অৰ্থয়েই সলনি কৰি দিব পাৰে আনহাতে, অসৎ সংগই এজন সৎ লোকৰ জীৱনো ধুলিসাৎ কৰি পেলাব পাৰে। পৰিস্থিতিৰ অনুধাৱন কৰি সংগ বাছনি কৰোতে খুবেই সাৱধান হোৱা প্ৰয়োজন। কথাতেই কয়— 'অচিন কাঠৰ খোৱা নলগাবা।'

নিজৰ ঘৰখনৰ উপৰি চৌপাশৰ জনজীৱনৰ ৰেহৰূপ আৰু পাৰিপাৰ্শ্বিক পৰিৱেশৰ পাৰ্শ্বক্ৰিয়াই সকলোৰে মন-মগজুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। জীৱনৰ গতিপথ বিপদমুখী হ'বলৈ বেছি পৰ নালাগে। বহু লোকে অশুভ সময়ক ভাগ্যৰ লিখন বুলি এৰাই চলে; কিন্তু ভাগ্য নিজৰ হাততেই থাকে, সকলো নিজৰ কৰ্মৰেই ফলাফল। এটি সুস্থিৰ মনে সঠিক মূল্যায়ন কৰাৰ দৰে অস্থিৰ মন এটাই বিপথগামী কৰাত হাত উজান দিয়ে। আমাৰ সমাজত সততেই এষাৰ আক্ষেপ ভৰা কথা শুনা যায়--- সংগদোষত পৰি ভাল ল'ৰাটো বা ছোৱালীজনী বেয়া হৈ গ'ল; কিন্তু এই কথাষাৰ কোনেও ভাবি নাচায় যে প্ৰকৃততে সবল মনৰ স্থিতিত অটল থকা লোক এজনক সহজতে কোনেও অসৎ পথে পৰিচালিত কৰিব নোৱাৰে। বৰ্তমানৰ দিনত ভয়াৱহভাৱে সংগদোষৰ প্ৰভাৱত পৰি এচাম যুৱ প্ৰজন্ম অবাটে পৰিচালিত হোৱাটো পৰিয়ালৰ বাবেই নহয় দেশখনৰ বাবেও অতি ক্ষতিকাৰক আৰু চিন্তনীয়। এটি সন্তান জন্ম হোৱা দিনৰে পৰা পৰিয়ালৰ আদৰ-যতন-মৰম- চেনেহৰ মাজত লালিত-পালিত হয়। অভিভাৱকৰ সপোন থাকে সেই সন্তান এদিন নিজৰ ভৰিত থিয় হৈ এজন উপযুক্ত নাগৰিক হিচাপে পৰিয়াল- সমাজ আৰু দেশলৈ গৌৰৱ কঢ়িয়াই আনিব। এজোপা গছ উপযুক্ত সাৰ-পানী যোগান ধৰাৰ জৰিয়তে সময়ত পুৰঠ হৈ উঠে। এটা সময়ত সেই বৃষৰ ছায়াত ক্লান্ত বাটৰুৱাই খন্তেক জিৰণি লৈ অৱসাদ দূৰ কৰাৰ উপৰি ফলে- ফুলে জাতিষ্কাৰ হৈ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। মানৱ জীৱনো এজোপা গছৰ দৰেই পৰিয়ালৰ আদৰ-যতনৰ মাজত লালিত-পালিত হৈ ক্ৰমান্বয়ে প্ৰাপ্তবয়স্কত ভৰি দিয়ে। জীৱনৰ স্পৰ্শকাতৰ সময়ত সমাজৰ বহুতো অভিভাৱকৰ আলাসৰ সন্তান একমাত্ৰ সংগদোষৰ বাবেই অবাটে গৈ নিজৰ লগতে বংশৰো কলংক হৈ পৰাৰ বহু উদাহৰণ আছে।

বৰ্তমান ডিজিটেল যুগত শিশুসকলে অতি কম বয়সৰ পৰাই চৌদিশৰ পৰিৱেশ, পৰিস্থিতি আৰু জীৱন সম্পৰ্কে নানান ধৰণৰ জ্ঞান আহৰণ কৰাৰ সুবিধা লাভ কৰিছে। অতীজৰ দৰে একবিংশ শতিকাৰ নৱপ্ৰজন্ম কোনো ফালেই পিছ পৰি থকা নাই। শিক্ষা-দীক্ষা, খেল-ধেমালিৰ লগতে বহিঃজগতৰ খবৰ-বাতৰি লোৱাত সততেই আগৰণুৱা। কিছু বছৰৰ আগলৈকে পিতৃ-মাতৃৰ হাতত ধৰি ঘূৰি ফুৰা শিশুসকলেও বৰ্তমান ম'বাইল ব্যৱহাৰৰ ক্ষেত্ৰত যথেষ্ট পৰিপক্ক, বুদ্ধিমত্তাৰ ক্ষেত্ৰতো কোনো গুণে কম নহয়। কোনো এজন ব্যক্তিয়ে খন্তেকীয়া পৰিচয়তে অচিনাকি এজনৰ চলাহী কথাত ভোল নগৈ বন্ধুত্ব স্থাপন কৰোতে অতি সন্তৰ্পণে আগবঢ়া উচিত। অসাৱধানতাৰ ফলত গঢ়ি উঠা অনাকাংক্ষিত সম্পৰ্কবোৰেই এদিন জীৱন জুৰি দুখ-কষ্টৰ কাৰণ হৈ পৰে। মতলবী স্বাৰ্থান্বেষী আৰু সুবিধাবাদী বন্ধুসকল ছায়াৰ দৰে আপোনাৰ সুখৰ দিনৰ উজ্বল পোহৰত ঘনিষ্ঠ সম্পৰ্ক বৰ্তাই ৰাখিলেও দুখৰ দিনৰ অন্ধকাৰত নিৰ্ধাৰিত দূৰত্বত অৱস্থান কৰে। এনে মুখাধাৰী লোকসকলক সময় থাকোতেই চিনি থোৱা উচিত। যুগৰ পৰিৱৰ্তনৰ লগে লগে এনে ভাৱ হয় বন্ধুত্বৰ পৱিত্ৰ সম্পৰ্কবোৰতো যেন ঘূণে ধৰিছে। স্বাৰ্থসিদ্ধিৰ ঘৃণনীয় মানসিকতাৰ বাবে বন্ধুৱে বন্ধুৰ হত্যাকাণ্ডৰ স'তে জড়িত থকাৰ প্ৰমাণো আমাৰ সমাজতেই আছে। ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি সমাজৰ সৰ্বতো- প্ৰকাৰে উন্নতি হ'বলৈ সকলো লোক সজাগ-সচেতন হোৱা প্ৰয়োজন। আনক দোষাৰোপ কৰাৰ আগতে নিজে সতৰ্কতা অৱলম্বন কৰা উচিত। মনৰ স্থিতি অটল থাকিলে সাত শতৰুৱেও আমাৰ অনিষ্ট সাধন কৰিব নোৱাৰে। সামৰণিত এষাৰ কথা উনুকিয়াই থওঁ— Avoid bad companions as poisonous snakes.

*ফোন ঃ ৯১০১৫১৭৮৪৭*

সৃষ্টিশীলতাই তেওঁক সাহিত্যৰ ক্ষেত্ৰখনলৈ উলিয়াই আনিলে। হাতত কলম তুলি তেওঁ ওলাই আহিল ৰহস্যবাদী চিন্তাৰ উন্মেষেৰে, সমাজৰ দুৰ্নীতি-অসূয়াই হয়তো তেওঁক অতিষ্ঠ কৰিছিল। এক অসীম শক্তিৰ কল্পনা কৰিছিল তেওঁ। কল্পনা কৰিছিল এক প্ৰতিবাদী সত্তাৰ। সেই প্ৰতিবাদী সত্তাৰ শক্তিয়ে জন্ম দিলে এখন এখনকৈ ভাস্কৰ ছিৰিছ লিখি যোৱাৰ অসীম শক্তি। ভাস্কৰ ছিৰিজৰ মাজত সুগভীৰ দেশ প্ৰেমে ভাস্কৰৰ চৰিত্ৰক মহীয়ান কৰি তুলিছে।

আজি স্মৃতি দিৱস উপলক্ষে

# ভাস্কৰ ছিৰিজৰ স্ৰষ্টা ৰংমন ওৰফে ৰবীন দেক সুঁৱৰি



## সত্যনাৰায়ণ কৰ

**চাওঁতে** চাওঁতে দুকুৰি বছৰৰ অধিক কাল পাৰ হ'ল। কেনেকৈ যে পাহৰণিৰ বুকুত হেৰাই যায় মানুহবোৰ। যেনেকৈ সূৰ্যাস্তৰ হেঙুল বৰণত তেজাল সূৰ্য। চৰাইৰ কলকণ্ঠ হেৰায় নিৰুদ্দেশ যাত্ৰাত। তেনেকৈ হেৰাল এদিন বহল ফ্ৰেমৰ বগা চশমাৰে সাজে শুৱনি ৰংমন ওৰফে ৰবীন চন্দ্ৰ দে মানুহজন। সাহিত্য-সংস্কৃতিৰ জগতখনে তেওঁক ৰংমন বুলিহে চিনি পায়। অসমীয়া ৰহস্য সাহিত্যিক সকলৰ ভিতৰত ৰংমন এটা জনপ্ৰিয় নাম। ইতিহাস প্ৰসিদ্ধ শিৱসাগৰ জিলাৰ নাজিৰা নগৰত এটা সুৰুচিপূৰ্ণ পৰিয়ালত নিবাৰণ চন্দ্ৰ দেৰ পুত্ৰ ৰবীন চন্দ্ৰ দেৰ জন্ম হৈছিল ১৯২২ৰ ১৮ মাৰ্চত। সুদূৰ বংগদেশৰ কলিকতাৰ ওচৰৰ অঞ্চলৰ পৰা জীৱিকাৰ সন্ধানত নানা ঘাত-প্ৰতিঘাত নেওচি পিতৃ নিবাৰণ দে এদিন আশ্ৰিত হ'ল এইখন ঐতিহাসিক নগৰ নাজিৰাত। নাজিৰা দৈনিক বজাৰখনৰ ঠেক গলিটোৰ সন্মুখতেই পুৰণি কাঠৰ খুঁটা, চটি বাতামেৰে সজোৱা ঘৰখন আজিও জহি-খহি গৈ জকাটোহে আছেগৈ। কাষেদি গ'লে জোতা জোতা গোন্ধোৱা সন্মুখৰ মনিহাৰী দোকানখন ৰাজলক্ষ্মী ভাণ্ডাৰ সকলোৰে পৰিচিত এটি নাম। ১৯৩০ত ৰবীনৰ বৰদাদাক নৃপেন চন্দ্ৰ দেই দেউতাকৰ স'তে গৈ শিমলুগুৰি ৰেলৰে ক'লনীত থকা বঙালী মাধ্যমত নাম লগাই দিয়াত ১৯৩৫ত প্ৰাইমেৰী শিক্ষা শেষ কৰি নাজিৰা হাইস্কুলত দশম শ্ৰেণীলৈ পঢ়ি ১৯৪৩ত মেট্ৰিক পাছ কৰি কলিকতাৰ স্কটিছ চাৰ্চ কলেজত আই এছ চি পঢ়ি শেষ কৰি পুনৰ নাজিৰালৈ ঘূৰি আহি ব্যৱসায় কৰিবলৈ লয়। সৰু সুৰা ঠিকা-ঠুকুলি লয়। আনকি দিখৌ দলংখন নিৰ্মাণৰ বাবেও চাব কন্ট্ৰেক্ট পাইছিল বুলি শুনা যায়। কিন্তু যাৰ ধমনীৰ কোঁহে কোঁহে সাহিত্য সাধনাৰ বীজ অহৰহ প্ৰবাহিত হৈ আছে, তেওঁক ব্যৱসায়ৰ নিৰস গণ্ডীয়ে ধৰি ৰাখিব নোৱাৰিলে। সৃষ্টিশীলতাই তেওঁক সাহিত্যৰ ক্ষেত্ৰখনলৈ উলিয়াই আনিলে। হাতত কলম তুলি তেওঁ ওলাই আহিল ৰহস্যবাদী চিন্তাৰ উন্মেষেৰে, সমাজৰ দুৰ্নীতি-অসূয়াই হয়তো তেওঁক অতিষ্ঠ কৰিছিল। এক অসীম শক্তিৰ কল্পনা কৰিছিল তেওঁ। কল্পনা কৰিছিল এক প্ৰতিবাদী সত্তাৰ। সেই প্ৰতিবাদী সত্তাৰ শক্তিয়ে জন্ম দিলে এখন এখনকৈ ভাস্কৰ ছিৰিছ লিখি যোৱাৰ অসীম শক্তি। ভাস্কৰ ছিৰিজৰ মাজত সুগভীৰ দেশ প্ৰেমে ভাস্কৰৰ চৰিত্ৰক মহীয়ান কৰি তুলিছে। ভাস্কৰে যিকোনো বিপদৰ কাৰণে সদা প্ৰস্তুত। দস্যু ভাস্কৰৰ আৱিৰ্ভাৱৰ পৰা আৰম্ভ কৰি ভাস্কৰ ছিৰিজৰ প্ৰতিখন পুথিতেই আছে ৰহস্য, এডভেঞ্চাৰ। ৰহস্যত মোহাচ্ছন্ন পাঠকৰ মাজত হেজাৰ কৌতূহল। ভাস্কৰ ছিৰিজৰ প্ৰতিখন পুথিয়েই অসমীয়া সমাজ জীৱনৰ একোখন প্ৰতিচ্ছবি অংকন কৰিছে। সুন্দৰ নিভাঁজ অসমীয়া ভাষাৰ বাক্য গাঁথনিৰ লালিত্যৰে সজাই তুলিছে ভাস্কৰ নামৰ প্ৰতিবাদী তথা সংস্কাৰমুখী ব্যক্তিত্বক। কেৱল ডিটেকটিভ উপন্যাস লিখিয়েই ৰবীন ক্ষান্ত হোৱা নাছিল। ৰবীন দে এগৰাকী সুঅভিনেতা হিচাপে জনাজাত আছিল। টিপু চুলতান, ধাত্ৰীপান্না, ৰঞ্জিত সিংহ, ছত্ৰপতি শিৱাজী, নবাব চিৰাজুদৌল্লা, লাচিত বৰফুকন, কনৌজ কুঁৱৰী তেওঁ অভিনয় কৰা উল্লেখযোগ্য নাটক। চেমনীয়াৰ বাবে ৰংমন ছদ্ম নামেৰেই ১৯৬৯ত 'ডাকু' নামৰ তেওঁৰ এখন শিশু উপন্যাস প্ৰকাশ পায়। তাৰ পাছত পৱন কোঁৱৰ আৰু পৰ্বতৰ ৰেঙণি এই দুখন শিশু উপন্যাস প্ৰকাশ পায়। এইদৰেই তেওঁ ৰচিত প্ৰতিখন উপন্যাসতে নিভাঁজ অসমীয়া শব্দ আৰু জতুৱা ঠাঁচ ব্যৱহাৰ কৰি তেওঁৰ নিজস্ব আংগিক ৰচনাশৈলী প্ৰকাশ কৰিবলৈ সক্ষম হৈছিল। ৰংমন ওৰফে 'পৰাশৰ' হৈ তেওঁ ভূপেন হাজৰিকা সম্পাদিত আমাৰ প্ৰতিনিধিত 'নিপাতৰ পাত' নামৰ উপন্যাস তেওঁ ধাৰাবাহিকভাৱে প্ৰকাশ কৰিছিল। গৰিষ্ঠসংখ্যক গ্ৰন্থ কলিতাত ৰচিত হৈছিল যদিও য'তেই নাজিৰাৰ পাৰিপাৰ্শ্বিকতাৰ বৰ্ণনা দিবলগীয়া হৈছে, তাতেই তেওঁৰ দেশ হিতৈষী মন কুৰুকি কুৰুকি নাজিৰাৰ অভ্যন্তৰলৈ সোমাই গৈছিল আৰু বাস্তৱৰ এখন হুবহু চিত্ৰ দাঙি ধৰিবলৈ সক্ষম হৈছিল। কিন্তু কালৰ কুটিল গতি। সময়ৰ আৱৰ্তত ৰংমন এতিয়া নিমাত, নিস্তব্ধ। আলোড়ন সৃষ্টিকাৰী সাহিত্যিকজনে জীৱিত কালত আঁৰত থাকি আলোড়নেই কৰি গ'ল। কিন্তু মৃত্যুৰ পাছত তেওঁক লৈ আলোড়ন সৃষ্টি কৰা মানুহৰ সংখ্যা খুব কম। অসমক ভালপোৱা, নাজিৰাক ভাল পোৱা ৰবীন চন্দ্ৰ দেৰ ছিৰিজসমূহৰ যি মূল্যায়ন হ'ব লাগিছিল, সেয়া হৈ নুঠিল। নতুন প্ৰজন্মৰ বাবে তেওঁ এটা অচিনাকি নাম। ভাস্কৰৰ স্ৰষ্টা এইজন ৰংমনৰ অকাল মৃত্যু হৈছিল ১৯৮০ৰ ২২ জুলাইত। নাজিৰাত সঞ্জয় দোকানৰ কাষৰ ৰাধে পাণ দোকানৰ গাতে লাগি থকা টিঙৰ দুৱাৰখন ঠেলা মাৰি ৰবীন দে আৰু ওলাই নাহে। নাহে দৰ্শকক মুহিবলৈ নাটক, অভিনয়েৰে। কিশোৰৰ চেতনাক দুৰন্ত ৰূপত জগাই তুলিবলৈ হাতত তুলি নলয় কলম। আজি মৃত্যু বাৰ্ষিকীত যাচিলো ৰহস্য সাহিত্যৰ মুকুটবিহীন সম্ৰাটজনক অযুত প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি।

*ফোন ঃ ৮৪৮৬০১৬০৪৫*

# কিনো পালো, কিনো দিলো ? শিক্ষক জীৱনৰ কিছু চিন্তা



## দেৱ প্ৰসাদ মিশ্ৰ

**'A teacher** affects eternity. He can never tell where his influence stops.'– Henry Adams : শিক্ষকে মহাকাল বা অবিনশ্বৰকে প্ৰভাৱিত কৰে। তেওঁৰ প্ৰভাৱ ক'ত ওৰ পৰে, তেওঁ নিজেই নাজানে।

চাওঁতে চাওঁতে তিনি দশকৰো অধিককাল শিক্ষকতাৰ চাকৰিৰ লগত জড়িত থাকি অৱসৰৰ সময় আহি পালে। অৱসৰৰ লগে লগে অনুভৱ হয় যে মই বাৰ্দ্ধক্যৰ ফালে আগুৱাইছো। বজালী মহাবিদ্যালয়ত মোৰ প্ৰৱক্তা হিচাপে যোগদানৰ তাৰিখ ১৯৮৭ৰ আগষ্টৰ চাৰি তাৰিখ আৰু অৱসৰৰ তাৰিখ ৩১ জুলাই '২০২১। অৱসৰৰ লগে লগে যেন জীৱনৰ ভাটি বয়সৰ বেলিটোৱে লহিয়ালে। চাকৰি পোৱাটো অতি আনন্দ আৰু সৌভাগ্যৰ কথা এই কথাত সন্দেহ নাই; কিন্তু চাকৰিৰ শেষৰ দিনটো বিপদৰ দিন। অৱশ্যে চাকৰি কৰিলে অৱসৰ আহিবই। এতিয়া ভাৱ হৈছে সিদিনাহে যেন মহাবিদ্যালয়ত যোগদান কৰিছিলো, ওলাবৰ হ'লেইনে? আকৌ এনেদৰে ভাবিলে ভাল লাগে কুৰি শতিকাৰ অষ্টম দশকতে আৰম্ভ কৰা শিক্ষকতাৰ জীৱনৰ অন্ত পৰিল একৈশ শতিকাৰ তৃতীয় দশকৰ আৰম্ভণিতে। আকৌ মহাবিদ্যালয়ত প্ৰৱক্তা হিচাপে আৰম্ভ কৰা চাকৰি জীৱনৰ অন্ত পৰিল বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক হিচাপে। আমি যোগদান কৰা মহাবিদ্যালয়খন ইতিমধ্যে বিশ্ববিদ্যালয়লৈ উন্নীত হৈছে। পূৰ্বৰ কলেজ আৰু বৰ্তমানৰ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত মই কৃতজ্ঞ এই কাৰণেই যে এই মহান অনুষ্ঠানটোৱে মোক বহুতখিনি শিকালে, জীৱনত প্ৰতিষ্ঠিত হোৱাৰ সুবিধা দিলে। কিন্তু মই কিনো দিলো সেয়া যোৱা তিনিদশকৰো অধিক কাল আমাৰ ছাত্ৰ-ছাত্ৰীৰ হাতত আছে।

বজালী কলেজত প্ৰৱক্তা হিচাপে যোগদান কৰাৰ আগতেও মই আন এখন মহাবিদ্যালয়ত দুবছৰ কাল অধ্যাপনাৰ লগত জড়িত আছিলো। সেই সময়তে শিক্ষক জীৱনৰ আনন্দৰ উমান পাইছিলো। শিক্ষকতা কৰাৰ সুদীৰ্ঘ পৰিক্ৰমাৰ অলেখ সোণসেৰীয়া স্মৃতি আজিও বিদায় বেলাত মোৰ স্মৃতিৰ মণিকোঠাত সজীৱ হৈ আছে। আমাৰ সহকৰ্মীসকলৰ সক্ৰিয় সহায়-সহযোগ আৰু অগণন ছাত্ৰ-ছাত্ৰীৰ মধুৰ ব্যৱহাৰে মোক যোৱা তিনিদশক জুৰি মুগ্ধ কৰি ৰাখিছিল। শিক্ষকতাৰ সুদীৰ্ঘ সময়ছোৱা সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে মোক কথা বা কামেৰে মনোকষ্ট নিদিয়াকৈ প্ৰতিটো খোজতে সহায়-সহযোগ আগবঢ়োৱাটো মোৰ বাবে আছিল পৰম সৌভাগ্যৰ কথা। শিক্ষকতাৰ মোৰ আছিল পছন্দৰ জীৱন। সেয়েহে আৰম্ভণিতে আমি অন্য চাকৰি বাদ দিও শিক্ষকতাৰ চাকৰি বাছি লৈছিলো।

বজালী মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত দেখিছিলো যে মোতকৈ জ্যেষ্ঠ অধ্যাপকসকল নিজ নিজ বিভাগৰ একো একোগৰাকী প্ৰতিষ্ঠিত শিক্ষক আছিল। মই এই কলেজত পঢ়া হ'লে তেওঁলোক মোৰ শিক্ষাগুৰু হ'লহেঁতেন আৰু এই ভাৱেৰে তেওঁলোকক মই সমীহ কৰিছিলো। আমাৰ জ্যেষ্ঠ সহকৰ্মীসকলে শিক্ষক গোটৰ সভা, শৈক্ষিক আলোচনা চক্ৰ আদিত প্ৰদান কৰা যুক্তিপূৰ্ণ ভাষণ শুনিও আমি মোহিত হৈছিলো। আমাৰ জ্যেষ্ঠসকলৰ পৰা লাভ কৰা নিৰ্ভেজাল উপদেশ, প্ৰতিটো কামতে লাভ কৰা সক্ৰিয় সহায়-সহযোগৰ কথা আজীৱন মনত থাকিব। বিভাগীয় সহকৰ্মীসকলৰ সহযোগিতা আমাৰ বিভাগ সুকলমে চলোৱাৰ ক্ষেত্ৰত পাথেয় আছিল।

চাকৰি জীৱনৰ এক নিৰ্মোহ বিশ্লেষণ কৰিব লাগিলে মই এটা কথা ক'বই লাগিব যে পূৰ্বৰ মহাবিদ্যালয় আৰু বৰ্তমানৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি মই এক বৈচিত্ৰ্যময় জীৱন পালো— এই জীৱন দৰাচলতে তুলনাবিহীন। শিক্ষকতাৰ আনন্দৰ লগত জ্ঞানবিলোৱাৰ যি প্ৰশান্তি জড়িত হৈ আছে সেয়া প্ৰকৃতাৰ্থত তুলনাবিহীন। আজি অৱসৰৰ সময়ত মোৰ মনলৈ আহিছে এষাৰ কথা। বাৰ্দ্ধক্য আহিলেও শিক্ষকৰ কেতিয়াও বৃদ্ধত্ব নাহে। বাৰ্দ্ধক্য জীৱনৰ এটি স্তৰ সকলোৰে জীৱনলৈ আহিবই; কিন্তু বৃদ্ধত্ব মনৰ এটা অৱস্থা। সোনকালে বৃদ্ধত্ব নাহিলে সকলোৰে বাবে মংগল। শিক্ষক দৰাচলতে কেতিয়াও বুঢ়া নহয়, চামে চামে অহা যুৱ ছাত্ৰৰ সতেজ সান্নিধ্যই তেওঁলোকক চিৰসেউজ কৰি ৰাখে। প্ৰতি বছৰতে মই লক্ষ্য কৰিছো যে গ্ৰীষ্ম বন্ধ খোলাৰ পাছত প্ৰতিখন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ে প্ৰাণ পাই উঠে। লগতে বিভিন্ন ঠাইৰ পৰা অহা নতুন নতুন ছাত্ৰ-ছাত্ৰীৰে শিক্ষানুষ্ঠানসমূহ ভৰি পৰে। এই প্ৰাণ চঞ্চল ছাত্ৰ-ছাত্ৰীসকলৰ লগত আমি শিক্ষক সমাজেও নতুন উৎসাহেৰে শিক্ষাবৰ্ষ আৰম্ভ কৰিবলৈ ব্যস্ত হৈ পৰো আৰু নতুন উৎসাহ প্ৰতিবছৰতেই লাভ কৰো। চূড়ান্ত পৰীক্ষাৰ বাবে নিজৰ বিভাগীয় সহকৰ্মীসকলৰ লগত আলোচনা কৰি ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰি তোলাৰ ক্ষেত্ৰত সামূহিক দায়িত্ববোধেৰে কাম কৰাৰ কথা ভাবিলে মনটো ভাল লাগে।

> বাৰ্দ্ধক্য আহিলেও শিক্ষকৰ কেতিয়াও বৃদ্ধত্ব নাহে। বাৰ্দ্ধক্য জীৱনৰ এটি স্তৰ সকলোৰে জীৱনলৈ আহিবই; কিন্তু বৃদ্ধত্ব মনৰ এটা অৱস্থা। সোনকালে বৃদ্ধত্ব নাহিলে সকলোৰে বাবে মংগল। শিক্ষক দৰাচলতে কেতিয়াও বুঢ়া নহয়, চামে চামে অহা যুৱ ছাত্ৰৰ সতেজ সান্নিধ্যই তেওঁলোকক চিৰসেউজ কৰি ৰাখে। প্ৰতি বছৰতে মই লক্ষ্য কৰিছো যে গ্ৰীষ্ম বন্ধ খোলাৰ পাছত প্ৰতিখন মহাবিদ্যালয়, বিশ্ববিদ্যালয়ে প্ৰাণ পাই উঠে। লগতে বিভিন্ন ঠাইৰ পৰা অহা নতুন নতুন ছাত্ৰ-ছাত্ৰীৰে শিক্ষানুষ্ঠানসমূহ ভৰি পৰে।




বজালী মহাবিদ্যালয়ৰ শিক্ষক গোটেও সকলো বিষয়তে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি মহাবিদ্যালয়খনি জাকত জিলিকা কৰিবলৈ চেষ্টা কৰিছে। শিক্ষক ছাত্ৰ, কৰ্তৃপক্ষৰ সন্মিলিত প্ৰচেষ্টাত এই অনুষ্ঠানটিয়ে দ্বিতীয় কটক কলেজৰ মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমান আমাৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই নতুন নতুন বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী খোলাৰ উপৰি গৱেষণাৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰাত সফল হৈছে। আমাৰ দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে আমাৰ জাতীয় জীৱনত উচ্চ শিক্ষা তথা বিশ্ববিদ্যালয়ৰ ভূমিকা সম্পৰ্কে মন্তব্য আগবঢ়াই কৈছিল যে বিশ্ববিদ্যালয় মানে মানৱতা, সহিষ্ণুতা, উন্নয়ন আৰু যুক্তি। বিশ্ববিদ্যালয়ৰ অৰ্থ হৈছে চিন্তাৰ অগ্ৰগতি, সত্যৰ অন্বেষণ, উচ্চৰ পৰা উচ্চতৰ লক্ষ্যত উপনীত হোৱাৰ যি অন্তহীন যাত্ৰা, বিশ্ববিদ্যালয় তাৰেই প্ৰতীক। আমি আশাৰে বাট চাম ভট্টদেৱ বিশ্ববিদ্যালয়ে নেহৰুৰ এই সপোন বাস্তৱত ৰূপায়ণ কৰাত সফল হ'ব।

চাকৰিৰ পৰা অৱসৰ লোৱাৰ সময়ত এটা কথা বাৰে বাৰে মনলৈ আহিছে। শিক্ষকে কেতিয়াও অৱসৰ নাপায়। এজন শিক্ষক শ্ৰেণীকোঠাত বাহিৰেও বহল সমাজখনৰো শিক্ষকৰূপে বিবেচিত হয় আৰু সেয়েহে শিক্ষকে অৱসৰ পাব নোৱাৰে। শিক্ষকতা কৰা আৰু আন চাকৰি কৰাৰ মাজত এটা পাৰ্থক্য আছে। কাৰণ শিক্ষকে মানুহ গঢ়িব লাগে যিটো আন চাকৰিত প্ৰয়োজন নহয়। অৱসৰৰ পাছত এটা নতুন জীৱনে সদায় প্ৰাণ পাই উঠে বুলি ইংৰাজী সাহিত্যৰ উনবিংশ শতিকাৰ প্ৰখ্যাত প্ৰবন্ধকাৰ চাৰ্লছ লেম্বে তেওঁৰ The supernnuated Man' প্ৰবন্ধটিত সুন্দৰভাৱে উল্লেখ কৰিছে, 'Life begins in Superannuation' অৱসৰৰ পাছতহে নতুন জীৱন আৰম্ভ হয়। 'Is it not true that a man who has been doing contiuuohs work in same officc educational institution,, experiences a delightful feeling of release on retirement? Does he not fect that all time is now his own? All sense of hurry is gone, There is no compulsion of any kind. All days are sundays to him.' অৱসৰী জীৱনত মোৰ ক্ষেত্ৰতো একে কথাই প্ৰযোজ্য হ'ব। শেষত ক'ব পাৰি যে শিক্ষাদান দৰাচলতে এক পৱিত্ৰ কৰ্ম। কৃতী শিক্ষক হিচাপে জনমানসত স্বীকৃতি পোৱাটো বৰ সহজ নহয়। শিক্ষকতা এক সন্মানীয় বৃত্তি। এটা পাঠ শিকোৱাৰ পাছত শ্ৰেণীৰ আটাইতকৈ দুৰ্বল ছাত্ৰজনেও শিক্ষকৰ পাঠটো বুজিব লাগিব। যদি পাঠটো প্ৰতিজনেই বুজি পোৱা যেন পায়, শিক্ষকজনে আনন্দ লাভ কৰে। জৱাহৰলাল নেহৰুৱে কৈছিল, The teacher will be not just a follower of a profession which gives him a livelihood, but one who has chosen a vocation in the ardent spirit of a missionary in a sacred cause which feels his being.'

বজালী মহাবিদ্যালয় আৰু শেষত ভট্টদেৱ বিশ্ববিদ্যালয়ত জীৱনৰ অতি মূল্যবান সময়খিনি পাৰ কৰিলো। সেয়েহে এই অনুষ্ঠানটোৰ উজ্জ্বল ভৱিষ্যতৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালো। পূৰ্বৰ ধানৰ সীহৰ লগত বিষ্ণু পুৰাণৰ পৰা যোগ কৰা 'সা বিদ্যা যা বিমুক্তয়ে' প্ৰতীক জ্ঞানেই যুক্তিৰ পথ প্ৰশস্ত কৰে। আমাৰ আটাইৰে বাবে বৰ্তমান আৰু ভৱিষ্যতৰ হৃদয়ৰ বাক্য হওক। লগতে সম্পূৰ্ণ শ্লোকটোৰ অৰ্থ জীৱন যাত্ৰাৰ পাথেয় হওক। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আমাৰ আহ্বান 'আত্মদীপো ভৱ'- পৰিশ্ৰম কৰি তুমি নিজেই নিজৰ পথ প্ৰদৰ্শক পোহৰ হোৱা।' নমামি ভট্টদেৱ বিশ্ববিদ্যালয়।

*লেখক ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক।*

*ফোন ঃ ৯৪৩৫১১৯২৩৬*

# লাভলীনা বৰগোহাঁই

## আমাৰ সেউজ সপোন, দেশৰ গৌৰৱ



## বন্তি বৰা

**কোনোদিনে** বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিত যোগদান কৰি উল্লেখনীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম নোহোৱা ছোৱালীজনী আগন্তুক টকিঅ'ত অনুষ্ঠিত হ'ব লগা অলিম্পিকত খেলিবলৈ যোগ্যতা অৰ্জন কৰা অসমৰ প্ৰথমগৰাকী মহিলা বক্সাৰ প্ৰতিযোগী যোদ্ধা। পোনপ্ৰথমে তেওঁলৈ আন্তৰিক শুভেচ্ছা যাচিছো। গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ বৰপথাৰ মৌজাৰ এখন ভিতৰুৱা গাঁৱত জন্মগ্ৰহণ কৰি বিশ্বদৰবাৰত পদধ্বনি তুলি স্ব-প্ৰতিভাৰে উদ্ভাসিত হোৱা ব্যতিক্ৰমী ছোৱালীজনী হৈছে বক্সাৰ লাভলীনা বৰগোহাঁই। তেওঁ অসম তথা দেশৰ গৌৰৱ। ধনশিৰিবাসীৰ বাবে লাভলীনা সেউজ সপোন। এইগৰাকী খেলুৱৈৰ জন্ম ১৯৯৭ৰ দুই অক্টোবৰত। ধনশিৰি মহকুমাৰ বৰপথাৰ বাৰমুখীয়া গাঁৱত। তেওঁৰ সৌভাগ্যৱান পিতৃ টিকেন বৰগোহাঁই আৰু মাতৃ মামণি বৰগোহাঁইৰ তিনিগৰাকী সুযোগ্যা তনয়াৰ ভিতৰত লাভলীনা হ'ল কনিষ্ঠ। এটা নিম্ন মধ্যবিত্ত পৰিয়ালত জন্মগ্ৰহণ কৰা লাভলীনাৰ সৰুৰে পৰাই ঘৰুৱা কাম-কাজৰ উপৰি খেলা-ধূলাৰ প্ৰতি আগ্ৰহ আৰু একাগ্ৰতা আছিল। ২০১১ৰ পৰা ২০২০লৈকে কৰা ঐকান্তিক সাধনাৰ ফলস্বৰূপে ২০২০ত জাপানৰ টকিঅ'ত হ'বলগীয়া অলিম্পিকত অংশগ্ৰহণ কৰিবলৈ যোগ্যতা লাভ কৰিলে অসমৰ প্ৰথমগৰাকী মহিলা বক্সাৰ লাভলীনা বৰগোহাঁইয়ে। আমি আশাবাদী লাভলীনাই অলিম্পিকত নিশ্চয় সৰ্বশ্ৰেষ্ঠ মহিলা খিতাপৰ মুকুট পিন্ধি দেশক গৌৰৱান্বিত কৰিব। লাভলীনাই অলিম্পিকত খেলিবলৈ যোগ্যতা অৰ্জন কৰা বুলি জনাৰ দিনৰে পৰা ধনশিৰিবাসীৰ মনত আনন্দৰ বন্যাৰে ৰাইজৰ মন পলসুৱা কৰি তুলিছে।

**লাভলীনাৰ শিক্ষা জীৱন ঃ**

লাভলীনাই প্ৰাথমিক শিক্ষা আৰম্ভ কৰিছিল বৰপথাৰৰে পাভজান বৰহোলা প্ৰাথমিক বিদ্যালয়ত। প্ৰাথমিক শিক্ষা সমাপ্ত কৰাৰ পাছত তেওঁ মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল বৰপথাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত। উক্ত বিদ্যালয়ৰ পৰাই প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে গুৱাহাটী বি বৰুৱা মহাবিদ্যালয়ত নামভৰ্তি কৰে। খেলৰ প্ৰতি আগ্ৰহী হোৱাৰ কাৰণে তেওঁ তাৰ পৰাই খেলৰ অনুশীলন কৰিছিল। এনেদৰেই খেয়ালী মনৰ ছোৱালীজনী ক্ৰীড়া জগতৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰে।

**ক্ৰীড়া জগতত লাভলীনা ঃ**

লাভলীনাৰ সৰুৰে পৰা এটা সপোন আছিল। যি সপোনক তেওঁ বাস্তৱায়িত কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। লাভলীনা এগৰাকী অতি অমায়িক, সাহসী আৰু শক্তিশালী মনৰ গৰাকী। বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালিসমূহত তেওঁ যেতিয়া যোগদান কৰি উল্লেখনীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম নহয় তেতিয়া কিন্তু মানসিকভাৱে ভাগি নপৰি দুগুণ উৎসাহেৰে সময়ত পুনৰ সকলো খেলতে অংশগ্ৰহণ কৰে আৰু নতুন নতুন খেল শিকিবলৈ হাবিয়াস কৰে। লাভলীনাৰ প্ৰৱল হেঁপাহৰ বাবে (২০১০ত) কোনোবা এটা দিনত তেওঁৰ পেহীয়েকৰ জীয়াৰী সোনমণি গগৈয়ে 'মুৱাই থাই' খেলৰ বিষয়ববীয়া আৰু প্ৰশিক্ষক প্ৰশান্ত দাসৰ ওচৰলৈ লৈ যায় আৰু চিনাকি কৰি দিয়ে। এয়াই আছিল লাভলীনাৰ খেল জগতত প্ৰথম খোজ। প্ৰশান্ত দাস এজন 'মুৱাই থাই'ৰ ভাল প্ৰশিক্ষক হোৱাৰ উপৰি বৰপথাৰ উদ্যোগীক প্ৰশিক্ষণ কেন্দ্ৰৰ এজন প্ৰশিক্ষকো। এদিন প্ৰশিক্ষক প্ৰশান্ত দাসক লাভলীনাৰ প্ৰসংগত সোধাত কৈছিল, লাভলীনাৰ প্ৰতিভা আছে, আশাশুধীয়া প্ৰচেষ্টা আছে গতিকে এদিন তাই ক্ৰীড়া জগতত সুনাম অৰ্জন কৰিব। অসমীয়াত এষাৰ কথা আছে—'যি মূলা বাঢ়িব তাৰ দুপাততে চিন'। কথাষাৰৰ যথাৰ্থতা লাভলীনাৰ ক্ষেত্ৰত দেখা গ'ল।

২০১২ত লাভলীনা নৱম শ্ৰেণীৰ ছাত্ৰী. সঁচাকৈ কোনেও নাজানে কাৰ- কেতিয়া ভাগ্য উদয় হয়। নৱম শ্ৰেণীত পঢ়ি থকা সময়ত লাভলীনাৰ জীৱনলৈ সৌভাগ্য নামি আহিছিল বুলি ক'ব পাৰি। কিয়নো জীৱনৰ কিছুমান সুযোগ বিধাতাই দিলেহে পোৱা যায়। তেনে এটা সুযোগ লাভলীনাই গ্ৰহণ কৰিব পাৰিছিল বাবেই আজিৰ লাভলীনা দেশৰ বাবে বিৰল গৌৰৱ হৈ উজ্জ্বলিছে। লাভলীনাৰ সফলতাৰ আঁৰৰ এটা কাহিনী উল্লেখ নকৰিলে অকৃতজ্ঞ হোৱা যেন অনুভৱ কৰিম।

২০১২ৰ মে'ৰ এটা দিনত গুৱাহাটীৰ ছাইৰ উদ্যোগত এটা দল ধনশিৰি মহকুমাৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ৰীড়া প্ৰতিভাৰ সন্ধানত সৰুপথাৰলৈ আহিছিল। ধনশিৰি মহকুমাৰ দক্ষিণ উন্নয়ন খণ্ড কাৰ্যালয়ৰ অন্তৰ্গত সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ প্ৰাংগণত তেওঁলোকে নিৰ্বাচনী শিবিৰ অনুষ্ঠিত কৰিছিল। উক্ত শিবিৰত প্ৰশাসনিক বিষয়াৰ উপৰি কে'বাখনো বিদ্যালয়ৰ শাৰীৰিক নিৰ্দেশক ভবানন্দ লাহন, তোযেশ্বৰ বৰুৱা, ৰাজেন গোহাঁই, লুলু শইকীয়া, হেমন্ত চেতিয়াকে আদি কৰি প্ৰায়সকলেই শিবিৰত উপস্থিত আছিল। সেইদিনটোৰ বিশেষভাৱে ভাল লগা বিষয়টো হ'ল আমাৰ লাভলীনাৰ ভাগ্য উদয়। গুৱাহাটীৰ 'ছাই'ৰ সদস্য কেইগৰাকীয়ে নিজৰ কৰ্তব্য সামৰি যাবলৈ সাজু হোৱাৰ সময়ত বৰপথাৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ শাৰীৰিক নিৰ্দেশক ভৱানন্দ লাহন আৰু তেওঁৰ সহযোগীসকলে সেই সময়ৰ ৰাজ্যৰ ক্ৰীড়া বিভাগৰ উপ-সঞ্চালক উদয় কমল চেতিয়াৰ লগত ফোন যোগে যোগাযোগ কৰি চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি আন জাতি-জনগোষ্ঠীৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰীৰো প্ৰতিভাৰ সন্ধান কৰিবলৈ খাটনি ধৰাত উপ-সঞ্চালকজনে 'ছাই'ৰ সদস্যসকলৰ লগত যোগাযোগ কৰি বিষয়টো কাৰ্যকৰী কৰাৰ আশ্বাস দিয়ে। সেই দলত খ্যাতি সম্পন্ন বক্সিং প্ৰশিক্ষক পদুম চন্দ্ৰ বড়োৱে বক্সিং খেলৰ কোনোবা প্ৰশিক্ষাৰ্থী আছে যদি খুব কম সময়ৰ ভিতৰত শিবিৰত উপস্থিত কৰাব পাৰিলেহে তেওঁলোকৰ প্ৰতিভা চোৱা সম্ভৱপৰ হ'ব বুলি প্ৰকাশ কৰিলে। লগে লগে লাহনে বৰপথাৰ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক সোণাৰাম ভৰালীলৈ ফোনযোগে লাভলীনাক অতি সোনকালে শিবিৰলৈ পঠাব লাগে বুলি জনালে। তেওঁ সুযোগ হেৰালেই হেৰায় বুলি ভাবি অকণো সময় ব্যয় নকৰি সেই বিদ্যালয়ৰে সহকাৰী শিক্ষক হেমন্ত বৰাক তেওঁৰ বাইকেৰে লাভলীনাক সৰুপথাৰলৈ পঠাই দিয়ে। হাতত সময় তেনেই তাকৰ। গতিকে মাক-দেউতাকক সেই খবৰ প্ৰধান শিক্ষকে পাছতহে জনায়। বক্সিং প্ৰশিক্ষক পদুম বড়োৱে লাভলীনাক দুই-চাৰিটা কথা সোধাৰ লগতে লাভলীনাৰ পৰিচয় গ্ৰহণ কৰি বিদায় লয়। কিছুদিনৰ পাছত ২০১২ৰ ২৬ জুনত শাৰীৰিক নিৰ্দেশক ভবানন্দ লাহনলৈ সন্ধ্যা এটা খবৰ আহিল। দুদিনৰ পাছত লাভলীনাক গুৱাহাটীস্থিত 'ছাই'ৰ কেন্দ্ৰত যেনে-তেনে উপস্থিত কৰাব লাগে। আগদিনা সন্ধ্যা খবৰ পাইছে, পিছদিনা যাবই লাগে। কিংকৰ্তব্য বিমূঢ় হৈ লাহনে লাভলীনাৰ দেউতাকক এই শুভ বাৰ্তাটো জনায়। অতি উদ্যমী দেউতাক টিকেন বৰগোহাঁইয়ে সন্মতি জনাই ২০১২ৰ ২৮ জুনত ৰেলত সংৰক্ষণ নাপাই অতি কষ্টৰে লাভলীনা সহিতে গুৱাহাটীৰ 'ছাই' কেন্দ্ৰত যথা সময়ত উপস্থিত হয়। এইখিনিতে উল্লেখ কৰিব লাগিব বিশিষ্ট খেলুৱৈ ৱেইট লিফটিঙৰ প্ৰশিক্ষক অলকেশ বৰুৱাৰ নাম। কিয়নো তেওঁৰ সহযোগতহে লাভলীনাৰ নাম ভাৰতীয় খেল প্ৰাধিকৰণলৈ প্ৰেৰণ কৰা হৈছিল বুলি জানিব পৰা গৈছে। তাৰ পাছৰে পৰা লাভলীনাই ১৬ বছৰৰ তলৰ মহিলা বক্সিং খেলৰ প্ৰশিক্ষাৰ্থী ৰূপে প্ৰশিক্ষণৰ সুবিধা লাভ কৰে। সেইদিন ধৰি লাভলীনাই আৰু পিছলৈ ঘূৰি চাব লগা হোৱা নাই।

মোৰ এই লেখাটোত উক্ত ব্যক্তি কেইগৰাকীৰ নাম এইবাবেই উল্লেখ কৰিছো প্ৰতিভা থাকিলেও নহ'ব। সেই প্ৰতিভাক উলিয়াই আনি বহিঃজগতৰ লগত চিনাকি কৰাই দিয়াটো কম মহানুভৱতাৰ পৰিচায়ক নহয়। লাভলীনাৰ সোণালী বাটত তেওঁলোকৰ ত্যাগ, কষ্ট, সহানুভূতিৰ মহানুভৱতাৰ লগতে প্ৰেৰণাদায়ক কৰ্তব্য জড়িত হৈ আছে। আমি আটাইকেইগৰাকী শিক্ষাগুৰুক ধন্যবাদ সহ কৃতজ্ঞতা জনাইছো। এয়াই আছিল লাভলীনাৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ পৰা আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া জগতলৈ প্ৰথম যাত্ৰা।

**মহিলাৰ বক্সাৰ ৰূপে লাভলীনাৰ কৃতিত্ব ঃ**

লাভলীনাই আমাক জনোৱা মতে, ভবানন্দ লাহনৰ তত্বাৱধানত থাকোতে তেওঁ ছাইৰ প্ৰশিক্ষক পদুম বড়োক লগ পায়। ২০১৩ত (সম্ভাব্য) প্ৰথম বক্সিং প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ লাভলীনাই সুযোগ পাই কলিকতালৈ যায় আৰু পোন প্ৰথমবাৰৰ বাবে 'সোণৰ পদক' লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনে। ২০১৩তে ছাব জুনিয়ৰ বিভাগত আন্তঃৰাষ্ট্ৰীয় বক্সিং প্ৰতিযোগিতাৰ বাবে ছাইবেৰিয়ালৈ যায় আৰু তাতো ৰূপৰ পদক লাভ কৰে। ২০১৪ৰ জানুৱাৰীত ছাইবেৰিয়া আৰু ৰাছিয়াত খেলি ব্ৰঞ্জৰ পদক লাভ কৰে।

২০১৫ৰ জানুৱাৰীত ৰাছিয়াত আন্তৰ্জাতিক বক্সিঙত খেলি ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। অৱশ্যে ২০১৫ত যুথ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ খেলি লাভলীনা পৰাজিত হৈছিল যদিও উদ্যম হেৰুওৱা নাছিল। ইয়াৰ পাছত ২০১৬ত বয়স কম হোৱাৰ বাবে লাভলীনা এই বৰ্ষতো থমকি ৰ'ব লগা হ'ল। ২০১৭ত ৰিপাব্লিক কাজাখস্তান প্ৰেছিডেণ্টছ কাপ খেলি ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতৰ একমাত্ৰ খেলুৱৈ লাভলীনাইহে এই গৌৰৱৰ অধিকাৰী হ'বলৈ সক্ষম হৈছিল। সেই বছৰতে ভিয়েটনামত হোৱা এছিয়ান বক্সিং চেম্পিয়নশ্বিপতো 'ব্ৰঞ্জৰ পদক' লাভ কৰিবলৈ সক্ষম হয়। প্ৰসংগত তেওঁ কৈছিল, এইখন খেল তেওঁৰ জীৱনৰ বাবে অতি কঠিন আছিল। ২০১৮ৰ জানুৱাৰীত হাৰিয়ানাত নেছনেল গেমেছতো 'ব্ৰঞ্জৰ পদক' লাভ কৰে। সেই একে বছৰতে অ'পেন ইণ্ডিয়া চেম্পিয়নশ্বিপ খেলি 'সোণৰ পদক' লাভ কৰে আৰু কমনৱেলথ গেমছলৈ নিৰ্বাচিত হয়। তদুপৰি তেওঁ বিভিন্ন সময়ত বিভিন্ন দেশত গৈ কেম্প কৰিছে, খেলিছে। ২০১৮ত ছিনিয়ৰ অ'মেন ৱৰ্ল্ড বক্সিং চেম্পিয়নশ্বিপ খেলি 'ব্ৰঞ্জৰ পদক' লাভ কৰি বিশ্বৰ তৃতীয় গৰাকী মহিলা বক্সাৰৰ আসন অলংকৃত কৰে। এনেদৰে বহু সংখ্যক পদক লাভ কৰাৰ পাছত লাভলীনাই ২০২০ত 'অৰ্জুন বঁটা'ৰে সন্মানিত হৈ দেশলৈ সৰ্বোচ্চ গৌৰৱ কঢ়িয়াই আনে। ইমানখিনি সাধনাৰে লাভলীনাই এইবাৰ লক্ষ্যৰ উচ্চ শিখৰলৈ ঢাপলি মেলিছে। তেওঁৰ এই সপোনে বাস্তৱ ৰূপ পাওক তাকে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। লাভলীনা আমাৰ সেউজ সপোন। আগন্তুক ২৩ জুলাইৰ পৰা টকিঅ'ত অনুষ্ঠিত হ'ব লগা অলিম্পিকত অসমৰ প্ৰথমগৰাকী মহিলা বক্সাৰৰূপে লাভলীনাই ভাৰতক প্ৰতিনিধিত্ব কৰি ৬৯ কেজি ৱেলটাৰৱেইট শাখাত অংশগ্ৰহণ কৰিব। এয়া দেশৰ বাবেই বিৰল গৌৰৱ। তেওঁ যাতে সৰ্বশ্ৰেষ্ঠ মহিলা বক্সাৰৰ খিতাপ অৰ্জন কৰিব পাৰে তাৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাইছো।

*ফোন ঃ ৮৬৩৮৬৭২৮৮৫*

## ‘নিউ শ্বেপাৰ্ড’ত উঠি আন দুগৰাকী মহাকাশযাত্ৰীৰে বিৰল ৰোমাঞ্চকৰ অভিজ্ঞতা আহৰণ বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ

# ১০ মিনিটৰ সফল মহাকাশ ভ্ৰমণ জেফ বেজ’ছৰ ঃ অভিনন্দন নাছাৰ



**নিউজ ব্যুৰ’ টেক্সাছ, ২১ জুলাই ঃ** ১০ মিনিট মহাৰাশত অতিবাহিত কৰি সম্পূৰ্ণ সুৰক্ষিতভাৱে পৃথিৱীলৈ উভতি আহিল বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি জেফ বেজ’ছ। নিজৰ সংস্থা ব্লু অৰিজিনে তৈয়াৰ কৰা মহাকাশযান ‘দ্য নিউ শ্বেপাৰ্ড’ত উঠি বেজ’ছৰ লগতে আন দুগৰাকী মহাকাশযাত্ৰীয়ে এই বিৰল ৰোমাঞ্চকৰ যাত্ৰাৰ অভিজ্ঞতা আহৰণ কৰিলে। ব্লু অৰিজিনৰ মহাকাশযানখনত বেজ’ছৰ লগত আছিল ৮২ বছৰ বয়সীয়া প্ৰাক্তন মহিলা বৈমানিক ওৱালি ফ্ৰাংক আৰু ১৮ বছৰীয়া ডাচ যুৱক অলিভাৰ ডেমেন। উল্লেখ্য যে এই মহাকাশ ভ্ৰমণৰ জৰিয়তে ফ্ৰাংক বিশ্বৰ প্ৰবীণতম মহাকাশচাৰী আৰু অলিভাৰ কনিষ্ঠতম মহাকাশচাৰী হিচাপে পৰিচিত হ’ল। মঙলবাৰে ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৬-৩০ বজাত মহাকাশযানখন উৎক্ষেপণৰ কথা আছিল যদিও ই কিছু পলম হৈছিল। অৱশেষত কাৰমেন লাইনৰ ওপৰৰে ভূপৃষ্ঠৰ পৰা ১০৭ কিলোমিটাৰ উচ্চতাত মূল মহাকাশযানৰ পৰা বিচ্ছিন্ন হৈছিল কেপচুল। তিনিৰ পৰা চাৰিমিনিট সময় কাৰমেন লাইনৰ ওপৰত থকাৰ পাছত কেপচুলখন পেৰাছ্যুটৰ জৰিয়তে টেক্সাছৰ মৰুভূমিত অৱতৰণ কৰে। ৫৭ বছৰীয়া বেজ’ছে বহু প্ৰত্যাশিত মহাকাশ ভ্ৰমণ সম্পন্ন কৰাৰ পাছত আনন্দ প্ৰকাশ কৰি কয় যে এয়া আছিল সঁচাকৈয়ে এক বিৰল দুঃসাহসিক অভিজ্ঞতা। ইফালে, সফল মহাকাশ ভ্ৰমণৰ পাছত বেজ’ছৰ প্ৰতিষ্ঠানটোক অভিনন্দন জনালে মাৰ্কিন মহাকাশ গৱেষণা প্ৰতিষ্ঠান নাছাই। এক টুইটত নাছাই আজি কয়, ‘ব্লু অৰিজিনৰ দলটোক তেওঁলোকৰ প্ৰথম ‘হিউমেন ফ্লাইট’ৰ বাবে অভিনন্দন। ভৱিষ্যতৰ উৰণত নাছাৰ গৱেষক আৰু প্ৰযুক্তিবিদ থাকিব আৰু ইয়াৰ বাবে অধীৰ আগ্ৰহৰে অপেক্ষা কৰিছো।’



## জম্মুত পুনৰ সন্দেহজনক ড্ৰ’ন্‌ৰ বিচৰণ

**নিউজ ব্যুৰ’ জম্মু, ২১ জুলাই ঃ** কাশ্মীৰ উপত্যকাত পুনৰ আকাশত প্ৰত্যক্ষ হ’ল সন্দেহজনক ড্ৰ’ন্‌ৰ বিচৰণ। আজি জম্মুৰ সাতৱাৰি অঞ্চলত এখন ড্ৰ’ন্ আকাশত বিচৰণৰত অৱস্থাত সেনাই ধৰা পেলাইছিল। বুধবাৰে পুৱা ৪-০৫ বজাত এই সন্দেহজনক ড্ৰ’ন্‌খনে জম্মু থকা বায়ুসেনাৰ ঘাটিৰ কেইশমান মিটাৰ নিলগত বিচৰণ কৰিছিল। সেই সময়তে সেনা বাহিনীয়ে ড্ৰ’ন্‌খনক ধৰা পেলাই গুলিবৰ্ষণ কৰাত ড্ৰ’ন্‌খনে পলায়ন কৰে। সেনাৰ সূত্ৰই জানিবলৈ দিয়া মতে, সীমান্তৰ সিপাৰৰ পৰা নজৰ ৰাখিবলৈ এই ড্ৰ’ন্‌খন ভাৰতলৈ প্ৰেৰণ কৰা হৈছিল।



## কৰ্ণাটকত নহ’ব নেতৃত্বৰ পৰিৱৰ্তন, মুখ্যমন্ত্ৰী হৈ থাকিব য়েডুৰাপ্পা

**নিউজ ব্যুৰ’ বাংগালুৰু, ২১ জুলাই ঃ** কৰ্ণাটকত নেতৃত্ব পৰিৱৰ্তনৰ জল্পনা-কল্পনাৰ সন্দৰ্ভত আজি মন্তব্য কৰি ৰাজ্যখনৰ গৃহমন্ত্ৰী বছবৰাজ বুম্ময়ে কয় যে বি এছ য়েডুৰাপ্পা কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হৈ থাকিব। এই কথা প্ৰকাশ কৰি গৃহমন্ত্ৰীজনে লগতে কয় যে কৰ্ণাটকৰ প্ৰভাৰী অৰুণ সিঙে তেওঁক অৱগত কৰা অনুসৰি, য়েডুৰাপ্পা মুখ্যমন্ত্ৰীৰ পদত বাহাল থাকিব। কৰ্ণাটকত মুখ্যমন্ত্ৰী সলনি নহয় বুলি গৃহমন্ত্ৰীজনে দাবী কৰে। বুম্ময়ে লগতে কয় যে মুখ্যমন্ত্ৰী হিচাপে য়েডুৰাপ্পা যথেষ্ট দক্ষতাসম্পন্ন আৰু তেওঁ মুখ্যমন্ত্ৰীৰ পদত বাহাল থাকিব। উল্লেখ্য যে যোৱা মাহত বিজেপিৰ কেইজনমান বিধায়ক আৰু মন্ত্ৰীয়ে য়েডুৰাপ্পাক মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিবলৈ দাবী জনাইছিল।

## টাইৱান প্ৰসংগত জাপানক কঠোৰ সকীয়নি চীনৰ



**নিউজ ব্যুৰ’, বেইজিং, ২১ জুলাই ঃ** টাইৱান প্ৰসংগত পুনৰ জাপানৰ বিৰুদ্ধে যুদ্ধৰ সকীয়নি দিলে চীনে। আনকি বেইজিঙে জাপানৰ বিৰুদ্ধে পৰমাণু বোমা ব্যৱহাৰ কৰাৰো ধমক দিলে। ‘টাইৱান নিউজ’ৰ বাতৰি অনুসৰি, যোৱা দেওবাৰে চীনৰ নিজস্ব ভিডিঅ’ প্লেটফৰ্ম ‘ছিগুৱা’ত দেশখনৰ কমিউনিষ্ট পাৰ্টিয়ে এটা ভিডিঅ’ আপলোড কৰিছিল। জাপানক উদ্দেশি চীনৰ কমিউনিষ্ট পাৰ্টিয়ে এই ভিডিঅ’ত এইদৰে বাৰ্তা দিছিল, ‘জাপানে যদি টাইৱানক সহায় কৰে, তেন্তে পৰমাণু বোমাৰে ইয়াৰ প্ৰত্যুত্তৰ দিয়া হ’ব। চীন যদিও যুদ্ধৰ ক্ষেত্ৰত প্ৰথমে পাৰমাণৱিক আক্ৰমণ চলোৱাৰ পক্ষপাতি নহয়, জাপানৰ ক্ষেত্ৰত দেশখন এই বিষয়ত ব্যতিক্ৰম হ’ব পাৰে।’ টাইৱান চীনৰ অংগ বুলি এই ভিডিঅ’ত বেইজিঙে দাবী কৰে। দ্বীপ ৰাষ্ট্ৰখনক মুক্ত কৰাৰ অভিযান চীনে চলাব আৰু এই কাৰ্যত কোনোবাই বাধা দিলে যুদ্ধ হ’ব আৰু ইয়াৰ ফল ভোগ কৰিব লাগিব জাপানে বুলি বেইজিঙে সকীয়াই দিয়ে।

## ভাৰতত ক’ভিডত ১৪ মাহত ১.১৯ লাখ শিশু হ’ল অনাথ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২১ জুলাই ঃ** কৰ’না ভাইৰাছৰ মহামাৰীৰ প্ৰথম ১৪ মাহৰ সময়ছোৱাত ভাৰতত এক লাখ ১৯ হেজাৰ শিশুসহ বিশ্বৰ ২১ খন দেশত মুঠ ১৫ লাখৰো অধিক শিশু অনাথ হ’ল। নেচনেল ইনষ্টিটিউট অন ড্ৰাগ এবিউজ (এন আই ডি এ) আৰু নেচনেল ইনষ্টিটিউট অৱ হেল্‌থ (এন আই এইচ)ৰ যৌথ অধ্যয়নত প্ৰকাশিত তথ্য অনুসৰি ভাৰতত ২৫,৫০০ টা শিশুৱে ক’ভিড ১৯ সংক্ৰমণৰ ফলত নিজৰ মাতৃক আৰু ৯০,৭৫১টা শিশুৱে নিজৰ পিতৃক হেৰুৱালে। আনহাতে, ১২টা শিশুৱে দেশত কৰ’নাৰ কবলত চিৰদিনৰ বাবে পিতৃ-মাতৃক হেৰুৱাই অনাথ হ’ল। এই অধ্যয়নৰ তথ্য অনুসৰি বিশ্বজুৰি ক’ভিড কালত ১১,৩৪,০০০ শিশুৱে কৰ’নাৰ ফলত নিজৰ পিতৃ-মাতৃ বা প্ৰতিপালনকাৰী ককাক-আইতাকক চিৰদিনৰ বাবে হেৰুৱালে। এইসকল শিশুৰ ১০,৪২,০০০ শিশুৱে ক’ভিড কালত পিতৃ, মাতৃ অথবা দুয়োজনকে হেৰুৱালে।

## ব্ৰাজিল ইন্দোনেছিয়াত মৃত্যুৰ অভিলেখ, ব্ৰিটেইনত পুনৰ সৰ্বাধিক সংক্ৰমণ



**নিউজ ব্যুৰ’, লণ্ডন, ২১ জুলাই ঃ** বিগত ২৪ ঘণ্টাত বিশ্বৰ ভিতৰতে সৰ্বাধিকসংখ্যক ক’ভিড ৰোগী চিনাক্ত হ’ল ব্ৰিটেইনত। দেশখনত মঙলবাৰে নতুনকৈ কৰ’নাত আক্ৰান্ত হ’ল ৪৬,৫৫৮ জন লোক। সংক্ৰমণৰ দ্বিতীয় স্থানত থকা আমেৰিকাত বিগত এদিনত ৪৪,২৩২ জন লোকৰ শৰীৰত কৰ’নাৰ সংক্ৰমণ ধৰা পৰিলে। ইফালে, ভাৰতত ৪২,১২৩ জন, ইন্দোনেছিয়াত ৩৮,৩২৫ আৰু ব্ৰাজিলত ২৭,৮৯৬ জন লোক বিগত ২৪ ঘণ্টাত ক’ভিডত আক্ৰান্ত হ’ল। কালি বিশ্বত সৰ্বাধিকসংখ্যক লোকৰ কৰ’নাত মৃত্যু হ’ল ব্ৰাজিল আৰু ইন্দোনেছিয়াত। বিগত এদিনত ব্ৰাজিলত ১৪২৫ জন আৰু ইন্দোনেছিয়াত ১২৮০ জন লোকৰ কৰ’নাত মৃত্যু হ’ল। আনহাতে, ৰাছিয়াত ৭৮৪, দক্ষিণ আফ্ৰিকাত ৫৯৬ আৰু ভাৰতত ৪৮৯ জন লোকৰ ক’ভিডত মৃত্যু হৈছিল।

## বৃহৎ যুদ্ধৰ দিশত অগ্ৰসৰ আফগানিস্তান ঃ ৰাষ্ট্ৰপতি ঘানিৰ অভিযোগ ‘শান্তিৰ বাবে আগ্ৰহী নহয় তালিবান’



**নিউজ ব্যুৰ’, কাবুল, ২১ জুলাই ঃ** তালিবান আৰু ইছলামিক ষ্টেট (আইছিছ)ৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰ দপ্‌দপনি আফগানিস্তানত পুনৰ বৃদ্ধি পাইছে। আফগানিস্তানৰ ৰাষ্ট্ৰপতি আশ্ৰফ ঘানিয়ে আজি ঈদ উপলক্ষে দিয়া নিজৰ ভাষণত অভিযোগ কৰি কয় যে তালিবানৰ কাম-কাজে এই কথা স্পষ্ট কৰিছে যে তেওঁলোকে শান্তি প্ৰক্ৰিয়াৰ প্ৰতি মুঠেও আগ্ৰহী নহয়। ‘তালিবানে কে’বাটাও কথা স্পষ্ট কৰিলে। আব্দুলাই কিছুদিন পূৰ্বে মোক কৈছিল যে তালিবানে শান্তি নিবিচাৰে। আমি এটা প্ৰতিনিধিৰ দল প্ৰেৰণ কৰিছিলো আৰু কৈছিলো যে আমি শান্তি প্ৰতিষ্ঠা কৰিব বিচাৰো। শান্তি স্থাপনৰ বাবে আমি যিকোনো ত্যাগ কৰিবলৈ সাজু আছিলো। কিন্তু তালিবানৰ এনে কোনো ইচ্ছা নাছিল। সেয়েহে এনে পৰিস্থিতিত আমি তালিবানৰ সিদ্ধান্তৰ প্ৰতি লক্ষ্য ৰাখি অগ্ৰসৰ হ’ব লাগিব।’ উল্লেখ্য যে এদিন পূৰ্বে তালিবানে আফগান ৰাষ্ট্ৰপতিৰ চৰকাৰী বাসগৃহত ৰকেটৰে আক্ৰমণ চলাইছিল। আজি ঘানিয়ে কয় যে আফগান নিৰাপত্তা বাহিনীয়ে বিগত ২০ বছৰত যথেষ্ট ত্যাগ স্বীকাৰ কৰিলে আৰু নিজৰ দেশৰ সন্মান ৰক্ষাৰ বাবে আগলৈকো সংগ্ৰাম অব্যাহত ৰখা হ’ব। ঘানিৰ এই মন্তব্যই আফগানিস্তানত এক বৃহৎ যুদ্ধৰ সম্ভাৱনাকে প্ৰকট কৰিলে।

# আজিৰে পৰা নিতৌ সংসদ ঘেৰাও কৰিব প্ৰতিবাদকাৰী কৃষকে



**নিউজ ব্যুৰ’ নতুন দিল্লী, ২১ জুলাই ঃ** আৰক্ষীৰ স’তে দুবাৰকৈ বৈঠকত অংশ লোৱাৰ পাছতো প্ৰতিবাদকাৰী কৃষকে সংসদ ঘেৰাও কাৰ্যসূচী প্ৰত্যাহাৰ নকৰিলে। সংযুক্ত কিষাণ মৰ্চাই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি প্ৰতিবাদী কৃষকসকলে পূৰ্বৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি কেন্দ্ৰৰ তিনিখন বিতৰ্কিত কৃষি আইনৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিব। ২২ জুলাই অৰ্থাৎ কাইলৈৰ পৰা নিতৌ সিন্ধু সীমান্তৰ পৰা কৃষকে সংসদ ঘেৰাও কৰিবলৈ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সংযুক্ত কিষাণ মৰ্চাই জানিবলৈ দিয়ে। সংসদৰ আশে-পাশে জন্তৰ-মন্তৰত য’তেই স্থান লাভ কৰিব তাতেই কৃষকসকলে সমবেত হৈ প্ৰতিবাদ সাব্যস্ত কৰিব বুলি ঘোষণা কৰিছে। কৃষক সংগঠনটোৱে আৰক্ষীৰ আগত প্ৰকাশ কৰা মতে, এই প্ৰতিবাদ সম্পূৰ্ণ শৃংখলাবদ্ধ আৰু শান্তিপূৰ্ণ হ’ব। সংসদৰ বৰ্ষাকালীন অধিৱেশনৰ প্ৰতিটো দিনতে কাইলৈৰ পৰা কৃষকসকলে কৃষি আইনৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিব।



## বিশ্বত পুনৰ ৫.০৮ লাখ লোক কৰ’নাত হ’ল আক্ৰান্ত, ৮,২৫৫ জনৰ মৃত্যু

**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২১ জুলাই ঃ** বিশ্বত কৰ’নাৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাবলৈ ধৰিছে। মঙলবাৰে বিশ্বৰ বিভিন্ন দেশত নতুনকৈ ক’ভিড-১৯ত আক্ৰান্ত হ’ল পাঁচ লাখ আঠ হেজাৰ ৬৯০ জন লোক। অৱশ্যে বিগত এদিনত বিশ্বজুৰি সুস্থ হৈ উঠিল তিনি লাখ ৬৭ হেজাৰ ১৩৮ জন লোক। ইফালে, ক’ভিডত আক্ৰান্ত হোৱা ৮,২৫৫ জন লোকে বিগত ২৪ ঘণ্টাত এই বিশ্বত প্ৰাণ হেৰুৱালে। আমেৰিকাত কৰ’নাৰ ‘ডেল্টা’ প্ৰজাতিৰ সংক্ৰমণ শেহতীয়াভাৱে ঊৰ্ধ্বমুখী হৈছে। মঙলবাৰে হোৱাইট হাউছৰ এজন কৰ্মচাৰীৰ শৰীৰত ক’ভিড-১৯ সংক্ৰমণ ধৰা পৰিলে। অৱশ্যে হোৱাইট হাউছৰ আন কৰ্মীৰ শৰীৰত কৰ’নাৰ সংক্ৰমণ ধৰা পৰা নাই। বিশ্বত বৰ্তমানলৈকে ১৯.২২ কোটি লোক ক’ভিড-১৯ত আক্ৰান্ত হ’ল। তদুপৰি এই মাৰাত্মক ভাইৰাছে বিশ্বৰ বিভিন্ন দেশত মুঠ ৪১.৩৩ লাখ লোকৰ প্ৰাণ কাঢ়িলে। অৱশ্যে ১৭.৪৯ কোটিৰো অধিক লোকে ক’ভিডৰ সংক্ৰমণক পৰাভূত কৰিবলৈ সফল হৈছে। বৰ্তমানে বিশ্বত ১.৩১ কোটি ক’ভিড ৰোগী আছে আৰু এইসকলৰ ৮১,৮২২ জনৰ অৱস্থা সংকটজনক।

## টুইটাৰত ইমৰানৰ প্ৰাক্তন পত্নী জেমিমা-নৱাজ কন্যা মৰিয়মৰ বাক্‌যুঁজ



**নিউজ ব্যুৰ’, ইছলামাবাদ, ২১ জুলাই ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী নৱাজ শ্বৰীফৰ কন্যা মৰিয়ম নৱাজ আৰু বৰ্তমানৰ প্ৰধানমন্ত্ৰী ইমৰান খানৰ প্ৰাক্তন পত্নী জেমিমা গ’ল্ডস্মিথৰ মাজত টুইটাৰত চলিছে বাক্‌যুদ্ধ। মৰিয়মে অলপতে এক টুইটত জেমিমাৰ ইহুদী ধৰ্মৰ অছিলাৰে ইমৰানক কটাক্ষ কৰিছিল। অলপতে ব্ৰিটেইনত মৰিয়মৰ পুত্ৰ জুনেইদ ছফদৰে এখন পল’ খেলত অংশ লৈছিল আৰু নাতিৰ এই খেল উপভোগ কৰিছিল নৱাজ শ্বৰীফে। এই ঘটনাক লৈ টুইটাৰত ইমৰানে জুনেইদে পল’ৰ দৰে বিলাসী খেল খেলিবলৈ ক’ৰ পৰা ইমান ধন লাভ কৰিলে বুলি প্ৰশ্ন কৰাৰ লগতে এয়া পাকিস্তানী জনতাৰ ধন বুলিও দাবী কৰিছিল। ইমৰানৰ এই টুইটৰ প্ৰত্যুত্তৰ দি মৰিয়মে কৈছিল, ‘মোৰ পুত্ৰ জুনেইদ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পল’ দলৰ কেপ্টেইন আৰু এয়া পাকিস্তানৰ বাবে গৌৰৱৰ বিষয়। জুনেইদ নৱাজ শ্বৰীফৰ নাতি, জেমিমা গ’ল্ডস্মিথৰ নহয়। তেওঁ ইহুদীৰ কোলাত ডাঙৰ হোৱা নাই।’ মৰিময়ৰ এই টুইট প্ৰত্যক্ষ কৰাৰ পাছত জেমিমাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, ‘২০০৪ তে মই পাকিস্তান ত্যাগ কৰিছিলো। কিন্তু ইয়াৰ পাছতো পাকিস্তানৰ সংবাদ মাধ্যম আৰু ৰাজনৈতিক নেতাই মোৰ বিৰুদ্ধে বক্তব্য ৰাখি আহিছে।’ জেমিমাৰ এই মন্তব্যৰ উত্তৰ দি মৰিয়মে পুনৰ টুইটত কয়, ‘ইয়াৰ বাবে তুমি নিজৰ স্বামীক দোষাৰোপ কৰা উচিত। মোৰ, তোমাৰ আৰু তোমাৰ পুত্ৰৰ ব্যক্তিগত জীৱনত আন কোনোৱে প্ৰকাশ কৰাৰ প্ৰয়োজন নাই। যদি তোমাৰ প্ৰাক্তন স্বামীয়ে আনৰ পৰিয়ালক সমালোচনা কৰে, তেন্তে আনেও তেওঁক বেয়াকৈ ক’ব। ইয়াৰ বাবে তুমি কেৱল তোমাৰ স্বামীক দোষাৰোপ কৰা উচিত।’

## এহেজাৰ বছৰৰ অভিলেখ ভংগ ঃ বৃষ্টি-বানত বিপৰ্যস্ত চীনত কমেও ১২ জনৰ মৃত্যু



**নিউজ ব্যুৰ’, বেইজিং, ২১ জুলাই ঃ** প্ৰৱল বৃষ্টিপাতত চীনৰ হেনান প্ৰদেশত স্বাভাৱিক জনজীৱন ব্যাহত হৈছে। এই প্ৰদেশৰ ৰাজধানী ঝেংঝাউৰ পৰিস্থিতি সবাতোকৈ জটিল হৈছে। চীনৰ এই অঞ্চলত বিগত এহেজাৰ বছৰৰ পাছত সৰ্বাধিক পৰিমাণৰ বৃষ্টিপাত হোৱা বুলি বতৰ বিজ্ঞান বিভাগে তথ্য প্ৰকাশ কৰিছে। নিশাটোৰ ভিতৰতে ভয়াবহ ৰূপ ধাৰণ কৰা বন্যা পৰিস্থিতিয়ে অঞ্চলটোত ত্ৰাস অব্যাহত ৰাখিছে। বৰ্তমানলৈকে এই প্ৰদেশত ১২ জন লোকৰ বানত মৃত্যু হৈছে। প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত এক লাখৰো অধিক বাসিন্দাক নিৰাপদ স্থানলৈ নিছে। যোৱা শনিবাৰৰ সন্ধিয়াৰ পৰা ঝেংঝাউত ধাৰাসাৰ বৃষ্টিপাত অব্যাহত আছে। এই অঞ্চলত ৬১৭.১ মিলিমিটাৰ বৃষ্টিপাত হৈছে। আনকি ৰেলৰ ভিতৰতো যাত্ৰীৰ বুকুলৈকে পানী সোমাই পৰাত অঞ্চলটোৰ বাসিন্দাসকলে বিপজ্জনকভাৱে যাতায়াত কৰিব লগা হৈছে।

## দ্বিতীয় বিশ্বযুদ্ধতকৈও কৰ’নাত অধিক ক্ষতি আমেৰিকাৰ, গড় আয়ুস হ্ৰাস




**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ২১ জুলাই ঃ** মহাশক্তি হিচাপে পৰিচিত আমেৰিকাক কৰ’না ভাইৰাছৰ সংক্ৰমণে মাধমাৰ শোধালে। আমেৰিকাত কৰ’না কালত ইমান বৃহৎসংখ্যক লোকৰ মৃত্যু হ’ল যে দেশখনৰ গড় আয়ুস অৱনমিত হ’ল। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত প্ৰথমবাৰ আমেৰিকাত মানুহৰ গড় আয়ুস ইমান অধিক হ্ৰাস পালে। আজি আমেৰিকাৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা এক প্ৰতিবেদনত উল্লেখ কৰা তথ্য অনুসৰি, মাৰ্কিন নাগৰিকসকলৰ গড় আয়ুস হ্ৰাস পোৱাৰ ৭৪ শতাংশ কাৰণ হৈছে কৰ’নাৰ সংক্ৰমণ। স্বাস্থ্য বিভাগৰ পৰিসংখ্যা অনুসৰি যোৱা বছৰত আমেৰিকাত ৩৩ লাখ লোকৰ মৃত্যু হ’ল। এইসকল মৃতকৰ ১১ শতাংশৰ মৃত্যুৰ কাৰণ আছিল কৰ’নাৰ সংক্ৰমণ। মাৰ্কিন স্বাস্থ্য বিভাগৰ মতে, ইয়াৰ পূৰ্বৰ বৰ্ষসমূহত দেশখনত কেতিয়াও ইমান বৃহৎসংখ্যক লোকৰ মৃত্যু হোৱা নাছিল। ইউনিভাৰচিটী অৱ টেক্সাছৰ অধ্যাপক মাৰ্ক হেৱাৰ্ডে কয় যে ২০২০ বৰ্ষত প্ৰথমবাৰৰ বাবে মাৰ্কিন নাগৰিকৰ গড় আয়ুস এইদৰে কৰ’নাই প্ৰভাৱিত কৰিলে।

## বিলাসী হোটেল-ৰিজ’ৰ্টত কৰিছিল দৃশ্যগ্ৰহণ, নৱাগত অভিনেত্ৰীক পেলাইছিল জালত



**নিউজ ব্যুৰ’, মুম্বাই, ২১ জুলাই ঃ** অভিনেত্ৰী শিল্পা শেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাক মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত ভাৰতত তথাকথিত ৱেব ছিৰিজৰ নামত অশ্লীল ছবি নিৰ্মাণৰ ভয়াবহ তথ্য পোহৰলৈ আহিল। মুম্বাই আৰক্ষীৰ প্ৰাথমিক অনুসন্ধানত পৰ্ণকাণ্ডৰ সন্দৰ্ভত চাঞ্চল্যকৰ তথ্য ফাদিল হৈছে। তদন্তত আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি, কুন্দ্ৰা আৰু তেওঁৰ সহযোগীয়ে মুম্বাইত মডেলিং, অভিনয়ৰ সুযোগ বিচাৰি অহা ২০-২৫ বছৰীয়া বয়সৰ সংগ্ৰামৰত যুৱতীসকলক জালত পেলাই অশ্লীল ছবিত অভিনয় কৰিবলৈ বাধ্য কৰাইছিল। এইসকল যুৱতীক প্ৰতিদিনৰ কামৰ বাবদ ৩০ হেজাৰৰ পৰা ৫০ হেজাৰ টকা কুন্দ্ৰাৰ প্ৰতিষ্ঠানটোৱে আদায় দিছিল। ৱেব ছিৰিজৰ নামত এইসকল যুৱতীক কুন্দ্ৰাই যৌন দৃশ্যত অভিনয় কৰিবলৈ বাধ্য কৰাইছিল। কুন্দ্ৰা আৰু তেওঁৰ দলটোৱে সাধাৰণতে বিলাসী হোটেল আৰু ৰিজ’ৰ্টত অশ্লীল ধাৰাবাহিকৰ দৃশ্যগ্ৰহণ কৰিছিল। মুম্বাই আৰক্ষীয়ে দুদিন পূৰ্বে যিটো বাংলোত অভিযান চলাইছিল, সেই বাংলোতো দৈনিক ২০ হেজাৰ টকাত কুন্দ্ৰাই ভাড়ালৈ লৈছিল। ভোজপুৰী আৰু মাৰাঠী ছবি নিৰ্মাণৰ বাবে কুন্দ্ৰাই ঘৰটো ভাড়াত লৈছিল। কিন্তু এই ঘৰৰ ভিতৰত প্ৰকৃততে কুন্দ্ৰাই অশ্লীল ছবিৰ দৃশ্যগ্ৰহণ কৰিছিল। দেশৰ বিভিন্ন অঞ্চলৰ পৰা মুম্বাইলৈ অহা নৱাগত মডেল-অভিনেত্ৰীক কুন্দ্ৰাৰ প্ৰতিষ্ঠানটোৱে জালত পেলাই এইদৰে অশ্লীল ছবিৰ নিৰ্মাণৰে বৃহৎ ব্যৱসায় চলাই আহিছিল। পাছত এইসমূহ ভিডিঅ’ বিভিন্ন এপ আৰু প্ৰাপ্তবয়স্কৰ ৱেবছাইটৰ জৰিয়তে কুন্দ্ৰাই প্ৰচাৰ কৰিছিল।

## বলিউডৰ উদ্যোগ আচলতে নৰ্দমাহে, পৰ্ণকাণ্ডত সৰৱ কংগনা



**নিউজ ব্যুৰ’, মুম্বাই, ২১ জুলাই ঃ** বলিউডে হওক বা সামাজিক কোনো বিষয়তে হওক, বিতৰ্ক সৃষ্টি হ’লেই সৰৱ হৈ উঠে বলিউডৰ অভিনেত্ৰী কংগনা ৰণৌট। এইবাৰ জনপ্ৰিয় অভিনেত্ৰীগৰাকীয়ে ৰাজ কুন্দ্ৰাৰ গ্ৰেপ্তাৰৰ প্ৰসংগত নিজৰ মত প্ৰকাশ কৰিলে। কংগনাই স্পষ্টভাৱে কয় যে বলিউডৰ এই লেতেৰা নৰ্দমা পৰিষ্কাৰ কৰিবলৈ এইবাৰ তেওঁ নিজে নামিব। অভিনেত্ৰী শিল্পা শেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাৰ বিৰুদ্ধে মুম্বাই আৰক্ষীয়ে দীৰ্ঘদিন ধৰি অশ্লীল ছবি নিৰ্মাণ আৰু ব্যৱসায়ৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই খবৰ লাভৰ পাছতে সামাজিক মাধ্যমত গৰজি উঠি আকৌ এবাৰ বলিউডক ‘লেতেৰা নৰ্দমা’ অভিহিত কৰি কংগনাই কয়, ‘মই বলিউডৰ উদ্যোগক এই কাৰণতে নৰ্দমা বুলি কওঁ। চিকমিকালেই সকলো সোণ হৈ নুঠে, সেই কথা আকৌ এবাৰ প্ৰমাণিত হ’ল। মই কথা দিলো, মোৰ আগন্তুক ছবিত বলিউডৰ সকলো লেতেৰা উন্মোচিত কৰিম। বলিউডৰ সকলো মুখা উন্মোচিত হ’ব ‘টিকু ৱেডছ ছেৰু’ ছবিত। সৃষ্টিশীল উদ্যোগত শক্তিশালী আন্তঃগাঁথনিৰ প্ৰয়োজন, কঠোৰ অনুশাসন থাকিলেহে সুস্থ স্বাভাৱিক উদ্যোগ তৈয়াৰ সম্ভৱ হ’ব।’

## লণ্ডনৰ পৰ্ণ সংস্থা কেনৰিনৰ স’তেও জড়িত আছিল কুন্দ্ৰা ঃ মুম্বাই আৰক্ষীৰ তথ্য

**নিউজ ব্যুৰ’, মুম্বাই, ২১ জুলাই ঃ** অবৈধভাৱে দেশত পৰ্ণগ্ৰাফিক অৰ্থাৎ অশ্লীল ছবি নিৰ্মাণৰ কামত বহু পূৰ্বৰে পৰা জড়িত হৈ আছিল ধনাঢ্য ব্যৱসায়ী তথা অভিনেত্ৰী শিল্পা শেট্টীৰ স্বামী ৰাজ কুন্দ্ৰা। দুদিন পূৰ্বে মুম্বাই আৰক্ষীৰ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই কুন্দ্ৰাক অশ্লীল ছবি নিৰ্মাণ আৰু ব্যৱসায়ৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল। সোমবাৰে নিশা আঠ বজাৰ পৰা আৰক্ষীয়ে কুন্দ্ৰাক জেৰা আৰম্ভ কৰিছিল আৰু এই জেৰাত বহু চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। মুম্বাই আৰক্ষী আয়ুক্তই এক বিবৃতিত প্ৰকাশ কৰা অনুসৰি, হটশ্বটছ নামৰ এটা এপ্‌ৰ মাধ্যমৰে কুন্দ্ৰাৰ প্ৰতিষ্ঠানে অসংখ্য পৰ্ণগ্ৰাফী ছবি প্ৰচাৰ কৰিছিল। এইদৰে অশ্লীল ছবিৰ ব্যৱসায়ৰ জৰিয়তে কুন্দ্ৰাই বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰা বুলি জেৰাত স্বীকাৰ কৰিছে। হটশ্বটছৰ জৰিয়তে কুন্দ্ৰাই অশ্লীল ছবিৰ ব্যৱসায় চলাইছিল যদিও আৰক্ষীৰ ভয়ত তেওঁ ২০১৯ত ২৫ হেজাৰ ডলাৰৰ বিনিময়ত এই এপ প্ৰতিষ্ঠানটো লণ্ডনৰ কেনৰিন প্ৰাইভেট লিমিটেডক বিক্ৰী কৰিছিল। ব্ৰিটেইনৰ পৰ্ণ প্ৰতিষ্ঠানৰ হৈও ভাৰতত কুন্দ্ৰাই নিয়মীয়াভাৱে অসংখ্য অশ্লীল ছবি নিৰ্মাণ কৰিছিল বুলি আৰক্ষীয়ে জেৰাত তথ্য লাভ কৰিছে। ৱেব ছিৰিজৰ নামত কুন্দ্ৰাই নৱাগত মডেল-অভিনেত্ৰীক অশ্লীল ছবিত অভিনয় কৰিবলৈ বাধ্য কৰোৱাৰো অভিযোগ উত্থাপিত হৈছে।

## অশ্লীল ছবিত অভিনয়ৰ বাবে প্ৰলোভন দিছিল কুন্দ্ৰাই, অভিযোগ ইউটিউবাৰ পুনিতৰ



**নিউজ ব্যুৰ’, মুম্বাই, ২১ জুলাই ঃ** মডেল-অভিনেত্ৰী সাগৰিকা সোণা সুমনৰ পাছত অশ্লীল ছবি নিৰ্মাণৰ অভিযোগত মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ব্যৱসায়ী ৰাজ কুন্দ্ৰাৰ বিৰুদ্ধে চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিলে ইউটিউবাৰ পুনিত কৌৰে। সামাজিক মাধ্যমত এই প্ৰসংগত ইউটিউবাৰ তথা চিকিৎসা বিজ্ঞানৰ ছাত্ৰী পুনিতে কুন্দ্ৰাৰ স’তে তেওঁৰ ব্যক্তিগত অভিজ্ঞতাৰ কথা ব্যক্ত কৰি কয়, ‘ৰাজে মোক হটশ্বটছত অভিনয়ৰ বাবে প্ৰলোভন দিছিল। ইন্টাৰনেটৰ জৰিয়তে মোক তেওঁ প্ৰত্যক্ষভাৱে প্ৰস্তাৱ দিছিল। কিন্তু সেই সময়ত মই মুখ খোলা নাছিলো কিয়নো মই ভাবিছিলো ৰাজৰ একাউণ্ট কোনোবাই হেক কৰি মোলৈ এনে বাৰ্তা প্ৰেৰণ কৰিছিল। কিন্তু সংবাদ মাধ্যমত তেওঁক গ্ৰেপ্তাৰ কৰাৰ বাতৰি লাভৰ পাছত বুজিব পাৰিলো যে সঁচাকৈয়ে ৰাজে পৰ্ণ ছবি নিৰ্মাণ কৰিছিল। বিশ্বাস কৰিব পৰা নাই যে তেওঁ মোক সঁচাকৈয়ে প্ৰলোভন দিছিল। এতিয়া তেওঁ জেলত পচি মৰক।’ মুম্বাই আৰক্ষীয়ে লাভ কৰা তথ্য অনুসৰি হটশ্বটছ নামৰ এপৰ মাধ্যমৰে কুন্দ্ৰাই অশ্লীল ছবিৰ ব্যৱসায় চলাইছিল।

# দীৰ্ঘদিনে পৰিত্যক্ত অৱস্থাত লাখটকীয়া ‘ডিজিটেল জেনেৰেটৰ’



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২১ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ত থকা ডিজিটেল জেনেৰেটৰটো বছৰ বছৰ ধৰি পৰিত্যক্ত অৱস্থাত থকাত কাম-কাজ কৰাত ভীষণ সমস্যাত পৰিছে। উল্লেখ্য যে চৰকাৰে কাৰ্যালয়টোৰ কাম-কাজ ক্ষিপ্ৰগতিত হোৱাৰ উদ্দেশ্যেই লক্ষাধিক টকা ব্যয়েৰে জেনেৰেটৰ যোগান ধৰিছিল যদিও ইয়াৰ দ্বাৰা শিক্ষক-কৰ্মচাৰীসকল কিন্তু উপকৃত নহ’ল। অভিযোগ মতে, সেইসময়ৰ একাংশ শিক্ষা বিষয়াৰ গুৰুত্বহীনতাৰ বাবে লাখটকীয়া জেনেৰেটৰ বিকল হৈ পৰে। জেনেৰেটৰ স্থাপন কৰাৰ পাছত কিছুমাহ ব্যৱহাৰ কৰিছিল যদিও পাছত জেনৰেটৰটো চলোৱাৰ নামত খৰচ হোৱা ধন চৰকাৰীভাৱে লাভ নকৰাৰ অজুহাতত বন্ধ কৰি ৰাখে। যাৰ পৰিপ্ৰেক্ষিতত আজি প্ৰায় পাঁচ-ছবছৰ ধৰি ৰ’দ-বৰষুণ পৰি ভিতৰত থকা যন্ত্ৰপাতিৰ লগতে বেটেৰীটো নষ্ট হৈ গৈছে বুলি বিভিন্ন মহলত চৰ্চিত হৈছে। ইফালে, জেনেৰেটৰ অভাৱত শিক্ষক-কৰ্মচাৰীসকলে কাৰ্যালয়ৰ বাহিৰত বিভিন্ন চৰকাৰী কাম-কাজ নিজৰ ধন ভৰি কৰিব লগাত পৰিছে। বিগত দিনত এই বিষয়টো শিক্ষা বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ কৰা হৈছিল যদিও বিভাগীয়ভাৱেও আজি পৰ্যন্ত কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত নহ’ল।

# হোজাইত মৰণফান্দত পৰিণত বিদ্যুৎ পৰিবাহী তাঁৰ ঃ বিপদত কৃষক

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ জুলাই ঃ** হোজাই জিলাৰ বিদ্যুৎ বিভাগৰ দায়িত্বহীনতাৰ ফলস্বৰূপে মৌডংগা পথাৰ ৰাজহ গাঁৱৰ কৃষক ৰাইজ ভয়ংকৰ বিপদৰ আশংকাত ভুগিছে। জহি-খহি যোৱা ৰাজ্যৰ বিদ্যুৎ বিভাগে হোজাই জিলাৰ গ্ৰামাঞ্চলসমূহত যেন মৰণফান্দ পাতি ৰাখিছে। ডবকা ৰাজহ চক্ৰৰ অধীনস্থ মৌডংগা পথাৰ ৰাজহ গাঁৱৰ ওপৰেদি যোৱা ১১ হেজাৰ ভল্টেজৰ বিদ্যুৎ পৰিবাহী তাঁৰ তললৈ নামি অহাত চিন্তিত হৈ পৰিছে কৃষিজীৱী অঞ্চলটোৰ ৰাইজ। এই অত্যধিক সমতা সম্পন্ন বৈদ্যুতিক সংযোগ তাঁৰৰ বাবে কাষৰীয়া কৃষিপথাৰত কৃষকে হাল মাৰিব নোৱৰাত কৃষিজীৱী কৃষকে খেতিৰ পৰা বঞ্চিত হোৱাৰ উপক্ৰম হৈছে। কিয়নো গাঁওখনৰ ওপৰেদি যোৱা ১১ হেজাৰ ভল্টেজৰ বিদ্যুৎ পৰিবাহী তাঁৰ অত্যন্ত তললৈ নামি অহাত প্ৰাণৰ সংকটত ভুগিছে কৃষক ৰাইজে। বিভাগীয় নীতি বহিৰ্ভূতভাৱে হোজাই জিলা বিদ্যুৎ বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে দায়িত্বত কৰা চৰম হেমাহিৰ ফলস্বৰূপে উক্ত অঞ্চলটোত জহি-খহি যোৱা ১১ হেজাৰ ক্ষমতাসম্পন্ন বৈদ্যুতিক সংযোগ স্থাপন কৰা বিদ্যুৎ পৰিবাহী তাঁৰৰ বাবে যিকোনো মুহূৰ্তত ভয়াৱহ অঘটন হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এই ক্ষেত্ৰত হোজাই বিদ্যুৎ বিভাগৰ অভিযন্তাক ৰাইজে অভিযোগ দিয়াৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপিত হৈছে।



# কেন্দ্ৰৰ দৰে শীঘ্ৰে ৰাজ্য চৰকাৰেও মৰগীয়া ব’নাছ মোকলাই দিয়ক

## প্ৰাথমিক শিক্ষক সন্মিলনী

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২১ জুলাই ঃ** কেন্দ্ৰ চৰকাৰে কৰ’নাৰ বাবে বিগত বছৰৰ পৰা কেন্দ্ৰীয় কৰ্মচাৰীসকলৰ বন্ধ কৰি থোৱা মৰগীয়া বানচ যোৱা ১৪ জুলাইত ১১ শতাংশ মুকলি কৰি দিছে। তদ্ৰূপ অসম চৰকাৰেও অতি শীঘ্ৰে ৰাজ্য চৰকাৰৰ অধীনৰ শিক্ষক- কৰ্মচাৰীৰ বন্ধ কৰি থোৱা মৰগীয়া বানচ মুকলি কৰি দিয়াৰ বাবে অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীয়ে ৰাজ্য চৰকাৰক অনুৰোধ জনাইছে। সন্মিলনীৰ প্ৰধান সম্পাদক তথা অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ উত্তৰ-পূবৰ মুখপাত্ৰ ৰাতুল চন্দ্ৰ গোস্বামীয়ে জনাই যে অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘই সময়ে সময়ে কেন্দ্ৰীয় চৰকাৰক আৰ্জি প্ৰদান কৰি আহিছিল। অতি শেহতীয়াভাৱে যোৱা ২৩ জুনত এক স্মাৰকপত্ৰ প্ৰদান কৰি, দ্ৰব্যৰ মূল্যবৃদ্ধিয়ে কোঙা কৰা শিক্ষক-কৰ্মচাৰীৰ প্ৰাপ্য মৰগীয়া বানচ মোকলাই দিবলৈ দাবী জনাইছিল। গোস্বামীয়ে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলেও বিগত বছৰৰ পৰা স্থিৰ দৰমহাত কাম কৰিবলৈ বাধ্য হৈছে কিন্তু প্ৰতিদিনে সকলো সামগ্ৰীৰ মূল্য অভাৱনীয় হাৰত বৃদ্ধি হৈছে। ফলত শিক্ষক-কৰ্মচাৰী সমাজখনৰ অৱস্থা শোচনীয় হৈ পৰাৰ লগতে সমাজৰ অৰ্থনীতিতো প্ৰভাৱ পৰিছে। কেন্দ্ৰক দোহাই দি বন্ধ ৰখা মৰগীয়া বানচ কেন্দ্ৰই মোকলাই দিয়াৰ লগে লগে মোকলাই দিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে। এক বিবৃতিত সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি আনোৱাৰ হুছেইন আৰু প্ৰধান সম্পাদক গোস্বামীয়ে ৰাজ্য চৰকাৰে অতি শীঘ্ৰে মৰগীয়া বানচ মুকলি কৰাৰ ঘোষণা প্ৰকাশ কৰিবলৈ আহ্বান জনাইছে।

# সৰ্বশিক্ষাৰ তৃতীয়-চতুৰ্থ বৰ্গ কৰ্মচাৰী সংস্থাৰ মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ বৰঙণি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২১ জুলাই ঃ** যোৱা দুবছৰে সমগ্ৰ বিশ্বকে ত্ৰাসিত কৰা কৰ’না মহামাৰীৰ প্ৰতিষেধক ক্ৰয়ৰ বাবে মুখ্যমন্ত্ৰী সাহায্য পুঁজিলৈ ৰাজ্যৰ বহু শুভাকাংক্ষী, দল-সংগঠন তথা ব্যক্তিয়ে দান বৰঙণি যোগাই আহিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ আহ্বানমৰ্মে অসম সৰ্বশিক্ষা মিছন কৰ্মচাৰীসকলৰ হৈ সদৌ অসম সৰ্বশিক্ষা তৃতীয়-চতুৰ্থবৰ্গ কৰ্মচাৰী ঐক্যমঞ্চই দিছপুৰত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি সংস্থাৰ ফালৰ পৰা এক লাখ ৩০ হেজাৰ টকাৰ ড্ৰাফট অৰ্পণ কৰে। লগতে বাগ্‌সা, ধেমাজি, লখিমপুৰ আৰু কৰিমগঞ্জ এই চাৰিখন জিলাৰ কৰ্মচাৰীসকলে এদিনৰ দৰমহা চাৰিখন ড্ৰাফটযোগে মুঠ তিনি লাখ পঁচিশ হেজাৰ যোল্ল টকা অৰ্পণ কৰে। আনহাতে, সমগ্ৰ ৰাজ্যৰে কৰ্মীসকলৰ এদিনৰ দৰমহা চব্বিশ লাখ পঞ্চাছ হেজাৰ ছয়শ সাতত্ৰিশ টকাৰ পৰা একৈশ লাখ পঁচিশ হেজাৰ ছয়শ একৈছ টকা ইতিমধ্যে বিভিন্ন মাধ্যমেৰে জিলাসমূহে সাহায্য পুঁজিলৈ প্ৰেৰণ কৰিছে। ঐক্যমঞ্চই মুখ্যমন্ত্ৰী ড° শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰে।

# বাতৰি কাকতৰ এজেণ্টক সম্বৰ্ধনা সদৌ অসম সাংবাদিক সন্থাৰ



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২১ জুলাই ঃ** বৃহত্তৰ তামুলপুৰ অঞ্চলত বাতৰি কাকতৰ এজেঞ্চীৰ জৰিয়তে তামুলপুৰৰ সমাজ জীৱনলৈ বিশেষ বৰঙণি আগবঢ়োৱা তামুলপুৰ মহকুমা সদৰৰ ঘগ্ৰাচ’কস্থিত কৃষ্ণ ভাণ্ডাৰ এণ্ড বুক ষ্টলৰ স্বত্বাধিকাৰী বাসুদেৱ দাসক আজি সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা আৰু সদৌ অসম সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি তথা নাট্যকাৰ ধ্ৰুৱজ্যোতি শৰ্মাৰ নেতৃত্বত যোৱা নলবাৰী জিলা সাংবাদিক সন্থা, নলবাৰী জিলা সাহিত্য সভাৰ এটি দলে তামুলপুৰৰ তেওঁৰ বাসগৃহত গৈ শৰাই, গামোচা আদিৰে আদৰণি জনায়। উল্লেখ্য যে সম্বৰ্ধনা অনুষ্ঠানত সদৌ অসম সাংবাদিক সন্থাৰ কাৰ্যকৰী সভাপতি শৰ্মা, সদৌ অসম সাংবাদিক সন্থাৰ সাংগঠনিক সম্পাদক কিশোৰ কুমাৰ কলিতা, নলবাৰী জিলা সাংবাদিক সন্থাৰ প্ৰধান সম্পাদক ৰমেন কলিতা, জিলা প্ৰেছ ক্লাবৰ সভাপতি কমলেশ শৰ্মা, সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা, বাগসা জিলা ছাত্ৰ সন্থাৰ প্ৰতিষ্ঠাপক সভাপতি সোণেশ্বৰ কলিতাৰ লগতে কে’বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰতিনিধি দলটোৱে সম্বৰ্ধনা জ্ঞাপন কৰি তামুলপুৰৰ সাহিত্য আৰু সংবাদ জগতত নিৰৱচ্ছিন্নভাৱে সুদীৰ্ঘ বছৰ ধৰি বিভিন্ন ঘাত-প্ৰতিঘাত নেওচি দাসে যি সেৱা আগবঢ়াই আহিছে সেই কাৰ্যক ভূয়সী প্ৰশংসা কৰে।

# নলবাৰীৰ কৃষি বিজ্ঞান কেন্দ্ৰত ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২১ জুলাই ঃ** নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰত নতুন দিল্লীস্থিত ভাৰতীয় কৃষি অনুসন্ধান পৰিষদৰ ৯৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। এই দিৱসৰ লগত সংগতি ৰাখি যোৱা ১৬ জুলাইত কৃষি বিজ্ঞান কেন্দ্ৰৰ চৌহদত এক বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। বৃক্ষৰোপণ কাৰ্যসূচীৰ মুকলি কৰে নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত মুৰব্বী ড° মানসী চক্ৰৱৰ্তীয়ে। বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে সাংবাদিক বীৰেন কলিতাই। কৃষি বিজ্ঞান কেন্দ্ৰ নলবাৰীৰ উদ্যান শস্য বিশেষজ্ঞ হোমেশ্বৰ মজুমদাৰে পৰিচালনা কৰা বৃক্ষৰোপণ কাৰ্যসূচীত কৃষি বিজ্ঞান কেন্দ্ৰৰ পশুপালন বিভাগৰ বিশেষজ্ঞ ডাঃ আৰফান আলী, মীন বিশেষজ্ঞ অংকুৰ ৰাজবংশী, ফাৰ্ম পৰিচালক সীমান্ত দাস, আঁচনি সহায়ক তপন শৰ্মা আদি কৰি সমূহ বিষয়া-কৰ্মচাৰীৰ লগতে কে’বাজনো অগ্ৰণী কৃষক ৰাইজ উপস্থিত থাকে।

# গোসাঁইগাঁৱত আৰক্ষী উপ-পৰিদৰ্শক তিলক চন্দ্ৰ কলিতালৈ শ্ৰদ্ধা

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও, ২১ জুলাই ঃ** যোৱা ১৪ জুলাইত পৰলোকপ্ৰাপ্তি ঘটা লখিমপুৰ থানাত কৰ্মৰত উপ-পৰিদৰ্শক গোসাঁইগাঁও নিবাসী তিলক চন্দ্ৰ কলিতাৰ যোৱা ১৬ জুলাইত এক শোকাকুল পৰিৱেশত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়। অসম আৰক্ষীয়ে তেওঁক চালামীৰে শেষ শ্ৰদ্ধা জ্ঞাপন কৰি বিদায় জনায়। উল্লেখ্য যে গোসাঁইগাঁও সদৰ চহৰ সংলগ্ন তিনি নম্বৰ ৱাৰ্ডৰ পদ্মপুখুৰী নিবাসী প্ৰয়াত যোগেশ চন্দ্ৰ কলিতাৰ জ্যেষ্ঠ পুত্ৰ তিলক চন্দ্ৰ কলিতাই ২০০৯ত উপ-পৰিদৰ্শক হিচাপে অসম আৰক্ষীত যোগদান কৰিছিল। সম্প্ৰতি তেওঁ লখিমপুৰ থানাত উপ-পৰিদৰ্শক হিচাপে কৰ্মৰত আছিল। যোৱা ১২ জুলাইত কৰ্তব্যৰত অৱস্থাত তেওঁ প্ৰচণ্ড মূৰৰ বিষ অনুভৱ কৰে। লগে লগে তেওঁক লখিমপুৰৰ স্থানীয় চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে তাৰ পৰা ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। তাত দুদিন চিকিৎসা কৰাৰ পাছত অৱস্থা সংকটজনক দেখি চিকিৎসকে আৰু উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰে। অৱশেষত বাটতেই কলিতাই শেষ নিশ্বাস ত্যাগ কৰে। চেৰিব্ৰেল হেমৰেজ হৈ কলিতাই মৃত্যুক সাবটি লোৱা বুলি চিকিৎসকে প্ৰকাশ কৰিছে। শ্মশানলৈ নিয়াৰ পূৰ্বে অসম আৰক্ষীৰ এটি দলে তেওঁ গৃহত উপস্থিত হৈ মৃতকক চালামী জনাই শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। অমায়িক, ধীৰ-স্থিৰ, মৃদুভাষী কলিতাই অসম আৰক্ষীত যোগদানৰ পূৰ্বে গোসাঁইগাঁও শংকৰদেৱ বিদ্যা নিকেতনত দুবছৰ আচাৰ্য হিচাপে সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত পত্নীসহ এটি তিনি বছৰীয়া সন্তান, ভ্ৰাতৃ আৰু মাতৃসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

# দেওমৰনৈত উন্নয়ন খণ্ড কাৰ্যালয়-ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় স্থাপন কৰিবলৈ আছুৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২১ জুলাই ঃ** দৰং জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ সীমামূৰীয়া অঞ্চল দেওমৰনৈত কে’বাটাও বিভাগৰ কাৰ্যালয় নোহোৱা বাবে সাধাৰণ ৰাইজে কষ্ট ভোগ কৰি আহিছে। অসম বিধানসভাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ছিপাঝাৰ বিধানসভা সমষ্টি, কলাইগাঁও বিধানসভা সমষ্টি আৰু মঙলদৈ বিধানসভা সমষ্টিৰ বহুতো লোকৰ বিভিন্ন কাম-কাজৰ কেন্দ্ৰস্থল হৈছে দেওমৰনৈ। দেওমৰনৈত বি এড্ মহাবিদ্যালয়, স্নাতক মহাবিদ্যালয়, কনিষ্ঠ মহাবিদ্যালয়, ৩০ খন বিছনাযুক্ত চিকিৎসালয়, ৰাজ্যিক পশু চিকিৎসালয়, হস্ততাঁত বয়ন শিল্প সম্প্ৰসাৰণ কেন্দ্ৰ, উচ্চতৰ মাধ্যমিক শিক্ষাৰ কলা, বাণিজ্য আৰু বিজ্ঞান শাখাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আছে। কিন্তু অঞ্চলটোৰ ৰাইজে বহু দিনৰ পৰা দেওমৰনৈত এটা উন্নয়ন খণ্ড, এটা ৰাজহ চক্ৰ, এখন আৰক্ষী থানা আৰু এটা পৰিদৰ্শন বাংলাৰ অভাৱ অনুভৱ কৰি আহিছে। তিনিওটা বিধানসভা সমষ্টিৰ সীমামূৰীয়া ৰাইজৰ সহায় হোৱাকৈ এইকেইটা চৰকাৰী কাৰ্যালয় স্থাপন কৰি জনসাধাৰণৰ সহায় হোৱাকৈ সুবিধা কৰি দিবলৈ দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই চৰকাৰক দাবী জনাইছে। বৃহত্তৰ দেওমৰনৈ অঞ্চলৰ জনসাধাৰণ বিভিন্ন বিভাগীয় কামৰ বাবে বহু দূৰলৈ যাবলগীয়া হয়। সেয়েহে এই কথা অনুভৱ কৰি তিনিটা বিধানসভা সমষ্টিৰ ৰাইজৰ সহায় হোৱাকৈ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দেওমৰনৈত থকা চৰকাৰী ভূমিসমূহত ৰাজহ চক্ৰ, উন্নয়ন খণ্ড, আৰক্ষী থানা, পৰিদৰ্শন বাংলা স্থাপন কৰিবলৈ ছিপাঝাৰ, কলাইগাঁও আৰু মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়কৰ লগতে অসম চৰকাৰক আহ্বান জনাইছে আছুৱে।

## শাক-পাচলিকে ধৰি নিত্য প্ৰয়োজনীয় সামগ্ৰীত অভাৱনীয় মূল্যবৃদ্ধি

# চিকিৎসা মহাবিদ্যালয়ত বেজিৰ অধিক মূল্য সংগ্ৰহৰ অভিযোগ

## তেজপুৰত শিশু খাদ্যৰ নাটনিত হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ২১ জুলাই ঃ** ক’ভিড সংক্ৰমণৰ প্ৰতিৰোধৰ বাবে শোণিতপুৰ জিলাত অব্যাহত থকা তলাবন্ধ আৰু সান্ধ্য আইনৰ ফলত জিলাখনত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধিয়ে সৰ্বসাধাৰণক জুৰুলা কৰিছে। বিশেষকৈ তেজপুৰত শিশু খাদ্যৰ নাটনিয়ে দেখা দিয়া মানুহৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। আনকি চিকিৎসালয়ত একোটা বেজিৰ মূল্যও বৃদ্ধি পোৱাৰ অভিযোগ উঠিছে।

উল্লেখ্য যে বিগত প্ৰায় এটা পষেক ধৰি জিলাখনৰ সকলো দোকান-পোহাৰ বন্ধ আছে। যাৰ বাবে অধিকাংশ লোকেই এতিয়া প্ৰয়োজনীয় খাদ্য সামগ্ৰী ক্ৰয় কৰিবলৈ গৈ মহা সমস্যাত পৰিছে। যি দুই-এপদ কেঁচা পাচলি, ফলমূল আদি উপলব্ধ হৈছে যদিও ব্যাপক মূল্যবৃদ্ধিৰ বাবে সাধাৰণ গ্ৰাহকে সেইবোৰ কিনিব নোৱৰা পৰিস্থিতিৰ উদ্ভৱ হৈছে। স্থান বিশেষে প্ৰতিবিধ সামগ্ৰীৰ মূল্য পৃথক হোৱাও পৰিলক্ষিত হৈছে। সম্প্ৰতি তেজপুৰ চহৰ তথা দাঁতিকাষৰীয়া অঞ্চলত প্ৰতি কেজি পিঁয়াজ ৪৫-৫০ টকা, নহৰু দুশ টকা, আদা ১২০-১৬০ টকা, ব্ৰয়লাৰ মূৰ্গী মাংস ৩২০ টকা, বিলাহী ৬০ টকা, জিকা ৪০-৫০ টকা দৰত উপলব্ধ হোৱাত সাধাৰণ শ্ৰমজীৱী লোকে মূৰত হাত দিবলগীয়া অৱস্থা হৈছে। তেজপুৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত কোনো চৰকাৰী এজেণ্ট আদি নথকাৰ লগতে কম মূল্যৰ সামগ্ৰী যোগান নিদিয়াত সম্প্ৰতি স্থানীয়ভাৱে উপলব্ধ অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ ক্ষেত্ৰতো ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। আনহাতে, গ্ৰামাঞ্চলত কৃষি কৰ্মত জড়িত একাংশ লোককো তলাবন্ধই বিপাঙত পেলাইছে। সাৰৰ নাটনি হোৱাৰ পৰিপ্ৰেক্ষিতত কৃষক জুৰুলা হোৱাৰ লগতে সাৰৰ ছপা মূল্যতকৈ অধিক মূল্যত বিক্ৰী কৰাৰো অভিযোগ উঠিছে। একাংশ কৃষকে অভিযোগ কৰিছে যে সাৰৰ এই মূল্যবৃদ্ধি ৰাজ্যত দীৰ্ঘদিনৰ পৰাই অব্যাহত আছে। উল্লেখ্য যে তেজপুৰৰ উপৰি সমগ্ৰ জিলাখনতে সম্প্ৰতি শিশু খাদ্যৰ ব্যাপক নাটনি ঘটিছে।

ইপিনে, তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত নিৰ্ধাৰিত মূল্যতকৈ বেজিৰ অধিক দৰ সংগ্ৰহৰ অভিযোগ উঠিছে। আটছাৰ কেন্দ্ৰীয় সমিতিৰ সদস্য মোহন তাঁতীয়ে এই সন্দৰ্ভত অভিযোগ কৰি কয় যে জিলাখনৰ ৰঙাপৰা সমষ্টিৰ অন্তৰ্গত সোণাজুলি চাহ বাগিচাৰ শ্ৰমিক সন্তান ভাৰত তাঁতীৰ বুকুৰ বিষ হোৱাত তিনিদিনৰ পূৰ্বে তেওঁক তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছিল। যোৱা সোমবাৰে নিশা প্ৰায় আঠ বজাত তেওঁৰ মৃত্যু হয়। মৃতকৰ আত্মীয় তথা আটছা নেতা মোহন তাঁতীয়ে অভিযোগ কৰে যে ভাৰত তাঁতীৰ মৃত্যুৰ পূৰ্বে চিকিৎসকে ৰেমডেচিভিৰ নামৰ বেজিটো নিদান পত্ৰত লিখি আনিবলৈ দিছিল। ৰোগীৰ আত্মীয়ই চিকিৎসালয়ৰ ঔষধালয়ৰ পৰা এহেজাৰ ২৯৯ টকা লিখিত মূল্যৰ বেজিটো এহেজাৰ ৫৮৮ টকাত ক্ৰয় কৰিবলগীয়া হয়। এই ঘটনাই ৰোগীৰ আত্মীয়ক ক্ষুব্ধ কৰে যদিও উপায়ান্তৰ হৈ তেওঁলোকে বেজিটো ক্ৰয় কৰি আনি নাৰ্ছৰ হাতত দিয়ে। তেতিয়াই এগৰাকী নাৰ্ছে পুনৰ এনে দুটা বেজি ক্ৰয় কৰিবলৈ ৰোগীৰ আত্মীয়ক হেঁচা দিয়ে। আটছা নেতাজনে কয় যে সেই সময়ত তেওঁ চিকিৎসালয়তে উপস্থিত আছিল আৰু মৃত ভাৰত তাঁতী ক’ভিডত আক্ৰান্ত হোৱা নাছিল। চিকিৎসকৰ লগতে সকলো আত্মীয়ই মৃতকক খালি হাতেৰে স্পৰ্শ কৰা বুলি উল্লেখ কৰি আটছা নেতাজনে কয় যে এয়া আচলতে এক ঔষধৰ অবৈধ বেহা কৰি থকাৰহে উদাহৰণ। এই সন্দৰ্ভত তেওঁ ঘটনাৰ উচিত তদন্ত কৰিবলৈ স্বাস্থ্যমন্ত্ৰীক আহ্বান জনায়। উল্লেখ্য যে জিলাখনত সম্প্ৰতি ঔষধৰ অতিপাত মূল্যবৃদ্ধিয়েও সাধাৰণ লোকক জুৰুলা কৰিছে। প্ৰত্যেক মাহতে একোবিধ ঔষধৰ মূল্যবৃদ্ধি ঘটাৰ ফলত সীমিত উপাৰ্জনৰ কথা সম্প্ৰতি উপাৰ্জনহীন হৈ পৰা লোকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে।

# হাউলী পঞ্চৰতন ফাৰ্মৰ দিনপঞ্জীত ভুল প্ৰকাশত দুখিত স্বত্বাধিকাৰী

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ২১ জুলাই ঃ** হাউলী পঞ্চৰতন ফাৰ্মে প্ৰতি বছৰে প্ৰকাশ কৰি আহিছে দিনপঞ্জী তথা অসমীয়া কেলেণ্ডাৰ। পঞ্চৰতন ফাৰ্মৰ পৰা প্ৰকাশিত অসমীয়া কেলেণ্ডাৰখনত বছৰটোৰ সকলো বৰ্ষফল বিতংভাৱে প্ৰকাশ কৰা হয়। কিন্তু এই বৰ্ষৰ কেলেণ্ডাৰত ভাদত ভুলবশতভাৱে বুধ ৰজা, শনি মন্ত্ৰী, মঙল জলাধিপতি আৰু শুক্ৰ শয্যাধিপতি বুলি ছপা হৈছে। প্ৰকৃততে শনি ৰজা, মঙল মন্ত্ৰী, শুক্ৰ জলাধিপতি আৰু বুধ শয্যাধিপতি বুলি প্ৰকাশ পাব লাগিছিল। ছপাশালত হোৱা অনিচ্ছাকৃত ভুলৰ বাবে দুখ প্ৰকাশ কৰিছে পঞ্চৰতন স্বত্বাধিকাৰী সুনীল কুমাৰ দাসে।

# বিটিচিৰ নগৰ উন্নয়ন বিভাগৰ কাৰ্যবাহী সদস্য উইলছন হাছদাৰ গোসাঁইগাঁও চহৰ পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**

**শ্ৰীৰামপুৰ, ২১ জুলাই ঃ** বিটিচিৰ নৱনিযুক্ত নগৰ উন্নয়ন বিভাগৰ কাৰ্যবাহী সদস্য উইলছন হাছদাই কালি গোসাঁইগাঁও পৰিদৰ্শন কৰি চহৰৰ সামগ্ৰিক পৰিস্থিতিৰ বুজ লয়। তেওঁ গোসাঁইগাঁৱত উপস্থিত হৈ পৌৰ নিগমৰ অধ্যক্ষ প্ৰফুল্ল ইছলাৰী আৰু উপাধ্যক্ষ ৰাজীৱ দেৱনাথৰ লগত মিলিত হৈ গোসাঁইগাঁৱৰ নিৰ্মীয়মাণ নতুন বজাৰ, গৃহ, পকী নলা, পথ আদিৰ কামৰ বিষয়ে আলোচনা কৰে। গোসাঁইগাঁও পৌৰসভাৰ পৌৰপতি তথা স্থানীয় সচেতন ৰাইজৰ লগত আলোচনা কৰি কাৰ্যবাহী সদস্যজনে কয় যে নগৰ উন্নয়নৰ বাবে বিটিচি চৰকাৰৰ বহু পৰিকল্পনা আছে। উক্ত পৰিকল্পনাসমূহ সঠিকভাৱে তথা উপযুক্ত স্থানত ৰূপায়ণ কৰাৰ উদ্দেশ্য লৈ তেওঁ বিটিচিৰ সকলো নগৰ-চহৰ পৰিদৰ্শন কৰি স্বচ্ছ আৰু নিকা পদ্ধতিৰে সকলো কাম কৰিব। ইমান দিন যি হৈছে হৈছে এতিয়াৰে পৰা সম্পূৰ্ণ প্ৰাককলন মতে কাম কৰা হ’ব। প্ৰতিটো কামৰ বাবে মাষ্টাৰ প্লেন প্ৰস্তুত কৰি কামসমূহ সঠিক সময়মতে সম্পূৰ্ণ কৰা হ’ব। উন্নয়নৰ কামত কোনোধৰণৰ অনিয়ম সহ্য কৰা নহ’ব। বিটিআৰৰ চাৰিখন জিলাত থকা নগৰ-চহৰৰ উন্নয়নৰ বাবে একাধিক আঁচনি গ্ৰহণ কৰাৰ লগতে প্ৰতিখন চহৰত ১৫ বিঘা মাটি সামৰি জিম-ছুইমিং পুলসহ অত্যাধুনিক বজাৰ কমপ্লেক্স বনোৱাৰো পৰিকল্পনা চলি আছে বুলি উল্লেখ কৰি ইতিমধ্যে মাটি চোৱা-চিতা চলি আছে বুলি তেওঁ প্ৰকাশ কৰে। সম্প্ৰতি চহৰৰ প্ৰতিটো ৰাস্তা আৰু নলা বনোৱাত অধিক গুৰুত্ব দিয়া হৈছে বুলি তেওঁ কয়। গোসাঁইগাঁও চহৰৰ ৱাৰ্ড বঢ়োৱাৰ সন্দৰ্ভত তেওঁ কয় যে ইতিমধ্যে ৰাজ্য চৰকাৰৰ ওচৰত প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। ৰাজ্য চৰকাৰে অনুমোদন দিলেই গোসাঁইগাঁও চহৰৰ ৱাৰ্ড চাৰিটাৰ পৰা আঠ-নটা কৰা হ’ব। ইউপিপিএলৰ স্থানীয় নেতা-কৰ্মীসহ পৌৰ নিগমৰ কৰ্মচাৰী তথা বজাৰ সংলগ্ন অঞ্চলৰ ৰাইজ উপস্থিত থাকে।

## তীব্ৰ খৰাঙৰ দিশে হাতীচোঙৰ পথাৰ ঃ কাণসাৰ নাই জলসিঞ্চন বিভাগৰ

# শালিধান খেতিৰ বতৰত শুকাই গৈছে কৃষিভূমি

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২১ জুলাই ঃ** শাওনতো কৃষি পথাৰত শালি ধানৰ খেতিৰ বাবে প্ৰয়োজনীয় পানী নাই। নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ নিজ হাতীচোঙকে ধৰি বিভিন্ন ঠাইত এবাৰ খৰাঙৰ কবলত পৰিছে শ শ বিঘা শালি ধানৰ কৃষিভূমি। আন বছৰৰ তুলনাত এইবাৰ আহাৰত বৰষুণৰ পৰিমাণ অতি কম হোৱাৰ কাৰণে পানীৰ অভাৱত বৰ্তমানলৈকে এই অঞ্চলৰ সৰহ সংখ্যক খেতিয়কেই পথাৰত কঠীয়া ৰোপণ কৰিব পৰা নাই। যি তিনি-চাৰিজন কৃষকে দ’ মাটিত কঠীয়া ৰোপণ কৰিছিল তাতো পানী কমি যোৱাত কৃষকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই অঞ্চলত জলসিঞ্চন বিভাগৰ উত্তোলন কেন্দ্ৰ থাকিও আজি পৰ্যন্ত জলসিঞ্চনৰ কোনো সুবিধা লাভ নকৰা নগাঁও জিলাৰ কাছমাৰী, হাঁহচৰা, টোকোৰাবাহী, গছপুৰীয়া, ধিঙৰবৰি, ফুলনিআটি, গেদাৰবৰি, পুখুৰীপাৰ, ক্ষেত্ৰীগাঁও, কোচৰগাঁও আদিৰ শালিধানৰ পথাৰসমূহত সহস্ৰাধিক বিঘা কৃষিভূমি প্ৰয়োজনীয় পানীৰ অভাৱৰ বাবে এইবাৰ উকা হৈ থকাৰ উপক্ৰম হৈছে। হাঁহচ’ৰা আৰু পোন কাছমাৰী পথাৰত খেতি কৰা ভাৰত বৰা, ফণীধৰ বৰা, পুতুল শইকীয়া, কল্যাণ বৰা, ৰোহিত নাথ কৃষকে এই সম্পৰ্কে কয়, ‘আমাৰ শালিখেতিৰ পথাৰ পানীৰ অভাৱত বোকা দিব পৰা নাই। কঠিয়াতলিত পাৰি থোৱা ৰঞ্জিত, মাচুৰী, বাহাদুৰ, আইজং, চাৰ-এক আদি



উন্নতজাতৰ কঠীয়াবোৰ ৰোপণৰ দিন পাৰ হৈ যোৱাত গাঁঠি ধৰি ৰোপণৰ অনুপযুক্ত হৈ পৰিছে। আনহাতে, শুকান বোকাতে যি তিনি-চাৰিজন কৃষকে পথাৰত পানী সিঁচি ৰোপণ কৰা কঠীয়াবোৰো সম্প্ৰতি ৰঙা পৰি গৈছে আৰু উপযুক্ত পানীৰ অভাৱত বনৰীয়া নষ্ট কৰিছে। বিশেষকৈ মূৰফুলা আৰু বাঁহপতীয়া বনে প্ৰায়বোৰ কৃষকৰেই বাম চানেকীয়া মাটি চানি ধৰিছে।’ জলসিঞ্চনৰ কোনো সুবিধা নথকাত এতিয়া মূৰে-কপালে হাত দিয়াৰ বাদে অন্য বিকল্প নাই অঞ্চলৰ কৃষক ৰাইজৰ। ইফালে, পথাৰত পানীৰ অভাৱত কৃষকে হাহাঁকাৰ কৰি থকাৰ পাছতো জলসিঞ্চন বিভাগৰ কোনো গুৰুত্ব নাই। জলসিঞ্চন বিভাগৰ নগাঁও জিলাৰ কলং-কপিলী সংমণ্ডলৰ অন্তৰ্গত কাছমাৰী জল উত্তোলন কেন্দ্ৰৰ চূড়ান্ত দায়িত্বহীনতাৰ বাবেই ৰাইজে এই অতি প্ৰয়োজনীয় সময়ত পথাৰত পানী পোৱা নাই বুলি তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে স্থানীয় কৃষকসকলে। বৰ্তমান পানীৰে ভৰি থকা সোণাই নৈৰে সংলগ্ন থকা কাছমাৰী জল উত্তোলন কেন্দ্ৰৰ পৰা খৰাঙৰ দিশে আগবঢ়া বহুকেইখন পথাৰলৈ পানী দিব পৰা সক্ষমতা আছে যদিও ৰাইজৰ ধন শৰাধ কৰি অহা জলসিঞ্চন বিভাগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলে দুৰ্ভগীয়া কৃষকসকলক সকাহ দিবলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। কিয়নো প্ৰয়োজনীয় পানী নথকাৰ বাবে কৃষি পথাৰ দহি থকাৰ সময়ত কৃষকসকলৰ খা-খবৰ ল’বলৈ কৃষি বিভাগৰ কৃষি বিষয়া-কৰ্মচাৰীসকলৰ ছাঁটো কৃষক ৰাইজে দেখিবলৈ পোৱা নাই। সততে কৃষি অৰ্থনীতিৰ কথা কোৱা ৰাজ্যৰ কৃষিমন্ত্ৰীজনে নগাঁও জিলাৰ হাতীচোঙৰ কৃষকসকলৰ এই দুঃসময়ত কিবা সকাহ দিব পাৰিবনে?

# সৰুপেটাৰ সমাজকৰ্মী অনিল দাসৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**ভৱানীপুৰ, ২১ জুলাই ঃ** সৰুপেটাৰ বৰলীয়াপাৰা গাঁৱৰ বাসিন্দা অৱসৰপ্ৰাপ্ত পোষ্টমাষ্টাৰ তথা বৰলীয়াপাৰা গাঁও পৰিচালনা সমিতিৰ সভাপতি অনিল দাস (৬৯)ৰ আজি পুৱা ১১-৩০ বজাত নিজ বাসগৃহত মৃত্যু হয়। দাসে বিগত সাতমাহ ধৰি ষ্ট্ৰ’কত আক্ৰান্ত হৈ আছিল। বৃহত্তৰ সৰুপেটা অঞ্চলৰ অতি জনপ্ৰিয় ব্যক্তি, সমাজকৰ্মী অনিল দাস অগপ দলৰো সক্ৰিয় কৰ্মী আছিল। মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ, এগৰাকী কন্যা এৰি যায়।

# আৰোহণ সমাজসেৱাৰ বঁটাৰ বাবে মনোনীত শৰৎ দাস

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ জুলাই ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি তথা গোৱালপাৰা জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি শৰৎ দাসে আৰোহণ সমাজ সেৱাৰ বঁটা ২০২১ৰ বাবে মনোনীত হোৱাত গোৱালপাৰা জিলা কৰ্মচাৰী পৰিষদে অভিনন্দন জনাইছে। জিলা কৰ্মচাৰী পৰিষদৰ সাধাৰণ সম্পাদক ভগদত্ত নাথে এক বিবৃতিত উল্লেখ কৰে। দাসে ছাত্ৰ জীৱনৰ পৰা চাকৰিৰ জীৱনলৈ দীৰ্ঘ সময়ছোৱাত সমাজ কামত ব্ৰতী হৈ আছে আৰু তেওঁৰ এই মূল্যবোধৰ সেৱাৰ প্ৰতিফল হিচাপে আৰোহণ আৰ্টিষ্ট গীল্ডে এই বঁটাৰ বাবে মনোনীত কৰিছে। শৰৎ দাসৰ এই বঁটা প্ৰাপ্তিয়ে গোৱালপাৰা জিলাৰ লগতে সদৌ অসম কৰ্মচাৰী সমাজক অতিকৈ উৎসাহিত আৰু অনুপ্ৰাণিত কৰিব বুলি প্ৰেছ বিজ্ঞপ্তিটোত উল্লেখ কৰা হৈছে। উল্লেখ্য যে বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্মোৎসৱৰ লগত সংগতি ৰাখি আৰোহণ আৰ্টিষ্ট গীল্ডে প্ৰতিবছৰে সমাজৰ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যক্তি কিছুমানক আৰোহণ সমাজসেৱাৰ বঁটা আগবঢ়াই আহিছে।

# ঘগ্ৰাপাৰৰ শাওণৰ খেতিপথাৰত ভূঁই ৰোপণ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২১ জুলাই ঃ** সম্প্ৰতি সময়ত কৃষি ক্ষেত্ৰত আধুনিক সা-সঁজুলিয়ে আধিপত্য বিস্তাৰ কৰিছে যদিও পুৰণি দিনৰ পৰম্পৰাগত পদ্ধতিবোৰ একেবাৰে শেষ হৈ যোৱা নাই আৰু ভৱিষ্যতেও শেষ হৈ যাব দিব নালাগে। এই মন্তব্য নলবাৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য বিভাগৰ) কল্পনা ডেকাৰ। নলবাৰী জিলা অতিৰিক্ত উপায়ুক্তগৰাকীয়ে আজি পুৱা ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰ গাঁও নিবাসী তথা প্ৰাক্তন ছাত্ৰ নেতা ৰাতুল চন্দ্ৰ ডেকাৰ কৃষি পথাৰত উপস্থিত হৈ শাওণৰ প্ৰখৰ ৰ’দত ৰোৱনীসকলৰ লগত ভূঁই (কঠীয়া) ৰোপণ কৰি অতিৰিক্ত উপায়ুক্তগৰাকীয়ে কয় যে সৰুৰে পৰা কৃষি কৰ্মৰ প্ৰতি থকা দুৰ্বলতা আৰু ভূঁই ৰোপণ কৰাৰ প্ৰৱল হেঁপাহৰ হেতুকে আজি শাওণৰ পথাৰত ৰোৱনীসকলৰ স’তে কঠীয়া ৰোপণ কৰে বুলি সদৰী কৰে। লগতে অতিৰিক্ত উপায়ুক্তগৰাকীয়ে উক্ত কৃষি ভূমিত ভূঁই ৰোপণ কৰি ৰাজ্যৰ কৃষক সমাজ আৰু ৰোৱনীসকলে কৃষি কৰ্মত মনোযোগেৰে জড়িত হ’লে তেতিয়া সুফল পোৱাৰ উপৰি পথাৰো আমাৰ, বজাৰো আমাৰ শীৰ্ষক শ্ল’গান সফল হ’ব বুলি কয়।

# গোৰেশ্বৰক মহকুমা ঘোষণা কৰাৰ দাবী

## ১৯৯২ৰ পৰাই গোৰেশ্বৰ মহকুমাৰ দাবী বৃহত্তৰ গোৰেশ্বৰবাসী ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ২১ জুলাই ঃ** বাগ্‌সা জিলাৰ তামুলপুৰক এখন পৃথক জিলা হিচাপে ঘোষণা কৰাৰ প্ৰস্তুতি চলোৱাৰ সময়তে তামুলপুৰবাসীৰ লগতে গোৰেশ্বৰবাসী উৎফুল্লিত হৈ পৰিছে। তামুলপুৰ জিলা ঘোষণাৰ ৰাজ্য চৰকাৰৰ প্ৰস্তুতিক আদৰণি জনাইছে 'গোৰেশ্বৰ মহকুমা দাবী সমিতি'য়ে। তামুলপুৰ জিলা হ'লে গোৰেশ্বৰ এটা মহকুমা হ'ব লাগে বুলি এটি দীৰ্ঘদিনীয়া দাবী আছে গোৰেশ্বৰবাসীৰ। 'গোৰেশ্বৰ মহকুমা দাবী সমিতি'য়ে এই বিষয়ে ১৯৯২ৰে পৰা কাম-কাজ কৰি আহিছে। কাৰ্যালয়ৰ বিভিন্ন কাম-কাজ ইতিমধ্যে সমিতিখনে আগবঢ়াই থৈছে। যোৱা ১৮ জুলাইত সেয়েহে গোৰেশ্বৰ মহকুমা দাবী সমিতিয়ে গোৰেশ্বৰৰ চানজাবৌৱালি বিদ্যালয়ত এখন সাধাৰণ সভা অনুষ্ঠিত কৰি এখন নতুন সমিতি গঠন কৰে। জগন্নাথ শৰ্মাৰ সভাপতিত্ব আয়োজিত সভাত নতুন সমিতিখন গঠন কৰি উক্ত দাবী অধিক ত্বৰান্বিত কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখ্য যে বাগ্‌সা জিলাৰ ভিতৰত ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিকভাৱেও এক গুৰুত্বপূৰ্ণ অঞ্চল হিচাপে বিবেচিত হৈছে গোৰেশ্বৰ। সেয়েহে তামুলপুৰ জিলা হ'লে গোৰেশ্বৰক মহকুমা হিচাপে গঢ়ি তোলাৰ বাবে আৱশ্যকীয় যি আন্তঃগাঁথনিৰ প্ৰয়োজন সেয়া থকা বুলি দাবী কৰিছে গোৰেশ্বৰ মহকুমা দাবী সমিতিয়ে। গোৰেশ্বৰক মহকুমা হিচাপে গঢ়ি তুলিলে যাতায়াত আৰু যোগাযোগৰো সুন্দৰ ব্যৱস্থা আছে। লগতে বাগ্‌সা জিলাৰ একমাত্ৰ ৰেল ষ্টেছনটো গোৰেশ্বৰতে থকাত যাতায়াতৰো সুযোগ-সুবিধা থকা বাবে গোৰেশ্বৰ মহকুমা হিচাপে গঢ়ি তোলাৰ পূৰ্ণ সুযোগ আছে। সেয়েহে এই দাবী আধিক ত্বৰান্বিত কৰি ৰাজ্য তথা বিটিচি চৰকাৰক হেঁচা দিবলৈ নতুনকৈ মহকুমা দাবী সমিতিখন গঠন কৰা হয়। সভাত সৰ্বসন্মতিক্ৰমে কৃষ্ণদাস স্বৰ্গীয়াৰীক সভাপতি আৰু ৰবিকুমাৰ ডেকাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী 'গোৰেশ্বৰ মহকুমা দাবী সমিতি' গঠন কৰা হয়।

# মন্ত্ৰীৰ নাগৰিকত্বক লৈ প্ৰশ্ন ঃ প্ৰদেশ কংগ্ৰেছৰ সভাপতিক ধিক্কাৰ মঞ্চৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ জুলাই ঃ** কেন্দ্ৰীয় মন্ত্ৰীসভাত সদ্য নিযুক্তিপ্ৰাপ্ত পশ্চিমবংগৰ সাংসদ কেন্দ্ৰীয় ৰাজ্যিক গৃহমন্ত্ৰী নিশীথ প্ৰামাণিকৰ নাগৰিকত্ব লৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ৰিপুন বৰাই কৰা মন্তব্যক গৰিহণা দিয়ে অসম নাগৰিক মঞ্চই। কালি অসম নাগৰিক মঞ্চৰ সাধাৰণ সম্পাদক বিজয় চক্ৰৱৰ্তীয়ে এক বিবৃতিত ক্ষোভ প্ৰকাশ কৰি কয় যে অসম প্ৰদেশ কংগ্ৰেছে সকলো সময়তে মনে-প্ৰাণে বাঙালী বিদ্বেষী সেই কথা পুনৰ প্ৰমাণ কৰিলে বৰাই। কিয়নো মন্ত্ৰী প্ৰামাণিকৰ নাগৰিকত্বলৈ তথ্যহীন আৰু মনেসজা অভিযোগ আনি প্ৰধানমন্ত্ৰীলৈ যি অভিযোগ পত্ৰ প্ৰেৰণ কৰিলে ইয়াৰ জৰিয়তে কংগ্ৰেছৰ বাঙালী বিদ্বেষ কৰা কথা পুনৰ প্ৰতিফলিত হৈ উঠিল বুলি বিবৃতিত মন্তব্য কৰে। তেওঁ বিবৃতিত উল্লেখ কৰে যে সভাপতি বৰাই জনা উচিত যে অসম চুক্তিৰ আধাৰত সংশোধিত নাগৰিকত্ব আইনৰ ছয় (ক) পশ্চিমবংগত প্ৰযোজ্য নহয়। দ্বিতীয়তে ভাৰতৰ ভোটাৰ তালিকাত কেৱল মাত্ৰ সেইসকল প্ৰাপ্তবয়স্কৰ নাম পঞ্জীয়ন হয় যিয়ে প্ৰকৃত ভাৰতীয় নাগৰিক। তৃতীয়তে, নাভূত-নাশ্ৰুত ভৌতিক 'ডি ভোটাৰ' অসমৰ বাহিৰত ভাৰতৰ ক'তো নাই। চতুৰ্থতে কা-১৯ৰ মতে ২০১৪ৰ ৩১ ডিচেম্বৰৰ ভিতৰত কোনেও হিন্দু শিখ, খ্ৰীষ্টিয়ান, জৈন সম্প্ৰদায় যদি কোনো ধৰ্মীয় কাৰণত নিৰ্যাতিত হৈ বৈধ বা অবৈধভাৱে বাংলাদেশ, পাকিস্তান, আফগানিস্তানৰ পৰা ভাৰতত আহি থাকে তেন্তে ভাৰত চৰকাৰে এওঁলোকক নাগৰিকত্ব প্ৰদান কৰিব।

# বাহ্যিক নহয়, আভ্যন্তৰীণ সমস্যাইহে আগুৱাই যোৱাত বাধা দিয়ে

## ছিপাঝাৰত কেৰিয়াৰ সম্পৰ্কীয় অনুষ্ঠানৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২১ জুলাই ঃ** ছিপাঝাৰ মুছলিমঘোপাৰ ৰেঙণি অসম আৰু জিনজৰ উদ্যোগত যোৱা ১৮ জুলাইত অনলাইন মাধ্যমযোগে কেৰিয়াৰ সম্পৰ্কীয় এক সজাগতা অনুষ্ঠান অনুষ্ঠিত হয়। এশৰো অধিক অংশগ্ৰহণকাৰীৰ অংশগ্ৰহণেৰে সমাপন হোৱা অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশ লয় যুৱ লেখক, গৱেষক তথা অধ্যাপক গৌৰী প্ৰসাদ শৰ্মাই। শৰ্মাই দশম আৰু দ্বাদশ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পাছত কিদৰে কেৰিয়াৰ নিৰ্বাচন কৰিব এই সম্পৰ্কে তথ্যসমৃদ্ধ ব্যাখ্যা আগবঢ়োৱাৰ লগতে কয় যে জীৱনত আগুৱাই যোৱাৰ ক্ষেত্ৰত বাহ্যিক কাৰকে নহয় আমাৰ আভ্যন্তৰীণ কাৰকসমূহহে বাধা প্ৰদান কৰে। এই বাধা সততাৰে মোকাবিলা কৰি আগুৱালেহে জীৱনৰ যুঁজত আগুওৱা সম্ভৱ বুলি মন্তব্য কৰে। ছিপাঝাৰ বি জে উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ইমৰন হুছেইনে উদ্বোধন কৰা অনুষ্ঠানটোত আদৰণি ভাষণ আগবঢ়ায় কবি, অধ্যাপক তথা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ৰাজীৱ হুছেইনে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ ইফতিকাৰ আলমে আঁত ধৰা অনুষ্ঠানটোত ৰাজ্যখনৰ বিভিন্ন ক্ষেত্ৰৰ ব্যক্তিসকল উপস্থিত থকাৰ লগতে আমেৰিকাৰ প্ৰৱাসী অসমীয়া ব্যক্তিয়েও অনুষ্ঠানটোত অংশগ্ৰহণ কৰি অনুষ্ঠানটোৰ প্ৰশংসা কৰে।

# লাহৰীঘাটত জটিল ৰোগত আক্ৰান্ত যুৱক

## সহায়ৰ বাবে ৰাইজলৈ আহ্বান পৰিয়ালবৰ্গৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২১ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত জটিল ৰোগত আক্ৰান্ত হৈ আছে এজন যুৱক। দিক্‌বিদিক হেৰুৱাই পেলাইছে দুৰ্ভগীয়া পৰিয়ালটোৱে। লাহৰীঘাটৰ বৰখাবল গাঁৱৰ দুই সন্তানৰ পিতৃ মুনছুৰ আলী ওৰফে ৰিংকু (৩০ আক্ৰান্ত হৈছে জটিল ৰোগত। সম্প্ৰতি দুৰ্ভগীয়া যুৱকজন নগাঁওস্থিত ডিউ কেয়াৰ হাস্পতালৰ আই চি ইউত মৃত্যুৰ স'তে যুঁজি আছে। ক্ষুদ্ৰ ব্যৱসায় কৰি কোনোমতে চলাই নিছিল পৰিয়ালটো। সৰ্বস্ব হেৰুৱাই এতিয়া ধনৰ অভাৱত চিকিৎসাৰ বাবে থমকি ৰব লগা হৈছে পৰিয়ালটো। অতি ব্যয়বহুল চিকিৎসাৰ বাবে এতিয়া প্ৰয়োজন দুই লক্ষাধিকতকৈ অধিক ধন। ইতিমধ্যে চিকিৎসকে উন্নত চিকিৎসাৰ বাবে পৰামৰ্শ প্ৰদান কৰিছে। উপায়হীন হৈ দুৰ্ভগীয়া পত্নীগৰাকীয়ে পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী ৰিংকুৰ চিকিৎসা কৰোৱাৰ বাবে সংবাদ মাধ্যমৰ জৰিয়তে সহায় বিচাৰিছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ। অসমবাসী ৰাইজৰ ওচৰত সহায় বিচাৰি আঁঠু লৈছে দুৰ্ভগীয়া দুই সন্তানৰ মাতৃয়ে। যদি কোনো সু-হৃদয়ৱান ব্যক্তিয়ে সহায় কৰিব বিচাৰে তেন্তে ৰিংকুৰ পত্নী ছাবিনা ইয়াছমিনৰ ম'বাইল নম্বৰ৭৮৯৬৩৭০২৫৭ ত যোগাযোগ কৰিব পাৰিব নাইবা পঞ্জাৱ নেছনেল বেংক লাহৰীঘাট শাখা বেংক একাউণ্ট নম্বৰ ০৭৭৮০১০৬৯৩২৩৩ আইএফএছচি কোড-ইউটিবিআইঅ'এলএএইছডি৩৩ত আৰ্থিক সহায় আগবঢ়াব পাৰিব।

# আলিকাষত বিশেষভাৱে সক্ষম লোকক খাদ্য সামগ্ৰী বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২১ জুলাই ঃ** বেচৰকাৰী সংস্থা এনইএআইডিৰ উদ্যোগত দুই নম্বৰ পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আজি কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ বিশেষভাৱে সক্ষম তথা দৰিদ্ৰ লোকৰ পৰিয়ালৰ মাজত ১০ দিনৰ খাদ্য সামগ্ৰী বিতৰণ কাৰ্যসূচী আৰম্ভ কৰে শুৱালকুছি উন্নত খণ্ডৰ শিঙিমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত আলিকাষত। সংস্থাটোৰ সহ-প্ৰতিষ্ঠাপক মেৰাজ আহমেদে উল্লেখ কৰা মতে এই কাৰ্যসূচী কামৰূপ জিলাৰ উপৰি বাগ্‌সা, কামৰূপ মহানগৰ, মৰিগাঁও, লখিমপুৰ, ধেমাজি আদি জিলাত সৰ্বমুঠ পাঁচহেজাৰ দৰিদ্ৰ আৰু বিশেষভাৱে সক্ষম লোকক ১০ দিনৰ খাদ্য সামগ্ৰী বিতৰণ কাৰ্য চলি আছে।

# নলবাৰীত মেচিনৰ সহায়ত কঠীয়া ৰোপণ আৰম্ভ

**বিশেষ সংবাদদাতা**

**নলবাৰী, ২১ জুলাই ঃ** নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰ আৰু জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ কৃষকসকলৰ মাজত কৃষি যান্ত্ৰিকীকৰণত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। এনে প্ৰচেষ্টাৰ অংশ হিচাপে অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত কালি জিলাখনৰ লোখৌপুৰত যন্ত্ৰৰ সহায়ত কঠীয়া ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। কাৰ্যসূচীৰ আৰম্ভ কৰে নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকনে। ভাষণ প্ৰসংগত উপায়ুক্তগৰাকীয়ে কয় যে বৰ্তমান কৃষি শ্ৰমিকৰ সংখ্যা হ্ৰাস পাই অহাৰ সময়ত কৃষি যান্ত্ৰিকীকৰণৰ বিকল্প নাই। ইয়াৰ ফলত সময় ৰাহি হোৱাৰ লগতে কৃষিৰ খৰছ যথেষ্ট হ্ৰাস পাব। তেওঁ বিভাগসমূহক কৃষকৰ মাজত ইয়াক জনপ্ৰিয় কৰি তোলাত আগভাগ ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত উদ্যান শস্য মহাবিদ্যালয়ৰ দীন বিশিষ্ট কৃষি বিজ্ঞানী ডঃ মৃদুল ডেকা, নলবাৰী কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডঃ মানসী চক্ৰৱৰ্তী, মহকুমা কৃষি বিষয়া যোগেশ্বৰ ৰাজমেধি, উদ্যান শস্য বিশেষজ্ঞ হোমেশ্বৰ মজুমদাৰ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# বঙাইগাঁৱৰ দুই নম্বৰ মদহাত কৃত্ৰিম বানৰ কবলত ৩৫০ টা পৰিয়াল



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২১ জুলাই ঃ** বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত তথা গৰাইমাৰী গাঁও পঞ্চায়তৰ অধীনৰ দুই নম্বৰ জামদহা গাঁৱৰ ৰাইজ বিগত ৪৫ দিনে একাঁঠু পানীৰ তলত দিন পাৰ কৰাত যমৰ যাতনাত দিন পাৰ কৰিছে। বঙাইগাঁও লোক নিৰ্মাণ বিভাগে উক্ত গাঁৱৰ পথটো মেৰামতি কৰাত তিনিটাকৈ পানী ওলাই যোৱা নলা বন্ধ কৰাৰ উপৰি উক্ত গাঁৱৰে অখিল চন্দ্ৰ ৰায় নামৰ বিজনী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ লাট মণ্ডলে এটা পুখুৰী খন্দাত উক্ত পুখুৰীৰ ওচৰৰে গাঁৱৰ জমা হোৱা পানী ওলাই যোৱা কালভাৰ্টত বন্ধ কৰি থোৱাত সমগ্ৰ গাঁওখনৰ প্ৰায় ৩৫০ টা পৰিয়ালৰ দুহেজাৰ লোক পণবন্দী হৈ পৰিছে। ইপিনে, জামদহা গাঁওখন কৃত্ৰিম বানত বুৰ গৈ থকা তথা যমৰ যাতনাত পাৰ কৰিব লগা হোৱাত গাঁৱৰ লোকসকলে বঙাইগাঁও লোক নিৰ্মাণ বিভাগৰ বিষয়া, বঙাইগাঁও জিলা উপায়ুক্ত, সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া, স্থানীয় উত্তৰ অভয়াপুৰী আৰু বঙাইগাঁও সমষ্টিৰ বিধায়কদ্বয়ক লগ কৰি উক্ত সমস্যাৰ বিষয়ে অৱগত কৰাৰ লগতে লিখিতভাৱে আবেদন কৰিও বিগত ডেৰমাহ কোনো সদুত্তৰ পোৱা নাই গাঁৱৰ ৰাইজে। উক্ত অভিযোগৰ পাছত বিজনী ৰাজহ চক্ৰ বিষয়া, মাণিকপুৰ থানাৰ আৰক্ষী বিষয়া তথা লোক নিৰ্মাণ বিভাগৰ মাণিকপুৰৰ এছ ডি অ' বিষয়া আৰু জিলা পৰিষদৰ কাৰ্যবাহী বিষয়াই গাঁওখনৰ সমস্যা পৰিদৰ্শন কৰিছিল যদিও আজিলৈ সুফল নাপালে গাঁৱৰ শ শ লোকে। যাৰ বাবে ঘৰে-দুৱাৰে সকলোতে একাঁঠু পানীৰ তলত জীৱন পাৰ কৰিছে সাধাৰণ ৰাইজে। সৰ্বসাধাৰণ খেতিয়ক ৰাইজৰ খোৱা-লোৱাৰ উপৰি দৈনিক কাম-কাজত হাৰাশাস্তিৰ সন্মুখীন হোৱা বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। আনকি খেতি পথাৰৰ সকলো খেতি পানীৰ তলত থকাত সকলো মৰি শেষ হোৱা বুলি গাঁৱৰ ৰাইজে অভিযোগ কৰে। লগতে তেওঁলোকে অভিযোগ কৰা মতে, বিতৰ্কিত তথা কেলেংকাৰিত জড়িত লাট মণ্ডল অখিল চন্দ্ৰ ৰায়ৰ নিৰ্দেশত প্ৰশাসন যন্ত্ৰ চলা বুলি প্ৰকাশ কৰে। নামে-বেনামে সম্পত্তি গঢ়া অখিলৰ বিৰুদ্ধে কোনো মাত মাতিব নোৱাৰে বুলি কোৱাৰ লগতে চৰকাৰী মাটি দখল দি পুখুৰী সজা এইগৰাকী লাটমণ্ডলে বিনা কাৰণত আৰক্ষীৰ ওচৰত গোচৰ দিয়াৰ ভাবুকি প্ৰদান কৰি অহাৰ অভিযোগ কৰে গাঁৱৰ লোকে। সমগ্ৰ গাঁওখনত পানী জমা হৈ থকাত গাঁৱৰ শিশু, মহিলাসকলৰ বিভিন্ন বেমাৰে আগুৰি ধৰা বুলি প্ৰকাশ কৰাৰ লগতে প্ৰসূতি মাতৃয়ে কোলাত এমাডিমা কেঁচুৱা লৈ পানীৰ মাজত দিন পাৰ কৰিব লগা বুলি কয় গাঁৱৰ লোকে। বিভাগীয় কৰ্তৃপক্ষ, জনপ্ৰতিনিধি আদি সকলোতে লিখিত অভিযোগ আৰু আবেদন দিও সুফল নাপাই সংবাদ মাধ্যমৰ সহায় বিচৰা বুলি প্ৰকাশ কৰি অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচৰা বুলি গাঁৱৰ লোকসকলে কয়। প্ৰয়োজনত ৰাইজৰ সকলো কথা লিখি মুখ্যমন্ত্ৰীক আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীক লিখিতভাৱে মেইলযোগে জনাব বুলি গাঁওবাসীয়ে কয়।

# হোজাইত তীব্ৰ বেগত চলোৱা বাহনৰ চালকক জৰিমনা

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২১ জুলাই ঃ** বিগত কিছুদিন ধৰি হোজাই জিলা পৰিবহণ বিভাগে জিলাখনৰ বিভিন্ন প্ৰান্তত তীব্ৰ গতিত চলা বাহন আৰু অতিৰিক্ত বোজাই কঢ়িওৱা বাহনৰ চালকসকলৰ বিৰুদ্ধে অভিযান চলাই আহিছে। এই অভিযানত কে'বা লাখ টকা জৰিমনাৰ ধন সংগ্ৰহ কৰে। গতিবেগ জোখা যন্ত্ৰৰ জৰিয়তে তীব্ৰ গতিত চলোৱা বাহনৰ চালকৰ বিৰুদ্ধে অভিযান চলাই জিলা পৰিবহণ বিভাগে ২২০ টা গোচৰ ৰুজু কৰিছে। লগতে প্ৰায় ছলাখ টকা জৰিমনা সংগ্ৰহ কৰাৰ উপৰি জিলা পৰিবহণ বিষয়া তামচিন আফতাবৰ নিৰ্দেশ মৰ্মে পৰিবহণ বিভাগে আইনগত ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি জিলা পৰিবহণ বিষয়া আফতাবে জিলাখনৰ সকলো বাণিজ্যিক গাড়ীৰ মালিকসকলক সময়মতে পথ কৰসমূহ জমা দিবলৈ আহ্বান জনায়। গাড়ীৰ চালকসকলক পথ সুৰক্ষাৰ যাৱতীয় নিয়ম-নীতি মানি চলিবলৈকো আহ্বান জনায়।

# গোৱালপাৰা আইন মহাবিদ্যালয় চৌহদত ৱাৰ্ল্ড-ক্লাছ মুট কোৰ্ট নিৰ্মাণৰ দাবীৰে মুখ্যমন্ত্ৰীক স্মাৰক

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ জুলাই ঃ** গোৱালপাৰা আইন মহাবিদ্যালয় চৌহদত ৱাৰ্ল্ড ক্লাছ মুট কোৰ্ট নিৰ্মাণৰ বাবে ২৫ লাখ টকাৰ অনুদান বিচাৰি মহাবিদ্যালয় কৰ্তৃপক্ষই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। আইন মহাবিদ্যালয়ৰ অধ্যক্ষ অনুপ ৰয় আৰু ৰেক্টৰ তথা পৰিচালনা সমিতিৰ সম্পাদক জিতেন দাস স্বাক্ষৰিত স্মাৰক পত্ৰত উল্লেখ কৰা মতে,১৯৮৭ত স্থাপন কৰা আইন মহাবিদ্যালয়খনত সম্প্ৰতি তিনিবছৰীয়া এলএলবি আৰু পাঁচবছৰীয়া বিএএলএলবি কোৰ্ছ পঢ়োৱা হৈ আছে। আইন মহাবিদ্যালয়খন স্থাপনেৰে পৰা অনুন্নত জিলাখনৰ বিশেষকৈ দৰিদ্ৰ আৰু পদ-দলিত শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰি আহিছে। সেয়েহে আইন মহাবিদ্যালয়খনৰ প্ৰতি সুদৃষ্টি দিয়াৰ লগতে এখন ৱাৰ্ল্ড ক্লাছ মুট কোৰ্ট (বিশ্বমানৰ শ্ৰেণী কোঠা) নিৰ্মাণৰ বাবে ২৫ লাখ টকা অনুদান আগবঢ়াবলৈ স্মাৰকপত্ৰযোগে দাবী জনোৱা হৈছে। উল্লেখ্য যে যোৱা ২৭ জুলাইত গোৱালপাৰা আইন মহাবিদ্যালয়ৰ ৰেক্টৰ দাস আৰু অনুপ ৰয়, সহকাৰী অধ্যাপক সঞ্জয় শৰ্মা আৰু দেৱিজৎ অধিকাৰীয়ে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি উক্ত স্মাৰকপত্ৰখন প্ৰদান কৰাৰ লগতে আইন মহাবিদ্যালয়ৰ তৰফৰ পৰা মুখ্যমন্ত্ৰীৰ সাহায্য পুজিলৈ ৫০ হেজাৰ টকাৰ এখন চেক প্ৰদান কৰে।



*তেজপুৰত দিব্যাংগক সাহায্য প্ৰদান, বুধবাৰে।*

# কৃষকৰ সমস্যা সমাধানৰ দাবীত নগাঁৱৰ কৃষি বিভাগৰ কাৰ্যালয়ত কৃষক মুক্তিৰ প্ৰতিবাদী

**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ জুলাই ঃ** নগাঁও জিলা কৃষি বিভাগৰ কৃষকৰ প্ৰতি অদায়িত্বশীল মনোভাৱৰ বিৰোধিতা কৰি, কৃষকৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত কালি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলা সমিতিয়ে নগাঁও জিলা কৃষি বিষয়া কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলাৰ সাধাৰণ সম্পাদক জিতেন বৰা, উপদেষ্টা বুবুল শৰ্মা, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলাৰ উপদেষ্টা মনোজ সিংহ ৰাজা, সভাপতি ৰাজশেখৰ কলিতা, সাধাৰণ সম্পাদক ৰূপম বৰাৰ নেতৃত্বত নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ অৰ্ধশতাধিক কৃষকে সম্পূৰ্ণ ক'ভিড নিয়ম মানি কৃষকৰ সংখ্যা সমাধানৰ দবীত বভিন্ন শ্ল'গানেৰে উক্ত স্থান উত্তাল কৰে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলাৰ সাধাৰণ সম্পাদক জিতেন বৰাই কয় যে নগাঁও জিলা কৃষি বিভাগ কৃষকৰ বিভিন্ন সমস্যা সমাধানত ব্যৰ্থ হোৱাৰ বাবেই তেওঁলোকে আজি প্ৰতিবাদী কাৰ্যসূচী পালন কৰিবলৈ বাধ্য হৈছে। উক্ত কাৰ্যসূচীৰ অন্তত জিলা কৃষি বিষয়াৰ জৰিয়তে কৃষিমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# চক্ৰ বিষয়াক হাজো সাংবাদিক সন্থাৰ সম্বৰ্ধনা

## ভূমি সম্পৰ্কত আলোচনা

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ জুলাই ঃ** হাজো সাংবাদিক সন্থাৰ এটি সঁজাতী দলে কালি হাজো ৰাজহ চক্ৰৰ নৱনিযুক্ত চক্ৰ বিষয়া জাহ্নবী সোণোৱালক সম্বৰ্ধনা জনাই সন্থাৰ সভাপতি গোবিন্দ দাস, সাধাৰণ সম্পাদক আব্দুল গণি খান চৌধুৰী, সন্থাৰ উপদেষ্টা কমলাকান্ত দাস, কাৰ্যালয় সম্পাদক জিতেন শইকীয়া, সদস্য আবেদুৰ ৰহমান (চিন্তু), মেছেৰ আলীৰে হাজো ৰাজহ চক্ৰ বিষয়াগৰাকীৰ স'তে সন্থাৰ কাৰ্যালয়ৰ ভূমি সম্পৰ্কত আলোচনা কৰে। উক্ত আলোচনাত চক্ৰ বিষয়াগৰাকীয়ে সন্থাৰ ভূমি সম্পৰ্কত সম্পূৰ্ণ সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে। তেওঁ হাজোৰ সাংবাদিকসকলক বিভিন্ন সামাজিক কামত সহায়-সহযোগ কৰি গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াব বুলি আশা প্ৰকাশ কৰে।

# বিধানসভাৰ অধ্যক্ষ-বিত্তমন্ত্ৰীলৈ বঙাইগাঁৱৰ ক'ভিড-১৯ চাফাইকৰ্মী সন্থাৰ স্মাৰকপত্ৰ

## ক'ভিড চাফাইকৰ্মীক পুনৰ সংস্থাপনৰ আহ্বান

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২১ জুলাই ঃ** ৰাজ্যৰ ক'ভিড চাফাই কৰ্মীসকলক পুনৰ অসম চৰকাৰৰ যিকোনো বিভাগৰ চতুৰ্থ শ্ৰেণীৰ নাইবা ঠিকাভিত্তিক চতুৰ্থ শ্ৰেণীৰ ৬০ বছৰলৈকে সংস্থাপন দিয়াৰ বাবে যোৱা ১৪ জুলাইত অসম চৰকাৰৰ বিত্তমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান কৰিছে বঙাইগাঁও জিলা ক'ভিড-১৯ চাফাই কৰ্মী সন্থাই। সেইদৰে অসম বিধানসভাৰ অধ্যক্ষলৈকেও স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে। উল্লেখ্য যে বিগত ২০২০ৰ পৰা সমগ্ৰ বিশ্বৰ লগতে দেশজুৰি মহামাৰী ক'ভিড-১৯য়ে যি বিভীষিকাৰ সৃষ্টি কৰি আহিছে অসমতো ইয়াৰ প্ৰভাৱ অব্যাহত আছে। এই মহামাৰী ক'ভিডৰ প্ৰথম লহৰৰ সময়ছোৱাত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিভিন্ন কোৱাৰেণ্টাইন চেণ্টাৰ স্থাপন কৰি চেণ্টাৰসমূহত চাফাই কৰ্মী নিয়োগৰ বাবে বিজ্ঞাপন প্ৰকাশ কৰিছিল। সেই বিজ্ঞাপন ভিত্তিত মৌখিক পৰীক্ষা অনুষ্ঠিত কৰি ৰাজ্যৰ বিভিন্ন জিলাত স্থাপন কৰা কোৱাৰেণ্টাইন চেণ্টাৰ, ক'ভিড কেয়াৰ চেণ্টাৰ, ক'ভিড হাস্পতাল, স্কেনিং চেণ্টাৰ আদিত স্বাস্থ্য বিভাগ, এনএইছএম, জিলা উপায়ুক্ত, মহকুমাধিপতি আৰু পৌৰসভাৰ অধ্যক্ষসকলে সেইসমূহ চাফ-চিকুণ কৰাৰ বাবে মাত্ৰ ১,৩২৪ জন যুৱক-যুৱতীক চাফাই কৰ্মী হিচাপে নিযুক্তি দিছিল। সেই দিনাৰ পৰাই চাফাই কৰ্মীসকলে ক'ভিড-১৯ৰ বিপদকালত নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি ক'ভিড যুঁজাৰু হিচাপে নিষ্ঠাৰে সেৱা আগবঢ়াইছিল। যি সময়ত ক'ভিডৰ ভয়ত মানুহ পথলৈ ওলাব ভয় কৰিছিল, তেনে সময়ত তেওঁলোকে পূৰ্বতে যিবোৰ কাম কৰি ঘৰখন চলাইছিল সেই কামসমূহ এৰি আহি একমাত্ৰ চৰকাৰ আৰু অসমৰ জনসাধাৰণক সহায় কৰাৰ লগতে অনাগত ভৱিষ্যতে এটা ভাল কৰ্মসংস্থাপন লাভ কৰাৰ আশাত ক'ভিড যুঁজাৰু হিচাপে জঁপিয়াই পৰিছিল। কিন্তু বৰ্তমান এইসকল যুৱক-যুৱতী কৰ্মহীন হৈ ঘৰখন চলাব নোৱাৰা হৈ পৰাৰ লগতে হতাশাত ভুগিছে। সেয়ে সন্থাৰ জিলা সভাপতি বিপুল সূত্ৰধৰ আৰু সম্পাদক ৰূপেন নাথে বঙাইগাঁও জিলা উপায়ুক্তৰ জৰিয়তে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু বঙাইগাঁও ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগলৈ পৃথকে পৃথকে স্মাৰকপত্ৰ প্ৰেৰণ কৰি এই ১,৩২৪ জন ক'ভিড যোদ্ধা অৰ্থাৎ ক'ভিড চাফাই কৰ্মীসকলক পুনৰ অসম চৰকাৰৰ যিকোনো বিভাগৰ চতুৰ্থ শ্ৰেণীৰ নাইবা ঠিকাভিত্তিক চতুৰ্থ শ্ৰেণীৰ ৬০ বছৰলৈকে সংস্থাপন দি পেটে-ভাতে জীয়াই থকাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অনুৰোধ জনায়।

# স্বচ্ছ ভাৰত অভিযান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২১ জুলাই ঃ** হাজোৰ ৯৬ নম্বৰ শনিয়াদী গাঁও পঞ্চায়তত আম আদমী পাৰ্টি হাজো শাখাৰ উদ্যোগত কালি এক প্ৰতিবাদী কাৰ্যসূচীৰে স্বচ্ছ ভাৰত অভিযানৰ এক সফল ৰূপায়ণ হোৱা পৰিলক্ষিত হৈছে। আম আদমী পাৰ্টি হাজো শাখাৰ সভাপতি মুকুট আলীৰ তত্ত্বাৱধানত অনুষ্ঠিত স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচীত আম আদমী পাৰ্টি হাজো শাখাৰ সদস্যবৃন্দই হাতে হাতে ঝাডু লৈ শনিয়াদী বজাৰ চ'কবজাৰ গৃহ মছজিদ আদি পৰিষ্কাৰ কৰা দেখা গৈছে। তদুপৰি হাতে হাতে প্লে-কাৰ্ড লৈ আম আদমী পাৰ্টিৰ সদস্যসকলে মূল্যবৃদ্ধি ৰোধ কৰক, নিবনুৱা সমস্যা সমাধান কৰক ইত্যাদি শ্ল'গানেৰে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আকাশ-বতাহ কঁপাই তোলে।

# তামুলপুৰত ধৃত দুই গভাইত চোৰ

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২১ জুলাই ঃ** ক'ভিড সৃষ্ট পৰিৱেশ নিয়ন্ত্ৰণৰ বাবে ৰাজ্যজুৰি অব্যাহত থকা সান্ধ্য আইনৰ মাজতে শেহতীয়াকৈ তামুলপুৰ মহকুমা সদৰৰ আশে-পাশে কে'বাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত সংঘটিত হৈছিল চুৰি কাণ্ডৰ ঘটনা। তামুলপুৰ আৰক্ষীয়ে অব্যাহত ৰাখিছিল চোৰৰ বিৰুদ্ধে অভিযান। যোৱা নিশা তামুলপুৰৰ আৰক্ষীয়ে এক অভিযান চলাই দুই গভাইত চোৰক গ্ৰেপ্তাৰ কৰাৰ লগতে চোৰ দুজনৰ পৰা উদ্ধাৰ কৰে প্ৰায় ৩.৫০ লাখ মূল্যৰ চুৰি ম'বাইল ফোনসহ বৈদ্যুতিক সামগ্ৰী। ধৃত গভাইত চোৰ দুজন হ'ল তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাডাৰবাৰী গাঁৱৰ বুহুম ব্ৰহ্ম (১৯) আৰু আন এগৰাকী নাবালক চোৰ। তামুলপুৰ মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি কলিতাই সদৰী কৰা মতে, যোৱা চাৰি জুনৰ নিশা তামুলপুৰ মহকুমা সদৰৰ ঘগ্ৰাচ'কস্থিত ডিজিটেল ইলেক্ট্ৰনিকছ নামৰ ব্যৱসায়িক প্ৰতিষ্ঠান এখনৰ পৰা চাটাৰ ভাঙি চোৰে কে'বাটাও মূল্যবান ম'বাইল ফোনসহ আন বহু বৈদ্যুতিক সামগ্ৰী চুৰি কৰি নিয়ে। ঘটনাৰ পিছদিনা ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী মৃদুল বৰ্মনে তামুলপুৰ আৰক্ষী থানাত চুৰি কাণ্ড সংঘটিত হোৱা সন্দৰ্ভত এক এজাহাৰ দাখিল কৰে। তামুলপুৰ আৰক্ষীয়ে চোৰৰ সন্ধানত অভিযান চলাই থকাৰ মাজতে যোৱা ৩০ জুনত পুনৰ একোখন দোকানত চোৰে পুনৰ চাফাই অভিযান চলাই ম'বাইলসহ আন সামগ্ৰী চুৰি কৰে। আনহাতে, চোৰৰ সন্ধানত তামুলপুৰ আৰক্ষীৰো জোৰদাৰ অভিযান অব্যাহত আছে। মহকুমা আৰক্ষী বিষয়া কলিতাই সদৰী কৰা মতে চুৰি হোৱা ম'বাইল ফোনৰ নম্বৰৰ ট্ৰেক কৰি যোৱা নিশা আৰক্ষীয়ে তামুলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত মাডাৰবাৰীৰ নিজ গৃহৰ পৰা বুহুম ব্ৰহ্ম আৰু এগৰাকী নাবালক চোৰক আটক কৰাৰ লগতে নিজৰ ঘৰত লুকাই থোৱা অৱস্থা কে'বাটাও ম'বাইল ফোন, চি চি টিভি, ম'বাইল চাৰ্জাৰ, পাৱাৰ বেংকৰ লগতে অন্যান্য বৈদ্যুতিক সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ জেৰাত ধৃত চোৰ দুজনে ম'বাইলসহ অইন সামগ্ৰীসমূহ ঘগ্ৰাচ'কৰ পৰা চুৰি কৰি নিয়া বুলি স্বীকাৰ কৰে। তামুলপুৰ আৰক্ষীয়ে ধৃত বুহুম ব্ৰহ্মক জেললৈ প্ৰেৰণ কৰাৰ লগতে নাবালক চোৰজনক ৰাজ্যিক শিশু পুনৰ সংস্থাপন গৃহলৈ প্ৰেৰণ কৰে।

# দেওমৰনৈত উপযুক্ত খেলপথাৰৰ অভাৱ

## উন্নতমানৰ ষ্টেডিয়াম নিৰ্মাণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**দেওমৰনৈ, ২১ জুলাই ঃ** দৰং জিলাৰ দেওমৰনৈত উন্নত মানৰ এখন ষ্টেডিয়াম নিৰ্মাণৰ দাবী উত্থাপিত হৈছে। ছিপাঝাৰ বিধানসভা সমষ্টিৰ উত্তৰ প্ৰান্তত অৱস্থিত দেওমৰনৈ শিক্ষা, স্বাস্থ্য, বাণিজ্যৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰতো উল্লেখযোগ্য স্থান। কলাইগাঁও বিধানসভা সমষ্টি আৰু মঙলদৈ বিধানসভা সমষ্টিৰো বহু সংখ্যক জনসাধাৰণৰ বিভিন্ন কাৰ্যক্ষেত্ৰৰ কেন্দ্ৰস্থল দেওমৰনতৈ বহু বছৰৰ পৰা ৰাজ্যিক, জিলা, ক্লাব ভিত্তিত বিভিন্ন ধৰণৰ খেলসমূহ অনুষ্ঠিত হৈ আহিছিল। কিন্তু বৰ্তমান উন্নত মানৰ খেলপথাৰৰ অভাৱৰ বাবে ক্ৰীড়াৰ পৰা আঁতৰি থাকিব লগা হৈছে খেলুৱৈসকল। দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাই অনুষ্ঠিত কৰি অহা ছহিদ স্মৃতি দিবা-নৈশ প্ৰাইজমানি ভলীবল প্ৰতিযোগিতা, ছহিদ ট্ৰফী ফুটবল প্ৰতিযোগিতাখনো খেলপথাৰৰ অভাৱত অনুষ্ঠিত কৰিব পৰা নাই। দেওমৰনৈ মহাবিদ্যালয়ৰ ওচৰত থকা মিনি ষ্টেডিয়ামখনৰ মান নিম্নগামী হোৱাত খেল খেলিব নোৱাৰা হৈ পৰিছে। বোকা পানীৰে পৰিপূৰ্ণ অৱস্থাত থকা মিনি ষ্টেডিয়ামখন গৰু-ছাগলীৰ চৰণীয়া পথাৰলৈ পৰিণত হৈছে। ইয়াৰ উপৰি দেওমৰনৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখনো কিছু বছৰৰ পৰা খেলৰ বাবে অনুপযোগী হৈ থকাত দেওমৰনৈত খেলপথাৰৰ অভাৱ বাৰুকৈয়ে অনুভৱ হৈছে। উদীয়মান ক্ৰীড়ানুৰাগী যুৱক-যুৱতীসকলে ক্ৰীড়া চৰ্চা কৰিব পৰাকৈ আৰু বিভিন্ন খেল অনুষ্ঠিত কৰিব পৰাকৈ মিনি ষ্টেডিয়ামখন উন্নত মানৰে নিৰ্মাণ কৰিবলৈ দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে আঞ্চলিক ৰাইজে দাবী জনাইছে। অসম চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী, ক্ৰীড়া বিভাগ, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়কৰ লগতে কলাইগাঁও বিধানসভা সমষ্টি আৰু মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ককো বিষয়টো গুৰুত্ব দি এই ষ্টেডিয়ামখন নিৰ্মাণ কৰি খেলৰ উপযোগী কৰি তুলি দিবলৈ দাবী জনাইছে সদৌ অসম ছাত্ৰ সন্থাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়া, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কৰুণা বৰুৱা, সাহিত্য সম্পাদক অপূৰ্ব শৰ্মা, দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক সীমান্ত চহৰীয়াৰ লগতে দেওমৰনৈ মিনি ষ্টেডিয়াম পৰিচালনা সমিতিৰ সভাপতি ডঃ ৰমেশ চন্দ্ৰ গোস্বামী আৰু সম্পাদক তথা ক্ৰীড়া সংগঠক প্ৰফুল্ল কুমাৰে।



# বটদ্ৰৱা থানৰ মণিকূট, কীৰ্তনঘৰ, নাটঘৰৰ

*এক পৃষ্ঠাৰ পৰা* থানৰ মণিকূট, কীৰ্তনঘৰ আৰু নাটঘৰৰ প্ৰাচীন ঐতিহ্য ৰক্ষা কৰিবলৈ আৰম্ভ কৰা নব্য ৰূপ খচিত নৱীকৰণৰ কাম আজি মুকলি কৰে মুখ্যমন্ত্ৰীয়ে।

উল্লেখ্য যে মুখ্যমন্ত্ৰী হোৱাৰ পূৰ্বেই ড° শৰ্মাই বটদ্ৰৱা থানত উপস্থিত হৈ মণিকূট, কীৰ্তনঘৰ আৰু নাটঘৰৰ মজিয়া আৰু উন্নত প্ৰযুক্তিগত চিলিং উন্নয়ন আৰু বৈদ্যুতিকৰণৰ লগতে খুঁটাসমূহৰ ৰঙকে ধৰি যাৱতীয় কামখিনি কৰি দিয়াৰ আশ্বাস দিছিল। সেই আশ্বাস মৰ্মে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বিয়লি পত্নী ৰিণিকি ভূঞা শৰ্মাৰ স'তে হেলিকপ্টাৰ যোগে বটদ্ৰৱাত উপস্থিত হোৱাৰ পাছত উন্নয়ন কাৰ্য মুকলি কৰে। পূৰ্বে থকা টাইল্‌ছৰ পৰিৱৰ্তে ইয়াত ৰঙা মাৰ্বল পাথৰ মজিয়াত দিয়াৰ ব্যৱস্থা কৰা হৈছে। আজি বটদ্ৰৱাত উপস্থিত হোৱাৰ পাছতে অসমীয়া জাতীয় সাজ-পাৰ পিন্ধি মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীয়ে প্ৰথমে কীৰ্তনঘৰত প্ৰৱেশ কৰি শৰাই-নৈবেদ্য আগবঢ়াই সেৱা লয়। ইয়াৰ পাছতে সত্ৰৰ সত্ৰাধিকাৰৰ মংগল ধ্বনি আৰু ভকত-বৈষ্ণৱৰ 'অ' হৰি/অ' ৰাম' ব্ৰজবাক্যৰে কীৰ্তনঘৰৰ পিৰালিত এগছি বন্তি নিজহাতে প্ৰজ্বলন কৰি মুখ্যমন্ত্ৰীয়ে সেৱা আগবঢ়াই পৱিত্ৰ মণিকূটত এচটা ৰঙা মাৰ্বল প্ৰতিষ্ঠা কৰি উন্নয়নৰ কাম মুকলি কৰে। ইয়াৰ পাছত বটদ্ৰৱা থানৰ ৰভাঘৰ প্ৰাংগনত থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক ইন্দ্ৰমোহন বৰুৱাই আঁত ধৰা আদৰণি অনুষ্ঠানত সপত্নীক মুখ্যমন্ত্ৰীক সত্ৰীয়া পৰম্পৰা ৰক্ষা কৰি পৰিচালনা সমিতিৰ তৰফৰ পৰা গামোচা, চেলেং, শৰাই, থানৰ কেলেণ্ডাৰ আৰু কুঁহিলাৰ কঠেৰে আদৰণি জনোৱা হয়। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই সত্ৰাধিকাৰ, পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্যৰ স'তে বটদ্ৰৱাৰ সামগ্ৰিক উন্নয়ন আৰু বাহ্যিক, আভ্যন্তৰীণ সমস্যাৰাজি তথা অঞ্চলটোৰ পাৰিপাৰ্শ্বিকতাৰ বিষয়ত এলানি গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণতে বটদ্ৰৱা থান চৌহদ পৰিদৰ্শন কৰি ইয়াৰ আন্তঃগাঁথনিৰো বুজ লয়। থানৰ ভকতৰ বহাসমূহ, সভাঘৰ, কাৰ্যালয় কক্ষকে ধৰি থান চৌহদৰ সামগ্ৰিক আন্তঃগাঁথনিৰ পুনৰুজ্জীৱিতকৰণৰ বাবেও এক বিস্তৃত পৰিকল্পনা যুগুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগৰ বিষয়াসকলৰ লগতে বটদ্ৰৱা থান পৰিচালনা সমিতিক আহ্বান জনায়। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে লোক নিৰ্মাণ বিভাগৰ অভিযন্তা তথা শীৰ্ষ বিষয়াৰ পৰা বটদ্ৰৱাৰ বৃহৎ সাংস্কৃতিক আৰু পৰ্যটন প্ৰকল্পৰ কামৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰাৰ বাবে দ্ৰুতগতিৰে নিৰ্মাণকাৰ্য আগবঢ়াই নিবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে বটদ্ৰৱা থানাৰ সৌন্দৰ্যবৰ্ধনৰ বাবে ১৮৮ কোটি টকা ব্যয় সাপেক্ষে ৰাজ্য চৰকাৰে হাতত লোৱা এই প্ৰকল্পৰ আধাৰশিলা যোৱা ২৫ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্থাপন কৰিছিল।

ইপিনে, সাংবাদিকৰ আগত মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কোনো ধৰণৰ ৰাজনৈতিক মন্তব্য আগবঢ়োৱাৰ পৰা বিৰত থাকে। বটদ্ৰৱা থানত সেৱা কৰাৰ পাছত কোনো ৰাজনীতিৰ কথা নকয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'গুৰুজনাৰ আদৰ্শৰাজি বিশ্বত প্ৰতিষ্ঠিত হৈ আহিছে আৰু হৈ থাকিব। এইজনা অৱতাৰী মহাপুৰুষ আজিৰ আধুনিক সভ্যতাৰ বাৰ্তাবাহক। বিশ্বৰ আধ্যাত্মিক কলা-সাধনাৰ কেন্দ্ৰ হৈ উঠিব পূণ্যভূমি বটদ্ৰৱা। বটদ্ৰৱা থানৰ চাৰি হাটীৰ উন্নয়ন, কাৰ্যালয় গৃহ, সভাগৃহ আৰু অতিথিশালাৰ আধুনিকীকৰণৰ জৰিয়তে উন্নত ৰূপত গঢ়ি তোলা হ'ব। এইবোৰ ন ৰূপত সজোৱাৰ বাবে ইতিমধ্যেই লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়া হৈছে।' মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বটদ্ৰৱাৰ সাংস্কৃতিক আৰু পৰ্যটন প্ৰকল্পটোও অতি কম সময়ৰ ভিতৰত ঐতিহ্যৰ স'তে এটা ন ৰূপত ৰাইজে দেখা পাব। নিৰ্ধাৰিত সময়তে নিৰ্মীয়মান প্ৰকল্পৰ কাম সম্পূৰ্ণ হৈ উঠিব আৰু বিশ্ববাসীৰ বাবে উৎসৰ্গিত হ'ব এই বিশ্বমানৰ প্ৰকল্প।' আজিৰ এই কাৰ্যসূচীত বটদ্ৰৱাৰ বিধায়িকা শিৱামণি বৰা, শ্ৰী শ্ৰী নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ তথা সত্ৰ পৰিচালনা সমিতিৰ সভাপতি দেৱানন্দ দেৱগোস্বামী, কাৰ্যকৰী সভাপতি ভোগেশ্বৰ বৰা, প্ৰাক্তন মন্ত্ৰী গৌতম বৰা, প্ৰাক্তন বিধায়িকা আঙুৰলতা ডেকা, নগাঁৱৰ উপায়ুক্ত কৰিতা পদ্মনাভন, আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰ আদিও উপস্থিত থাকে।

# স্বয়ং আৰক্ষী বিষয়াই ৰক্ষণাবেক্ষণ দি

*এক পৃষ্ঠাৰ পৰা* অভিযোগ আৰক্ষীৰ হাতত আছে। অৱশ্যে এই সকলো ব্যৱসায়ৰ মাজতো বাবলুৰ পৰিচয় চুপাৰি মাফিয়াৰূপেহে গঢ়ি উঠে। কাৰণ চুপাৰিৰ চোৰাং ব্যৱসায়েৰে সম্পত্তিৰ পাহাৰ গঢ়িছে বাবলুৱে। এই কাৰ্যত সহযোগিতা লাভ কৰি আহিছে একাংশ প্ৰভাৱশালী ৰাজনীতিক আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ পৰাও। সেই বাবে আৰক্ষীৰ ওচৰত চুপাৰি মাফিয়াজনৰ বিৰুদ্ধে অলেখ তথ্য থকা সত্ত্বেও কোনেও সেই চোৰাং ব্যৱসায়ৰ কাষ চাপিবলৈ সাহস কৰা নাছিল। এনে প্ৰতিপত্তিৰ বাবেই আধাৰসত্ৰ অঞ্চলত বাৰ্মিজ চুপাৰিৰ বৃহৎ গুদামো লোকচক্ষুৰ আগতে গঢ়ি তুলি সমগ্ৰ দেশত ব্যৱসায়িক সাম্ৰাজ্য গঢ়ি তোলাত সফল হৈছে চুপাৰি মাফিয়াজনে। বাবলুৰ এই জাল উত্তৰ-পূৰ্বাঞ্চলৰ আন কে'বাখনো ৰাজ্যতো বিয়পি আছে। তাৰ ফলতে ম্যানমাৰৰ পৰা নগালেণ্ড, মণিপুৰ আদিৰ মাজেৰে নিৰ্বিঘ্নে চোৰাং চুপাৰিৰ ট্ৰাকবোৰ অসমত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এই ট্ৰাকবোৰ মণিপুৰ-নগালেণ্ডৰ পাছত কাৰ্বি আংলং হৈ গোলাঘাটলৈ আহে। শেহতীয়াকৈ সৰবৰাহ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ উদ্দেশ্যে কাছাৰতো বাৰ্মিজ চুপাৰিৰ গুদাম গঢ়ি তোলে। ৰাজনীতিক আৰু একাংশ আৰক্ষীৰ সহযোগিতাৰ বাবে বাবলুৰ ব্যৱসায়িক প্ৰতিষ্ঠানত তদন্তৰ বাবে যোৱা কেন্দ্ৰীয় সংস্থাৰ অনুসন্ধানকাৰী দলকো চুপাৰি মাফিয়াজনৰ পোহনীয়া বাহিনীয়ে খেদি পঠোৱাৰ ঘটনা সংঘটিত হৈছে। উল্লেখনীয় যে কেইদিনমান পূৰ্বে গুৱাহাটীৰ এখন বিলাসী হোটেলত ৰাজ্যৰ দুজন শীৰ্ষ আৰক্ষী বিষয়াৰ লগত চুপাৰি মাফিয়াজনে বিশেষ আলোচনাত মিলিত হোৱাৰো তথ্য পোহৰলৈ আহিছে। গোলাঘাট আৰু কাছাৰত কাৰ্যনিৰ্বাহ কৰা আৰক্ষীৰ এজন শীৰ্ষ বিষয়াই চুপাৰি মাফিয়াজনৰ ব্যৱসায়িক সাম্ৰাজ্য বৃদ্ধিত সহযোগিতা কৰাৰ চৰ্চা দীৰ্ঘদিন ধৰি চলি আহিছে। তেনে ক্ষেত্ৰত প্ৰভাৱশালী আৰক্ষী আৰু ৰাজনীতিকৰ ৰক্ষণা-বেক্ষণৰ চেষ্টাক অতিক্ৰম কৰি বঙাইগাঁও আৰক্ষীয়ে বাবলুৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণত কিমান দূৰ সফল হয় তাক লৈও সম্প্ৰতি বিভিন্নজনৰ মনত প্ৰশ্ন উত্থাপিত হৈছে।

ইপিনে, যোৱা নিশা আৰক্ষীৰ হাতত চুপাৰি মাফিয়াজন ভৰিত গুলিবিদ্ধ হোৱাৰ ঘটনায়ো চাঞ্চল্যৰ সৃষ্টি কৰিছে। কালি বিয়লি বাবলুক লগত লৈ বঙাইগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া উপেন কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দল স্বপন মণ্ডল নামৰ এজন লোকক চিনাক্ত কৰাৰ লগতে চোৰাং চুপাৰিৰ গুদামঘৰৰ সন্ধান উলিয়াবলৈ জিলাখনৰ চৌৰাগুৰিলৈ গৈছিল। চৌৰাগুৰিত কেইদিনমান পূৰ্বে আৰক্ষীয়ে বৃহৎ পৰিমাণৰ বাৰ্মিজ চুপাৰি জব্দ কৰিছিল। চৌৰাগুৰিৰ পৰা উভতি অহাৰ পথত চাপৰাকাটাৰ পাঞ্জাবী ধাবাত আৰক্ষীৰ দলটো ৰৈ নিশাৰ আহাৰ বান্ধি দিবলৈ কৰ্মচাৰীক কয়। সেই সময়তে বাবলুৱে গাড়ীৰ পৰা পলায়নৰ চেষ্টা চলায়। লগত থকা সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া কৃষাণু পাঠকে বাবলুক ৰখাবলৈ চেষ্টা চলায়। তেতিয়া চুপাৰি মাফিয়াজনে আৰক্ষী বিষয়াজনক আক্ৰমণ কৰে। বাবলুৱে আৰক্ষী বিষয়াজনৰ নাকত ঘুচিওৱাৰ উপৰি ভাৰপ্ৰাপ্ত বিষয়া কলিতাৰ দেহৰক্ষী নাজিৰ উদ্দিন খানৰ পৰা মাৰণাস্ত্ৰ কাঢ়ি নিয়াৰ চেষ্টা চলায়। বাবলুৱে খানকো ঘুচিয়াই আহত কৰে। তাৰ পাছত পলাবলৈ চেষ্টা কৰাত আৰক্ষীয়ে ভৰিত গুলীয়াই চুপাৰি মাফিয়াজনক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে আহত আৰক্ষীদ্বয়ৰ লগতে বাবলুক বঙাইগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে। পাছত বাবলুক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। বাবলুক চিকিৎসালয়ত ভৰ্তি কৰাৰ কিছুসময় পাছতে দুখন বিলাসী বাহনত কে'বাজনো লোক আহি উক্ত স্থানত উপস্থিত হয়। সেইসকলে চিঞৰ-বাখৰ কৰি পৰিস্থিতি উত্তপ্ত কৰি তোলাৰ চেষ্টা চলোৱাৰ উপৰি বাবলুক নিৰ্দোষী বুলি দাবী কৰে। আনকি গোলাঘাট জ্বলিব বুলিও একাংশই হুংকাৰ দিয়ে। বাবলুৰ বাবে গুলি খাবলৈ বহু মানুহ সাজু হৈ আছে বুলিও সেইসকলে চিঞৰি চিঞৰি কয়। আৰক্ষীয়ে পৰিকল্পিতভাৱে বাবলুক গুলীওৱাৰ অভিযোগ উত্থাপন কৰাত লোকসকলক পাছত আৰক্ষীয়ে খেদি পঠিয়ায়।

আনহাতে, আজি আধাৰসত্ৰস্থিত বাবলুৰ বাসভৱনৰ সমীপত তেওঁৰ প্ৰতিষ্ঠানৰ একাংশ কৰ্মচাৰীয়ে এক সংবাদমেলৰ আয়োজন কৰি আৰক্ষীৰ বিৰুদ্ধে সৰৱ হৈ পৰে। তেওঁলোকে ৰাইজৰ দলৰ নেতা তথা বিধায়ক অখিল গগৈ আৰু বাবলুৰ প্ৰতিষ্ঠানৰ মাধৱ শইকীয়া নামৰ এজন কৰ্মচাৰীৰ বিৰুদ্ধেও সৰৱ হয়। অখিল গগৈয়ে বাবুলৰ পৰা তিনি কোটি টকা দাবী কৰিছিল বুলি কৰ্মচাৰীসকলে অভিযোগ কৰে। আনহাতে, বাবলুৰ বিৰুদ্ধে বঙাইগাঁও আৰক্ষী থানাত কোনো গোচৰ নথকাকৈয়ে পৰিকল্পিতভাৱে গ্ৰেপ্তাৰ কৰা বুলি কৰ্মচাৰীসকলে অভিযোগ কৰে। মনকৰিবলগীয়া যে দুমাহ পূৰ্বে বঙাইগাঁও আৰক্ষীয়ে এখন ট্ৰাকৰ পৰা বৃহৎ পৰিমাণৰ চোৰাং চুপাৰি জব্দ কৰিছিল। সেই ঘটনাৰ আঁত ধৰি জিলাখনৰ বিভিন্ন স্থানৰ পৰাও বাৰ্মিজ চুপাৰি আৰক্ষীয়ে জব্দ কৰে। এই সন্দৰ্ভত বঙাইগাঁও সদৰ আৰক্ষী থানাত ৪৬০/২১ নম্বৰত এটি গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰখাত এই চোৰাং ব্যৱসায়ৰ মূল মানুহজন চুপাৰি মাফিয়া বাবলু বুলি আৰক্ষীয়ে তথ্য লাভ কৰে।

# বলিউডৰ অন্ধকাৰ অধ্যায়! তলাবন্ধত

*এক পৃষ্ঠাৰ পৰা* ধৰি কুন্দ্ৰাই ভাৰতত তথাকথিত 'ৱেব ছিৰিজ'ৰ আঁৰত অশ্লীল ভিডিঅ' ছবি নিৰ্মাণ কৰি আহিছিল। বিশেষকৈ তলাবন্ধৰ সময়ত কুন্দ্ৰাৰ নেতৃত্বত মুম্বাইত সক্ৰিয় হৈ উঠা অশ্লীল ছবি নিৰ্মাণৰ চক্ৰটোৱে ৰমৰমীয়া ব্যৱসায় চলাইছিল। তদন্তকাৰী আৰক্ষীয়ে কৰা দাবী অনুসৰি, কৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশত হোৱা তলাবন্ধ একপ্ৰকাৰ আশীৰ্বাদত পৰিণত হৈছিল কুন্দ্ৰা আৰু তেওঁৰ সহযোগীৰ বাবে। এই সময়ছোৱাতে কুন্দ্ৰাৰ নেতৃত্বত ভাৰতত একাধিক এপ আৰু ৱেবছাইটৰ জৰিয়তে ৰমৰমীয়া হৈ উঠিছিল পৰ্ণ'গ্ৰাফীৰ ব্যৱসায়। এই অবৈধ ব্যৱসায়ৰ নেতৃত্ব নিজে বহন কৰিলেও অতি চতুৰ কুন্দ্ৰাই নানা কৌশলৰে ইমানদিনে নিজক নিৰাপদে ৰাখিবলৈ সফল হৈছিল। আৰক্ষীয়ে প্ৰকাশ কৰা তথ্য মতে, ২০১৯ৰ ফেব্ৰুৱাৰীত কুন্দ্ৰাই 'আৰ্মছ প্ৰাইম মিডিয়া প্ৰাইভেট লিমিটেড' নামেৰে এটা প্ৰতিষ্ঠান মুকলি কৰিছিল। ইয়াৰ ছমাহ পাছত এই সংস্থাটোৱে 'হটশ্বট' নামেৰে এটা এপ তৈয়াৰ কৰিছিল। এই এপৰ জৰিয়তে আৰম্ভণিতে কুন্দ্ৰাই তেওঁ তৈয়াৰ কৰা তথাকথিত ৱেব ছিৰিজ অৰ্থাৎ অশ্লীল ছবিৰ প্ৰচাৰ চলাইছিল; কিন্তু আৰক্ষীয়ে 'হটশ্বট' এপটোক 'পৰ্ণ এপ' হিচাপে চিহ্নিত কৰাৰ পাছতে অশ্লীল ভিডিঅ' প্ৰেৰণৰ পদ্ধতি সলনি কৰে চতুৰ কুন্দ্ৰাই। আৰক্ষীৰ সন্দেহৰ পৰা ৰক্ষা পাবলৈ সেই সময়ৰ পৰা কুন্দ্ৰাই তৈয়াৰ কৰা অশ্লীল ছবিসমূহ 'উইট্ৰান্সফাৰ' এপৰ মাধ্যমৰে প্ৰেৰণ কৰিবলৈ আৰম্ভ কৰে। অপৰাধ শাখাৰ বিষয়া মিলিন্দ ভৰাম্বেয়ে আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই তথ্য প্ৰকাশ কৰি লগতে কয়, 'সমগ্ৰ ঘটনাৰ নেপথ্যত আছে কুন্দ্ৰাৰ আমেৰিকা নিবাসী খুলশালী প্ৰদীপ বক্সী। খুলশালীৰ লণ্ডনত থকা পৰ্ণ'গ্ৰাফী সংস্থা কেনৰিন লিমিটেডৰ সহায়ত ভাৰতত 'পৰ্ণ হাব' মুকলি কৰাৰ পৰিকল্পনা লৈছিল কুন্দ্ৰাই। আৰক্ষীৰ দৃষ্টিগোচৰ হ'লে কেনেকৈ বিষয়টো চম্ভালিব, তাৰ বাবেও আন এক পৰিকল্পনা কুন্দ্ৰাই প্ৰস্তুত কৰি ৰাখিছিল; কিন্তু এই ক্ষেত্ৰত তেওঁ সফল হ'ব নোৱাৰিলে।'

### কেনেকৈ ধৰা পৰিল কুন্দ্ৰাৰ কুকীৰ্তি?

মুম্বাই আৰক্ষীৰ তথ্য মতে, ২০২১ৰ চাৰি ফেব্ৰুৱাৰীত এগৰাকী যুৱতীয়ে বলপূৰ্বক তেওঁক অশ্লীল ছবিত জড়িত কৰোৱাৰ এক অভিযোগ দাখিল কৰিছিল। ইয়াৰ পাছতে মুম্বাই আৰক্ষীয়ে পাঁচজন লোকক গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ জেৰাত এতিয়ালৈকে জানিব পৰা মতে, দেশৰ বিভিন্ন অঞ্চলৰ পৰা বলিউডত কেৰিয়াৰ গঢ়িবলৈ অহা উচ্চাকাংক্ষী অভিনেত্ৰীক কুন্দ্ৰা আৰু তেওঁৰ সংস্থাই ৱেব ছিৰিজত অভিনয়ৰ প্ৰস্তাৱ দি নিজৰ জালত আবদ্ধ কৰিছিল। কিন্তু পাছলৈ দৃশ্যগ্ৰহণৰ সময়ত চিত্ৰনাট্য সলনি কৰি যুৱতীসকলক নগ্ন হ'বলৈ কুন্দ্ৰা বাহিনীয়ে বাধ্য কৰাইছিল আৰু কোনো যুৱতীয়ে ইয়াৰ বিৰোধিতা কৰিলে দৃশ্যগ্ৰহণৰ বাবদ ইতিমধ্যে হোৱা সকলো ব্যয় বহন কৰিব লাগিব বুলি হেঁচা দিছিল। ফলত উপায়হীন হৈ বহু যুৱতীয়ে কুন্দ্ৰাৰ নিৰ্দেশত অশ্লীল ছবিত কাম কৰিবলৈ বাধ্য হৈছিল। কে'বামাহ পূৰ্বে এগৰাকী অভিনেত্ৰীয়ে দাখিল কৰা অভিযোগৰ তদন্ত চলাই মুম্বাই আৰক্ষীয়ে কুন্দ্ৰাৰ নেতৃত্বত মুম্বাইত গঢ় লৈ উঠা অশ্লীল ছবিৰ এই অপৰাধ জগতৰ তথ্য ধৰা পেলায়। একাধিক পীড়িতাই এই সমগ্ৰ কাণ্ডৰ আঁৰত কুন্দ্ৰা জড়িত থকা বুলি দাবী কৰাৰ পাছত সোমবাৰে নিশা আৰক্ষীয়ে কুন্দ্ৰাক গ্ৰেপ্তাৰ কৰে। এইদৰে দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি পৰ্ণ'গ্ৰাফীৰ আন্তঃৰাষ্ট্ৰীয় চক্ৰ এটা মুম্বাইত সক্ৰিয় কৰি ৰখা কুন্দ্ৰা অৱশেষত আৰক্ষীৰ জালত বন্দী হ'ল।

### কি ভূমিকা গ্ৰহণ কৰিছিল কুন্দ্ৰাই?

মুম্বাই আৰক্ষীয়ে দুটা দিশত এই ঘটনাৰ অনুসন্ধান অব্যাহত ৰাখিছে। যিসকল লোকে এনে নিষিদ্ধ ভিডিঅ' ছবি নিৰ্মাণ কৰিছিল, তেওঁলোকক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আনহাতে, এই চক্ৰৰ স'তে জড়িত যিসকল ব্যক্তিয়ে অশ্লীল ছবি সম্প্ৰচাৰ কৰি আহিছে, তেওঁলোকৰ সন্ধানত আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। কুন্দ্ৰাই তৈয়াৰ কৰা নিষিদ্ধ ছবিসমূহ কে'বাটাও প্ৰযোজনা সংস্থাই বিদেশৰ পৰা সম্প্ৰচাৰ কৰি আহিছে। বিশেষকৈ যিসমূহ দেশত পৰ্ণ'গ্ৰাফী ছবি নিৰ্মাণ আৰু প্ৰদৰ্শন বৈধ, তেনে দেশৰ পৰা কুন্দ্ৰাই তৈয়াৰ কৰা ছবিৰ প্ৰচাৰৰ ব্যৱস্থা কৰিছিল যাতে তেওঁ আইনী সমস্যাৰ পৰা ৰেহাই লাভ কৰিব পাৰে। এনে এটা প্ৰযোজনা সংস্থাৰ কাৰ্যবাহী বিষয়া উমেশ কামাটক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। ব্ৰিটেইনৰ এই প্ৰযোজনা সংস্থাটোৰ বিৰুদ্ধে আৰক্ষীৰ অভিযোগ যে ভাৰতত তৈয়াৰ হোৱা পৰ্ণ ছবি এই সংস্থাটোৱে নিজৰ অঞ্চলত অৰ্থাৎ ব্ৰিটেইনত সম্প্ৰচাৰ কৰি আহিছে। কুন্দ্ৰাৰ স'তে হাত মিলাই কামাটে বিদেশত এইদৰে ভাৰতীয় অশ্লীল ছবিৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত ৰাখিছিল। তদন্তত নামি মুম্বাই আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই লাভ কৰা তথ্য অনুসৰি, প্ৰথম অৱস্থাত কুন্দ্ৰাই এইদৰে মুম্বাইত অশ্লীল ছবি নিৰ্মাণৰ জৰিয়তে বিভিন্ন এপৰ মাধ্যমৰে দৈনিক দুই-তিনি লাখ টকা উপাৰ্জন কৰিছিল; কিন্তু তলাবন্ধৰ সময়ছোৱাত কুন্দ্ৰাৰ অবৈধ ব্যৱসায়ৰ দৈনিক উপাৰ্জন ছয়ৰ পৰা আঠ লাখ টকালৈকে বৃদ্ধি পায়। ইতিমধ্যে কুন্দ্ৰাৰ বিভিন্ন একাউণ্টৰ পৰা ৭.৫ কোটি টকা আৰক্ষীয়ে জব্দ কৰিছে। মুম্বাই আৰক্ষীয়ে লগতে জনোৱা অনুসৰি, দেশৰ বাণিজ্যিক চহৰখনৰ উপকণ্ঠত থকা মাড আইলেণ্ডৰ এটা বাংলো ভাড়াত লৈ মাৰাঠী আৰু ভোজপুৰী ছবি নিৰ্মাণৰ আঁৰত কুন্দ্ৰাই এইদৰে অশ্লীল ছবি নিৰ্মাণ কৰিছিল। কুন্দ্ৰাৰ অশ্লীল ছবি নিৰ্মাণকাৰী গোটটোত পাঁচৰ পৰা ছজন কৰ্মচাৰী জড়িত আছিল। আৰক্ষীয়ে লগতে কয় যে এইদৰে নিষিদ্ধ ছবি নিৰ্মাণত কুন্দ্ৰাই মহিলা কেমেৰামেন তথা সহযোগীক নিয়োগ কৰিছিল। কুন্দ্ৰাই প্ৰস্তুত কৰা 'হটশ্বট' নামৰ এপটো তলাবন্ধৰ সময়ত যথেষ্ট জনপ্ৰিয় হৈছিল আৰু কে'বামাহৰ ভিতৰতে এই এপৰ গ্ৰাহকৰ সংখ্যা লক্ষাধিক হৈছিল; কিন্তু পাছত তেওঁ আৰক্ষীৰ জালত পৰাৰ শংকা 'হটশ্বট' ব্ৰিটিছ পৰ্ণছবি নিৰ্মাতা কোম্পানী এটাক বিক্ৰী কৰি দিয়ে। কুন্দ্ৰাক গ্ৰেপ্তাৰৰ পাছত সম্প্ৰতি মুম্বাই আৰক্ষীয়ে দেশত সক্ৰিয় হোৱা এই অপৰাধ চক্ৰটোৰ শিপা বিচাৰি তদন্ত ব্যাপক কৰি তুলিছে।

# মুখ্যমন্ত্ৰীক আপত্তিজনক মন্তব্য

*এক পৃষ্ঠাৰ পৰা* লক্ষ্মীপুৰত ধৃত যুৱতীগৰাকী হৈছে বিজেপিৰ বৰভাগ মণ্ডল সংখ্যালঘু মৰ্চাৰ প্ৰাক্তন সভাপতি খালেকুৰ ৰহমানৰ কন্যা। প্ৰাপ্ত অভিযোগ অনুসৰি যুৱতীগৰাকীয়ে আজি পুৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক গো-মাংস উপহাৰ দিব বুলি হোৱাটছএপত এটা 'ষ্টেটাছ' দিয়ে। লগে লগে যুৱতীগৰাকীৰ এই মন্তব্য সামাজিক মাধ্যমত সংক্ৰমিত হৈ পৰে। সমগ্ৰ ঘটনাৰ বিষয়ে আৰক্ষী অৱগত হোৱাৰ লগে লগে কামৰূপ জিলাৰ আৰক্ষীয়ে যুৱতীগৰাকীক গ্ৰেপ্তাৰ কৰি নলবাৰী সদৰ আৰক্ষী থানালৈ প্ৰেৰণ কৰে। সম্প্ৰতি বৰভাগৰ যুৱতীগৰাকীক নলবাৰী সদৰ আৰক্ষী থানাতে ৰখা হৈছে। ইতিমধ্যে আৰক্ষীয়ে যুৱতীগৰাকীৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধিৰ ৪০৩/২১ (এ) ৫০৭ ধাৰাৰ অধীনত এটা গোচৰ পঞ্জীয়ন কৰিছে।

# এন আই এৰ গোচৰত বিধায়ক

*এক পৃষ্ঠাৰ পৰা* যোগ্যতা কৰিছিল যদিও পৰৱৰ্তী সময়ত এন আই এই গুৱাহাটী উচ্চ ন্যায়ালয়ত উক্ত ৰায়দানক প্ৰত্যাহ্বান জনাই আবেদন কৰে। ফলস্বৰূপে ন্যায়ালয়ে উক্ত গোচৰত পুনৰ শুনানি গ্ৰহণৰ বাবে অনুমতি দিয়ে আৰু সেই সন্দৰ্ভত বিধায়কজনলৈ জাননী জাৰি কৰে।

জাননী সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গগৈয়ে কয়, 'আজি আবেলি এন আই এৰ এজন কৰ্মচাৰীয়ে আহি মোক এখন জাননী দি থৈ গৈছে। চান্দমাৰি থানাৰ যিটো গোচৰ এন আই এই মোৰ বিৰুদ্ধে চলাইছিল, সেই গোচৰটোত ইতিমধ্যে এন আই এ আদালতে মোক দোষমুক্ত ঘোষণা কৰিছিল। উক্ত গোচৰতে এন আই এই মোৰ বিৰুদ্ধে অভিযোগনামা প্ৰস্তুত কৰি আদালতত দাখিল কৰিছিল যদিও গোচৰটোৰ কোনো তথ্য প্ৰমাণ আৰু ভিত্তি নাই বুলি স্বয়ং এন আই এ আদালতেই ৰায়দান দিছিল। আক্ৰোশমূলকভাৱে পৰৱৰ্তী সময়ত এন আই এই উক্ত ৰায়দানক প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন জনাইছিল যাৰ পৰিণতিত আজি মই জাননীখন পাইছো।'

বিধায়কজনৰ বিৰুদ্ধে চলোৱা এন আই এৰ গোচৰটো সম্পূৰ্ণ ভুৱা আখ্যা দি গগৈয়ে কয়, 'ইতিমধ্যে বহু সময়ত প্ৰমাণ হৈ আহিছে যে এন আই এই আন্দোলনকাৰীসকলক এফালৰ পৰা সন্ত্ৰাসবাদী সজাবলৈ উঠি-পৰি লাগিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশেও কৈছে যে ৰাষ্ট্ৰদ্ৰোহৰ নামত সম্পূৰ্ণ ভুৱা খেল এটা চলি আছে। যিটো গোচৰত যোৱা ১৯ মাহে মোক কাৰাগাৰত বন্দী কৰি কোনো এটা প্ৰমাণ গোটাব নোৱাৰিলে, এই একেটা গোচৰত আকৌ মোক বিচাৰ কৰা এয়া কেনে হাস্যকৰ কথা। এতিয়া এন আই এই মোৰ বিৰুদ্ধে মাৰ খোৱা সাপৰ দৰে প্ৰতিশোধপৰায়ণ হৈ উঠিছে।' গগৈয়ে লগতে কয় যে আশ্চৰ্যজনকভাৱে এই গোচৰটোত এতিয়া অসম চৰকাৰ, অসম চৰকাৰৰ মহাধিবক্তা আৰু এন আই এই সাংঘাতিক ধৰণে সক্ৰিয় হৈ উঠিছে। 'এন আই এৰ নিজা অধিবক্তা থকাৰ পাছতো অসম চৰকাৰৰ মহাধিবক্তাগৰাকীয়ে মোৰ বিৰুদ্ধে দৃষ্টিকটুভাৱে যুঁজিবলৈ আৰম্ভ কৰিছে। ভাৰত চৰকাৰৰ গৃহ বিভাগ, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, এন আই এ আৰু অসম চৰকাৰৰ মহাধিবক্তা সকলোৱে মিলি মোক পাছফালৰ পৰা খেদি আহিছে।' বিধায়কজনে এইদৰে কয়।

# কমেও সাতটা স্পৰ্শকাতৰ

*এক পৃষ্ঠাৰ পৰা* বাংলাদেশৰ লগত থকা আন্তৰ্জাতিক সীমান্তৰ বৃহৎ অংশ নদী হোৱাৰ বাবেই চোৰাং ব্যৱসায়ীৰ দলে তাৰ সুযোগ গ্ৰহণ কৰি আহিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিঅ'পিবোৰতো নিৰীক্ষণ ব্যৱস্থা অধিক সক্ৰিয় কৰি তুলিবলৈ বিএছএফে নিৰ্দেশ জাৰি কৰিছে। প্ৰসংগক্ৰমে উল্লেখ্য যে বাংলাদেশৰ লগত ভাৰতৰ আন্তৰ্জাতিক সীমান্তৰ দৈৰ্ঘ্য ৪,০৯৬.৭০ কিলোমিটাৰ। অসম, পশ্চিমবংগ, মেঘালয়, মিজোৰাম আৰু ত্ৰিপুৰাত এই সীমান্ত আছে। অসমৰ লগত থকা বাংলাদেশৰ আন্তৰ্জাতিক সীমান্তৰ দৈৰ্ঘ্য ২৬৩ কিলোমিটাৰ। ইয়াৰে ২১০.০১৭ কিলোমিটাৰত ফেন্সিং নিৰ্মাণ সম্পন্ন হৈছে। ৫২.৯৮৩ কিলোমিটাৰ এতিয়াও উন্মুক্ত হৈয়ে আছে; কিয়নো ইয়াৰে ৯০ শতাংশই নদী সীমান্ত। এই সুদীৰ্ঘ উন্মুক্ত আৰু নদী সীমান্তৰ সুযোগ লৈ অসমক গৰুৰ আন্তৰ্জাতিক চোৰাং ব্যৱসায়ৰ ঘাটিৰূপে গঢ়ি তুলিছে চোৰাং ব্যৱসায়ীৰ দলে। বিএছএফৰ তথ্য অনুসৰি, বিগত বৰ্ষত এই আন্তৰ্জাতিক সীমান্তত ৪৬,৮০৯ টা চোৰাং গৰু জব্দ কৰা হয়। ২০১৯ আৰু ২০১৮ত সেই সংখ্যা আছিল ক্ৰমে ৭৭,৪১০ টা আৰু ৬৩,৭১৬ টা। ইয়াৰে অধিকাংশ গৰু জব্দ হয় ধুবুৰী সীমান্তত। এই প্ৰসংগতে বিএছএফৰ সূত্ৰই সদৰী কৰে যে চোৰাং ব্যৱসায়ীৰ দলে গৰু সৰবৰাহ কৰিবলৈ ইমানেই তৎপৰ হৈ উঠে যে বহু সময়ত নদীৰে গৰু নিবলৈকে ধুবুৰীলৈ অনুপ্ৰৱেশকাৰী আহে। তেনে কে'বাজনো অনুপ্ৰৱেশকাৰী যোৱা সময়ছোৱাত বিএছএফৰ হাতত গ্ৰেপ্তাৰ হৈছে। ইয়াৰ সমান্তৰালকৈ অন্য উদ্দেশ্যতো অনুপ্ৰৱেশকাৰীৰ আগমন চলি আহিছে। বিগত বৰ্ষত ভাৰত-বাংলাদেশ সীমান্তত বিএছএফে ৯৫৫ জন অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰে। তাৰে একাংশ গৰুৰ চোৰাং ব্যৱসায়ীৰ লগত জড়িত।

ইপিনে, যিকেইটা বিঅ'পি গৰু চালানৰ ক্ষেত্ৰত স্পৰ্শকাতৰ বুলি চিনাক্ত কৰা হৈছে সেইকেইটাত অতিৰিক্ত নিৰাপত্তাৰক্ষী নতুনকৈ নিয়োগ কৰা হৈছে। তদুপৰি বিশেষ নিৰীক্ষণ যন্ত্ৰাংশও সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। বাৰিষা অহাৰ পৰিপ্ৰেক্ষিতত চোৰাং ব্যৱসায়ীৰ তৎপৰতাও শেহতীয়াকৈ বৃদ্ধি হৈছে। যদিও এই সময়ত নদীবোৰৰ জলস্তৰৰ মাত্ৰা বেছি বঢ়া নাই তথাপি সীমান্ত অঞ্চলৰ বিভিন্ন স্থানত পানী সোমাইছে। পানী যেনি-তেনি সোমোৱাৰ বাবে চোৰাং ব্যৱসায়ীৰ বাবে পৰিৱেশ ক্ৰমে সুচল হৈ আহিছে।

# ৰাষ্ট্ৰীয় উদ্যানৰ পৰা চোৰাং

*এক পৃষ্ঠাৰ পৰা* হ'ল এটা ঘৰচীয়া হাতী। সোমবাৰে পুৱতি নিশা সংঘটিত এই প্ৰচণ্ড গুলীয়াগুলিৰ বিষয়ে বন বিভাগে আজিহে সংবাদ মাধ্যমক অৱগত কৰে। প্ৰায় এঘণ্টা ধৰি চলা এই সংঘৰ্ষত অৱশ্যে কোনো লোক হতাহত নহ'ল। নাহৰকটীয়াৰ জয়পুৰ বন বিভাগৰ অধীনৰ দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ শুকানজুৰি খণ্ড বন কাৰ্যালয়ৰ পৰা পাঁচ কিলোমিটাৰ নিলগৰ ঘন অৰণ্যত এই গুলীয়াগুলিৰ ঘটনা সংঘটিত হোৱা বুলি জনাইছে জয়পুৰ বনাঞ্চলিক বিষয়া শৰৎ চন্দ্ৰ নেওগে। বন বিষয়াজনে আজি সাংবাদিকৰ আগত কয় যে সোমবাৰে পুৱতি নিশা ঘন অৰণ্যৰ বাসৰ নলা অঞ্চলত বন বিভাগৰ দল এটা নিয়মীয়া টহল দি থকাৰ সময়তে যন্ত্ৰৰ সহায়ত গছ কটাৰ শব্দ শুনে। লগে লগে বনৰক্ষীৰ দলটো আগবাঢ়ি যোৱাত বনদস্যুৰ দলটোৱে উমান পাই তেওঁলোককৈ লক্ষ্য কৰি গুলিবৰ্ষণ কৰে। বনৰক্ষীৰ দলেও গুলিৰে প্ৰত্যুত্তৰ দিয়ে। প্ৰায় এঘণ্টা ধৰি ধাৰাষাৰ গুলীয়াগুলি চলাৰ পাছত এটা সময়ত পৰিস্থিতি শাম কাটে। অৱশ্যে অতিশয় দুৰ্গম অঞ্চল হোৱা বাবে বনৰক্ষীৰ দলে গছ কটা স্থানলৈ আগবাঢ়ি যোৱাৰ পৰিৱৰ্তে উভতি আহে। সোমবাৰে বিয়লি বন বিভাগৰ দলে পুনৰ ঘটনাস্থলীত উপস্থিত হৈ একাংশ কাটি থোৱা গছৰ কুণ্ডাৰ লগতে গুলিবিদ্ধ হাতী এটাৰ মৃতদেহ প্ৰত্যক্ষ কৰে। মৃত হাতীটো বনদস্যুৱে চোৰাং কুণ্ডা টানি নিয়াত ব্যৱহাৰ কৰিছিল বুলি বন বিভাগে সন্দেহ কৰিছে। বন বিষয়াজনে কয় যে চোৰাং কুণ্ডা সৰবৰাহকাৰীয়ে দীৰ্ঘদিন ধৰি দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ মূল্যবান গছ কাটি হাতীৰ সহায়ত সৰবৰাহ কৰি আহিছিল আৰু সোমবাৰৰ পুৱতি নিশাৰ সংঘৰ্ষত এই হাতীটোৰ মৃত্যু হয়। ইতিমধ্যে বন বিভাগে মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি সৎকাৰৰ ব্যৱস্থা কৰিছে। অৱশ্যে প্ৰায় এঘণ্টা ধৰি প্ৰচণ্ড গুলীয়াগুলি হোৱা সত্ত্বেও কোনো এটা পক্ষৰে এজনো হতাহত নোহোৱা বিষয়টোত একাংশ স্থানীয় লোকে আশ্চৰ্য প্ৰকাশ কৰিছে। হাতীটোৰ মৃত্যু প্ৰকৃততে সন্দেহৰ বিষয় বুলিও স্থানীয় লোকে মত প্ৰকাশ কৰিছে।

উল্লেখ্য যে বিগত প্ৰায় দুবছৰ ধৰি পূৰ্বৰ দিহিং পাটকাই অভয়াৰণ্য তথা এতিয়াৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ ভিতৰচ'ৰাত অবাধে বনধ্বংস অব্যাহত আছে। চোৰাং কাঠ, শিল-বালি, কয়লা খনন আদি নিৰ্বিবাদে চলাই আহিছে দুৰ্বৃত্তই। শেহতীয়াকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্গত নাকফান অঞ্চলত অৰুণাচলী লোকে বন ধ্বংস কৰি অসমৰ ভূমি বেদখল কৰাৰ বাতৰিও ধাৰাবাহিকভাৱে প্ৰকাশ পাইছে। এইবোৰ চোৰাং কাৰ্যৰ ফলত ৰাষ্ট্ৰীয় উদ্যানখনৰ জৈৱ বৈচিত্ৰ্য আৰু প্ৰাকৃতিক ভাৰসাম্যও বিপদাপন্ন হৈ পৰিছে। যোৱা তিনি জুলাইত বনমন্ত্ৰী পৰিমল শুক্লবৈদ্যই ৰাষ্ট্ৰীয় উদ্যানখন মুকলি কৰাৰ সময়ত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত বনধ্বংস যজ্ঞ ৰোধৰ বাবে অতিশীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদৰী কৰিছিল। ইয়াৰ এসপ্তাহৰ পাছতে অৰুণাচলী লোকে ৰাষ্ট্ৰীয় উদ্যানখনৰ গছ-বন কাটি ভূমি বেদখল কৰি গাঁও নিৰ্মাণ আৰু কৃষি কাৰ্য কৰাৰ বাতৰি প্ৰকাশ পায়। ইয়াৰ উপৰি ঘৰচীয়া হাতী ব্যৱহাৰ কৰি চোৰাং ব্যৱসায়ীয়ে বাসৰ নলা, কঠালগুৰি, চেন্ট্ৰেল ৰোড, অভয়পুৰ আদি অঞ্চলত নিয়মিতৰূপে হোলোং, মেকাই, তিতাচপা, চেগুন আদি মূল্যবান গছ কাটি বনধ্বংস কাৰ্য চলাই আছে। সেইদৰে ৰাষ্ট্ৰীয় উদ্যানখনৰ অন্তৰ্ভুক্ত হোৱা দিল্লী সংৰক্ষিত বনাঞ্চলৰ এটা বৃহৎ অংশৰ গছ-গছনিও দুৰ্বৃত্তই কাটি এনেদৰে তহিলং কৰিছে যে উক্ত বৃহৎ অঞ্চলটোৰ অৱস্থা গুগল মেপ বা ছেটেলাইট মেপতো স্পষ্টৰূপত দৃষ্টিগোচৰ হয়। মন কৰিবলগীয়া যে এক বৃহৎ অঞ্চল সামৰি ৰখা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবে জয়পুৰ বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত তিনিটা খণ্ড কাৰ্যালয়ত কেৱল ছজন সুৰক্ষা কৰ্মীহে আছে। তৎসত্ত্বেও ডিব্ৰুগড়ত বন সুৰক্ষাৰ বাবে এটা বৃহৎ সুৰক্ষা বাহিনী থকাৰ পাছতো জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ সুৰক্ষাৰ স্বাৰ্থত কিয় এই বাহিনী ব্যৱহাৰ কৰা নহয়, সেয়া ৰহস্যজনক বিষয় বুলি একাংশই মন্তব্য কৰিছে।

# বাঘে-ছাগে লগ লাগিলেও বিজেপিক

*এক পৃষ্ঠাৰ পৰা* কুচকাৱাজ আৰম্ভ হোৱাৰ সময়তে আজি ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই বাঘে-ছাগে লগ লাগিলেও বিজেপি মিত্ৰজোঁটৰ শক্তিক পৰাভূত কৰিব নোৱাৰে বুলি দাবী কৰিছে। উল্লেখ্য যে কংগ্ৰেছ সভাপতি ৰিপুন বৰাই প্ৰথমে উপ-নিৰ্বাচনত সকলো বিৰোধী দলক ঐক্যবদ্ধ হৈ প্ৰতিটো সমষ্টিত উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ আহ্বান জনোৱাৰ পাছত ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়েও এই আহ্বান জনাইছিল। এই সন্দৰ্ভত বিৰোধী দলসমূহৰ লগত প্ৰাৰম্ভিক পৰ্যায়ত উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপৰ বাবে আলোচনাও হৈছে বুলি ৰাইজৰ দলৰ সভাপতি গগৈয়ে শেহতীয়াকৈ সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰাৰ পাছতে আগন্তুক উপ-নিৰ্বাচনত কংগ্ৰেছ মহাজোঁট, ৰাইজৰ দল আৰু জাতীয় পৰিষদে ঐক্যবদ্ধ হৈ যুঁজ দিব বুলি ৰাজনৈতিক মহলত ব্যাপক চৰ্চা আৰম্ভ হৈছে। তাৰ মাজতে আজি এই সন্দৰ্ভত ৰাজ্যিক বিজেপিৰ সভাপতি কলিতাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, 'এতিয়া অসমত এটা তোষামোদৰ ৰাজনীতি আৰম্ভ হৈছে। লগতে আৰু এটা ৰাজনীতি চলিছে বিজেপিৰ বিৰুদ্ধে। যিমান পাৰে বাঘে-ছাগে লগ লাগিছে; কিন্তু যিমানেই লগ হওক বিজেপিৰ মহাশক্তিক পৰাভূত কৰিব নোৱাৰে সেয়া নিশ্চিত।' কংগ্ৰেছ আৰু এআইইউডিএফৰ মাজত অশুভ মিত্ৰতা আছিল, এই অশুভ মিত্ৰতাত এতিয়া অখিল গগৈয়েও খোজ দিছে বুলি সভাপতি কলিতাই মন্তব্য কৰি পুনৰ কয় যে সেইজন গগৈয়ে এটা সময়ত এআইইউডিএফৰ লগত মিত্ৰতা নকৰে বুলি কৈ আহিছিল। ক্ষমতাৰ ৰাগিত তেওঁলোকে কেতিয়া কি কৰে হিচাপ নাই; কিন্তু তেওঁলোকে কেতিয়াও ক্ষমতা ঢুকি নাপায় বুলি মন্তব্য কৰি তেওঁ পুনৰ কয়, 'ভাৰতীয় জনতা পাৰ্টিৰ যি উত্থান বা চৰকাৰে যিধৰণে ৰাইজৰ হকে কাম কৰিছে বিৰোধী শংকিত হৈছে। তেওঁলোকৰ হাতত কোনো বিষয় নাই, সেয়ে সকলো লগ লাগিছে। অখিল গগৈ আজি বাধ্য এআইইউডিএফৰ লগত মিত্ৰতা কৰিবলৈ। কংগ্ৰেছৰ লগত মিত্ৰতা কৰিবলৈ বাধ্য হৈছে। কাৰণ তেওঁলোক শক্তিহীন।'

ইফালে, থাওৰা সমষ্টিৰ কংগ্ৰেছ বিধায়ক সুশান্ত বৰগোহাঁয়ে বিজেপিত যোগদান কৰিব বুলি ওলোৱা খবৰৰ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত ৰাজ্যিক বিজেপিৰ সভাপতিজনে কয় যে সুশান্ত বৰগোহাঁই বিজেপিলৈ আহিব পাৰে; কিন্তু এতিয়ালৈকে বিজেপিৰ স'তে যোগাযোগ হোৱা নাই। মুখ্যমন্ত্ৰীৰ লগত যোগাযোগ হ'ব পাৰে; কিন্তু এতিয়ালৈকে আনুষ্ঠানিক আলোচনা হোৱা নাই বুলি তেওঁ কয়।

# প্ৰব্ৰজনকাৰীয়ে আধিপত্য বিচাৰিছে

*এক পৃষ্ঠাৰ পৰা* বছৰ পুৰণি। পৃথিৱীৰ বহু দেশত এটা ধৰ্ম, এক সংস্কৃতি অথবা এক ভাষা জাপি দিব বিচৰা হয়। ভাৰতৰ প্ৰতিচ্ছবি ইয়াৰ সম্পূৰ্ণ বিপৰীত। ভাৰতত হেজাৰ হেজাৰ বছৰ ধৰি বিভিন্নতাৰ মাজত মানুহে এক হৈ কাম কৰি আছে। এই একতাৰ বাবে ষড়যন্ত্ৰকাৰীৰ দল সফল হ'ব পৰা নাই।' সংশোধিত নাগৰিকত্ব আইন আৰু ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক লৈ অসমকে ধৰি সমগ্ৰ দেশত বিতৰ্ক অব্যাহত প্ৰসংগত ভগৱতে কয় যে নাগৰিকত্ব আইন আৰু এনআৰচিৰ বিৰোধ কৰা বা সমৰ্থন কৰাৰ আঁৰত একো একো চিন্তন থাকে। তেনে চিন্তনৰ গূঢ়াৰ্থ বুজি মানুহে উচিত দিশটো বিচাৰ কৰি ল'ব লাগিব। তেওঁ কয়, 'আমাৰ চিন্তাধাৰা হ'ল সকলোৰে মংগল কামনা কৰা আৰু সত্যৰ পথ লোৱা। সত্যক লৈ ভয় খাব লগা একো নাই। এইখিনিতে প্ৰশ্ন আহিছে আজি অসমৰ বাসিন্দাসকল বিদেশী আগ্ৰাসনক লৈ শংকিত কিয়? প্ৰব্ৰজন নতুন কথা নহয়, হেজাৰ বছৰ পূৰ্বেও প্ৰব্ৰজন হৈছিল; কিন্তু এতিয়া এক বিশেষ ধৰণৰ প্ৰব্ৰজনক লৈ অসমীয়া মানুহ আতংকিত হ'ব লগা হৈছে। এনে আতংকৰ কাৰণ হ'ল প্ৰব্ৰজিতসকলে অসমৰ ভাষা, সভ্যতা, সংস্কৃতি ধ্বংস কৰাৰ ভয়। অসমৰ স্থানীয় বাসিন্দাসকল সংখ্যালঘুত পৰিণত হ'ব বুলিও মানুহে ভয় খাইছে। এইটো ঠিক যে প্ৰব্ৰজনকাৰীয়ে অসমত আধিপত্য বিস্তাৰ কৰিব বিচাৰিছে। ১৯৩০ৰ পৰাই ভাৰতত মুছলমানৰ জনসংখ্যা বৃদ্ধিৰ পৰিকল্পনা চলি আহিছে। জনসংখ্যা বৃদ্ধি কৰিব খোজাৰ কাৰণ আছিল প্ৰভুত্ব বিস্তাৰ কৰি দেশখনক পাকিস্তান বনোৱা। তেওঁলোকৰ পৰিকল্পনা আছিল পঞ্জাৱক লৈ, অসমক লৈ, বংগক লৈ। পাকিস্তান সৃষ্টি কৰি তেওঁলোক কিছু পৰিমাণে সফল হ'ল। পঞ্জাৱৰো আধা পালে। গতিকে দাবী কৰি যি পালে সেয়া ল'লে। এতিয়া বাকীখিনি কিদৰে লোৱা যায় তাৰ বিচাৰ বিবেচনা চলিছে।' প্ৰব্ৰজন দুই ধৰণে হয় বুলিও ভগৱতে মন্তব্য কৰে। একাংশই ধৰ্মীয় অত্যাচাৰৰ বলি লৈ চুবুৰীয়া দেশৰ পৰা শৰণাৰ্থীৰূপে প্ৰৱেশ কৰে আৰু একাংশই সংখ্যা বঢ়াবলৈ আহে। সংখ্যা বঢ়াবলৈ অহাসকলে বিশেষ পক্ষৰ পৰা সহায়-সহযোগিতাও লাভ কৰে। যি অঞ্চলত সংখ্যা বাঢ়ে তাতেই সেইসকলৰ আধিপত্য চলে। তেওঁলোকতকৈ যিসকলৰ সংখ্যা কমি যায় তেনে লোকসকল সদায় চিন্তাত থাকিবলগীয়া হয়। এই অনুভৱ ভাৰতৰ, এই অনুভৱ অসমৰ বুলি ভগৱতে মন্তব্য কৰে। কিন্তু ইমানৰ পাছতো ভাৰতবৰ্ষই ইয়াৰ সংস্কৃতিক ধৰি ৰাখিছে আৰু সেই সংস্কৃতি ধৰ্ম-নিৰপেক্ষতা, সমাজবাদ আৰু গণতন্ত্ৰ বুলি তেওঁ উল্লেখ কৰে। ভাৰতৰ সংবিধানে ধৰ্মনিৰপেক্ষতা শব্দটো প্ৰথম অনা নাছিল বুলি তেওঁ কয়। ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ ইতিহাস হেজাৰ হেজাৰ বছৰ পুৰণি। সেই বাবেহে সংবিধানতো স্থান পাইছে বুলি আৰএছএছৰ মুৰব্বীগৰাকীয়ে মন্তব্য কৰে।

ইপিনে, সংশোধিত নাগৰিকত্ব আইনখন কোনো ভাৰতীয় মুছলমানৰ বিৰুদ্ধে নহয় বুলি ভগৱতে মন্তব্য কৰে। তেওঁ কয় যে দেশ বিভাজনৰ সময়ত ভাৰত-পাকিস্তানে উভয় দেশে নিজৰ দেশৰ সংখ্যালঘুসকলক সুৰক্ষা দিয়াৰ কথা আছিল। ভাৰতে সেই কথা ৰাখিছে কিন্তু পাকিস্তানে নাৰাখিলে। গতিকে অত্যাচাৰৰ বলি হৈ পাকিস্তানৰ পৰা সংখ্যালঘুসকলে পলায়ন কৰিবলৈ বাধ্য হ'ল। সেই লোকসকল ক'লৈ যাব? তেওঁলোকতো ভাৰতৰে নাগৰিক বুলি ভগৱতে কয়। আনহাতে, এনআৰচিৰ সম্পৰ্কত তেওঁ কয় যে দেশৰ নাগৰিক কোন আৰু প্ৰব্ৰজনকাৰীক চিনাক্ত কৰিবলৈহে ইয়াৰ প্ৰয়োজনীয়তা হৈছে। হিন্দু-মুছলমানৰ কথা ইয়াত অহা নাই। কিছুমান ৰাজনীতিকে হয়তো ইয়াৰ দ্বাৰা ৰাজনৈতিক লাভ আদায় কৰিব, আৰু কিছুমানে সাম্প্ৰদায়িক বতাহ বোৱাই দিব বা দিছে। ভগৱতে কয়, 'এনেবোৰ প্ৰত্যাহ্বানৰ মাজতো আমি কাম কৰিব লাগিব। কাৰণ আমাৰ পৰৱৰ্তী প্ৰজন্মক সমস্যা জাপি দিয়াৰ অধিকাৰ আমাৰ নাই। ভাৰতৰ ইতিহাসক পোহৰাবলৈ আমি আগবাঢ়িব লাগিব। এই পথত বাধা আহিবই। বাধাবোৰ সমাধান কৰি আমি আগবাঢ়িব লাগিব।'

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকে। তেওঁ অসমৰ বৌদ্ধিক মহলত বাঁওপন্থী আৰু 'লিবাৰেল'ৰ আধিপত্য চলা বুলি মন্তব্য কৰে। এইসকলে অসমৰ ইতিহাস নতুনকৈ ৰচনা কৰিব বিচাৰে বুলি কয়। সেই কাৰণে তেওঁলোকে অসমৰ ইতিহাস নপঢ়ে, গোপীনাথ বৰদলৈৰ বিষয়ে নপঢ়ে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে এইসকলৰ বিৰুদ্ধে এটা বিকল্প শক্তিৰ প্ৰয়োজন হৈছে বুলি কয়। সংশোধিত নাগৰিকত্ব আইনৰ সন্দৰ্ভত ড° শৰ্মাই কয় যে অসম আৰু দিল্লী বা চেন্নাইত আইনখনৰ বিৰুদ্ধে যি প্ৰতিবাদ হৈছিল তাৰ মাজত বৃহৎ পাৰ্থক্য আছে। কাৰণ প্ৰতিবাদৰ উদ্দেশ্যবোৰতে সেই অমিল স্পষ্ট হৈছে। অসমৰ মানুহৰ ভয় হ'ল যে ইয়াৰ সভ্যতা সংস্কৃতি আইনখন কাৰ্যকৰী হ'লে সংকটত পৰিব নেকি? অসমৰ সভ্যতা, সংস্কৃতি ৰক্ষাৰ দায়িত্ব আছে বুলি উল্লেখ কৰি তাৰ লগতে ভাৰতৰ ইতিহাসকো কোনেও নস্যাৎ কৰিব নোৱাৰিব। যিসকল হিন্দুৱে ভাৰত বিভাজন হোৱাটো বিচৰা নাছিল যদিও তেওঁলোকৰ মতামত অবিহনে দেশখনক ভাগ কৰা হৈছিল। সেইসকল বিপদত পৰাত ভাৰতে সহায় কৰাটো দায়িত্ব। ভাৰতৰ হিন্দু-মুছলমান সকলোৰে সেইসকল নিৰ্যাতিতৰ ওচৰত থিয় দিয়াৰ দায়িত্ব আছিল বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। নাগৰিকত্ব আইনখনক তেওঁ নিজে সমৰ্থন কৰিছিল আৰু আগলৈ কৰিব বুলি ড° শৰ্মাই সদৰী কৰে। উল্লেখ্য যে আজিৰ অনুষ্ঠানত অধ্যাপক ননীগোপাল মহন্তৰ 'চিটিজেনশ্বিপ ডিবেট অভাৰ এনআৰচি এণ্ড চিএএ' নামৰ এখন গ্ৰন্থ মোহন ভগৱত আৰু মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে কে'বাজনো বিশিষ্ট ব্যক্তিয়ে উন্মোচন কৰে।

# দায়িত্ব লোৱাৰ এবছৰ পূৰ্ণ নৌহওঁতেই

*এক পৃষ্ঠাৰ পৰা* ড° হিৰণ্য কুমাৰ ভট্টাচাৰ্যই অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনৰ ডিব্ৰুগড়ত থকা কৃষি বিজ্ঞান কেন্দ্ৰত কাৰ্যসূচী সমন্বয়ক হিচাপে মাহিলি আঠ হেজাৰ টকা গ্ৰেড পে' সন্নিবিষ্ট দৰমহা গাঁথনিত যোগদান কৰে। তাৰ পাছত ড° ভট্টাচাৰ্যই যোৱা ২০১৪ৰ ১৯ আগষ্টৰ পৰা ন হেজাৰ টকাৰ গ্ৰেড পে'সহ অন্যান্য ভাট্টা আৰু মাহিলি দৰমহা পোৱাৰ যোগ্যতা অৰ্জন কৰে। কৃষি বিজ্ঞান কেন্দ্ৰসমূহ ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ এশ শতাংশ আৰ্থিক অনুদানত কাৰ্যকৰী হোৱা কেন্দ্ৰীয় চৰকাৰৰ এক আঁচনি। ইয়াত নিযুক্তি লাভ কৰা প্ৰতিজন ব্যক্তিৰে চাকৰি সম্পূৰ্ণৰূপে অস্থায়ী আৰু আঁচনিখন বন্ধ হোৱাৰ লগে লগে কৃষি বিজ্ঞান কেন্দ্ৰত কাম কৰা সকলো চাকৰিয়ালকে অব্যাহতি দিয়া হ'ব বুলি নিযুক্তিপত্ৰত স্পষ্টকৈ উল্লেখ কৰা আছে। কৃষি বিজ্ঞান কেন্দ্ৰৰ পদসমূহ অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষক সেৱা বিধি (২০১৩)ৰ অন্তৰ্ভুক্ত সহকাৰী, সহযোগী আৰু অধ্যাপকৰ সমকক্ষ নহয়। এই কেন্দ্ৰসমূহত চাকৰিয়ালসকলে বিশ্ববিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলৰ তুলনাত অধিক দৰমহা পায় আৰু তেওঁলোকৰ দৰমহা কেন্দ্ৰীয় দৰমহা আয়োগৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ধাৰিত হোৱাৰ পৰিৱৰ্তে অসম কৃষি বিশ্ববিদ্যালয়ত নিয়মীয়াভাৱে নিযুক্তি লাভ কৰা শিক্ষকসকলৰ দৰমহা গাঁথনি বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদিত হাৰত দৰমহাৰ পোৱাৰ ব্যৱস্থা আছে। গতিকে স্বাভাৱিকতে ন হেজাৰ টকাৰ গ্ৰেড পে' পোৱা মানেই কৃষি বিজ্ঞান কেন্দ্ৰৰ এজন বিজ্ঞানী অসম কৃষি বিশ্ববিদ্যালয়ৰ এজন সহযোগী অধ্যাপকৰ সমতুল্য হ'ব নোৱাৰে। কৃষি বিজ্ঞান কেন্দ্ৰসমূহত অস্থায়ীভাৱে কৰ্মৰত বিজ্ঞানীসকলক অসম কৃষি বিশ্ববিদ্যালয়লৈ বদলি বা সাক্ষাৎকাৰৰ জৰিয়তে শিক্ষক সেৱা বিধি (২০১৩)ৰ অধীনলৈ আনিব পাৰি নে নোৱাৰি সেয়া এক নীতিগত কথা আৰু এনে সিদ্ধান্ত ল'বৰ বাবে কৰ্তৃত্ব অসম কৃষি বিশ্ববিদ্যালয় আইন (১৯৬৮)ৰ ধাৰা ১১ (১) (ঝ) অনুযায়ী কেৱল মাত্ৰ বিশ্ববিদ্যালয়ৰ পৰিচালনা সমিতিকহে ন্যস্ত কৰা আছে। পৰিচালনা সমিতিৰ অনুমোদন সাপেক্ষে কোনো প্ৰচলিত আইনৰ সংশোধনৰ জাননী জাৰি কৰাৰ আগতে বিশ্ববিদ্যালয়ৰ আচাৰ্যৰ লিখিত অনুমোদন লোৱাৰ উপৰি অসম চৰকাৰৰ ৰাজপত্ৰত প্ৰকাশৰ পাছতহে কাৰ্যকৰী কৰাৰ সুস্পষ্ট নিৰ্দেশনা বিশ্ববিদ্যালয়ৰ আইনত উল্লেখ আছে। গতিকে সমগ্ৰ ব্যৱস্থাটো আইনী প্ৰক্ৰিয়াৰে সম্পাদন নকৰাকৈ বিশ্ববিদ্যালয় প্ৰশাসনৰ খেয়ালখুচি মতে কৰা কোনো কামেই গ্ৰহণযোগ্য নহয় বুলি পৰিষদৰ নেতাদ্বয়ে মন্তব্য কৰে। উল্লেখ্য যে যোৱা ২০১৯ৰ ৩০ জুলাইত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ ২৫২ সংখ্যক সভাত সভাপতিত্ব কৰি প্ৰাক্তন উপাচাৰ্য ড° কমল মল্ল বুজৰবৰুৱাই ড° ভট্টাচাৰ্যক নিযুক্তি দিবৰ বাবে চেষ্টা চলাইছিল যদিও গুৱাহাটী উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপত সেয়া সম্ভৱ নহ'ল। বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে গঠন কৰি দিয়া বাছনি সমিতিসমূহ আঁসোৱাহপূৰ্ণ বুলি প্ৰত্যাহ্বান জনাই বিশ্ববিদ্যালয়খনৰে অধ্যাপক ড° দুলাল চন্দ্ৰ ৰয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আবেদন (ডব্লিউপি (চি) ৪৮৩৪/২০১৯)ৰ ওপৰত যোৱা ২০১৯ৰ ২৪ জুলাইত জাৰি কৰা অন্তৰ্বৰ্তীকালীন নিৰ্দেশত বিশ্ববিদ্যালয়ৰ মুৰব্বী অধ্যাপকসকলক ন্যায়ালয়ৰ অনুমতি অবিহনে নিযুক্তি দিয়াৰ পৰা বাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত পৰিচালনা সমিতিৰ সভাই ইতিমধ্যে অনুষ্ঠিত হোৱা সাক্ষাৎকাৰৰ ফলাফলসমূহত অনুমোদন দিয়াৰ পৰা বিৰত থাকে। বিশ্ববিদ্যালয়ৰ আইন অনুযায়ী অধ্যাপক আৰু মুখ্য বিজ্ঞানী আদি মুখ্য পদসমূহৰ বাছনিৰ বাবে গঠন কৰা বাছনি সমিতিসমূহত অসম কৃষি বিশ্ববিদ্যালয়ৰ বাহিৰৰ কোনো বিশেষজ্ঞকহে সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰ নিয়ম থকা সত্ত্বেও নিজৰ পছন্দৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিয়াৰ উদ্দেশ্যৰে ড° বুজৰবৰুৱাই অসম কৃষি বিশ্ববিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত অধ্যাপকসকলক লৈ বাছনি সমিতিসমূহ গঠন কৰিছিল। বাছনি সমিতিসমূহৰ গঠনৰ বৈধতাৰ ওপৰত জাৰি কৰা লেখ আবেদনখনৰ অন্তৰ্বৰ্তীকালীন নিৰ্দেশকো উপেক্ষা কৰি নৱনিযুক্ত উপাচাৰ্য ড° ডেকাৰ সভাপতিত্বত যোৱা ২০২০ৰ ২০ নৱেম্বৰত অনুষ্ঠিত হোৱা পৰিচালনা সমিতিৰ ২৫৪ সংখ্যক সভাই ড° ভট্টাচাৰ্যক প্ৰথমে মুখ্য বিজ্ঞানী আৰু তাৰ সমান্তৰালকৈ অধ্যাপক হিচাপে নিযুক্তি দিবৰ বাবে কেনেকৈ অনুমোদন দিলে তাক বৈশ্য আৰু দাসে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক কঠোৰ ভাষাৰে সমালোচনা কৰে। তদুপৰি অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষক সেৱা বিধি (২০১৩) অনুসৰি সহযোগী অধ্যাপক হিচাপে অতি কমেও পাঁচ বছৰৰ অভিজ্ঞতা থকাটো অপৰিহাৰ্য যদিও প্ৰপত্ৰ দাখিলৰ অন্তিম তাৰিখত (৫৪/১/২০১৯) ন হেজাৰ টকাৰ গ্ৰেড পে' পোৱাৰ পাছত কেৱল মাত্ৰ চাৰি বছৰ পাঁচমাহ আৰু ১০ দিনৰহে অভিজ্ঞতাপুষ্ট কৃষি বিজ্ঞান কেন্দ্ৰৰ কাৰ্যসূচী সমন্বয়ক হিচাপে অভিজ্ঞতা থকা ড° ভট্টাচাৰ্যক কিহৰ ভিত্তিত প্ৰথমে মুখ্য বিজ্ঞানী আৰু তাৰ সমান্তৰালকৈ ২০১৮ৰ পহিলা জানুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ প্ৰফেছৰ হিচাপে পদোন্নতি দিলে তাৰ বাবে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক পৰিষদৰ নেতাদ্বয়ে জবাবদিহি কৰে। উচ্চতম ন্যায়ালয়ৰ এই ক্ষেত্ৰত থকা বিভিন্ন ৰায়দানৰ কথা উল্লেখ কৰি প্ৰতিবেদনখনত বৈশ্য আৰু দাসে অসম কৃষি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ এনে অবিবেচকী কাৰ্য উচ্চতম ন্যায়ালয়ৰ বাবেও অৱজ্ঞাসূচক বুলি মন্তব্য কৰে। একেটা বিবৃতিতে বৈশ্য আৰু দাসে লগতে কয় যে বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক অৰ্পণ কুমাৰ শইকীয়াই যোৱা ২০২০ৰ ১৮ ডিচেম্বৰত জাৰি কৰা আদেশ অনুযায়ী ড° হিৰণ্য কুমাৰ ভট্টাচাৰ্যক ২০১৮ৰ পহিলা জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পশু প্ৰসূতি বিভাগৰ অধ্যাপক হিচাপে দেখুওৱা হৈছে যদিও প্ৰকৃতাৰ্থত ড° ভট্টাচাৰ্যই উক্ত বিভাগত অধ্যাপক হিচাপে কোনোদিনেই যোগদান কৰা নাই বুলি পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদকজনে দাবী কৰে। উক্ত আদেশ পত্ৰত ড° ভট্টাচাৰ্যক ইয়াৰ পূৰ্বে সহযোগী অধ্যাপকৰ সমকক্ষ পদবীত থকা বুলি কি যুক্তিত দেখুওৱা হৈছে তাৰ ওপৰত স্পষ্টীকৰণ দিবলৈ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক প্ৰত্যাহ্বান জনায়। বিশ্ববিদ্যালয় আইনৰ প্ৰচলিত বিধি-বিধানসমূহ ভৰিৰে মোহাৰি কেৱল মাত্ৰ ড° বুজৰবৰুৱাক তোষামোদ কৰি প্ৰিয় পাত্ৰ হোৱাৰ সুবাদতে ড° ভট্টাচাৰ্যক অধ্যাপক আৰু তাৰ সমান্তৰালকৈ মন্দিৰাস্থিত বিশ্ববিদ্যালয়ৰ পশুধন গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী হিচাপে জাৰি কৰা যোৱা ২০২০ৰ চাৰি ডিচেম্বৰ আৰু ১৮ ডিচেম্বৰত দুয়োখন আদেশ আইনবিৰুদ্ধ আৰু বিশ্ববিদ্যালয়ৰ নিয়মীয়া শিক্ষকসকলক প্ৰতাৰণা কৰাৰ দলিল আখ্যা দি তাৎক্ষণিকভাৱে দুয়োখন নিযুক্তি-পদোন্নতিৰ আদেশ বাতিল কৰিবলৈ হিন্দু যুৱ-ছাত্ৰ পৰিষদ, অসমৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ৰ আচাৰ্য জগদ্দীশ মুখীৰ লগতে মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰীক আহ্বান জনায়। এনে নীতিবহিৰ্ভূত কাৰ্যত জড়িত থকা ব্যক্তিসকলৰ বিৰুদ্ধে দৃষ্টান্তমূলক শাস্তি বিহাৰো দাবী উত্থাপন কৰে পৰিষদে। যোৱা ২০০৯ৰ পৰা অপ্ৰতিৰোধ্যভাৱে চলি অহা নিযুক্তি কেলেংকাৰিয়ে সমগ্ৰ বিশ্ববিদ্যালয়খনতে এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ লগতে যোগ্য ব্যক্তিসকলৰ মনোবল ভাঙি দিয়া বুলি উল্লেখ কৰি ২০০৯ৰ পৰা বৰ্তমানলৈকে হোৱা অসম কৃষি বিশ্ববিদ্যালয়ৰ সমূহ নিযুক্তিৰ ওপৰত এক উচ্চস্তৰীয় তদন্তৰো দাবী পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদকদ্বয়ে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰিছে।

দৈনিক অগ্ৰদূত
# ক্ৰীড়াভূমি/ক্ৰীড়াভূমি
যোৰহাট, ২২ জুলাই, ২০২১
বৃহস্পতিবাৰ, পৃষ্ঠা ১৩



## দ্বিতীয় এদিনীয়াত সাত উইকেটত জয়লাভ

# শ্ৰীলংকাৰ বিৰুদ্ধে শৃংখলা দখল নিশ্চিত কৰিলে টীম ইণ্ডিয়াই

**কলম্বো, ২১ জুলাই ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দ্বিতীয়খন মেচতো তিনি উইকেটত চমকপ্ৰদ জয়লাভ কৰি তিনিখনীয়া এদিনীয়া শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈ শৃংখলা জয় নিশ্চিত কৰিছে। যোৱানিশা কলম্বোৰ প্ৰেমদাসা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিবা-নৈশ মেচখনত শ্ৰীলংকাই টছত জয়ী হয় আৰু প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। ঘৰুৱা দলে নিৰ্ধাৰিত অভাৰত ন উইকেটত ২৭৫ ৰাণ কৰে। শ্ৰীলংকাৰ হৈ আছালাংকাই ৬৫, ফাৰ্ণাণ্ডোই ৫০, কৰুনাৰত্নে ৪৪, ভানুকাই ৩৬ আৰু ছিলভাই ৩২ ৰাণ কৰে। ভাৰতৰ ভূৱনেশ্বৰ কুমাৰ আৰু চাহালে তিনিটাকৈ তথা দীপকে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ভাৰতে দীপক চাহাৰৰ অপৰাজিত ৬৯ ৰাণৰ সহায়ত পাঁচটা বল বাকী থাকোতেই সাত উইকেটত ২৭৭ ৰাণ কৰি চমকপ্ৰদ জয় অৰ্জন কৰে। ভূৱনেশ্বৰ কুমাৰ ১৯ ৰাণত অপৰাজিত থাকে। উল্লেখ্য যে ভাৰতে ১৬০ ৰাণতে ছটা উইকেট হেৰুৱাই বিপদত পৰে যদিও পেচ বলাৰ দীপকে অনবদ্য বেটিং কৰি সূৰ্যকুমাৰ যাদৱ (৫৩) আৰু ভূৱনেশ্বৰ কুমাৰৰ লগত যুটি বান্ধি দলক জয় দিয়ে। ভাৰতৰ হৈ মনীষ পাণ্ডে ৩৭, ক্ৰনাল পাণ্ডিয়াই ৩৫ আৰু শিখৰ ধৱনে ২৯ ৰাণ কৰে। উল্লেখ্য যে এই মেচ শ্ৰীলংকাৰ বাবে আছিল মৰণপন। ইয়াৰপূৰ্বে প্ৰথম মেচত সাত উইকেটত জয়লাভ কৰি ভাৰতে তিনিখনীয়া এদিনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। ২৬৩ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ভাৰতে তিনিটা উইকেট হেৰুৱাই ৩৬.৪ অভাৰত জয় অৰ্জন কৰে। অধিনায়ক শিখৰ ধৱন ৮৬ ৰাণত আৰু সূৰ্যকুমাৰ যাদৱ ৩১ ৰাণত অপৰাজিত থকাৰ বিপৰীতে ইযাণ কিষানে ৫৯, পৃথ্বী শ্বই ৪৩ আৰু মনীষ পাণ্ডে ২৬ ৰাণ কৰে। মেচখনত শ্ৰীলংকাই পোনতে বেটিং কৰি ন উইকেটত ২৬২ ৰাণ কৰিছিল। কিন্তু দলৰ কোনো এজন বেটছমেনে দৃঢ়তাৰে খেলিব নোৱাৰিলে। সিংহলী বাহিনীৰ হৈ সৰ্বাধিক ৪৩ ৰাণ কৰে কৰুনাৰত্নে। আনহাতে, ছানাকাই ৩৯, আছালাংকাই ৩৮ আৰু ফাৰ্ণাণ্ডোই ৩২ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰদ্বয় কুলদ্বীপ যাদব আৰু যজবেন্দ্ৰ চাহালে দুটাকৈ উইকেট দখল কৰে। আনহাতে, পেচাৰ দীপক চাহাৰেও দুটা উইকেট পায়। শৃংখলাৰ তৃতীয়খন মেচ ২৩ জুলাইত অনুষ্ঠিত হ'ব।



## ৰাহুলৰ অপৰাজিত শতক

# অনুশীলন মেচত প্ৰথম ইনিংছত ভাৰতৰ ৩১১ ৰাণ

**লণ্ডন, ২১ জুলাই ঃ** ইংলণ্ডৰ বিৰুদ্ধে পাঁচখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ পূৰ্বে ভাৰতীয় দলে এখন অনুশীলন মেচ খেলিছে। তিনিদিনীয়া মেচখনত পোনতে বেটিং কৰা ভাৰতে প্ৰথম ইনিংছত ৩১১ ৰাণ কৰে। ভাৰতৰ হৈ লোকেছ ৰাহুলে (১০১ ৰাণ) অপৰাজিত শতক অৰ্জন কৰাৰ লগতে ৰবীন্দ্ৰ জাদেজাই ৭৫ ৰাণ কৰে। উল্লেখ্য যে ৰাহুলে উইকেটৰক্ষক বেটছমেনৰূপে এই মেচত অংশ লৈছে। কাৰণ টীম ইণ্ডিয়াৰ উইকেটৰক্ষক ঋষভ পন্ট কৰ'নাত আক্ৰান্ত হৈ এতিয়াও দলৰ বাহিৰত আছে। বিৰাট কোহলি আৰু অজিংক্য ৰাহানে নেখেলাৰ বাবে এই মেচত অধিনায়কৰ দায়িত্ব লোৱা ৰোহিত শৰ্মাই বেটিং মুকলি কৰি ন ৰানতে আউট হয়। শুভমন গিল আঘাতপ্ৰাপ্ত হোৱাত দলৰ আনজন অপেনাৰ ময়াংক আগৰৱালাই মেচত বেটিং মুকলি কৰে আৰু ২৮ ৰাণত আউট হয়। চেতেশ্বৰ পূজাৰাই ২১ ৰাণ আৰু হনুমা বিহাৰীয়ে ২৪ ৰাণ কৰে। ইফালে, কাউণ্টি একাদশে প্ৰথম ইনিংছত চাৰি উইকেটত ১০৬ ৰাণ কৰে।

## টকিঅ' অলিম্পিক গেমছত ভাৰতৰ পদক জয়ৰ সম্ভাৱনা

# হকী



■ কুলপ্ৰদীপ ভাগৱতী

ভাৰতীয় ক্ৰীড়াক্ষেত্ৰক বিশ্বত উজ্বলোৱা প্ৰথমবিধ খেলে আছিল হকী। হকীৰ জড়িয়তেই ভাৰতে লাভ কৰিছিল প্ৰথমটো অলিম্পিক পদক। ১৯২৮ ত আমষ্টাৰডামত অনুষ্ঠিত অলিম্পিকত ভাৰতীয় হকী দলে সোনৰ পদক দখল কৰি বিশ্ব হকীত ভাৰতৰ সাম্ৰাজ্যৰ আৰম্ভণি কৰে। জয়পাল সিঙৰ নেতৃত্বত খেলা ভাৰতীয় দলে মুঠ পাচ খন খেলত এটাও গ'ল খোৱা নাছিল। বিপৰীতে অষ্ট্ৰিয়া,বেলজিয়াম,ডেনমাৰ্ক আৰু ফাইনেলত পোলেণ্ডক পৰাস্ত কৰা ভাৰতে বিপক্ষক দিছিল ২৩ টাকৈ গ'ল। আমষ্টাৰডাম অলিম্পিকতে প্ৰথমবাৰৰ বাবে দেশক প্ৰতিনিধিত্ব কৰিছিল হকীৰ যাদুকৰ খ্যাতি অৰ্জা প্ৰবাদ প্ৰতীম ক্ৰীড়াবিদ ধ্যানচাঁদে।

১৯৩২, লছ এঞ্জেলছ অলিম্পিক। সেইবাৰ ভাৰতৰ সৈতে অলিম্পিকত হকী খেলা অন্য দুখন দেশ আছিল জাপান আৰু আমেৰিকা। কিন্তু ভাৰতৰ সন্মুখত একপ্ৰকাৰ ধৰাশায়ী হৈছিল দূয়োখন দেশৰ দল। জাপানক ১১-১ গলত পৰাস্ত কৰা ভাৰতীয় হকী দলে আমেৰিকাক ২৪-১ গলত হৰুৱায়। নিজৰ শ্ৰেষ্ঠত্ব পূৰ্বৰ দৰেই ৰাখি সোনৰ পদক লৈ আনে ভাৰতৰ সমৰ্থকলৈ। সেই অলিম্পিকত ধ্যানচাঁদৰ যাদুৰ লগতে উজ্বলি উঠে তেওঁৰ সহোদৰ ৰূপ সিঙো। জাপানৰ বিপক্ষে ধ্যানচাদে ৪ টা গল দিয়াৰ বিপৰীতে ৰূপ সিঙে দিয়ে ৩ টা গল। আনহাতে আমেৰিকাক দুই ভাতৃয়ে মুঠ ১৮ টা গল দিছিল। ১৯৩৬ ৰ বাৰ্লিন অলিম্পিকত ভাৰতে ধ্যানচাঁদৰ নেতৃত্বতে খেলে। স্বৰ্ণ পদকৰ বাবে বিপক্ষ দলৰ পৰা কোনো প্ৰত্যাহ্বানেই লাভ কৰা নাছিল ভাৰতে। দলৰ সাফল্য নায়ক অধিনায়ক ধ্যানচাঁদ নিজে। ভাৰতে খেলা মুঠ পাঁচ খন মেচত বিপক্ষক ৩৮ টা গল দিবলৈ সক্ষম হয়। ভাৰতে ঘৰুৱা দল জাৰ্মানীক পৰাস্ত কৰিছিল ৭-১ গলৰ ব্যৱধানত। ছটাকৈ গল দিছিল ধ্যানচাদে। এই মেচত দৰ্শক হিচাপে আছিল হিটলাৰ। জাৰ্মানীৰ পৰাজয় তেওঁ সহ্য কৰিব





পৰা নাছিল। বিপৰীতে জাৰ্মান দলে গৃহভূমিত লজ্জিত হৈ ঘঙৰ ভমকতে খেলৰ শেষত প্ৰহাৰ কৰে ধ্যানচাঁদক। এই প্ৰহাৰত তেওঁৰ দাত এটাও সৰি পৰিছিল। অৱশ্যে পিছত ইয়াৰ বাবে ক্ষমাও বিচাৰে। হিটলাৰে ধ্যানচাদৰ খেল দেখি চমকিত হয় তথা তেওঁক জাৰ্মানীৰ সন্মানীয় মেজৰ জেনেৰেল পদবী আগবঢ়াই দেশৰ হৈ খেলাৰ প্ৰস্তাব দিয়ে। কিন্তু সেয়া নামানিলে ধ্যানচাদে। এই অলিম্পিক যাদুকৰৰ অন্তিম অলিম্পিক। পৰৱৰ্তী ১৯৪০ (টকিঅ') আৰু ১৯৪৪ (লণ্ডন) ত বিশ্বযুদ্ধৰ বাবে অলিম্পিক নহল। কিন্তু ভাৰতৰ লগতে বিশ্বতে নিজক হকী সম্ৰাট ৰূপে প্ৰতিষ্ঠা কৰি থৈ গ'ল ধ্যানচাদে। ভাৰতত হকীৰ নৱজোৱাৰেই আৰম্ভ হৈছিল। ১৯৪৮ ত লণ্ডন, ১৯৫২ ত হেলছিংকি আৰু ১৯৫৬ ত মেলবৰ্ণত অনুষ্ঠিত অলিম্পিকতো ভাৰতে হেলাৰঙে সোনৰ পদক লাভ কৰে। লণ্ডন অলিম্পিকৰ নায়ক আছিল বলবীৰ সিং, কে ভি সিং আৰু উধম সিং। বলবীৰ সিঙে হেলছিংকি অলিম্পিতো ব্যক্তিগতভাৱে ৯ টা গল দিয়ে। মেলবৰ্ণৰ ফাইনেলত ভাৰতৰ প্ৰতিদ্বণ্ডী আছিল পাকিস্তান। ১৯২৮ ৰ পৰা ১৯৫৬ লৈ ছবাৰ ভাৰতীয় হকী দলে সোনৰ পদক লাভ কৰাৰ পিছত ১৯৬০ ৰ ৰোম অলিম্পিকত ভাৰতৰ অশ্বমেধৰ ঘোৰা স্তব্ধ হয়। সেইবাৰ পাকিস্তানৰ বিৰুদ্ধে ফাইনেলত পৰাস্ত হয় ভাৰত। কিন্তু ১৯৬৪ ৰ টকিঅ' অলিম্পিকত পুনৰ প্ৰত্যাৱৰ্তন কৰে ভাৰতে। ফাইনেলত পাকিস্তানক হৰুৱাই প্ৰতিশোধ পূৰ্ণ কৰাৰ লগতে স্বৰ্ণ পদক অৰ্জন কৰে। পৰৱৰ্তী ১৯৬৮ ৰ মেক্সিকো অলিম্পিকত আভ্যন্তৰীন কণ্ডলে থানবান কৰে ভাৰতীয় হকীক। পৃথ্বিপাল সিং আৰু গুৰবক্স সিঙৰ ৰূপত দুগৰাকী অধিনায়ক নিৰ্বাচিত কৰিবলৈ বাধ্য হয় নিৰ্বাচক। সেয়ে প্ৰথমবাৰলৈ অলিম্পিকৰ ফাইনেল খেলাৰ পৰা বঞ্চিত হয় ভাৰতীয় হকী দল। কিন্তু তাৰ মাজতো দলে ব্ৰঞ্জ পদক দখল কৰিবলৈ সক্ষম হৈছিল।

১৯৭২ ত বিশ্ব হকীত আমুল পৰিবৰ্তন হয়। প্ৰথমবাৰৰ বাবে এষ্ট্ৰোটাফ ব্যাৱহাৰ হয় ১৯৭২ ৰ মিউনিখ অলিম্পিকত। ভাৰতৰ লগতে এছিয়া দেশৰ বাবে এয়া সম্পূৰ্ণ নতুন আছিল। হৰমিত সিঙৰ নেতৃত্বত খেলা ভাৰতে ব্ৰঞ্জ লাভ কৰি কোনোমতে সন্মান ৰক্ষা কৰে। ১৯৭৬ ৰ মন্ট্ৰিল অলিম্পিকত ভাৰতৰ স্থান হয় গৈ সপ্তম। প্ৰথমবাৰৰ বাবে খালী হাতে অলিম্পিকৰ পৰা ঘূৰি আহিছিল ভাৰতীয় হকী দল। তাৰপিছত ১৯৮০ ৰ মস্কো অলিম্পিকত আগশাৰীৰৰ দল নথকাৰ সুযোগ গ্ৰহণ কৰি ভাস্কৰণৰ নেতৃত্বত খেলা ভাৰতে সোন দখল কৰাৰ লগতে অন্তিমবাৰৰ বাবে অলিম্পিকত ভাৰতীয় হকী দলে পদক লাভ কৰে। কায্যতঃ তেতিয়াৰে পৰাই আৰম্ভ হয় ভাৰতীয় হকীৰ দুখ লগা ছবি খন। ১৯৮৪ ৰ লছ এঞ্জেলছত পঞ্চম, ১৯৮৮ ত ছিউলত ষষ্ঠ, ১৯৯২ ত বাৰ্চিলোনাত সপ্তম, ১৯৯৬ ত আটলান্টাত অষ্টম, ২০০০ ত ছিডনীত সপ্তম, ২০০৪ ত এথেন্সত অষ্টম হয়। লজ্জাজনক ঘটনাটো ঘটে ২০০৮ ৰ বেইজিং অলিম্পিকত। ভাৰতৰ ৰাষ্ট্ৰীয় খেল হকীয়ে অলিম্পিকলৈ যোগ্যতা অৰ্জনতে ব্যৰ্থ হয়। ২০১২ ৰ লণ্ডন অলিম্পিকলৈ ভাৰতীয় হকী দলে যোগ্যতা অৰ্জন কৰে যদিও এখন মেচতো জয়লাভ কৰিবলৈ সক্ষম নহল। বিগত ৰিঅ' অলিম্পিকত ভাৰতে কোৱাৰ্টাৰ ফাইনেল খেলে যদিও বেলজিয়ামৰ বিৰুদ্ধে পৰাস্ত হৈ অভিযান সামৰে। এইবাৰ টকিঅ' অলিম্পিকত ভাৰতে গ্ৰুপ মেচ খেলিব আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, জাপান, নিউজিলেণ্ড আৰু স্পেইনৰ বিৰুদ্ধে।

## টকিঅ' অলিম্পিকলৈ পৰ্যবেক্ষক

# ভাৰতীয় অলিম্পিকৰ পাঁচজনীয়া দলত হেমন্ত



**গুৱাহাটী, ২১ জুলাই ঃ** আসন্ন টকিঅ' অলিম্পিকলৈ ভাৰতীয় অলিম্পিক সন্থাই এটা পাঁচজনীয়া দল প্ৰেৰণ কৰিছে প্ৰয্যবেক্ষক হিচাপে। ভাৰতীয় অলিম্পিক সন্থাই প্ৰেৰণ কৰা পাঁচজনীয়া দলত আছে অসমৰ হেমন্ত কুমাৰ কলিতাও। উল্লেখ্য যে হেমন্ত কুমাৰ কলিতা ভাৰতীয় বক্সিং সন্থাৰ সম্পাদক। এইবাৰ টকিঅ' অলিম্পিকত অসমৰ প্ৰথম মহিলাৰূপে খেলিব বক্সাৰ লাভলীনা বৰগোহায়ে। হেমন্ত কুমাৰ কলিতা অসম বক্সিং সন্থাৰো সম্পাদক। এয়া সংগঠকজনৰ বাবে আন এক সুখৰ খবৰ। উল্লেখ্য যে ক্ৰমাগত তিনিখন অলিম্পিক খেলিছে অসমৰ বক্সাৰে। ২০১২ ৰ লণ্ডন আৰু ২০১৬ ৰ ৰিঅ' অলিম্পিকত শিৱ থাপাই খেলাৰ পাছত এইবাৰ খেলিব লাভলীনাই।



অলিম্পিকৰ বক্সিং ষ্টেডিয়ামৰ সন্মুখত সতীৰ্থৰ স'তে লাভলীনা।

## অষ্ট্ৰেলিয়াৰ ব্ৰীছবেনত ২০৩২ ৰ অলিম্পিক



**টকিঅ', ২১ জুলাই ঃ** ২০৩২ ৰ অলিম্পিক গেমছ অনুষ্ঠিত হ'ব অষ্ট্ৰেলিয়াৰ ব্ৰীছবেন চহৰত। আজি আন্তৰ্জাতিক অলিম্পিক কমিটিয়ে এই বিষয়ে ঘোষণা কৰিছে। উল্লেখ্য যে তৃতীয়বাৰৰ বাবে কেংগাৰুৰ দেশত অনুষ্ঠিত হ'ব অলিম্পিক গেমছ। ইয়াৰপূৰ্বে অষ্ট্ৰেলিয়াই দুবাৰকৈ আয়োজন কৰিছিল অলিম্পিক। ১৯৫৬ ত অলিম্পিক গেমছ অনুষ্ঠিত হৈছিল অষ্ট্ৰেলিয়াৰ মেলবৰ্ণ চহৰত। আনহাতে, ২০০০ ত অলিম্পিক গেমছ অনুষ্ঠিত হৈছিল অষ্ট্ৰেলিয়াৰ ছিডনী চহৰত। উল্লেখ্য যে টকিঅ' অলিম্পিকৰ পাছত পৰৱৰ্তী অলিম্পিক আয়োজন হ'ব ফ্ৰান্সৰ ৰাজধানী পেৰিছত। ২০২৪ ত অলিম্পিক গেমছ অনুষ্ঠিত হ'ব পেৰিছ চহৰত। আনহাতে, আমেৰিকাত অনুষ্ঠিত হ'ব ২০২৮ ৰ অলিম্পিক গেমছ।

# প্ৰথম এদিনীয়াত ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে অষ্ট্ৰেলিয়াৰ জয়লাভ

**ছেইণ্ট লুছিয়া, ২১ জুলাই ঃ** ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে পাচঁখনীয়া টি-২০ শৃংখলাটো ৪-১ ৰ ব্যৱধানত হেৰুওৱাৰ পাছত অষ্ট্ৰেলিয়াই কেৰিবিয়ান দলৰ বিৰুদ্ধে প্ৰথমখন এদিনীয়া মেচত জয়ী হৈ তিনিখনীয়া শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছে। যোৱানিশা ডি এল পদ্ধতিত ১৩৩ ৰাণত জয়ী হয় অষ্ট্ৰেলিয়া। পোনতে বেটিং কৰি অষ্ট্ৰেলিয়াই ন উইকেটত ২৫২ ৰাণ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ২৬.২ অভাৰত ১২৩ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। মিচেল ষ্টাৰ্কে লাভ কৰে পাঁচটা



উইকেট। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে অন্তিমখন টি-২০ মেচত ১৬ ৰাণত জয়ী হৈ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে খেলা পাচঁখনীয়া টি-২০ শৃংখলাটো ৪-১ ৰ ব্যৱধানত দখল কৰিছিল। পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে আঠ উইকেটত ১৯৯ ৰাণ কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ন উইকেটত ১৮৩ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে প্ৰথম তিনিখন মেচত জয়ী হৈ পাচঁখনীয়া টি-২০ শৃংখলাত অগ্ৰগতি লৈ শৃংখলা দখল ইতিমধ্যে নিশ্চিত কৰিছিল। তৃতীয় মেচত ছয় উইকেটত জয়লাভ কৰিছিল ৱেষ্ট ইণ্ডিজে। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ছয় উইকেটত সংগ্ৰহ কৰে ১৪১ ৰাণ। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে ১৪.৫ অভাৰত চাৰি উইকেট হেৰুৱাই ১৪২ ৰাণ কৰি হেলাৰঙে বিজয়লক্ষ্যত উপনীত হয়। ৱেষ্ট ইণ্ডিজ ভ্ৰমণলৈ যোৱা অষ্ট্ৰেলিয়াই প্ৰথমখন টি-২০ মেচত ১৮ ৰাণত পৰাস্ত হৈছিল। মেচখনত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ছয় উইকেটত ১৪৫ ৰাণ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ১৬ অভাৰত ১২৭ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, দ্বিতীয়খন টি-২০ মেচতো অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৫৬ ৰাণত জয়লাভ কৰে কেৰিবিয়ান দলে। মেচত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত ১৯৬ ৰাণ কৰে। প্ৰত্যুত্তৰত, অষ্ট্ৰেলিয়াই ১৯.২ অভাৰত ১৪০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। কিন্তু অষ্ট্ৰেলিয়াই শৃংখলা হেৰুৱালেও চতুৰ্থখন টি-২০ মেচত জয়ী হৈ কেৰিবিয়ান ভূমিত প্ৰথম সফলতা লাভ কৰিছিল। মেচখনত অষ্ট্ৰেলিয়াই চাৰি ৰাণত পৰাস্ত কৰে ৱেষ্ট ইণ্ডিজক। পোনতে বেটিং কৰা অষ্ট্ৰেলিয়াই ছয় উইকেটত ১৮৯ ৰাণ কৰে। প্ৰত্যুত্তৰত ৱেষ্ট ইণ্ডিজে ছয় উইকেটত ১৮৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

## তৃতীয় টি-২০ মেচত তিনি উইকেটত পৰাস্ত পাকিস্তান

# তিনিখনীয়া শৃংখলা ২-১ত দখল ইংলণ্ডৰ

**লণ্ডন, ২১ জুলাই ঃ** ইংলণ্ডে পাকিস্তানৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাটো ২-১ ৰ ব্যৱধানত দখল কৰিছে। যোৱানিশা অন্তিম মেচত ইংলণ্ডে তিনি উইকেটত পৰাস্ত কৰে পাকিস্তানক। পোনতে বেটিং কৰা পাকিস্তানে ৰিজৱানৰ ৭৬ ৰাণৰ সহায়ত ছয় উইকেটত ১৫৪ ৰাণ কৰে। ইংলণ্ডৰ ৰছিদে চাৰিটা উইকেট পায়। প্ৰত্যুত্তৰত, ইংলণ্ডে ১৯.৪ অভাৰত সাত উইকেটত ১৫৫ ৰাণ কৰি জয় অৰ্জন কৰে। দলৰ হৈ জেছন ৰয়ে ৬৪ ৰাণ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে ইংলণ্ডে শৃংখলাৰ দ্বিতীয়খন মেচতো ৪৫ ৰাণত জয়লাভ কৰিছিল। মেচখনত পোনতে বেটিং কৰি ইংলণ্ডে ১৯.৫ অভাৰত ২০০ ৰাণ কৰে। দলৰ হৈ বাটলাৰে ৫৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, পাকিস্তানে ন উইকেটত ১৫৫ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে পাকিস্তানে টি-২০ শৃখলাৰ প্ৰথমখন মেচত ইংলণ্ডৰ বিৰুদ্ধে ৩১ ৰাণত জয়লাভ কৰিছিল। পোনতে বেটিং কৰি পাকিস্তানে ছয় উইকেটত ২৩২ ৰাণ কৰে। দলৰ হৈ বাবৰ আজমে ৮৫ আৰু ৰিজৱানে ৬৩ ৰাণ কৰে। প্ৰত্যুত্তৰত ইংলণ্ডে লিভিংষ্টনৰ (১০৩) শতক সত্তেও ১৯.২ অভাৰত ২০১ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইংলণ্ডে পাকিস্তানৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটোও ৩-০ ত দখল কৰিছিল। তৃতীয়খন মেচত ইংলণ্ডে তিনি উইকেটত হৰুৱাই পাকিস্তানক। পোনতে বেটিং কৰি পাকিস্তানে ন উইকেটত ৩৩১ ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ৪৮ অভাৰত ৩৩২ ৰাণ কৰি মেচত জয়ী হয়। আনহাতে, ইংলণ্ডে দ্বিতীয় এদিনীয়াত ৫২ ৰাণত পৰাস্ত কৰিছিল পাকিস্তানক। পোনতে বেটিং কৰা ইংলণ্ডে ৪৫.২ অভাৰত ২৪৭ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, পাকিস্তানে ৪১ অভাৰত ১৯৫ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, কাৰ্ডিফত হোৱা প্ৰথমখন মেচত ইংলণ্ডে ন উইকেটত পাকিস্তানক হৰুৱাইছিল। পোনতে বেটিং কৰা পাকিস্তানে নিৰ্ধাৰিত অভাৰৰ পূৰ্বেই ৩৫.২ অভাৰত ১৪১ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ২১.৫ অভাৰত এক উইকেট হেৰুৱাই ১৪২ ৰাণ কৰি জয় অৰ্জন কৰে।



## বিলাসনন্দন চ'ৰা




# দেশদ্ৰোহীৰ সন্ধানত

**বাঢ়িছে,** বৰ বেয়াকৈ বাঢ়িছে! ৰাজ দৰবাৰৰ সভাসদসকলৰ মুখে মুখে শুনা গৈছে এইষাৰ কথা— বাঢ়িছে, বৰ বেয়াকৈ বাঢ়িছে। তাকে লৈ সভাসদসকল বৰ চিন্তিত। কিন্তু প্ৰজাগণে ধৰিব পৰা নাই যে সভাসদবোৰ কিহক লৈ ইমান চিন্তা কৰিছে। মানে কি বঢ়াক লৈ ইমান চিন্তা কৰিছে! ড্ৰাগছ খোৱাক লৈ? মানে ড্ৰাগছৰ প্ৰচলন যে বাঢ়িছে, তাকে লৈ চিন্তা কৰিছে নেকি? নাই নহয়! হ'বই নোৱাৰে। কিয়নো সেইবোৰ চিন্তা মহাৰাজে কাকোৰে কৰিবলৈ দিয়া নাই, তেওঁ অকলেই তাৰ ঠিকা লৈ থৈছে। তেন্তে মহাৰাজৰ ভাইটিসৰে কি বঢ়াক লৈ ইমান চিন্তা কৰিছে? বস্তু-বাহানিৰ দাম বঢ়াক লৈ নেকি? নাই, সেয়া হ'ব নালাগে। কিয়নো সৌসিদিনা ৰাজমন্ত্ৰী এজনে ক্লিয়েৰ কৰি দিছে যে মানুহে বেছিকৈ খাইছে, গতিকে খোৱা বস্তুৰ দাম বাঢ়িছে। তেওঁ চাগে বহু খা-খবৰ লৈ এইষাৰ কথা কৈছে। বৰ্তমান হাফ লকডাউন চলি আছে। মানুহবোৰে বেছি সময় ঘৰত টাইম পাছ কৰিছে। কাম-বনো বৰ বিশেষ একো নাই। গতিকে খোৱা-বোৱাত পাৰ কৰিবলৈ বহু টাইম পাই গৈছে। কেৱল খায়ে আছে, খায়ে আছে। ইমান বেছিকৈ খালে খাদ্যবস্তুৰ দামতো বাঢ়িবই। ৰাজমন্ত্ৰীয়ে চাগে খিৰিকীৰে জুমি জুমি কোনে কিমান খাইছে তাৰে এটা হিচাপ কৰিয়ে এইষাৰ কথা কৈছে। কিমান ৰিস্ক লৈছে এনে এটা ষ্টেটমেণ্ট দিয়াৰ বাবদ? খিৰিকীৰে জুমি জুমি চাওতে যদি কোনোবাই 'চোৰ চোৰ' বুলি চিঞৰি দিলেহেঁতেন, তেতিয়া তেওঁৰ গাত পাব্লিক ঢুলাই নপৰিলেহেঁতেন নে? এনে এটা ডাঙৰ তথ্য উদঘাটন কৰিবলৈ তেওঁ 'অপনা ইজ্জত কো ভি দাৱ পে লগায়া!' ইয়াকে কয় দেশপ্ৰেমিক! মিছা নহয়, সব দেশপ্ৰেমিক।



পিছে আমাৰ সভাসদসকলে যে কিবা বঢ়া বুলি কৈ আছে, সেয়া দেশপ্ৰেমিক নহয়, দেশদ্ৰোহী বঢ়াৰ কথাহে কৈ আছে। খবৰটো সঁচা। পেপাৰতো ওলাইছে যে আমাৰ ষ্টেটত দেশদ্ৰোহীৰ কেছ বহুত। তাৰ মানে কি? মানেতো হ'ল— আমাৰ ষ্টেটত দেশদ্ৰোহী বাঢ়িছে। দেশদ্ৰোহী বঢ়াটো বৰ মামুলী কথা নহয়। তেলৰ দাম বাঢ়ক, কোনো কথা নাই। বস্তুৰ দাম বাঢ়ক, কোনো কথা নাই। কিন্তু দেশদ্ৰোহী যদি এনেকৈ বাঢ়ি থাকে, দেশখনেই দেখোন নোহোৱা হৈ যাব।

দুটামান ভাইটি মন্ত্ৰীয়ে ৰাজ দৰবাৰত সোমাল, ৰজাৰ লগত আলাপ কৰিলে আৰু ওলাই আহি সকলো সভাসদক সম্বোধি ক'লে, 'বন্ধুসকল! দাদাই মানে মহাৰাজে হুকুম দিছে আমি এটা এটাকৈ দেশদ্ৰোহী বাচি উলিয়াই ৰঙাঘৰত ভৰাব লাগিব। আৰম্ভ কৰা হওক অপাৰেছন দেশদ্ৰোহী!'

লগালগ দেশদ্ৰোহী বিচাৰি উলিওৱাৰ অপাৰেছন আৰম্ভ হৈ গ'ল। সকলো সভাসদে ভাগে ভাগে গুচি গ'ল বিভিন্ন জাগালৈ। লক্ষ্য-উদ্দেশ্য এটাই— দেশদ্ৰোহী বিচৰা। জাগাই জাগাই গৈ সভাসদবোৰে বিভিন্নজনক সুধিলে, 'এখন দেশত থাকি কোনে লাগিছে?' প্ৰজাজনে ক'লে, 'কি আৰু লাগিব? দুবেলা-দুমুঠিয়ে যোগাৰ নহয়।' ক'বলৈ পালেহে মাত্ৰ! লগালগ চিপাহী আহি গ'ল, লগালগ ৰঙাঘৰ।

আন এজনে ক'লে, 'তেলৰ দাম ইমান বাঢ়িছে! সৰ বস্তু সিজাই খাব লগা হৈছে।' আহি গ'ল চিপাহী! লগালগ ৰঙাঘৰ। আকৌ এজনে ক'লে, 'মেজিক আৰু কিমান চামহে! চাওতে চাওতে বিৰক্তি আহি গৈছে।' লগালগ ৰঙাঘৰৰ আলহী।

বেলেগ এজনে ক'লে, 'এইখন আৰু কিবা দেশ হ'ল নেকি? পৰীক্ষা নিদিয়াকৈও নম্বৰ পায়, তাকো পইচা দি!' কোনো কথা নাই। ৰঙাঘৰ! অন্য একে ক'লে, 'ভেকচিন বোলে এই বছৰতে দি শেষ কৰে। ক'তা! ভেকচিনৰ নামত পানীখিনিও নাই দেখোন।' কোনো কথা নাই, চিধাই ৰঙাঘৰ। এনেকৈ গৈ গৈ ৰঙাঘৰ দেশদ্ৰোহীৰে ভৰি পৰিল। প্ৰজাগণৰ মাজত আতংকৰ সৃষ্টি হ'ল। দুজনমান প্ৰজাই চালাকি কৰি ক'লে, 'যিখন দেশৰ ৰজা ইমান ভাল, সেইখন দেশক বেয়া পোৱাৰ কোনো কাৰণেই থাকিব নোৱাৰে।' এইবুলি তেওঁলোকে মহাৰাজ আৰু দিল্লীৰ বাদশ্বাহৰ গুণ-গানত ব্যস্ত হৈ গ'ল। তাতো ৰাজমন্ত্ৰীসৰৰ ভয় লাগিল, 'ইহঁতে দেখোন আমাৰেই ভাত মাৰিব ওলাইছে।' অকণো বিলম্ব নকৰি তেওঁলোককো পঠিয়াই দিয়া হ'ল ৰঙাঘৰলৈ।

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

# ৫১ লাখ টকাতো গৰাকীয়ে বিক্ৰী নকৰিলে 'টাইগাৰ'ক

ঈদ-উজ-জোহা উপলক্ষে এটা ছাগলীৰ বাবদ এক কোটি টকা দাম বিচাৰিলে গৰাকীয়ে। মহাৰাষ্ট্ৰৰ বুলধানা জিলাত এই ছাগলীটো ক্ৰয় কৰাৰ বাবে ক্ৰেতাই ৫১ লাখ টকা পৰ্যন্ত দিবলৈ ৰাজি হৈছিল। অথচ ইমান 'কম' মূল্যত গৰাকীয়ে 'আল্লা থকা ছাগলী'টো বিক্ৰী কৰিবলৈ সন্মত নহ'ল।



■ নিউজ ব্যুৰ'
**মুম্বাই, ২১ জুলাই ঃ** 'টাইগাৰ'ৰ মূল্য এক কোটি টকা। ঈদ-উল-জুহা উপলক্ষে এটা ছাগলীৰ বাবদ এক কোটি টকা দাম বিচাৰিলে গৰাকীয়ে। মহাৰাষ্ট্ৰৰ বুলধানা জিলাত এই ছাগলীটো ক্ৰয় কৰাৰ বাবে ক্ৰেতাই ৫১ লাখ টকা পৰ্যন্ত দিবলৈ ৰাজি হৈছিল। অথচ ইমান 'কম' মূল্যত গৰাকীয়ে 'আল্লা থকা ছাগলী'টো বিক্ৰী কৰিবলৈ সন্মত নহ'ল।

জন্মৰ পৰাই এই বিশেষ ছাগলীটোৰ গাত কিছুমান চিহ্ন থকাৰ বাবেই ইয়াৰ এনে আকাশলংঘী দাম হৈছে। আৰবী ভাষা 'আল্লা' বুলি লিখিলে যেনেকুৱা দেখিব, তেনেকুৱাই সেই চিহ্নসমূহ। তাৰ বাবেই এই ছাগলীৰ মূল্য ৰখা হৈছে এক কোটি টকা। উল্লেখ্য যে কুৰবানি ঈদৰ পূৰ্বে গোপালৰাও ছোহেল আৰু তেওঁৰ পুত্ৰ কপিল ছোহেলে 'টাইগাৰ' নামৰ এই ছাগলীটো আজমেৰৰ পৰা বিক্ৰীৰ বাবে মহাৰাষ্ট্ৰলৈ আনিছিল। তেওঁলোকে টাইগাৰক এক কোটি ৭৮৬ টকাত বিক্ৰী কৰিব বিচাৰিছিল। কিন্তু ৫১ লাখৰ অধিক মূল্য দিয়া কোনো ক্ৰেতা নোলাল। ফলত তেওঁলোকে পুনৰ ছাগলীটো আজমেৰলৈ ঘূৰাই নিবলগীয়া হয়। গোপালৰাৱে জনায় যে প্ৰথমে তেওঁ টাইগাৰৰ গুৰুত্ব বুজি পোৱা নাছিল। পাছত এজন মৌলানাই তেওঁক ইয়াৰ বিশেষত্বৰ বিষয়ে অৱগত কৰে। তেতিয়াই তেওঁ ঠিক কৰিছিল যে উপযুক্ত মূল্য পালেহে তেওঁ টাইগাৰক নিজৰ হাতৰ পৰা এৰি দিব। বক্ৰি ঈদৰ বাবে তেওঁলোকে টাইগাৰৰ উপৰি আৰু ৩০টা ছাগলী মহাৰাষ্ট্ৰলৈ আনিছিল। সেইবোৰৰ একোটাক ১৫ হেজাৰ বিনিময়ত বিক্ৰী কৰে। ছাগলীবোৰ ইমান দূৰলৈ অনাৰ যাতায়াত আৰু চোৰা-চিতাৰ বাবদ তেওঁলোকৰ পাঁচ লাখ টকা খৰচ হয়। ৩০টা ছাগলী বিক্ৰী কৰি তেওঁলোকে লাভ কৰে ছয় লাখ ৫০ হেজাৰ টকা। ঘূৰি যোৱাৰ খৰচ বাদ দিলে তেওঁলোকৰ লাভ থাকে ৪৫ হেজাৰ টকা। টাইগাৰৰ ক্ৰেতা পোৱা গ'লে লাভৰ অংকটো যথেষ্ট বেছি হ'লহেঁতেন। তাতে ৫১ লাখ টকাও কম নহয়। তথাপি কম দামত 'আল্লা ৱালা বখৰা' এৰি দিব নিবিচাৰে গোপালৰাৱে।

## ইণ্ডোৰত ১৭৫ কেজি ওজনৰ ছাগলী কোৰবানি

ইফালে, আজি ইন্দোৰত কুৰবানিৰ সময়ত বিশেষ দৃষ্টি আকৰ্ষণ কৰে এটা ছাগলীয়ে। ইন্দোৰৰ নিবাসী মঈন খান নামৰ লোকজনে জনোৱা মতে, তেওঁৰ ক'লা ছাগলীটোৰ ওজন হৈছে ১৭৫ কেজি আৰু ইয়াৰ মূল্য পাঁচ লাখ ৫০ হেজাৰ টকা। খানে লগতে কয় যে ইমান ওজন হোৱাৰ প্ৰধান কাৰণটো হ'ল ছাগলীটোৰ প্ৰধান খাদ্য হৈছে এলমণ্ড বাদাম, কিচমিচ আৰু কাজু বাদাম।

সংবাদ মাধ্যমৰ আগত খানে কয়, 'পঞ্জাৱ প্ৰজাতিৰ এই ক'লা ছাগলীটো প্ৰায় ১০ মাহ ধৰি প্ৰতিপালন কৰিছো। ইয়াৰ ওজন প্ৰায় ১৭৫ কেজি আৰু উচ্চতা প্ৰায় চাৰি ফুট। ক'লা ছাগলীটোৰ বাবে মানুহে মোক ৫.৫ লাখ টকা পৰ্যন্ত দিছিল, কিন্তু মই ইয়াক ১০ মাহ ধৰি প্ৰতিপালন কৰিছো আৰু ঈদ-উল-আধাৰ দিনা কুৰবানি দিম।' খানে লগতে কয় যে তেওঁৰ লগত প্ৰায় ১৫০ কেজিৰ আন এটা মুগা বৰণৰ ছাগলী আছে।

## মৃত্যুৰ আশংকাতো ভুগিছিল আমেৰিকাৰ এক মডেলে

# নিটোল নিতম্বৰ বাবে ব্যয় কে'বা লক্ষ ডলাৰ



■ নিউজ ব্যুৰ'
**ৱাশ্বিংটন, ২১ জুলাই ঃ** নিটোল নিতম্বৰ সন্ধান কৰি পানীত পেলালে লাখ লাখ ডলাৰ। অথচ নিতম্ব 'নিখুঁত' হোৱাটো দূৰৰে কথা, ওলোটাই প্ৰাণৰ আশংকা ভুগিবলগীয়া হৈছিল আমেৰিকাৰ এগৰাকী মডেলে। ডানি বেংকছ্ নামৰ এই মডেলগৰাকীয়ে সম্প্ৰতি নিজৰ দুৰ্গতিৰ কথা সদৰী কৰিছে। আমেৰিকাৰ এক জনপ্ৰিয় ৰিয়েলিটী টিভি ছিৰিজত নিতম্বক কেন্দ্ৰ কৰি 'পৰীক্ষা-নিৰীক্ষা'ৰ সময়ত ডানিয়ে নিজৰ কাহিনী জানিবলৈ দিয়ে। মডেলগৰাকীয়ে জনাইছে যে নিতম্ব নিখুঁত কৰাৰ বাবে তেওঁ বছৰৰ পাছত বছৰ ধৰি অস্ত্ৰোপচাৰ কৰিছিল বা বেজি ল'বলগীয়া হৈছিল। অথচ এই কাৰ্যত মুঠ সাত হেজাৰ ৩০৯ পাউণ্ড (ভাৰতীয় মুদ্ৰাত প্ৰায় সাত লাখ ৪৬ হেজাৰ ৭৬৮ টকা) ব্যয় হ'লেও নিজৰ পছন্দৰ নিতম্ব তেওঁ লাভ কৰিব নোৱাৰিলে। ডানিয়ে লগতে কয় যে এতিয়া তেওঁৰ নিতম্বত 'খুঁত' থাকি গ'ল। ২১ বছৰীয়া মডেল ডানিৰ ইনষ্টাগ্ৰামত ৬০ লাখ ৫০ হেজাৰৰো অধিক অনুগামী আছে। সকলো অনুগামীক সকলো কথা তেওঁ মুকলিভাৱে জনাইছে। ৰিয়েলিটী শ্ব'ৰ দুই প্লাষ্টিক ছাৰ্জন পল নাছিফ আৰু টেৰী ডাবৰোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ ডানিয়ে সদৰী কৰিছে আৰু ভয়ংকৰ তথ্য। নিতম্ব নিটোল কৰাৰ চেষ্টাত তেওঁৰ মৃত্যুৰ আশংকাও সৃষ্টি হৈছিল। ডানিয়ে কয় যে নিজে তৈয়াৰ কৰা পোছাক বজাৰত মুকলি কৰাৰ পাছতে প্ৰথমবাৰ ধাৰণা হৈছিল যে তেওঁৰ শৰীৰৰ গঠন 'নিখুঁত' নহয়। বিশেষকৈ নিতম্বত 'খুঁত' আছে। সেয়ে তেওঁ নিতম্বৰ খুঁত দূৰ কৰাৰ উপায়ো বিচাৰি উলিয়ায়। ২০১৪ত 'নিখুঁত' নিতম্বৰ বাবে তেওঁ হাইড্ৰ'জেন বেজি লয়। যাৰ বাবে ভাৰতীয় মুদ্ৰাত প্ৰায় দুই লাখ তিনি হেজাৰ ৫৬০ টকা খৰচ হৈছিল। ডানিয়ে কয়, 'মোৰ গালৰ দুফালে দুটা ফুটা কৰি ডাঙৰ ডাঙৰ ছিৰিঞ্জ ভৰাই দিয়া হৈছিল।' ইয়াৰ পাছতো তেওঁ আশানুৰূপ ফল নাপালে। ফলত পৰৱৰ্তী কিছু বছৰতো নিতম্বত বেজিৰ পৰা আৰম্ভ কৰি প্লাষ্টিক ছাৰ্জাৰীও কৰাইছিল তেওঁ। অৱশ্যে অতি ব্যয়সাপেক্ষ ব্ৰাজিলীয় পদ্ধতিৰ পৰিৱৰ্তে এখন মেডিকেল স্পাৰ বেছমেণ্টত সেইবোৰ কৰা হৈছিল।

ডানিৰ কথা শুনি টিভি অনুষ্ঠানৰ ছাৰ্জন দ্বয় আতংকিত হৈ পৰিছিল। তেওঁলোকে কয়, 'এই ধৰণৰ বেআইনী বেজি লোৱাটো অত্যন্ত বিপজ্জনক। কাৰণ নিতম্বৰ ৰক্তবাহী নলীসমূহৰ পৰা প্ৰধান সিৰা (যি হৃদযন্ত্ৰ আৰু হাওঁফাওঁলৈ তেজ বোৱাই নিয়ে)ৰ দূৰত্ব কম হোৱাত তাত চৰ্বি প্ৰৱেশ কৰালে, সেই চৰ্বি হাওঁফাওঁত প্ৰৱেশ কৰিব পাৰে আৰু সেয়া হ'লেই খেল শেষ।' তেওঁলোকে লগতে ডানিক এই ধৰণৰ অস্ত্ৰোপচাৰ নকৰোৱাৰো পৰামৰ্শ দিয়ে। সকলো শুনি এগৰাকী বাধ্য ছোৱালীৰ দৰে ডানিয়ে কয়, 'চিকিৎসকৰ কথাত বহু বিষয়েই স্পষ্ট হ'ল। খুঁতবোৰ ঠিক কৰিবলৈ ভৱিষ্যতেও হয়তো উপায় বিচাৰিব লাগিব।'

# ঘৰৰ বাৰাণ্ডাত চিপচ-চকলেট বেচি জীৱন নিৰ্বাহ অভিনেতা সুৰেশৰ

## শিল্পী পেঞ্চনৰ পৰা বঞ্চিত অভিনেতা হ'ল দোকানী



অগ্ৰদূত বাৰ্তা
**টিহু, ২১ জুলাই ঃ** কৰ'নাসৃষ্ট ভয়াৱহ পৰিস্থিতিত কলা-সংস্কৃতিক প্ৰাণৱন্ত কৰি ৰখা ৰাজ্যৰ ভ্ৰাম্যমাণ থিয়েটাৰসমূহ নিশ্চিহ্ন হোৱাৰ উপক্ৰম ঘটিছে। ফলত ইয়াৰ লগত জড়িত শিল্পী, কলা-কুশলীসকলৰ জীৱনত অভাৱনীয় পৰিৱৰ্তন ঘটাই নহয়, জীৱন-নিৰ্বাহৰ সমস্যাই গা কৰি উঠিছে। আনকি বহুতো শিল্পী, অভিনেতা, কলা-কুশলীয়ে জীৱনত কল্পনা নকৰা কিছুমান কাম-কাজ কৰি জীৱিকা নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে। তেনে এজন অভিনেতাৰ নিজৰ জীৱিকা সলনি কৰি দিয়া এক অবাঞ্ছিত ঘটনাই সাংস্কৃতিক মহলক উদ্বিগ্ন কৰিছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ এসময়ৰ মঞ্চ সফল অভিনেতা সুৰেশ ভাগৱতীয়ে। কৰ'নাসৃষ্ট পৰিস্থিতিৰ বাবেই সম্প্ৰতি তেওঁ নিজ ঘৰৰ বাৰাণ্ডাত এখন সাধাৰণ দোকান দি জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈছে। সাম্প্ৰতিক পৰিস্থিতিৰ তাগিদাত আৰ্থিক সংকটৰ পৰা ৰক্ষা পাবলৈ পাণ, তামোল, চিগাৰেট, চাধা, চিপচ, চকলেট আদি বেচি জীয়াই থকাৰ সংগ্ৰাম কৰিব লগা হৈছে শিল্পী ভাগৱতীয়ে। টিহুৰ ৰণাকুছি-হেলচাপাৰা গাঁৱৰ ভাগৱতী অভিনয়ৰ প্ৰতি থকা প্ৰবল হেঁপাহৰ বাবে শিক্ষা জীৱন আধাতে সামৰি ১৯৭৬ ৰ পৰা অভিনয়ৰ লগত জড়িত হৈ অপেছাদাৰী নাট্য দলৰ লগত নিজ অঞ্চলৰ লগতে উত্তৰ গুৱাহাটী, ৰবীন্দ্ৰ ভৱন, জিলা পুথিভঁৰাল, শিল্পগ্ৰাম আদিত বিভিন্ন নাটকত অভিনয় কৰে। আনকি জয়ন্ত দাসৰ পৰিচালনাত 'মহানায়ক' নামৰ টেলিনাটক এখনতো অভিনয় কৰে। পাছত ১৯৮৪ত অনিৰ্বাণ থিয়েটাৰত অভিনেতাৰূপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ ৰংঘৰ থিয়েটাৰ, আৱাহন থিয়েটাৰ আদিৰ মঞ্চত সফল অভিনয় কৰি অসমৰ পাহাৰে-ভৈয়ামে, চহৰে-নগৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। ভাগৱতীয়ে কুশল কোঁৱৰ, কনকলতা, চাৰ্কাছৰ বাঘিনী, শেৱালি, অগ্নিশিখা, কালমেঘ, ভক্তধ্ৰুৱ, কালাপাহাৰ, মল্লিকা, দেৱতা, অজগৰ, কালচক্ৰ, মদ্ভাগৱত গীতা, জন্মভূমি, গৃহস্থ-চাকৰ-কুকুৰ আদি বিভিন্ন নাটকত অভিনয় কৰি সুনাম অৰ্জন কৰিছিল। অভিনয় জীৱনত তেওঁ প্ৰাঞ্জল শইকীয়া, হেমন্ত দত্ত, জীৱেশ্বৰ ডেকা, সুৰেন মহন্ত, তৌফিক ৰহমান, ভবেন বৰুৱা, সেৱাব্ৰত বৰুৱা, ড° ভৱেন্দ্ৰ নাথ শইকীয়া, ৰেবা ফুকন, জুৰি শৰ্মা, ধৰণী বৰ্মন, মোক্তাব আলী, কৃষ্ণ নাথ, এম হুছেইন আদি বৰেণ্য নাট্যকাৰসকলৰ সান্নিধ্য লাভ কৰে আৰু অৰ্ধশতাধিক কালজয়ী নাটত অভিনয় কৰে। কিন্তু কাল কৰ'নাৰ ভয়াৱহ পৰিস্থিতিৰ উপায়ান্তৰ হৈ ২০১৯ত শিল্পীজনে জীয়াই থকাৰ তাড়নাত ঘৰতে দোকান দি পৰিয়ালক পোহপাল দিয়ে। শিল্পীজনৰ এন দুখময় জীৱন সংগ্ৰামে শেহতীয়াভাৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। এজন শিল্পীৰ এনে দুৰৱস্থা হোৱাত স্বাভাৱিকতে উদ্বিগ্ন হৈ পৰিছে সাংস্কৃতিক মহল। ভাগৱতীয়ে শিল্পী পেঞ্চনৰ বাবে কে'বাবাৰো আবেদন-নিবেদন কৰিও সুফল পোৱা নাই।



# বহিঃৰাজ্যলৈ ৰপ্তানি হ'ল শোণিতপুৰৰ কৃষকে উৎপাদন কৰা ফলমূল

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ২১ জুলাই ঃ** অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প 'এপাৰ্ট' শোণিতপুৰে লোৱা বিশেষ পদক্ষেপৰ অংশ হিচাপে আজি এপাৰ্ট আৰু বালিপৰাৰ নৱমিলন কৃষি উৎপাদক কোম্পানী লিমিটেডৰ উদ্যোগত আয়োজন কৰা এক কাৰ্যসূচীত উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে জিলাখনৰ চাৰিদুৱাৰৰ কৃষকসকলে উৎপাদন কৰা আনাৰস, নেমু আৰু কঠাল প্ৰথমবাৰৰ বাবে ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কাৰ্যৰ আৰম্ভ কৰে। উল্লেখ্য যে এই কাৰ্যসূচীৰে আজি চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কৃষকৰ দ্বাৰা উৎপাদিত ১৫০টা আনাৰস, চাৰিশটা নেমু আৰু ২৫টা কঠাল হায়দৰাবাদলৈ আৰু ৫০টা আনাৰস নতুন দিল্লীলৈ পঠিওৱাৰ ব্যৱস্থা কৰা হয়। জিলাখনৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ফুলবাৰী গাৰো গাঁও, সোণাই পাম আৰু চটাই আদি উদ্যান শস্যৰ বাবে বিখ্যাত। ইয়াত বিশেষকৈ আনাৰস, নেমু, কঠাল যথেষ্ট পৰিমাণে উৎপাদন হয়। কৃষকসকলৰ উৎপাদিত ফলমূলসমূহ আন্তৰ্জাতিক বজাৰৰ লগত সম্পৰ্ক স্থাপন কৰি অধিক বিক্ৰী মূল্য পোৱাৰ বাবে অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্প শোণিতপুৰ জিলাৰ উদ্যোগত আৰু নৱমিলন কৃষি উৎপাদক কোম্পানী লিমিটেড, বালিপৰাৰ সহযোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। উপায়ুক্তই নৱমিলন কৃষি উৎপাদক কোম্পানী লিমিটেডে এপাৰ্টৰ সহযোগত স্থাপন কৰা ধান কেফেটেৰিয়া আৰু আদা শুকোৱা ইউনিট পৰিদৰ্শন কৰে। ইপিনে, ইয়াত ১১ বিধ ধানৰ খেতিও পৰীক্ষামূলকভাৱে কৰা হৈছে। আজিৰ এই অনুষ্ঠানত জিলা কৃষি বিষয়া প্ৰকাশ বৰা, চক্ৰ বিষয়া অদিতি গগৈ, কৃষি বিভাগৰ সহকাৰী সঞ্চালক হৰেশ্বৰ দাস আৰু কৃষি বিভাগৰ অন্যান্য বিষয়াৰ লগতে এপাৰ্টৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# হেৰ'ইনসহ ধৃত দুই ঃ মটৰ চাইকেল, নগদ ধন জব্দ

অগ্ৰদূত বাৰ্তা
**হাজো, ২১ জুলাই ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত বাগটাত আজি দুপৰীয়া ৰাইজে দুজন হেৰ'ইন সৰবৰাহকাৰীক কৰায়ত্ত কৰি হাজো আৰক্ষীক গতাই দিয়ে। ধৃত দুজন হ'ল হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৰুৱাবাৰীত ভৃগু দাস (২১) আৰু অভিজিৎ কলিতা (২৪)। আজি দুপৰীয়া বৰম্বে দিশৰ পৰা বাগটা চ'কলৈ চাৰিখন মটৰ চাইকেলত আঠজন যুৱক আহি উপস্থিত হয়। কিছু সময় পাছত যুৱককেইজনৰ মাজত কাজিয়া হোৱাত স্থানীয় লোকে দেখা পাই ওচৰলৈ যোৱাত কেইজনমান যুৱকে পলায়ন কৰে। পাছত স্থানীয় লোকে ড্ৰাগছৰ টকাৰ বাবে তেওঁলোকৰ মাজত কাজিয়া হোৱা বুলি জানিব পাৰি দুজন যুৱকক আবদ্ধ কৰি হাজো আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ভৃগু আৰু অভিজিতক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা এ এছ-০১ ই বি-২৭৮৭ নম্বৰৰ মটৰ চাইকেল, ৫০ গ্ৰাম হেৰ'ইন আৰু ৯,৫০০ টকা জব্দ কৰে।



# কেঁচা চাহপাতৰ অভাৱনীয় মূল্য হ্ৰাস

## সমস্যাত ক্ষুদ্ৰ চাহ খেতিয়ক ঃ গোলাঘাটৰ বিভিন্ন স্থানৰ কৃষকে পানীৰ দৰত বিক্ৰী কৰিব লগা হৈছে কেঁচাপাত

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ২১ জুলাই ঃ** কৰ'না মহামাৰীৰ ভয়াৱহতাৰ সময়ত কেঁচা চাহপাতৰ অভাৱনীয় মূল্য হ্ৰাস হোৱাত ৰাজ্যৰ আন ঠাইৰ লগতে গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ ক্ষুদ্ৰ চাহ খেতিয়কসকল সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। মাৰ্চ-এপ্ৰিলত কেঁচা চাহপাতৰ মূল্য ৩৫-৪০ টকা হোৱাৰ বিপৰীতে কেঁচাপাতৰ উৎপাদন বৃদ্ধি পাই অহাত বৰ্তমান ১২-১৩ টকা পানীৰ দৰত কৃষকে কেঁচাপাত বিক্ৰী কৰিব লগা হৈছে। উল্লেখ্য যে ৰাসায়নিক সাৰ, কীটনাশক ঔষধ, ভিটামিনৰ আকাশলংঘী মূল্যবৃদ্ধি, শ্ৰমিকৰ মজুৰি বৃদ্ধি আদি বিভিন্ন সমস্যাত এতিয়া ক্ষুদ্ৰ চাহ খেতিয়কে মূৰে-কপালে হাত দিব লগা হৈছে। বৰ্তমান প্ৰতিকিলো কেঁচাপাত তোলাৰ বাবদ কৃষকে শ্ৰমিকসকলক পাঁচ টকা দিব লাগে। বাকী সাৰ প্ৰয়োগ, কীটনাশক প্ৰয়োগ, বাগিচা চাফ চিকুণ কৰা আদিত খৰচ কৰি ১২-১৩ টকা দৰত কেঁচাপাত বিক্ৰী কৰি মূৰকত কৃষকে এপইচাও লাভৰ মুখ দেখা নাই। ইফালে, বৰ্তমান প্ৰতিকূল পৰিস্থিতিত বৃহৎ চাহ কোম্পানীসমূহে বিভিন্ন অজুহাত দেখুৱাই কেঁচাপাত ক্ৰয় নকৰি দিনে-দিনে কেঁচাপাতৰ মূল্য হ্ৰাস কৰাৰ সুযোগ গ্ৰহণ কৰি কৃষকক টেঁটু চেপা দিছে। ইয়াৰ মাজতে আন একাংশ মধ্যভোগী ব্যৱসায়ীয়েও কেঁচা চাহপাত ফেক্টৰীসমূহে ক্ৰয় নকৰাৰ অজুহাত দেখুৱাই কৃষকসকলক বঞ্চনা কৰি অহা বুলিও বিভিন্ন সময়ত অভিযোগ উত্থাপন হৈ আহিছে। কৃষকসকলে কপালৰ ঘাম মাটিত পেলাই অনেক কষ্টৰ মাজেৰে উৎপাদন কৰা কেঁচাপাত বিক্ৰী কৰি এতিয়া পৰিয়াল পোহপাল দিবলৈ আৰু শ্ৰমিকসকলক মজুৰি দিবলৈ সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এনে সমস্যাক লৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলে বিগত দিনত আন্দোলন, ধৰ্মঘট আদি গণতান্ত্ৰিক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে যদিও কোনো ফল ধৰা নাই। চৰকাৰে প্ৰকৃত সদিচ্ছাৰে আৰু গঠনমূলক চিন্তা-চৰ্চাৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ এই জ্বলন্ত সমস্যাটোৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলে চৰকাৰক দাবী জনাইছে।



# ক'ভিড প্ৰট'কল মানি তেজপুৰত ঈদৰ নামাজ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ২১ জুলাই ঃ** কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে শোণিতপুৰত অব্যাহত থকা সম্পূৰ্ণ কণ্টেইনমেণ্ট জিলাৰ বন্ধৰ মাজতে উদযাপিত হ'ল ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ ঈদ-উজ-জোহা। পুৱা চৰকাৰী নিৰ্দেশ পালন কৰি ইছলাম ধৰ্মাৱলম্বী লোকসকলে নিজ নিজ ঘৰতে ঈদৰ নামাজ পঢ়ে। আজি পুৱা তেজপুৰৰ বৰ মছজিদসহ বিভিন্ন অঞ্চলৰ মছজিদসমূহত ক'ভিড প্ৰট'কল অনুসৰি দুই-চাৰিজন লোকৰ উপস্থিতিত নামাজ পঢ়াৰ বিপৰীতে বাকীসকলে ঘৰে ঘৰে নামাজ পঢ়ে। পৰিয়ালৰ সদস্যসকলে একেলগে ক'ভিড নিয়ম পালনৰে এই নামাজ পঢ়াৰ লগতে বিশ্বৰ বিভিন্ন ধৰ্মৰ প্ৰৱৰ্তক তথা ধৰ্মগুৰুসকলেও এনে মহামাৰীৰ সময়ত ইজনৰ পৰা সিজনক দূৰত্ব বজাই ৰখা তথা যাতায়াত বন্ধ ৰাখিবলৈ দিয়াৰ নজিৰ আছে বুলিও প্ৰকাশ কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com